প্ৰভাত।

যোৰহাট নৰ্ম্মাল স্কুলৰ আলোচনী কাকত।

আত্ম বলম্ পৰম বলম্।

১৭ শ খণ্ড ১ম সংখ্যা	১৮৫৭ শক।	সমস্ত সংখ্যা—৬৫

কবি।

কবি! তোমাক বাৰু কোন 'পৰী'য়ে
পিয়ালে অমিয়া 'চিৰাজী' পান?
কোন স্বৰগৰ মলয়-বায়ত
বাজিল প্ৰাণত বীণাৰ তান?
কোন সন্ধিয়া-বিজন-বনত,
পূৰক চন্দ্ৰৰ ওলাল হাঁহি?
কোন ৰূপহীৰ স্নিগ্ধ পৰ্শত,
মুঞ্জৰিল সি প্ৰাণত বাঁহী?
তুমি— কিয় বাৰু সান্ধ্য-গগণ
চকুৰ লোৰে বুৰাই দিয়া?
কোন কুটুমৰ বিৰহ-ব্যথাত
দগ্ধ হল সি কুসুম হিয়া?
আৰু— কোননো সিটি ফুল কুঁৱৰী
গালত সানি গোলাপী ৰাগ
আকুল-তৃষ্ণাত-তোমাৰ-হিয়াত
ঢালি দিলেহি ৰূপৰ দাগ?

তোমাৰ— সেই ৰূপহীৰ বাহুৰ বেৰত
কোমল বুকু বিগলিত।
নয়ন বাৰিত ৰূপৰ ছবি
কণ্ঠত শবদ সুললিত॥
কবানে?— কোন সিটি তব হৃদয়-বাণী
পৰাণ-বীণাত আঙুলি বায়।
গগণ-পবন. বিশ্ব-সুৰত,
ৰেশমী 'ফৰান' উৰাই যায়॥
আৰু— বেণুৰে বেণুৰে তযু সি প্ৰিয়াৰ
ৰূপৰ ৰহণ উৰি যায়।
তোমাৰ হিয়াত ঘন-বিজুলীৰ
তিৰ্-বিৰ্ প্ৰণয় পোহৰ বয়॥
হায়! মৰু-বিশ্বৰ-প্ৰেম-চিৰাজী—
তেওঁৰে হাতত; পূৰ্ণ ঘঁট।
মোৰ ই প্ৰাণক পিয়াবনে?
দেখাবনে মোহন পট?

মহম্মদ ইব্ৰাহীম আলী।

ভাষাত স্বৰৰ প্ৰভাৱ।

শ্ৰীযুত জয়কৃষ্ণ মিশ্ৰ এম, এ।

সকলো ভাষাতে বিশেষ বিশেষ ৰকমৰ স্বৰ পদ্ধতি আছে। পদবিলাকৰ উচ্চাৰণৰ সময়ত কোনো পদাংশৰ ওপৰত যি এটা বিশেষ ঠেলা বা জোৰৰ প্ৰয়োগ হয় তাকে স্বৰ (Accent.) বোলা হয়। এই স্বৰ দুইবিধ— সুৰীয়া (Pitch) আৰু ঠেলা মাৰা (Stress)। বৈদিক আৰু গ্ৰীক ভাষাত সুৰীয়া স্বৰৰ প্ৰয়োগ দেখা যায় আৰু অসমীয়া, ইংৰাজী, বঙ্গলা প্ৰভৃতি ভাষাত ঠেলামাৰা স্বৰৰ প্ৰয়োগ কৰা হয়। সংস্কৃতত স্বৰৰ প্ৰয়োগ নাই কেৱল মাত্ৰাৰহে প্ৰয়োগ দেখা যায়। পদবিলাকৰ বেলেগ বেলেগ অক্ষ্ৰতিবিলাকত স্বৰৰ বেলেগ বেলেগ প্ৰয়োগ দেখা যায়। কিছুমান শব্দ স্বৰ প্ৰয়োগৰ পৰিৱৰ্ত্তন অনুসৰি ভিন্নাৰ্থক হৈ পৰাও দেখা যায়। যেনে ইংৰাজী Abstract. পদৰ প্ৰথম পদাংশত ঠেলা পৰিলে ই বিশেষণ হয় আৰু দ্বিতীয় পদাংশত (Abstract) ঠেলা পৰিলে ই ক্ৰিয়া হৈ পৰে। সেইদৰে Present আৰু Present, August আৰু August প্ৰভৃতিৰো স্বৰ প্ৰয়োগ অনুসৰি অৰ্থৰ বিভিন্নতা হৈছে।

কেতিয়াবা স্বৰৰ বলত কোনো পদাংশ চুটি হৈ যায় আৰু সময় বিশেষে পদাংশৰ লোপো হয়। যেনে Victory, History প্ৰভৃতি পদৰ আদি অংশত ঠেলা পৰাত শেষাংশ তেনেই চুটি হৈ নোহোৱাৰ নিচিনা হৈছে; কিন্তু আনফালে Victorious, Historian প্ৰভৃতি পদত মধ্যাংশত ঠেলা পৰাত বেলেগ উচ্চাৰণ হৈছে। অসমীয়া পদবোৰৰো ঠাই বিশেষত বেলেগ আকৃতি পোৱাৰ কাৰণ স্বৰ স্থাপন। যেনে "নোৱাৰে" পদটোৰ আদি অংশত ঠেলা পৰাৰ বাবে কামৰূপত "ন'ৰে" এই উচ্চাৰণ হয়। "ৰাৱিষা" পদটোৰ আদি ভাগত ঠেলা পৰাত 'ই'টো আগবৈ আহি "ৰাইৰ্‌ষা" এনেকুৱা উচ্চাৰণ হল। তেনেকৈ কৰিছে—কইছে,— কইছে—ক'ৰ্চ্ছে, আৰু বটুৱা—ব'উটা প্ৰভৃতি। এনেকুৱা স্বৰৰ বলত ইকাৰ আৰু উকাৰৰ অগ্ৰোচ্চাৰণক ভাষা বিজ্ঞানত অভিশ্ৰুতি (Umlaut) নাম দিয়া হৈছে। ইয়াৰ বিস্তৰ উদাহৰণ আছে। পাঠকসকলে বিচাৰ কৰি লব। কেতিয়াবা স্বৰৰ ঠেলাত পদাংশৰ লোপো হয়। অসমীয়া পদত তেনে উদাহৰণ ৰবকৈ নাই। ইংৰাজীত Almesse শব্দটো Alms, Withdrawing room শব্দটো Drawing room, Furrow long শব্দটো Fur long, Fourteennighit শব্দটো Fortnight হোৱাৰ কাৰণ স্বৰৰ ঠেলা কোনো এক অংশৰ ওপৰত ঠেলাটো কিছু জোৰকৈ লগাৰ বাবে আন এক অংশৰ লোপ হয়।

ওপৰত কোৱা হৈছে যে সংস্কৃত ভাষাত স্বৰৰ বিশেষত্ব নাই; মাত্ৰা ৰাখি শব্দৰ উচ্চাৰণ হয়। কিন্তু বৈদিক ভাষাত স্বৰৰ আয়োজন সম্পূৰ্ণভাৱে আছে। শব্দৰ উচ্চাৰণত স্বৰ ভুল হলে অৰ্থৰ লৰচৰ হয়। মন্ত্ৰবিলাকত স্বৰৰ ভুল উচ্চাৰণ হলে মন্ত্ৰে ভাল ফল নিদি যজমানকহে হিংসা কৰে। এটা কথা আছে যে ত্বষ্টাই ইন্দ্ৰক বধ কৰা পুত্ৰ পাবলৈ এটা যজ্ঞ পাতিলে। তাত আহুতি দিবৰ সময়ত দেৱসকলৰ অনুৰোধত সৰস্বতী দেৱীয়ে ত্বষ্টাৰ কণ্ঠত উপস্থিত হৈ ইন্দ্ৰশত্ৰু পদটোৰ বহুব্ৰীহি সমাসৰ স্বৰত উচ্চাৰণ কৰাই দিলে। তেতিয়া ইন্দ্ৰহন্তা পুত্ৰ নোপাই ইন্দ্ৰৰ হাতত মৰিবলগা বৃত্ৰাসুৰৰ উদ্ভৱ হল। উচ্চাৰণটোত তৎপুৰুষৰ স্বৰ হলে

ইন্দ্ৰস্যশত্ৰুঃ ইন্দ্ৰশত্ৰুঃ ইন্দ্ৰক যি মাৰিব এই অৰ্থ প্ৰকাশ পায়। কিন্তু বহুব্ৰীহি স্বৰ হলে ইন্দ্ৰঃ শত্ৰুঃ যস্য ইন্দ্ৰশত্ৰুঃ ইন্দ্ৰে যাক মাৰিব এই অৰ্থ হয়। সংস্কৃত ভাষা বৈদিক ভাষাৰ পৰা ওলোৱা; গতিকে সংস্কৃত পদবোৰ বিভিন্নৰূপবিলাক স্বৰানুগতযদিও উচ্চাৰণত স্বৰৰ বিশেষত্ব নাই। বৈদিক স্বৰ তিনি প্ৰকাৰৰ— উদাত্ত, অনুদাত্ত, আৰু স্বৰিত। উচ্চলয়যুক্ত স্বৰ উদাত্ত, নীচলয়যুক্ত স্বৰ অনুদাত্ত আৰু যি স্বৰ উদাত্তত্বৈকেও উচ্চলয়ত আৰম্ভ হৈ অনুদাত্তত্বৈকেও নীচলয়ত পৰে তাৰ নাম স্বৰিত। বেচি ভাগ সংস্কৃত তিঙন্ত আৰু সুবন্ত পদৰ ৰূপৰ বৈষম্যৰ মূলত স্বৰ প্ৰয়োগ। দুই এটা সাধাৰণ উদাহৰণ দিয়া যাওক। সুপ্ বিভক্তি ২১ টা। ইয়াৰে প্ৰথম পাঁচটাৰ নাম সৰ্ব্বনামস্থান। বাকী-বিলাক অসৰ্ব্বনামস্থান। সৰ্ব্বনামস্থান বিভক্তি কেইটাত উদাত্ত স্বৰ পৰে আৰু বাকীবিলাকত নপৰে। সেই দেখি সৰ্ব্বনামস্থান বিভক্তিত ৰাজন্ প্ৰভৃতি শব্দৰ ৰূপ একৰকম হয় আৰু বাকীবিলাকত অন্য ৰকম হয়। ৰাজা, ৰাজানৌ, ৰাজানঃ, ৰাজানম্, ৰাজানৌ এই পৰ্য্যন্ত বিভক্তিৰ ওপৰত উদাত্ত স্বৰ পৰিছে; কিন্তু ৰাজ্ঞঃ, ৰাজ্ঞা প্ৰভৃতিত পদৰ আদিত পৰি শেষৰ অংশটো ওপৰত কোৱা History, Victory প্ৰভৃতি পদৰ শেষাংশৰ নিচিনা লুপ্ত হৈছে। আকৌ মুদ্ ধাতুৰ "মোদতে" ৰূপ হয় কিন্তু তুদ্ ধাতুৰ "তুদতি" আৰু "তুদতে" হে হয়। তাৰ কাৰণ মুদ্ ধাতুৰ আদি অংশত স্বৰৰ ঠেলা পৰি 'উ' কাৰত 'ও' কাৰ হল কিন্তু তুদ্ ধাতুৰ বিকৰণত স্বৰৰ ঠেলা পৰা বাবে তেনেই বল। ভ্বাদি ধাতুৰ বিকৰণ অনুদাত্ত আৰু তুদাদি ধাতুৰ বিকৰণ উদাত্ত। সংস্কৃত ব্যাকৰণৰ গুণ, বৃদ্ধি, সম্প্ৰসাৰণ প্ৰভৃতিৰ ব্যৱস্থা স্বৰ অনুসাৰে হয়। গুণ বৃদ্ধিৰ ব্যাখ্যা অনাৱশ্যক। য, ৱ, আৰু ৰ ৰ ঠাইত ই, উ, আৰু ঋ হোৱাৰ নাম সম্প্ৰসাৰণ। যজ্ ধাতুৰ যজতে ৰূপ হয় কৰ্ত্তৃবাচ্যত কিন্তু কৰ্ম্মবাচ্যত ইজ্যতে হয়; তাৰ কাৰণ কৰ্ম্মবাচ্যত যকাৰৰ ওপৰত উদাত্ত পৰে সেই দেখি আদি য আখৰটো কোঁচ খাই ই হৈ পৰে। তেনেকৈ বচ্ ধাতুৰ উচ্যতে আৰু গ্ৰহ ধাতুৰ গৃহ্যতে হয়।

ওপৰৰ উদাহৰণবিলাকৰ পৰা এইটো স্পষ্ট হব যে পদবিলাকৰ নানা প্ৰকৃতি স্বৰৰ ঠেলাত হয়। শব্দ-আলোচনা কৰিব লাগিলে কোন শব্দৰ কোন ঠাইত স্বৰৰ ঠেলা পৰে তাক জানিব লাগিব। আন ভাষাত কথা কব লাগিলে স্বৰৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিলেহে শুদ্ধ উচ্চাৰণ হব। অসমীয়া ভাষাৰ শব্দবিলাকৰ সাধন প্ৰণালীৰ লগত সিবিলাকৰ স্বৰ প্ৰক্ৰিয়াৰ যোগ কিমান দূৰ আছে সেইটো আলোচ্য বিষয়। আমি ওপৰত সেই বিষয়ে এটা পদ্ধতি দেখুৱাই দিলোঁ। পাঠকসকলে যেন এনেকুৱা পদ্ধতিৰে শব্দ বিচাৰ কৰে।

প্ৰাৰ্থনা।

(১)

কিহেৰে পুজিম প্ৰভু!
অধমে তোমাক?
দিয়া যেন দয়া কৰি
গিয়ান্ আমাক;

হিয়াত তাকেই থাপি
পূজিম তোমাক—
ধন-বিত্ত একো দিব
নালাগে আমাক।
(২)
সংসাৰ-ক্ষেত্ৰৰ এই
সু-দূৰ বাটত,
কৰিছোঁ বহুতো দোষ
তোমাৰ পাৱত—
থাকিও দুচকু মোৰ
সুন্দৰ-দেহত,
নিচিনো কোনটি বাট *
মায়া-সংসাৰত।
(৩)
দিয়াঁ প্ৰভু অজ্ঞানক
কণা মাত্ৰ জ্যোতি;
কৰিব পাৰিম যাতে
চৰণত স্তুতি—
পাতকী-মানৱ বুলি
নকৰিবা ঘিণ—
যি পাৰোঁ শক্তিৰে প্ৰভু!
তোমাক পূজিম।
শ্ৰীগজেন্দ্ৰ নাথ চহৰীয়া।

উদ্ভিদ।

শ্ৰীযুত মাধৱ চন্দ্ৰ দাস এম, এচ্, চি।

মাটি ফুটি ওলাই বুলিয়েই গছক উদ্ভিদ বোলে। কিন্তু পৃথিবীৰ ভিতৰত এনে কিছুমান গছো আছে যিবোৰৰ লগত মাটিৰ কোনো সম্বন্ধ নাই। গছ বুলিলেই আম, কঠাল, নাৰিকল, লাও, কোমোৰা প্ৰভৃতিৰ কথা মনলৈ আহে। কিন্তু আন দেশৰতো কথাই নাই আমাৰ দেশতে কিমানবোৰ গছ আছে বৰ্ণাই অন্ত কৰিব নোৱাৰি। আম, তেতেলী, বট আদি গছ যিমান ওখ হয় সেইদৰে সিহঁতৰ ঠাৰি-পাতো অনেক বেচি থাকে আৰু বহু ঠাই নিয়পে! এইবোৰ গছ অতি সহজতে আমাৰ নজৰত পৰে। কিন্তু পৃথিবীৰ ভিতৰত এনে কিছুমান গছো আছে যাক চকুৰে দেখাতো দূৰৰে কথা অনুবীক্ষণ যন্ত্ৰৰ সহায়তো দেখা কঠিন হয়। সাধাৰণতে আমি দেখো যে গছত পাত হয়, ফুল হয়, ফল হয়, গছৰ বং সেউজীয়া হয়। কিন্তু এনেবোৰ গছো আছে যিবোৰ গছৰ ফল, ফুল নহয় পাতো নাই আৰু বঙো সেউজীয়া নহয়। আমি ভাবিব পাৰোঁ যে এনে অদ্ভুত ধৰণৰ গছ বোধ হয় দূৰ দেশত নাইবা হাবিয়ে-বননিয়ে থাকে। কিন্তু সেইটো নহয়। অলপ ভালকৈ চকু ফুৰালেই দেখিব পাওঁ, যে সিহঁত আমাৰ নিচেই ওচৰতে আছে।

গছৰ স্থিতি সকলোতে আছে। পৃথিবীত কিমান বিধ গছ আছে তাৰ ঠিক বিবৰণ কোনেও দিব পৰা নাই। যিবোৰ ফল-ফুল হয় তেনে বিধৰ গছ পৃথিবীত প্ৰায় আজিলৈকে এক লাখ ছল্লিশ হাজাৰমান পোৱা গৈছে। কিন্তু এতিয়াও সকলো ঠাইৰে গছ অনুসন্ধান কৰি উলিয়াব পৰা

নাই। পৃথিৱীৰ ঠায়ে ঠায়ে এই অনুসন্ধান চলি আছে। লণ্ডনত "কিউ গাৰ্ডেন" (Kew gardens) বুলি এখনি বাগিছা আছে, আৰু তাত এটি "হাৰাবেৰিয়াম্" (Herbarium) আছে। তাতে প্ৰায় পৃথিৱীৰ সকলোবিধ গছ পাত ৰাখি থোৱা হয়, সেই 'হাৰ্বেৰিয়াম'ত শুকান অৱস্থাত গছ পাতবোৰ ৰাখি থয়, আৰু বাগিছাত জীৱিত অৱস্থাত ৰাখে। কলিকতাতো এখন তেনেকুৱা বাগিছা (Royal Botanic garden, Calcutta) আৰু 'হাৰ্বেৰিয়াম্' আছে। অনুসন্ধানৰ ফলত আৰু যে কিমান বিধ গছ ওলাব তাৰ সীমা সংখ্যা নাই।

উদ্ভিদ যে মানুহ আৰু আন আন জীৱ জন্তুৰ কিমান উপকাৰী তাক কৈ শেষ কৰিব নোৱাৰি। ধান, গম, যব, মটৰ, মাহ ইত্যাদি আমাৰ খাদ্য, এইবোৰকে খাই আমি জীয়াই থাকোঁ। গৰু, ঘোঁৰা, হাতী, ছাগলী আদি জন্তুবোৰ ঘাঁহ পাত খাই জীয়াই থাকে। সিংহ, বাঘ আদি মাংসভোজী জন্তুবোৰো এক প্ৰকাৰ উদ্ভিদৰ ওপৰতেই জীয়াই থাকে। কাৰণ সিহঁত যি মাংস খাই জীৱন ধাৰণ কৰে সেই মাংস পায় ঘাঁহ-পাত খাই জীয়াই থকা জন্তুৰ পৰাহে। গতিকে পৃথিৱীত থকা সকলো বিধ জন্তুৱে—নিৰামিষাহাৰীয়ে হওক বা মাংসাহাৰীয়েই হওক—গছৰ ওপৰত নিৰ্ভৰ কৰিবই লাগিব। পৃথিৱীৰ ভিতৰত এই উদ্ভিদ শ্ৰেণী নহলে জীৱ-জন্তুবোৰ এদিনলৈও বাচি থাকিব নোৱাৰিলেহেঁতেন। ভাবিলে বিস্ময় মানিব লাগে যে, এই নিৰ্ব্বাক, অচল উদ্ভিদ জাতিৰ ওপৰত সকলো জীৱই নিৰ্ভৰ কৰে। আমি ইহঁতক দিনে ৰাতিয়ে চকুৰ আগতে দেখি থাকোঁ, প্ৰতি মুহূৰ্ত্ততে ইহঁতৰ লগত খেলা কৰোঁ; ইহঁত নহলে এদিনলৈও বাচি থাকিব নোৱাৰোঁ। কিন্তু তথাপি ইহঁতৰ বিষয় অকণমানিও ভাবিবলৈ আগ্ৰহ নকৰোঁ। কথাটি আচৰিত নহয়নে? এটি সাধাৰণ ঘাঁহৰ পাতত যে কিমানবোৰ প্ৰকৃতিৰ গূঢ় সত্য ৰহস্য সোমাই আছে তাক জীৱন ব্যাপি অনুসন্ধান কৰিলেও অন্ত কৰিব নোৱাৰি।

—উদ্ভিদৰ প্ৰাণ :— আজি নতুনকৈ কব নেলাগে যে উদ্ভিদৰ আন আন জীৱ জন্তুৰ দৰে প্ৰাণ আছে। পৃথিৱীৰ মনিষীসকলে বহুত দিন আগেয়ে এই কথাৰ প্ৰমাণ দি থৈ গৈছে। অন্যান্য জন্তুৰ নিচিনা যদিও উদ্ভিদৰ ক্ৰিয়াবোৰ বেলেগ কিন্তু সূক্ষ্ম বিচাৰত পোৱা গৈছে যে জীৱ জন্তুৰ প্ৰাণৰ ক্ৰিয়া আৰু উদ্ভিদৰ প্ৰাণৰ ক্ৰিয়া প্ৰায় একে। উদ্ভিদ শ্ৰেণী অৰম্ভে ইঠাইৰ পৰা সিঠাইলৈ লৰ-চৰ কৰি আহাৰ বিচাৰি খাব নোৱাৰে কিন্তু আন আন জীৱ জন্তুৰদৰেই বাঢ়ন গঠন, বায়ু সেৱন আহাৰ ভক্ষণ আৰু বংশ বৃদ্ধিৰ প্ৰায় সকলোবোৰ ক্ৰিয়া একে ভাবে চলে। আন আন জন্তুবোৰে যেনেকৈ হাত মুখ আদিৰে আহাৰ ভক্ষণ কৰে গছেও সেইদৰে শিপাৰ সহায়ত মাটিৰপৰা আহাৰৰ সামগ্ৰীবোৰ লৈ আহাৰ তৈয়াৰ কৰি ভক্ষণ কৰে। প্ৰাণীবোৰে নাকেৰে বতাহৰপৰা অম্লজান বায়ু লয় আৰু অঙ্গাৰজান বায়ু বতাহত এৰি দিয়ে গছেও সেইদৰে উশাহ লওঁতে পাতৰ তলত থকা সৰু বিন্ধাবোৰেৰে (Stomata) বতাহৰ পৰা অম্লজান বায়ু শুহি নিয়ে। জন্তুবোৰৰ যেনেকৈ লৰ-চৰ শক্তিটি জীৱনৰ এটা প্ৰধান লক্ষণ বুলি ধৰে উদ্ভিদৰ এই লৰ-চৰ কৰা শক্তি গছ বিশেষে বিদ্যমান। কিছুমান তলৰ থাপৰ গছ লৰি চৰি ফুৰিব পাৰে আনকি কিছুমান ডাঙৰ গছো ঠাই আৰু সময় বিশেষে লৰ-চৰ কৰা দেখা যায়। "ড্ৰচেৰা" (Drosera) বুলি এবিধ গছ আছে সিহঁতৰ পাতত পোক পৰুৱা পৰিলেই পাতটি ততালিকে জাপ খায় আৰু পোকটিক চেপি ধৰি তাৰ

পৰা ৰস শুহি ভিতৰলৈ টানি নিয়ে। আৰু শেষত মেল খাই যায়। উদ্ভিদ আৰু প্ৰাণীবোৰৰ কোষৰ ভিতৰত এবিধ তৰল জুলীয়া পদাৰ্থ থাকে। এয়েই হৈছে প্ৰাণীৰ প্ৰাণ। ইয়াক জৈৱ পদাৰ্থ (Protoplasm) বোলে। এই জৈৱ পদাৰ্থ উদ্ভিদ আৰু জীৱ জন্তুৰ ভিতৰত গঠন আৰু আকাৰত একে। এই জৈৱ পদাৰ্থবো লৰ-চৰ কৰিবপৰা শক্তি থাকে। এই জৈৱ পদাৰ্থৰ মৃত্যুৰ লগে লগে জীৱনৰ সকলোবোৰ ক্ৰিয়া বন্ধ হৈ যায়। আন আন জীৱ জন্তুৰ দৰে গছেও জন্ম গ্ৰহণ কৰে, বাঢ়ে, বংশ বৃদ্ধি কৰে আৰু শেষত জীৱন ক্ৰিয়া সামৰণ কৰে।

গছৰ আয়ুষ ঃ— মানুহৰ বয়স ছকুৰি বছৰ বুলি কয় কিন্তু— কোনো ছকুৰি বছৰৰ বেচিও জীয়াই থাকে কোনোৱে বহুত কম বেচিতো মৰে। গছৰো সেই দেখিয়াকৈ পৰমায়ু আছে। এক এক গছৰ এক এক ৰকম পৰমায়ু। দুহেজাৰ চাৰি হেজাৰ বছৰ পৰ্য্যন্ত জীয়াই থকা গছো ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায়। গছ যে কিমান ডাঙৰ হয় আৰু কিমান দিনলৈ জীয়াই থাকে তাক নিৰ্ণয় কৰা টান। কিন্তু কিছুমান গছৰ পৰমায়ু অতি সহজে বুজা যায়। বুট, মাহ, কল গছ ইত্যাদি বোৰ গছ এবছৰৰ ভিতৰতে মৰে। তেনেকৈ কিছুমান গছ দুবছৰ থাকিও মৰে। আকৌ কিছুমান গছ বহুত বছৰলৈকেও জীয়াই থাকে। ইংলণ্ডত এডালি বোলে "ওক" (Oak) গছ আছে তাৰ বয়স দেৰ হাজাৰ বছৰৰো ওপৰ। আমেৰিকাত এডালি গছৰ বেৰ ছল্লিশহাতৰো বেচি পোৱা গৈছে। এতেকে দেখা গ'ল যে উদ্ভিদ শ্ৰেণী জীৱ জন্তুৰ শ্ৰেণীতকৈ বহুত দিন জীয়াই থাকে।

বাস্তৱতে এই উদ্ভিদ শ্ৰেণীৰ কাৰ্য্য কলাপ, প্ৰাণী জগতৰ লগত সামঞ্জস্যতা আৰু উদ্ভিদ শ্ৰেণী প্ৰাণী জগতৰ যে জীৱন দাতা ভাবিলে বিস্ময় মানিব লাগে। মুঠতে উদ্ভিদ প্ৰকৃতি মাতৃৰ বিনন্দীয়া সৃষ্টি। ইয়াৰ অভাৱত জগত সৌন্দৰ্য্য বিহীন, প্ৰাণী প্ৰাণহীন আৰু পৃথিৱী মৰু সদৃশ।

স্তুতি।

অনন্ত বিশ্বক পালন কৰিছা
তুমি প্ৰভু দয়াময়।
সকলো জীৱৰ ধাতা তুমিয়েই
তোমাতে আকৌ লয়॥
তুমিয়ে স্ৰজিছা গছ-বিৰিখক
পৃথিৱী শুৱনী কৰি।
বসন্ত কালত গাবলৈ কুলিয়ে
গছৰ ডালত পৰি॥

যাৰ যেনে খাদ্য সকলোকে দিছা
অভাৱ নোহোৱা কৰি।
তাৰ বলতেই সকলো প্ৰাণীয়ে
আছে সংসাৰত ভৰি॥
যদিও অদৃশ্য তুমি দয়াময়
সকলোতে ব্যাপি আছা।
মাজানিছে আমি মুক্ত অকিঞ্চনে
কৰিছোঁ তোমাক মিছা॥

আৰু বৈজ্ঞানিকে কত যতনেৰে
নিজৰ প্ৰতিভা ৰাখি।
দিনে দিনে কত উন্নতি কৰিছে
তোমাকেই কৰি সাক্ষী॥
তথাপিতো কেৰে পৰা নাই আজি
তোমাক পেলাব তল।

সকলোকে তুমি দেখুৱাইছা প্ৰভু
তোমাতো সকলো বল॥
বিজ্ঞানী ভূমিৰে গোটেই সংসাৰে
তোমাক চিনোতা নাই।
মনো ভকতি নতি সবোধ সন্ততি
দিয়া চৰণত ঠাই।

শ্ৰীভাগৱত চন্দ্ৰ দত্ত বৰুৱা।

—অৱসান— *

মধুৰীময় বসন্ত নাই। বগুলী বিহুৱে বিদায় মাগিছে। সূৰ্য্যৰ প্ৰখৰ তাপত বাৰি-বন তেজ-হীন। নৈৰ পানীও শুকাই তলি পাইছে। সৰু জুৰুটি কুল কুলকৈ বৈ গৈছে, দূৰণি দেশত কোনোবা ঠাইলৈ। জগতখন আনন্দ হেৰুৱাই লৈ ব্যাকুল। আকাশত মেঘ নাই। এটা নিৰাশাৰ ভাব ফুটি উঠিছে, গোটেই বিশ্ব-ব্যাপি। এদিন দুপৰীয়া বনত ঘূৰি ঘূৰি ক্লান্ত হোৱা এজনী হৰিণীয়ে একমাত্ৰ মৰমৰ পোনাটি বুকৰ মাজত শুৱাই লৈ এজোপা ইকৰা বনৰ ছাঁত জুৰ লৈ আছিল। এনেতে সেই বনৰ মাজেদি গৈ থকা এজন চিকাৰীৰ অগন্ত লোহাৰ গুলি এটাই ভেলেভীৰ কুসুম পৰাণ ভেদ কৰি প্ৰভুৰ কামনা পূৰণ কৰিলে। আশাৰে অন্তৰ ভৰাই বেচাৰা ব্যাধে লৰি যাওঁতে হঠাৎ সোঁ-ভৰিনখ বিৰিণা বনৰ তলত ছাঁ লৈ থকা এটি কালৰূপী ফেঁটী সাপৰ মুখত পৰি খিতাতে সিপাৰ পালে। সিফালে মাকৰ বুকুৰ তেজ শুহি আৰু হিলৈৰ কঠোৰ নিনাদত অস্থিৰ হৈ পোৱালীটিয়ে ৰ লাগি আছে। অন্তে-কতে সকলো পাহৰি সজ্ঞন হৈছে। আৰু মৰা মাকৰ বুকুৰ ওপৰত মানান ভঙ্গিমা লগাই ডেও দি ফুৰিছে। কিন্তু হায়! সি নাজানে। মৰমৰ খনি চেনেহী মাকৰ কোমল বুকু —— !!!

সেই ঠাইৰ ওপৰেদি এটা বাট, নিচেই সৰু। দূৰণিত এখনি পাম। এনে সময়তে সেই পামৰ গৰখীয়া এজনে গৰাকীৰ ঘৰৰপৰা আহোঁতে তেনে অৱস্থাতে পহু পোৱালীটি দেখা পালে। সি দৌৰি গৈ পোৱালীটি হাতত তুলি ললে। তাৰ দুচকুৰেদি দুধাৰি তপত চকুলো বৈ গল। সি তাক লৈ এজোপা শিমলু গছৰ তলত দীঘল হুমুনিয়া কাঢ়িছে। কোনে জানে আজি তাৰ হিয়াত পুনৰ অগনি জ্বলাই দিলে তাৰ নাম জিতেন। সৰুতে মাক-বাপেক মৰিছে। এতিয়া লোকৰ ঘৰত গৰু ৰাখি দুবেলা দুমুঠি খায়। মুখত আনন্দৰ চিন নাই। পামৰ সৰু পজা এটা তাৰ শোৱনি ঘৰ। তাতেই তাৰ স্বৰ্গগত পিতৃ-মাতৃক সুঁৱৰি দুভাগ নিশাও চকুলো টোকে।

সূৰ্য্য দেৱ অস্তাচলত লুকাব খুজিছে। চৰাই

* মঙ্গলদৈ গৱৰ্ণমেণ্ট হাইস্কুলৰ হাতেলিখা "তৰুণ"ত প্ৰকাশিত আৰু গল্প বাছনিত প্ৰথম পুৰস্কাৰ পোৱা।

পছ সকলোৰে বাহলৈ আহিছে। জিতেনেও তাৰ পজা পালে গৈ। পামত গৰু চাপিছে। এজনী ক্ষীৰতী গাই ক্ষীৰাই আনি পোৱালীটীক পিয়াবলৈ চেষ্টা কৰিছে। কিন্তু বেচেৰা পোৱালীটীয়ে অচিন প্ৰাণীৰ আচহুৱা ব্যৱহাৰত চক্ খাই উঠিছে, উজাৰ-পজাৰ লগাইছে। তাক যেন কোনোবাই মাকৰ চেনেহী হিয়াৰপৰা কাঢ়ি আনি বিচহে খুৱাব খুজিছে। হায়! সি নাজানে— যিপাত তীক্ষ্ণবাণে কেইদিনমান আগতে জিতেনৰ কোমল কলিজা ছটুকুৰা কৰিছে সেই বাণেই আজি তাৰো জীৱনৰ অমিয়া পটত বৰ বিহ ঢালিছে। হায় যদি আজি জিতেনৰ সেই ভাগ্য থাকিলেহেঁতেন আজি সি তেনে তপত চকুলো টুকিব লাগিলেহেঁতেন নে? আজি কালিকৈ যোৱা দিন গৈ আছে। হৰিণা শিশুটীয়ে অলপ অলপকৈ গাখীৰ খাইছে। জিতেনে গৰু চৰাবলৈ গলেই পোৱালীটোক বোকোচাত ভৰাই লগে লগে লৈ যায়। গৰু বখা পথাৰত সি অকলশৰীয়া। বহল মুকলি পথাৰত গৰু মেলি দি গছৰ শীতল ছাঁত দুপৰীয়া জুৰ লয়। ঘাঁহৰ কোমল গাজলি হৰিণ শিশুক খাবলৈ দিয়ে।

লাহে লাহে গৰাকীয়ে এইকথা জানিব পাৰি ভৱিষ্যতে পোৱালীটীয়ে ঘৰৰ শোভা বঢ়াব, এই কথা ভাবি তাকো মৰম চকুৰে চাবলৈ ধৰিলে। কিন্তু জিতেনৰ পবিত্ৰ হৃদয় কাননৰ নীৰৱ সুৰত বিমুগ্ধ। তাৰ যেন অন্তৰত স্বাৰ্থৰ কণিকা এটিও নাই। এনেদৰে দুদিনকৈ ছমাহ আৰু তাৰ পাচত এবছৰ অতিবাহিত হ'ল। পছ পোৱালীটীও ডাঙৰ হ'ল আৰু "মাতৃহাৰা" শোক পাহৰি জিতেনক আপোন বুলি বিশ্বাস কৰিবলৈ ধৰিলে। সি হাবিৰ কোমল ঘাঁহ খাই দিনক দিনে নোদোকা হৈ আহিল। তাৰ শিশুৰ সৌন্দৰ্য্যই জিতেনৰ শোকানলত বিদগ্ধ হৃদয়তো আনন্দৰ বিজুলী বোৱালে। পথাৰত গৰু মেলি দি জিতেন গছৰ তলত বহে আৰু তাৰ চেনেহৰ হৰিণে লাহে বিলাহেৰে কোমল গাজলি খাই ফুৰে। জিতেনে তাৰ নাম ৰাখিলে "হৰিণ" আৰু দীঘল ডিঙিত আৰি দিলে এটা সৰু টিলিঙা। হৰিণে কেতিয়াবা হাবিৰ মাজত কেতিয়াবা গৰু ঢোলৰ মাজত ঘাঁহ খাই ফুৰে আৰু কেতিয়াবা দৌৰি আহি জিতেনৰ গাত গা ঘঁহাই দিয়েহি। আৰু জিতেনৰ গা চেঁচেকি চেলেকি জুৰ লয়। কেতিয়াবা শোৱে কেতিয়াবা উঠি দৌৰ দিয়ে কেতিয়াবা আকৌ দীঘল শুৱনি কাণ থিয় কৰি উভতি চালি ধৰে। জিতেনৰ হিয়াত কেতিয়াবা শোকৰ ঢৌ উঠে, কেতিয়াবা জিতেন আনন্দত আত্মহাৰা হয়, আৰু কেতিয়াবা "স্বভাৱ কবি অসমীয়া প্ৰাণত" বাজি উঠে।

"হৰিণ!
আজি তই হলি "মাতৃহাৰা"
আজি তই দাসৰ লিগিৰা
সুবুজ একোকে দেহি তই!
তোৰে মোৰে একে পিনে গতি
তোৰে মোৰে বিলাই একেটি
তাপতেই হিয়া ভগা মই॥
তোৰ এই কোমল অন্তৰ
নাই তাত পৰশ পাপৰ
শাৰদী জোনাই যেন তই।
কোন সৰগৰ তৰা হই
কাৰ কোলা সুচিকণ কৈ
শোভি তোৰ আনন্দৰ হই।"

এইদৰে দুটী পিতা-মাতাহীন প্ৰাণীয়ে নিজৰ বনত দিন নিয়ায়।

চ'ত্ মাহ। এদিন দুপৰীয়া পথাৰত গৰু

যেনি দি কুলু কুলু সুৰে বৈ যোৱা নিজৰা এটিৰ পাৰৰ এজোপা গছৰ ছাঁত জিতেন ৰহিছেহি। হৰিণে দীঘল ডিঙিটো ঘূৰাই এবেলি আগলৈ আৰু এবেলি পিছলৈ চাই বাঁহনিৰপৰা লৰালৰে আহি জিতেনৰ ওচৰত থিয় দিছেহি। যি ঠাইত আজি সি গৰু চাৰিছিল তালৈ বহুদিন যোৱা নাছিল। এই বছৰত আজিয়ে প্ৰথম। হৰিণ ওচৰ চাপোঁতে তাৰ সোণৰণীয়া চিকমিকীয়া গাটো চপৰিয়াই মুখতে মুখ লগাই এটি চুমা খালে। তাৰ পাচত শিশুত লাগি থকা বনৰ শুকান পাত আৰু ধূলিৰ কণিকাবোৰ গুচাই দিলে জিতেনে হৰিণৰ মুখলৈ চাই চুধাৰি চকুলো মুচিলে। হৰিণবো চকুলো বাগৰি গ'ল। জিতেনে উচুপি উচুপি চুৰিয়াৰ আচলেৰে মুচি দিলে।

যি ঠাইত জিতেন বহিছিল তাৰ চাৰিওকালে অঠু-ৱনি বিৰিঙাইছে। জিতেনে চুৰিয়াৰ লোচ এটা মেলি বাওঁহাতখনত মূৰ থৈ গছ জোপাতে আওজি শুই পৰিল। হৰিণ সন্মুখত। কেতিয়াবা শুইছে, কেতিয়াবা থিয় হৈছে। গৰুবোৰ ক্ৰমে আঁতৰি অদৃশ্য হৈছে। গছত আওজি শুই থকা জিতেন, সন্মুখত হৰিণ আৰু ওচৰত বৈ যোৱা সৰু নিজৰাখনি। প্ৰকৃতি মাতাই সৌন্দৰ্য্যৰ খেলনা খেলিছে নীৰৱ নিজম ভাৱে। ক'তো হাই উৰুমি নাই, যেন মানৱ পশুৰ মধুৰ মিলন কেৱল প্ৰকৃতি দেৱীয়ে একেথৰে চাই আছে, চাই আমনি লগা নাই।

জিতেনে চকুমুদি কিবা ভাবিছে, হৰিণে জিতেনৰ মুখটো চেলেকি আছে।

এনে সময়তে কাৰবাৰ বন্দুকৰ জলন্ত লোহাৰ গুলি এটি হৰিণৰ পেটৰ তলেৰে আহি জিতেনৰ বুকুত সোমাল। "গুৰুম" শব্দে নীৰৱতা ভঙ্গ কৰিলে, হৰিণ চকখাই উঠিল। জিতেন ঢলি গৈ মাটিত বাগৰি পৰিল। এনেতে আকৌ "গুৰুম্" "গুৰুম্" "গুৰুম্" একেবাৰে তিনি "ছট"। ইবেলিহে হৰিণৰ কলিজা ধুনি পেলালে। হৰিণ জিতেনৰ গলতে গল দি একেদৰে একেলগে একেপথে চিৰানন্দ ধামলৈ গতি কৰিলে। য'ত চিৰশান্তি, চিৰসুখ চিৰবসন্ত বিৰাজমান। অজান দেশৰ পবিত্ৰ পুৰীত জিতেন-হৰিণ নন্দন কাননৰ পাৰিজাত হৈ জিলিকি উঠিল। ইপিনে হৰিণ আৰু জিতেনৰ বুকুৰ বগা তেজে একেটা ধাৰেৰে একেলেথাৰিয়ে বৈ গৈ সেউজীয়া বনত ৰহণ লগাই নিজৰাৰ শুভ্ৰবুকু ৰাঙলী কৰি সৌ সুদূৰ দেশৰ অস্ফুট কামনাৰ সীমাহীন সাগৰত লীন হ'ল। আজি মানৱ পশুৰ পবিত্ৰ আত্মা মিলি অস্থায়ী ইহধাম নেওচি ইন্দ্ৰৰ নন্দন কাননত উপনীত হ'ল। দেৱবালা সবে আগমনী গীতি গাই সোণৰ বাগিছাত বিহাৰী পাতিলে।

হে বিশ্বপতে তোমাৰ মহিমা কোনে বুজিব? তুমিয়ে সকলোৰে স্ৰষ্টা, তুমিয়ে ধ্বংস কৰিবা, তুমিয়ে মুকুতি।

মহম্মদ ইব্ৰাহিম আলি।

জনম-মৰণ।

(১)

জনম বেলিকা মেৰ্ণো। পুৱাৰ হুৰুৰ,
উঠো তাহি নব জীৱনত,
পুলকিত প্ৰাণ দেহি হাঁহি হাঁহি হাঁহি
মৃদু দুই নাচে আনন্দত।

(২)
মধুৰ বসন্ত আহি   নতুন বেশত—
দশোদিশ দিয়ে আমোলাই।
মলয়া সখিয়ে আহা   তালে তালে গায়—
বিহগীয়ে মুৰলী বজায়।

(৩)
আকাশৰ মণি মুক্তা   তৰাবাজি জোন,
হেম-সুধা-কিৰণ বিতৰি,
—মুখৰ ছবিটি হায়   ভুবন ভুলায়—
উঠে আহা সৌন্দৰ্য্য প্ৰচাৰি।

(১)
কিন্তু হায়,
মৰণ বেলিকা দেখো   চকা মাৰ যায়
কলা-মলা ওৰণি আঁৰত,
বিদায় জগতবাসী,   বিদায় বিদায়—
বতাৰৰ নাই জগতত।

(২)
চিকি মিকি পাত নাই   ফুল নাই আৰু
বাৰিষাৰ বিপদত হায়,
সৰি গ'ল, জৰি গ'ল,   গুচি গ'ল পখি—
শুৱলা মধুৰ গীত নাই।

(৩)
আকাশৰ সোণতৰা,   মুকুতাৰ জোন
কাল মেঘে যেন হৰি নিলে;
ৰূপালী জগত আহা   অন্ধকাৰ কৰি
ঘোৰ শিলাবৃষ্টি বৰষিলে।

(৪)
সুৰুষ, বসন্ত, জোন,   তাৰকা সমীৰ—
অস্তেক লুকায় পুনু উঠে।
মৰিলে মানব কিন্তু   পবিত্ৰ আত্মাত বাজে
ভুতী দেহ কেতিয়াও নুঠে।

(৫)
জনম, মৰণ, দুটি   বিধাতাৰ ৰীতি—
সুখৰ পাচত যেনে দুখ।
মৰিলে আত্মীয় কোনো   শোককৰা মিছা,
দেখি তাত অসুখৰহে মুখ।

শ্ৰীনগেন্দ্ৰ নাথ চৌধুৰী।

যোৰহাট মহকুমা শিক্ষক সন্মিলনৰ সভাপতিৰ অভিভাষণৰ অংশ বিশেষ।

সভাপতি— শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী বি, এ, বি, টি।

যোৱা ১৫।১৬ জুন তাৰিখে যোৰহাট নগৰত যোৰহাট মহকুমা শিক্ষক সন্মিলন অসম উপত্যকাৰ স্কুল সমূহৰ ইনিস্পেক্টৰ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী মহোদয়ৰ সভাপতিত্বত সমাৰোহেৰে হৈ গল। সেই সন্মিলনত সভাপতি মহোদয়ে তেখেতৰ সময়োপযোগী সাৰগৰ্ভ বক্তৃতাৰ মাজত কৈছিল:—

শিক্ষা বুলিলে কেবল স্কুল পাঠ্যপুথি পঢ়োৱাকে বুজিব নালাগে। মানুহৰ সমস্ত জীৱন শিকাৰ সময় আৰু জীৱনৰ যাৱতীয় আৱশ্যকীয় কৰ্ম্ম শিকাৰ বিষয়। এই অৰ্থত শিক্ষকসকলে তেওঁলোকৰ ছাত্ৰবিলাকক সৰ্ব্বতোভাৱে সংসাৰৰ কাৰণে উপযোগীকৈ গঢ়ি তুলিব লাগে। ইংৰাজীত ইয়াকে

Ideal of Citizenship বোলে। এই শিক্ষাৰ ভেটি প্ৰাইমাৰী স্কুলবিলাকতে গঠিত হোৱা যুগুত। সেই কাৰণে সকলো প্ৰকাৰে ছাত্ৰবিলাকৰ চৰিত্ৰ গঠিত কৰিবলৈ আৰু কাৰ্য্য-কাৰিতা শক্তি বঢ়াবলৈ সকলো শিক্ষক তৎপৰ হৈ থকা উচিত।

বৰ্ত্তমান শিক্ষাৰ ব্যৱস্থা সম্বন্ধে তেখেতে কয় যে লোকেলবোৰ্ডৰ অধীনত যেতিয়ালৈকে প্ৰাইমাৰী শিক্ষা থাকিব তেতিয়ালৈকে প্ৰাইমাৰী শিক্ষাৰ বৰ্ত্তমান অৱস্থাতকৈ বেচি উন্নতি আশা কৰিব নোৱাৰি। ইয়াৰ কাৰণ এনে নহয় যে লোকেল বোৰ্ডৰ কৰ্ত্তৃপক্ষসকল শিক্ষাৰ প্ৰতি উদাসীন; বৰং তেখেতৰ অভিজ্ঞতা অনুসৰি সকলোবিলাক লোকেলবোৰ্ডৰ চেয়াৰমেন, ভাইচচেয়াৰমেন আৰু মেম্বৰ শিক্ষাৰ প্ৰতি আগ্ৰহান্বিতহে। লোকেল-বোৰ্ডবিলাকৰ আয়ৰ পথ সীমাবদ্ধ। তেওঁবিলাকৰ দায়ীত্ব দিনে দিনে বাঢ়ে কিন্তু আয় বাঢ়িবৰ একো উপায় নাই। এই হেতুকে লোকেলবোৰ্ডে শিক্ষাৰ উন্নতি আৰু প্ৰচাৰৰ অৰ্থে যিমানেই যত্ন নকৰক, যেতিয়ালৈকে শিক্ষাৰ অৰ্থে বেচি টকা পোৱা নহয় তেতিয়ালৈকে প্ৰাইমাৰী শিক্ষা বৰ্ত্তমান অৱস্থাত থাকিবলৈ বাধ্য।

শিক্ষাৰ বিষয়ে আন প্ৰসঙ্গ আলোচনা কৰি অসমৰ বিশ্ববিদ্যালয় সম্বন্ধে তেখেতে এই অভিমত প্ৰকাশ কৰে যে অসমত বিশ্ববিদ্যালয় লাগে আৰু সেই বিশ্ববিদ্যালয় আজিয়েই লাগে। কিন্তু বিশ্ব-বিদ্যালয় স্থাপনত বহুতো বাধা-বিঘিনি আছে। টকাৰ অভাৱ তিমান ডাঙৰ বাধা নহয়; কাৰণ ভাৰত গৱৰ্ণমেণ্টে অসমৰ বিশ্ববিদ্যালয় আৰু আন আন অভাৱ পূৰণৰ অৰ্থে টকা দিয়াৰ সম্ভাৱনা আছে। আচল বাধা হৈছে অসমীয়া জাতিৰ স্বাৰ্থ ৰক্ষা কৰি কি প্ৰকাৰে এখন বিশ্ববিদ্যালয় স্থাপন কৰিব পাৰি। সেই বিষয়ে বিশেষ চিন্তা আৰু কাৰ্য্যকৰী পদ্ধতি এটাৰ অভাৱ। অসমত বিশ্ব-বিদ্যালয় হোৱা একান্ত আৱশ্যক কিন্তু তাৰ পূৰ্ব্বে কি কি ব্যৱস্থা অনুসৰি সেই বিশ্ববিদ্যালয় হ'ব তাক স্থিৰ কৰা তাতোতকৈ বেচি আৱশ্যক।

সামৰণিত তেখেতে কয় অসম দেশৰ শিক্ষাৰ ব্যৱস্থা অসমীয়া জাতিৰ স্বভাৱ চৰিত্ৰৰ দোষ গুণ আলোচনা কৰি গঠিত কৰিব লাগে। অসমীয়া জাতিৰ সম্প্ৰতি এটা সংকট সময় উপস্থিত। ব্ৰহ্ম-পুত্ৰৰ চলে মাজৰ সক চাপৰি এখন আক্ৰমণ কৰাৰ দৰে; নানাবিধ বিৰোধী অৱস্থাই অসমীয়া জাতিৰ চাৰিওকালে বেৰি ধৰিছে। এনে অৱস্থাত ভয় খালে বা বিভত হলে নচলে। প্ৰত্যেক অসমীয়াই বুকত বল বান্ধি হৃদয়ত সাহ লৈ জাতিৰ উন্নতিৰ অৰ্থে চেষ্টা কৰাৰ এইটো সময়। বেহা-বেপাৰ, খেতি, মিস্ত্ৰিৰ কাম, কমাৰৰ কাম এই আটাইবিলাকতে অসমীয়া মানুহে মনপুতি লাগিব লাগে। আৰু সকলো বিষয়তে সকলো প্ৰকাৰে কাৰ্য্যক্ষম হৈ উঠিবলৈ প্ৰত্যেক অসমীয়া লৰা-ছোৱালী দৃঢ়সংকল্প হৈ উঠিব লাগে। এনেকুৱা শিক্ষা অসমীয়া লৰা-ছোৱালীয়ে অসম দেশৰ স্কুল বিলাকত পোৱা উচিত।

স্বাস্থ্য, চৰিত্ৰ আৰু অৰ্থ এই তিনিবিধ আৰ্জ্জনৰ কাৰণে শিক্ষাৰপৰা বাট মুকলি হ'ব লাগে।

সুখৰ সপোন।

গাৱঁৰ একাষে হৰিপ্ৰসাদৰ ঘৰ। তাৰ নিজৰ ঘুণিয়লৈ কোনো নাই, কেৱল তাৰ ঘৈণীয়েক। জাতত উচ্চ ধৰণৰ কলিতা। খেতি-বাতি কৰে আৰু তাৰে পেট প্ৰবৰ্ত্তায়। হৰিপ্ৰসাদ গাৱঁলীয়া মানুহ। মান অপমান নাজানে। সময় বুজি বাৰীৰ পৰা শাক-পাচলি, লাও কোমোৰা নি হাটত বেচে আৰু তাৰে নিমখ, তেলৰ খৰচ উলিয়ায়। এই দৰেই সি ধাৰ ঋণ নোহোৱাকৈ বজা-গুৰু-গোঁসাইৰ চৰণ সেৱা কৰি জীৱন যাপন কৰে।

হৰিপ্ৰসাদৰ আন বিষয়ত সুখ থাকিলেও এটা দুখে তাৰ মনক বৰকৈ আঘাত কৰিছিল। সেইটো হৈছে সিহঁতৰ ভালেমান দিনলৈ সন্তান সন্ততি একো হোৱা নাছিল। বহুদিনৰ মূৰত এটা লৰা হল। লৰাটোৰ নাম বসন্ত ৰাখিলে। মাক-বাপেকৰো বসন্তক পায়ে মহা আনন্দ হল। বসন্ত লাহে লাহে চালুকীয়া হল। তাৰ অফুৰন্ত হাঁহি আৰু আধা ফুটা মাতে সকলোকে মোহিত কৰিলে।

হৰিপ্ৰসাদে লৰাটিৰ মুখখনি চাই অলপ সুখ লাভ কৰিছিল যদিও বিধাতাই তাক পুনৰাই দুখত পেলালে। আজি ৫।৬ দিন হল, ঘৈণীয়েকৰ জ্বৰ। জ্বৰ ক্ৰমে দিনক দিনে টান হৈ গৈছে। হৰিপ্ৰসাদে পোনাকনকে চায় নে বেমাৰীকে চায়, মহা বিপাঙত পৰিল। তথাপি গাৱঁৰে কবিৰাজ এজনক মাতি আনি দেখুৱালে। কবিৰাজেও চিকিৎসা আৰম্ভ কৰিলে। কিন্তু সকলো চেষ্টা বিফল হল। ১৫ দিনৰ দিনা ঘৈণীয়েকে তাইৰ জীৱনৰ সম্বল পোনাকনক এৰি হৰিপ্ৰসাদক নিঃসহায় অৱস্থাত এৰি থৈ চিৰকাললৈ চকু মুদিলে। হৰিপ্ৰসাদৰ চকুৰেদি দুধাৰা তপত চকুলো বৈ গল। তথাপি সি লৰাটিৰ মুখলৈ চাইয়ে ক্ৰমে সকলো দুখ পাহৰিলে।

মাতৃহীন বসন্ত। মাকৰ আদৰ-সাদৰ অনুভৱ কৰিবলৈ সি নাপালে। বেচেৰাই দুবেলা দুমুঠি খায়, গাৱঁৰে স্কুলত পঢ়ে আৰু ঘৰ-খাই অনানিয়া কৰাত বাপেকক সহায় কৰে। বসন্ত ৩য় মান শ্ৰেণীত পঢ়ে; সি এইবাৰ বৃত্তি পৰীক্ষা দিবলৈ মনোনীত হৈছে। বাপেকৰো মনত অপাৰ আনন্দ। কিন্তু সি দুৰ্ভগীয়া। তাৰ প্ৰতি বিধাতা কুপিত হল। পৰীক্ষালৈ ডেৰমাহমান থাকোঁতে বাপেক ঢুকাল। কি কৰিব! ভগৱানৰ ইচ্ছা। বসন্তই মোমায়েকৰ সহায়তে বাপেকৰ শ্ৰাদ্ধ কাৰ্য্যাদি সমাপন কৰিলে।

মনবৰৰ ঘৰ বসন্তৰ ঘৰৰপৰা তিনি মাইল আঁতৰত। মনবৰেই বসন্তৰ মোমায়েক। মনবৰ উদাৰ প্ৰকৃতিৰ মানুহ। ধৰণীহীন বসন্তক তেওঁৱেই আশ্ৰয় দিলে আৰু অনেক যত্ন কৰি পৰীক্ষা দিয়ালে। পৰীক্ষাৰ খবৰ ওলাল। বসন্তই বৃত্তি পালে। মোমায়েকেও ৰং পালে আৰু গাৱঁৰ মাইনৰ স্কুলত নাম লগাই দিলে। বসন্তই মোমায়েকৰ ঘৰতে খায় আৰু স্কুলত পঢ়ে। মাচুল দিব নালাগে। বৃত্তিৰ টকা কেইটা মোমায়েকক সোধায়।

মামীয়েক সোণপাহী চকু চৰহা বিধৰ তিৰোতা। বসন্তৰ ক্ৰমোন্নতি দেখি তেওঁৰ ঈৰ্ষা ভাৱ উপজিল। উপজিবৰ কথাই— কিহেতু বসন্ত তেওঁৰ লৰাটিতকৈ বেচি জনা বুজা। ভালখিনি খুৱায়, ভালখন পিন্ধায়, ভালদৰে পঢ়ায় তথাপি একো শ্ৰেণীতে দুবাৰ

তিনিবাৰ ফেল কৰে। কিন্তু বসন্তই হলে নানা ৰকম আহুকাল পায়ো শ্ৰেণীত নাম কৰি পাচ কৰি আছে। এইবোৰ দেখিয়ে সোণপাহীৰ চকু পিট-পিটাবলৈ ধৰিলে, লগতে বসন্তক পঢ়াৰ পৰা একৰা-বলৈ গিৰিয়েকক খাটিলে। কিন্তু মনবৰ তেনেকুৱা বিধৰ মানুহ নহয়। তেওঁৰ মনত বসন্ত য়েনে নিজৰটিও তেনে।

বসন্ত এইবাৰ ৬ষ্ঠ মানত পঢ়ে। সি এইবাৰ শেষ পৰীক্ষা দিব। বসন্তৰ এতিয়া চকু ফুকাইছে। সি নিজৰ সুখ-দুখ অনুভৱ কৰিব পৰা হৈছে। গতিকে সি এইবাৰ পঢ়া শুনাত অলপ বেছিকৈ মন দিছে। মোমায়েকৰ লৰা নবেন বসন্ততকৈ দুবছৰ আগেয়ে মাইনৰত নাম লিখিছিল। তথাপি সি এতিয়াও ৫ম মানৰ পৰাই মুৰ দাঙিব পৰা নাই। এইবোৰ দেখিয়ে সোণপাহীয়ে বসন্তক আঁতৰাবলৈ যত্ন কৰিলে। কথাৰ ছলতে বসন্তক কিমান কথা কয় তাৰ লেখ জোখ নাই। কিন্তু বসন্তই সকলো নীৰবে সহ্য কৰে। কি কৰিব। বেচেৰাৰ দুখৰ দিন কেতিয়া অন্ত পৰিব। এই-বোৰ ভাবি সি চকুলো টোকে। বসন্তক কোনো কামত পাচিলে সি ততালিকে কৰে। আজৰি সময়ত নিজৰ পাঠ্য পঢ়ে। নহলে তাৰ সময় নাই। ৰাতিও চাকি তেল পোৱাৰ ভয়ত পঢ়িবলৈ নিদিয়ে। সি অলপ সময় খেমালি কৰিলেও মামীয়েকৰ গাত কাঁইটে বিন্ধা দিয়ে।

বসন্ত শ্ৰেণীৰ ভিতৰতে ভাল লৰা। নানা ৰকম দুখ-কষ্টকো ভ্ৰূক্ষেপ নকৰি শ্ৰেণীত নাম কৰা বাবে সি শিক্ষকসকলৰ প্ৰিয়পাত্ৰ। পৰীক্ষাৰ দিন আহিল। সি সুকলমে পৰীক্ষা দিলে। পৰীক্ষা দিও মোমায়েকৰ ঘৰতে থাকিল। পৰীক্ষাৰ খবৰ ওলাল। সি চাৰি টকাকৈ বৃত্তি পালে।

খবৰ শুনি বসন্তৰ মনত ভবিষ্যত আশাৰ সঞ্চাৰ হল। সি গৈ মোমায়েকক কলে। ইকাণ সিকা-ণকৈ কথাষাৰ সোণপাহীৰ কাণত পৰিলগৈ। সোণপাহী শিল পৰা কপৌৰদৰে হল। বসন্তৰ প্ৰতি ঈৰ্ষ্যা ভাব বেছিকৈ জন্মিল। বসন্তৰ উন্নতি তেওঁৰ অসহনীয় হল।

বসন্ত হাইস্কুলত পঢ়িবৰ বাবে গৌহাটীলৈ যাব ওলাল। সি মোমায়েকৰপৰা বিদায় লৈ মামীয়েকৰ তালৈ গল। মামীয়েকে একো নামাতিলে। কেৱল বসন্তৰ চকুত পৰিল তেওঁৰ কপট দৃষ্টি। হয়ও কাৰণ মামীয়েকৰ পুনঃ পুনঃ বাধা সত্বেও সি পঢ়িবলৈ যাব ওলাইছে।

বসন্ত গৈ হাইস্কুলত নাম লগালে আৰু হোষ্টে-লতে থাকিবলৈ ঠাই ললে। সি এতিয়া মোমায়েকৰ তালৈ মাজে মাজে যায়। কিন্তু দুই এদিনৰ ওপৰ নাথাকে। বন্ধতো হোষ্টেলতে থাকে। বৃত্তিৰ চাৰি টকাৰে খুজি-মাগি কোনো মতে চলে। নচলিলেও উপায় নাই। মোমায়েকলৈ লিখিলেও মামীয়েকে হেমডাং লব।

অজি ভালেমান দিন হল, বসন্তই মোমায়েকৰ পৰা কোনো খবৰ পোৱা নাই। অজি শনিবাৰ, বসন্তৰ স্কুল ডেৰ বজাতে ছুটী হৈছে। সি আহি হোষ্টেল পাইছে। এনেতে পিয়নে এখন চিঠি দি গল। খুলি চাই দেখে মোমায়েকৰ বেমাৰ। তাক যাব লিখিছে। সি বিপদত পৰিল, কাৰণ পৰীক্ষালৈ আছে এমাহ। তথাপি মৰণত শৰণ দি যাব বুলি ৰওনা হল। সি আহি মোমায়েকক তিনি দিন চিকিৎসা কৰিলে। মোমায়েকৰ অৱস্থা ভাললৈ আহিল। গতিকে সি গৌহাটীলৈ যাওঁ বুলি কলে। মামীয়েকে তাক যাবলৈ বাধা দিলে। সি মোমা-য়েকৰ আদেশমতে গৌহাটী অভিমুখে যাত্ৰা কৰিলে।

লাহে লাহে বসন্তৰ পৰীক্ষা ওচৰ চাপিল। সি পৰীক্ষা দিলে। পৰীক্ষা আশাতীত ৰূপে ভাল নহল। পৰীক্ষাৰ খবৰ ওলাল। সি প্ৰথম বিভাগত পাচ হৈছে; কিন্তু দুখীয়া বৃত্তিহে পালে। তাকে সাৰোগত কৰি লৈ সি কলেজত নাম লগালে। বসন্ত এতিয়া বোৰ্ডিঙত নাথাকে। কাৰণ খৰচৰ অভাব। নগৰৰে এজন ভদ্ৰলোকৰ ঘৰত থাকি "টিউচন" কৰি খোৱা খৰচ উলিয়ায়। এইদৰেই বেচেৰাই কলেজীয়া জীৱন অতিবাহিত কৰিবলৈ ধৰিলে। তিনি বছৰ অতীত হৈ গল। সি এতিয়া বি, এ পঢ়ে। দুখীয়াৰ দুখ ক'ত খণ্ডিব। পৰীক্ষাৰ আগেয়ে তাৰ ভীষণ জ্বৰ হল। পৰীক্ষা দিব নোৱাৰিলে। বৃত্তিও গল। তাৰ পঢ়া ইয়ানতে সাং হল। লগতে ছাত্ৰ জীৱনৰো অন্ত পৰিল।

বসন্তই বিয়া-বাক কৰাই গৃহস্থী জীৱন আৰম্ভ কৰিছে। নগৰতে স্থানীয় হাইস্কুলত কাম কৰে। ষাঠি টকা দৰমহা পায়। তাৰে দুটি প্ৰাণী পোহ যায়। সি নগৰতে ঘৰবাৰী বান্ধি লৈছে। বসন্তৰ সুখৰ দিন আৰম্ভ হৈছে। সি ১১ বজাৰ পৰা ৪ বজালৈ স্কুলতে কাম কৰে। বাকী সময়ত পোনাকণৰ লগতে ধেমালি ধুমুলা কৰি কটায়। তেতিয়া সি পুৰ্ব্বৰ সকলো দুখ পাহৰিলে আৰু দুখৰ পাচত যে সুখ আছে, এই কথাষাৰ অনুভৱ কৰিলে। কিন্তু হায়! বসন্তই এই সুখ বেচি দিন ভোগ কৰিবলৈ নাপালে। বিধাতাই তাৰ সুখৰ বাটত হুল পুতিলে।

আজি ১০।১২ দিন বসন্তৰ জ্বৰ। জ্বৰ ক্ৰমে টান হৈ আহিছে। কত ডাক্তৰ-কবিৰাজ আনিছে কিন্তু বসন্তৰ অৱস্থা ভাললৈ ঘূৰাব নোৱাৰিলে। শেষত এটি দীঘল হুমুনিয়াহ কাঢ়ি বন্ধু-বান্ধৱক কন্দুৱাই বসন্তই অজান পুৰীলৈ যাত্ৰা কৰিলে।

তাৰ মনৰ আশা মনতে মাৰ গল। সি ব্যথা ভৰা জীৱন লৈ সকলো সুখকে ত্যাগ কৰিবলৈ বাধ্য হল। সি সুখ ভোগ কৰিবলৈ নাপালে। কেৱল সুখৰ সপোন যেন হে দেখিলে। হায়! ভগবানৰ কি মহিমা।!

শ্ৰীবৈকুণ্ঠনাথ দেৱ শৰ্ম্মা।

ভাৰতীয় শিক্ষা সম্বন্ধে যৎকিঞ্চিৎ।*

শ্ৰীযুত জয়কৃষ্ণ মিশ্ৰ এম, এ।

প্ৰাচীন ভাৰতীয় আৰ্য্যসকলৰ সমস্ত জীৱনৰ কৰ্ম্ম চাৰি ভাগত বিভক্ত কৰি প্ৰত্যেক ভাগকে একোটা বিশেষ "আশ্ৰম" এই নামত অভিহিত কৰিছিল। অধ্যয়ন কৰ্ম্মটো যি ভাগত সম্পন্ন কৰিবলগীয়া সেই ভাগটোক ব্ৰহ্মচৰ্য্যাশ্ৰম বোলা হৈছিল। আশ্ৰম শব্দটো আ পূৰ্ব্বক শ্ৰম্ ধাতুৰ পৰা নিষ্পন্ন। ইয়াৰ অৰ্থ শ্ৰমৰদ্বাৰা যি ঠাইত মানুহে উৎকৰ্ষতা লাভ কৰে। এই চাৰিবিধ আশ্ৰমৰ প্ৰত্যেকটোকে একোটা কৰ্ম্ম প্ৰতিষ্ঠান অৰ্থাৎ Institution আৰু প্ৰত্যেকতে শ্ৰম কৰি শ্ৰেষ্ঠ কৰ্ম্ম শিক্ষা ও সম্পাদন কৰা হৈছিল। প্ৰথম ব্ৰহ্মচৰ্য্যাশ্ৰমত শিক্ষাৰ ব্যৱস্থা হৈছিল। শ্ৰমশিল্পৰ (Industry) লগত এই আশ্ৰমৰ মুখ্য সম্বন্ধ নাথাকিলেও ভবিষ্যতৰ আটাইবোৰ কৰ্ম্ম প্ৰচেষ্টাৰ ভূমিকা এই আশ্ৰমত হৈছিল।

ব্ৰহ্মচৰ্য্যাশ্ৰমত প্ৰবেশ কৰি আৰ্য্যসকলৰ ব্ৰাহ্মণ

* যোৰা ১৫.৬.৩৫ তাৰিখে বহা যোৰহাট মহকুমা শিক্ষক সম্মিলনত পঠিত।

ক্ষত্ৰিয়, বৈশ্য নিৰ্ব্বিশেষে প্ৰত্যেকেই দ্বিজ হৈছিল। ব্ৰহ্ম শব্দ বৃংহধাতুৰপৰা হোৱা। ইয়াৰ অৰ্থ বৃদ্ধি পোৱা। যিবিলাক কৰ্ম্ম কৰি চলিলে মানুহ দৈহিক, মানসিক আৰু আধ্যাত্মিক বৃদ্ধিৰ ফালে অগ্ৰসৰ হৈ থাকে সেইবিলাক কৰ্ম্ম আচৰণ কৰাৰ নাম ব্ৰহ্মচৰ্য্য। ব্ৰহ্মচৰ্য্যৰ প্ৰধান অঙ্গ তপস্যা, ভিক্ষা আৰু সেৱা। তপস্যাৰ দ্বাৰা বিদ্যা উপাৰ্জ্জন, সেৱাৰ দ্বাৰা লোকসমাজৰ বৰ্দ্ধন আৰু ভিক্ষাৰ দ্বাৰা আত্ম-সংৰক্ষণ অৰ্থাৎ গুৰু আৰু নিজৰ উদৰান্নৰ সংস্থান হৈছিল। ভিক্ষা বহু ঠাইৰ বহুলোকৰপৰা সংগ্ৰহ কৰা নিয়ম আছিল। গতিকে উদৰান্নৰ কাৰণে বহুলোকৰ দুৱাৰলৈ যাবলগীয়া হৈছিল আৰু তেনেকৈ বহুতৰ-অভাৱ অভিযোগৰ কথা ভালকৈ জানিব বুজিব পৰা হৈছিল আৰু সেই অনুযায়ি তেওঁলোকে আনৰ প্ৰতি সেৱা প্ৰয়োগৰ সদায় সুবিধা পাইছিল। এইবাবে ব্ৰহ্মচাৰীসকল লোকসমাজৰ ভক্তি আৰু শ্ৰদ্ধাৰ পাত্ৰ স্বাভাৱিকতে হৈছিল। সেৱাৰ দ্বাৰা সৰহ কৰ্ম্মশীলতা আহে। কৰ্ম্মশীল হলেহে জ্ঞানাৰ্জ্জনৰ পথ সুগম হয়। সেৱা আৰু তাৰ ফল কৰ্ম্মশীলতাৰ প্ৰশংসা আধুনিক বহু জ্ঞানী আৰু কৰ্ম্মীলোকেও কৰিছে। সকলো কৰ্ম্ম সেৱা মূলক হলে কৰ্ম্মোদ্যম স্বভাৱতে বাঢ়ি যায়। সেই হেতুকে আৰ্য্যসকলৰ আশ্ৰম ধৰ্ম্মৰ সেৱাই মূল ভিত্তি আছিল।

নিজৰ অস্তিত্ব আৰু নিজৰ বৃদ্ধি পোৱা (Being and be coming) এই দুটা যেনেকৈ চলিলে যেনেকৈ কথা কলে, যেনেকৈ চিন্তা কৰিলে, ক্ৰমে বাঢ়ি যায় তেনে ধৰণেৰে চলাৰ নাম ব্ৰহ্মচৰ্য্য। এই অনুষ্ঠানত গুৰুবিলাক স্বয়ং আদৰ্শ আছিল। শিষ্যবিলাক গুৰুবিলাকৰ অনুব্ৰত আছিল অৰ্থাৎ গুৰুৰ ব্ৰত অনুকৰণ কৰি চলিছিল।

গুৰুই শিষ্যবিলাকক শ্ৰেয়ঃ আৰু প্ৰেয় এই দুটা পথৰ প্ৰভেদ ভালদৰে বুজাই দিছিল। শ্ৰেয়ঃ পথ হৈছে মঙ্গলৰ পথ কল্যাণৰ পথ আৰু প্ৰেয়ৰ পথ হৈছে অস্থায়ী সুখৰ পথ। এইবিলাক উপদেশেৰে সৈতে বেদাধ্যয়ন আৰম্ভ হয়। প্ৰথমতে নাৰায়ণ অৰ্থাৎ বেদৰ আবৃত্তি হয়। সম্যক উচ্চাৰণ শিক্ষাৰ এটা অতি লাগতিয়াল অঙ্গ। প্ৰাচীন কালত বিশুদ্ধ উচ্চাৰণৰ বিষয়ে বৰ যত্ন লৈছিল। সেই সময়ৰ আৰ্য্য দ্বিজসকলৰ বেদ আৰু ছয় বেদাঙ্গ, মীমাংসা, ন্যায়, ধৰ্ম্মশাস্ত্ৰ, আয়ুৰ্ব্বেদ, ধনুৰ্ব্বেদ, গন্ধৰ্ব্ববেদ (Fine arts, music and dancing) অৰ্থশাস্ত্ৰ, (Economic and sociology) এবিলাক শিক্ষাৰ বিষয় আছিল। এনেবিষয়বোৰৰ শিক্ষাক ভাল ৰকমৰ সুসাঙ্গ শিক্ষা বুলিব পাৰি। ক্ৰমে ২০।২৫।৩০ বছৰলৈ আশ্ৰমত এইসকল শিক্ষাপ্ৰদান কৰা হৈছিল। অতি প্ৰাচীনকালত নৰীবিলাকৰো ব্ৰহ্মচৰ্য্য আশ্ৰম আছিল।

পুৰাকল্পেষু নাৰীনাং মৌঞ্জীবন্ধনমিষ্যতে ।
অধ্যাপনঞ্চ বেদানাং সাবিত্ৰীবচনং তথা ॥

অৰ্থাৎ প্ৰাচীন কল্পত নাৰীবিলাকৰো বেদ অধ্যাপনা হৈছিল আৰু উপনয়ন হৈছিল। কিন্তু পৰবৰ্ত্তী কালত সেই আশ্ৰম কিবা কাৰণত উঠি গল। এই ব্ৰহ্মচৰ্য্য আশ্ৰমত শিক্ষাৰ ফলতেই মহাতেজা ষড়্‌দৰ্শন প্ৰণেতা ঋষিসকল, পাণিনি, কাত্যায়ন, ব্যাড়ি, পিঙ্গল, পতঞ্জলি, উপবৰ্ষ, ভাস, কালিদাস, শঙ্কৰাচাৰ্য্য প্ৰভৃতি শত শত মহাত্মাৰ উদ্ভৱ হৈছিল, যিসকলৰ তুলনা জগতত বিৰল। সংস্কৃত সাহিত্যৰ ইতিহাস প্ৰণেতা মেক্‌ডোনেলে ভৰ্ত্তৃহৰিৰ বিষয় এইদৰে কৈছে— যে ভাৰতবৰ্ষৰ নিচিনা শিক্ষাপদ্ধতিৰ গুণতহে এওঁৰ নিচিনা এজন একাধাৰে শাব্দিক, কবি আৰু দাৰ্শনিক তৈয়াৰি হৈ উঠিব পাৰে।

বহু কাললৈ এইদৰে চলি আহি বৌদ্ধ যুগৰ সময়ত বৰ্ণাশ্ৰম ধৰ্ম্মৰ মহা বিপ্লৱ উপস্থিত হল। সেই বিপ্লৱ যে কেনে যুগান্তকাৰী আছিল তাক আমি আজি কালি সম্পূৰ্ণ হৃদয়ঙ্গম কৰা টান। কাৰণ সেই সম্বন্ধে বিস্তৃত ইতিহাস নাই। সেই বিপ্লৱৰ পৰা আশ্ৰমবিলাক ক্ৰমে পৰিবৰ্ত্তিত হৈ আহিল আৰু শেহত প্ৰায় নাইকিয়াৰ নিচিনা হল। সম্ভৱ কিছুমান ব্ৰাহ্মণেও আৰু বেছি ভাগ ক্ষত্ৰিয় বৈশ্যই আশ্ৰম ধৰ্ম্ম এৰাৰ পাচতো ব্ৰাহ্মণবিলাকৰ ভিতৰত বেদাদি পূৰ্ব্বতন বিষয়সকলৰ শিক্ষা চলি থাকিল। কিন্তু আশ্ৰমৰ ব্যৱস্থা আগতকৈ কিছু লৰিল। সাধাৰণৰ অৰ্থে নতুন ধৰণৰ শিক্ষালয়ৰ প্ৰতিষ্ঠা হল। তক্ষশিলা আৰু তাৰ বহুত পাচৰ নালন্দা প্ৰভৃতি মহাশিক্ষালয়বিলাক কিছু বেলেগ নিয়ম পদ্ধতিৰে প্ৰতিষ্ঠিত হল। সেইবিলাক বিদ্যালয়ৰ প্ৰভাৱত দেশৰ বহুল উন্নতি সাধিত হৈছিল যদিও সেইবোৰ অনুষ্ঠান নানা কাৰণত টিকিব নোৱাৰিলে আৰু পৰবৰ্ত্তী কালত বিচ্ছিন্ন হৈ পৰিল।

সেই কালৰপৰা ঠায়ে ঠায়ে পাঠশালা আৰু টোলৰ প্ৰচলন হয়। প্ৰাচীন টোলবিলাক বৰ্ত্তমান-কালৰ টোলবিলাকৰ অনুৰূপ আছিল আৰু সেই বিলাকত ওপৰোক্ত বেদাদি বিষয়সকলৰ অল্প বিস্তৰ অধ্যাপনা হৈ আহিছে। প্ৰধানভাৱে টোল বিলাকত ব্যাকৰণ, কোষ, ন্যায় প্ৰভৃতিৰ শিক্ষা হয়। পশ্চিম ভাৰতৰ টোলবিলাকত বেদাধ্যয়নো হয়। প্ৰথম শিক্ষাৰ্থীয়ে সৰ্ব্বপ্ৰথমে অমৰ, ব্যাকৰণ শাস্ত্ৰৰ আৰু লগে লগে সাহিত্য প্ৰভৃতিৰ অধ্যাপনা হয়। টোলবিলাকত অধ্যাপক আৰু ছাত্ৰসকল একেলগে বাস কৰে আৰু সেইবোৰৰ পাঠ প্ৰণালী আধুনিক ডাল্টন প্ৰণালীৰ অনুৰূপ।

প্ৰাচীন কালৰ পৰাই সাধাৰণ লিখা-পঢ়া শিকাৰ বাবে পাঠশালাবোৰৰ প্ৰচলন আছে। পাঠশালাবোৰত সাধাৰণতে লিখা-পঢ়া আৰু গণনা শিক্ষা দিয়া হৈছিল। প্ৰাচীন পাঠশালাবিলাকত সেই সেই গাৱঁৰ পুৰোহিতসকলেই অধ্যাপকৰ কাম কৰিছিল। লিখা-পঢ়া শিকোৱাৰ লগে লগে তেওঁ বিলাকে পৌৰাণিক ইতি বৃত্তবিলাকৰ সহায়েৰে ধৰ্ম্ম আৰু নীতি শিক্ষাও দিছিল। অনাৰ্য্যজাতিৰ লোক সকলৰ শিক্ষাৰ ব্যৱস্থা নাছিল। বৌদ্ধ প্ৰভাৱৰ লগে লগে পাঠশালাবিলাকৰ শিক্ষাব্যৱস্থাৰ পৰিবৰ্ত্তন হল। পুৰোহিত ব্ৰাহ্মণভিন্ন আনজাতিৰ লোকেও শিক্ষকতা কৰিব ধৰিলে। কিন্তু টোল-শিক্ষা প্ৰাচীনধৰণেৰেই থাকিল। বৌদ্ধযুগত দেখা যায় যে প্ৰায়ভাগ মানুহেই সাধাৰণ লিখাপঢ়া জানিছিল।

মধ্যযুগত হিন্দু আৰু মছলমান শাসকসকলৰ আমোলত শিক্ষালয়বিলাকৰ সাময়িক উত্থানপতন হৈ আছিল। নানা ঠাইত যুদ্ধবিগ্ৰহ চলি থকাৰ বাবে সামাজিক অশান্তিৰ সৃষ্টি হল আৰু লগে লগে শিক্ষাৰ অধঃপতন আৰম্ভ হল। তেতিয়াৰ পৰাই দেশত অশিক্ষিতৰ সংখ্যা ক্ৰমে বঢ়ি আহিল। এই অৱস্থাৰে বহুকাল চলাৰ পাচত ইংৰাজ ৰাজত্বৰ লগে লগে শিক্ষানুষ্ঠানবিলাকৰ অলপ অলপ উন্নতি হবলৈ ধৰিলে। ইংৰাজ ৰাজত্বৰ আৰম্ভৰপৰা হিন্দুবিলাকৰ টোল ও পাঠশালা আৰু মছলমানবিলাকৰ মাদ্ৰাচা ও মক্তাব নিৰুপদ্ৰৱে চলিবলৈ ধৰিলে। আসামত সেইসময়ত মাদ্ৰাচা-মক্তাব নাছিল। কিন্তু টোল, পাঠশালা ৰজাবিলাকৰ সাহায্যত ভালদৰে চলিছিল। ইংৰাজৰাজত্বৰ আৰম্ভণৰপৰা সকলো ঠাইতে প্ৰাথমিক শিক্ষাৰ বিস্তাৰ হবলৈ ধৰিলে। ১৯২২ চনৰ পৰা ১৯৩০ চনলৈ ভাৰতীয় শিক্ষালয় বিলাকত এটা নতুন উদ্যোগৰ আৰম্ভ হয়। বহুসংখ্যক ছাত্ৰই সাগ্ৰহে যোগ দিয়ে। কিন্তু বৰ্ত্তমানলৈকে ঘি দেখা-যায় দেশত প্ৰাথমিক শিক্ষাৰ আশানুৰূপ ব্যৱস্থা

মুঠেই হোৱা নাই। ভৱিষ্যত বিষয়ে আশান্বিত হবৰ বহুতো কাৰণ আছে। বিশেষ মন কৰিব লগীয়া কথা এইটো, যে কেৱল নিৰক্ষৰতা দূৰ কৰাই শিক্ষাদানৰ শেষ উদ্দেশ্য হব নালাগে, ছাত্ৰ সকলৰ অস্তিত্ব আৰু উন্নয়ন ('Being and becoming) বৃদ্ধিকৰাৰ প্ৰতিয়ো সম্পূৰ্ণ চেষ্টা লাগে। ওজস্বিতা (Vitality), সাহস (Courage), অনুভূতি প্ৰৱণতা (Sensitiveness), ধীশক্তি (Intellect) এইবিলাক গুণৰ উৎকৰ্ষতা আনিবৰ ব্যৱস্থা কৰিব লাগে। শিক্ষাৰ প্ৰধান উদ্দেশ্য আত্মোন্নতি। স্বভাৱৰ মধুৰতা আৰু আন্তৰিক উল্লাসন এই দুটাই সুশিক্ষাৰ প্ৰধান লক্ষণ। প্ৰাচীন কালৰ শিক্ষাৰ মহৎ আদৰ্শ নষ্ট নোহোৱাকৈ ৰাখিবৰ হলে আমাৰ শিক্ষা, সত্য, নীতি, মাধুৰ্য্য, ওজস্বিতা, জ্ঞান, কৃষ্টি আৰু আধ্যাত্মিকতাৰ ওপৰত প্ৰতিষ্ঠিত হব লাগিব। তেনে হলে শিক্ষাৰ ফলত সমাজত ঐক্যভাব' আৰু ভ্ৰাতৃভাবৰ প্ৰতিষ্ঠা হব।

জয়মতী চিত্ৰ।

অসমৰ গীত অতীত কাহিনি
প্ৰাণৰ গৌৰৱ কথা;
সকলো আঁকিছে চিত্ৰ জয়মতী
গুচাই মাতৃৰ ব্যথা।
ইমান দিন আছিল আমাৰ
সভ্য জগতৰ মাজে;
সবাক চিত্ৰৰ দাৰুণ অভাৱ
যি চিত্ৰত জয়া সাজে;
যি চিত্ৰে আঁকি দেখুৱাব পাৰে
বিক্ৰম গদাপাণিৰ;
সুভাৱ আজলী নগাৰ ছোৱালী
ডালিমীৰ চেনেহৰ।
আহোম ৰাজ্যত প্ৰজাৰ অৱস্থা
ৰজাৰ চাল-চলন;
অসম দেশৰ মনোমোহা চিত্ৰ
জয়াৰ আশাৰ শণ।

জয়মতী চিত্ৰ আমাৰ প্ৰাণৰ
বৰ ভাল পাওঁ মই;
গীতৰ ৰাগিণী কাণত পৰিলে
প্ৰাণ মোৰ উৰি যায়।
সৰগৰ সুধা সেই গীতে ঢালে
ডালিমী আকৌ চৰায়;
তেওঁৰ নাচোনে মোৰ অন্তৰত
আবেগৰ ঢৌ তোলায়।
"লুইতৰ পানী" নামৰ গীতটি
অন্তত যেতিয়া গায়;
দেহ-পিঞ্জৰা ভাঙি উৰি অতীতক
ক্ষুদ্ৰ মোৰ প্ৰাণ যায়।
এবাৰ চালে ইচ্ছা নপলায়
দুনাই জাগে হেপাহ,
ডালিমীৰ গীত কাণত পৰিলে
প্ৰাণ যায় এৰি দেহ।

শ্ৰীপ্ৰসন্ন চন্দ্ৰ গোস্বামী।

হাতৰ কাম।*

[এই ৰচনাখনিত কেৱল ছাত্ৰৰ হাতৰ কামৰ বিষয়েহে আলোচনা কৰা হৈছে।]

শ্ৰীযুত আনন্দ ৰাম হাজৰিকা।

হাতৰ কাম জানিলে ভালেমান অভাৱ বিনা খৰচে পূৰাই লব পাৰি। শিক্ষাবিধি সম্পৰ্কীয় পুথিত পোৱা যায়—হাতৰ কামৰদ্বাৰা লৰাৰ পৰ্য্যবেক্ষণ শক্তি, সৌন্দৰ্য্য জ্ঞান, হাতৰ নিপুণতা আদি কেইবাটাও গুণ বৰ্দ্ধিত হয়। হাতৰ কাম এটা আনন্দ দায়ক বিষয়। হাতৰ কামৰদ্বাৰা এইবিলাক উপকাৰ হয় দেখিয়েই শিক্ষাবিভাগে প্ৰাইমাৰী আৰু মজলীয়া স্কুলৰ পাঠ্য বিষয়ত ইয়াক ভুক্ত কৰিছে।

বৰ্ত্তমান প্ৰাইমাৰী আৰু মজলীয়া স্কুলত শিকোৱা সৰহ ভাগ হাতৰ কামেই লৰাৰ কেৱল স্কুলীয়া জীৱনৰ কাৰণেহে দৰকাৰী; সাংসাৰিক জীৱনত ব্যৱহাৰত অহাকৈ কোনো এবিধ হাতৰ কামকেই লৰাক শিকোৱা নহয়। বৰ্ত্তমান লৰাক শিকাব লগীয়া হাতৰ কামবোৰ শিক্ষকসকলৰ সকলোৱেই জানে বুলি আমি কব নোৱাৰোঁ। কাৰণ শিক্ষকসকলক এইবিলাক হাতৰ কাম শিকিবলৈ চৰকাৰে কোনো বিশেষ সুবিধা দিয়া নাই। হাতৰ কামৰ কাৰণে হাতৰ কাম জনা সুকীয়া শিক্ষক আৰু সুকীয়া পৰিদৰ্শক নাই। মজলীয়া স্কুলত সপ্তাহত তিনি পিৰিয়ড হাতৰ কাম শিকাব লাগে আৰু প্ৰাইমাৰীস্কুলত সপ্তাহত কেই পিৰিয়ড শিকাব শিক্ষাবিভাগৰ পাঠ্যবিষয়ত বান্ধি দিয়া নাই। প্ৰাইমাৰী স্কুলৰ শিক্ষকসকলে হাতৰ কামৰ কাৰণে সপ্তাহত ২ পিৰিয়ডমান ৰখা দেখা যায়। হাতৰকাম ব্যৱহাৰত অহাকৈ শিক্ষা দিবলৈ হলে এইখিনি সময়তকৈ বেচি সময়ৰ প্ৰয়োজন।

কিছুমান দিনৰপৰা স্কুল কৰ্ত্তৃপক্ষৰ যত্নত আজিৰ দৰে মাজে-সময়ে স্কুলীয়া লৰাৰ হাতৰ কামৰ ঠায়ে ঠায়ে একোখনি প্ৰদৰ্শনী হৈছে। ইয়াৰদ্বাৰা সকলো ছাত্ৰ আৰু শিক্ষকক উৎকৃষ্ট হাতৰ কামৰ আদৰ্শ দেখুৱা হয়; আৰু উত্তম হাতৰ কাম কৰোঁতা আৰু কৰাওঁতাই উৎসাহ পায়। বাহিৰেও হাতৰ কাম চাই লৰাই স্কুলত অলপ কাৰ্য্যকৰী শিক্ষা পাইছে বুলি ভাবে। এনে প্ৰদৰ্শনীৰদ্বাৰা প্ৰাইমাৰী আৰু মজলীয়া স্কুলৰ শিক্ষাৰপ্ৰতি দেশবাসীৰ আস্থা আৰু বিশ্বাস বেচি হয়।

আমাৰ দেশৰ সৰহভাগ লৰাৰ ছাত্ৰজীৱন প্ৰাইমাৰী আৰু মজলীয়া স্কুলতে শেষ হয়। সেই কাৰণে এজন সাধাৰণ মানুহৰ কাৰণে ঘৰুৱা শিল্পৰ যিখিনি জ্ঞান দৰকাৰ তাৰ ভিতৰৰ বিশেষ আৱশ্যকীয় কেইটামান বিষয়ৰ জ্ঞান মজলীয়া স্কুলতে সম্পূৰ্ণ হব লাগে। আমাৰ প্ৰাইমাৰী আৰু মজলীয়া স্কুলবোৰ এনেকুৱা হব লাগে যাতে এজন লৰাই মজলীয়া স্কুল পাচ কৰি চাকৰি নাপালেও এজন সাধাৰণ গৃহস্থ হবৰ কাৰণে উপযুক্ত হয়। সাধাৰণ সাংসাৰিক জীৱনৰ কাৰণে যিখিনি জ্ঞান দৰকাৰ তাৰ ভিতৰৰ হাতৰ কাম সম্পৰ্কীয়খিনি আমি ইয়াত উল্লেখ কৰিবলৈ চেষ্টা কৰিছোঁ।

প্ৰাইমাৰী আৰু মজলীয়া শিক্ষাৰ ব্যৱস্থা কৰিবৰ সময়ত আমি মনত ৰাখিব লাগে যে আমাৰ দেশ কৃষি প্ৰধান দেশ। আমাৰ দেশৰ চাকৰি নোপোৱা মানুহবিলাকে খেতি কৰি জীৱিকা নিৰ্ব্বাহ কৰে, তাকৰ দৰ্ম্মহাত চাকৰিকৰাবিলাকেও খেতি কৰে আৰু সৰহ দৰ্ম্মহা পোৱা বিলাকেও

---

* শিৱসাগৰ মহকুমা শিক্ষক সম্মিলনত পঠিত।

এখন বাৰী পাতে, বছৰেকত এভৰা শাক-পাচলিৰ খেতি কৰে আৰু চোতালৰ কামত এখনি স্কুলৰ বাগিছা কৰে। স্কুলত শিকোৱা হাতৰ কামবোৰ এইবিলাক কামৰ সহায় স্বৰূপ হব লাগে। তাকৰ দৰ্ম্মহা পোৱা বা খেতি কৰা মানুহে পাঞ্জাৰী টা চিলোৱা, জেওৰাখন দিয়া, বাৰীত কোৰ চাব চেবেক মাৰা, ঘৰৰ বেৰত গাঁঠিটো দিয়া, খেতৰ সূচটো চঁচা, বহিবৰ কাৰণে গধুলি ধুপৰীয়া জিৰণি সময়ত মূঢ়াটো আৰু চাৰিখন সাজা, নিজৰ আৰু লৰা-ছোৱালীৰ কাৰণে চিয়াহীকলম তৈয়াৰ কৰা, সূতা কাটি কাপোৰখন বোৱা, মাছ ধৰি খাবৰ কাৰণে চেপাটো সাজা, জাৰত আৰু কাঁইটনিত পিন্ধিবৰ কাৰণে ফানটিযোৰ সাজা, বৰষুণত পথাৰত লবৰ কাৰণে জাপিটো সাজা আদি গৃহস্থালিৰ কাৰণে আৱশ্যকীয় হাতৰ কামবোৰ জানিব লাগে। দুখৰ বিষয় যে আজি কালি বিশ্ববিদ্যালয়ৰ উপাধি লাভ কৰা বহুত যুবকে নিজৰ ঘৰ-বাৰীত সামান্য গাঁঠি এটা দিব নাজানে। গাঁঠিৰ আৱশ্যকতা বুজি ইয়াক পৃথিৱীব্যাপি হোৱা স্কাউটিং আন্দোলনটো ঠাই দিছে। নগৰৰ আৰু নগৰৰ ওচৰৰ লৰাবিলাক গৃহ-শিল্প বিষয়ক কামত ক্রমান্বয়ে অনভিজ্ঞ হবলৈ ধৰিছে। সোনকালে এই অৱস্থাৰ গতি ৰোধ কৰিব লাগে।

শিক্ষা বিভাগৰ পাঠ্যবিষয়ত হাতৰ কাম সম্পৰ্কে এইদৰে লিখা আছে;— "শিক্ষাবিভাগৰ অনুমোদন মতে কোনো স্কুলৰ কৰ্ত্তৃপক্ষই শিক্ষনীয় বিষয়ৰ যেই সেই ক্রমিক তালিকা কৰি ব্যৱহাৰ কৰিব পাৰে। যেনে:— সূতাকাটা, তাতবোৱা, বচিবটা, বুটাম তৈয়াৰ কৰা, ইটা তৈয়াৰ কৰা, ইত্যাদি বিষয় ওপৰৰ শ্রেণীবোৰত দিব পাৰি।" বিশেষ কোনো তালিকা নাথাকিলেও শিক্ষাবিভাগৰ তালিকামতে কাম কৰিবলৈ কোৱা হৈছে। কিন্তু টকা, শিক্ষক আৰু সময়ৰ অভাৱত এতিয়া লৈকে কোনো স্কুলৰ কৰ্ত্তৃপক্ষই এনেকুৱা সূতা কটা, ইটা তৈয়াৰ কৰা আদি দৰকাৰী হাতৰকাম শিক্ষা দিব পৰা নাই। শিক্ষাবিভাগে টকা, লাগতিয়াল হাতৰ কাম জনা শিক্ষক আৰু সময় দিহা কৰি দিলে আমাৰ স্কুলবিলাকৰ হাতৰ কাম শিক্ষা ভাল হব।

মাজুৰৰ ইনিস্পেক্টৰ চাহাব মহোদয়ে প্রাইমাৰী আৰু মজলীয়া স্কুলবিলাকৰ পাঠ্যাৱলীৰ পুনৰ বিবেচনা কৰি আৱশ্যকীয় পৰিবৰ্ত্তন কৰিব খুজিছে। সেই বিষয়ে পৰামৰ্শ সোধা তেখেতৰ এখন চিঠিৰ উত্তৰত অসম শিক্ষক সম্মিলনৰ প্রধান সম্পাদক শ্রীযুত হৰিনাৰায়ণ দত্ত বৰুৱা ডাঙৰীয়াই হাতৰ কাম সম্পৰ্কে তলত চমুকৈ উল্লেখ কৰা তালিকা খনি যুগুত কৰিছে।

"প্রাইমাৰী স্কুলত :— চাৰিশোৱা, ক'লা চিয়াঁহী তৈয়াৰ কৰা, খ'খাৰ তৈয়াৰ কৰা, এৰী, মুগা আৰু কপাহৰ ডাঙৰ সূতা আৰু সৰু সূতা কাটা, ডুকুৰি বোৱা, বাঁহ সাজা, আদি বিষয়বোৰ দিয়া হৈছে।

মজলীয়া স্কুলত :— চেপা, জলুকি আৰু মূঢ়া সজা, কাপোৰত ৰং দিয়া, এন্দুৰ ধৰা ফান্দ সজা, ফিটা লগোৱা খৰম কৰা, জাপি সজা, বেতৰ চকি আদি তৈয়াৰ কৰা, কাপোৰত চাব মৰা, মুকুট তৈয়াৰ কৰা, মাছ ধৰা জাল বোৱা, কাঠৰ কলমদানি কৰা, কাপোৰ লগাই কাঠৰ ছটি জোতা তৈয়াৰ কৰা, কাঠৰ ৰং দিয়া পুতলা তৈয়াৰ, টিনৰ চাকি তৈয়াৰ, ধাতু পাত্র জোৰা, হেণ্ডেল আৰু নিব তৈয়াৰ, দৰ্জ্জিকাম, বনিয়ন, ফ্রক আৰু পাঞ্জাবী চোলা কটা আৰু সিলা, দেশীয় উপাদানেৰে ৰং তৈয়াৰ আদি কামবোৰ দিয়া হৈছে।

উল্লিখিত বিষয়বোৰৰ দুই এটা কমব পাৰি।

বিষয় কম হওক কিন্তু যিবোৰ তৈয়াৰ কৰোৱা হয়, সেইবোৰ যেন কামত অহা কৰিব পাৰি তাৰে ব্যৱস্থা কৰা উচিত। মজলীয়া স্কুলৰ ওখ থাপৰ গণিত-সাহিত্য আদি আন শিক্ষনীয় বিষয়ৰ পৰিমাণ কমাই হাতৰ কামৰ শিক্ষাৰ কাৰণে বেচি সময় উলিয়াব লাগে। ["বস্তু পাঠত ভাল জ্ঞান হবৰ কাৰণে প্ৰাইমাৰী স্কুলত বোকাৰ মডেল কৰিবলৈ দিয়া হৈছে। সেই কাৰণে হাতৰ কামৰ সময় খিনি বোকাৰ মডেল কৰাত খৰচ নকৰি তাক সাধাৰণ জ্ঞানৰ পাঠৰ ভিতৰুৱা কৰাহে বাঞ্ছনীয়। আধুনিক সময়ত সাধাৰণ শ্ৰেণী মানুহৰ ব্যৱহাৰিক জীৱনৰ কাৰণে বোকাৰ মডেল বৰ বেচ লাগতিয়াল নহয়।"]

গৃহ-শিল্পৰ বিষয়ে বিশেষ মনোযোগ দিবলগীয়া হৈছে। বৰ্ত্তমানৰ দৰে প্ৰায় সবাকৈ হাতৰ কাম শিকা নিদি সদায় ব্যৱহাৰত অহা আৰু ব্যৱহাৰ কৰিব পৰা বিশেষ কেইটামান বিষয়ৰ শিক্ষা দিয়া উচিত।

হাতৰ কামৰ বিষয় স্কুলবোৰত শিক্ষা দিয়াবলৈ আমাৰ উপত্যকাৰ প্ৰত্যেক বোৰ্ডৰপৰা এজনকৈ, নগাওঁ বোৰ্ডৰপৰা দুজন— মুঠ ১৩ জন নৰ্ম্মাল পাচ শিক্ষক আন ঠাইত শিক্ষা দিয়াই অনাব লাগে।

অসম শিক্ষক সন্মিলনৰ প্ৰধান সম্পাদক ডাঙৰীয়াৰ এইখিনি কথা আমি সমৰ্থন কৰোঁ।

কৃষি আৰু বয়ন বিদ্যা সম্পৰ্কীয় অলপ কামো হাতৰ কামৰ অন্তৰ্ভুক্ত কৰিব পাৰি। প্ৰতি প্ৰাইমাৰী আৰু মজলীয়া স্কুলতে কল, অমিতা আদি ফচল, লাও, কোমোৰা, কবি আদি শাক-পাচলি খেতি কৰিব পৰা এডোখৰ ঠাই থাকিব লাগে। তামোল, খেজুৰ আৰু নানা বিধৰ ফুল ৰুই ফুলৰ বাগিছা এখনি কৰিব পৰা ঠাই এডোখৰো প্ৰতি স্কুলতে থকা বাঞ্ছনীয়। সুবিধা হলে লৰাক তাঁত বৰলৈও শিকাব লাগে। কৃষি আৰু বয়ন বিদ্যা সম্পৰ্কীয় কামত চৰকাৰী কৃষি বিভাগ আৰু বয়ন বিভাগৰপৰা সহায় পালে ভাল হব।

হাতৰ কামৰ নিচিনা সময়োপযোগী লাগতিয়াল পাঠ্য বিষয়বোৰ আৰু শিক্ষা প্ৰণালী সম্পৰ্কীয় আন আন কথাবোৰো আলোচনা কৰিবৰ কাৰণে শিক্ষাবিভাগৰ এখন আলোচনী কাকত অথবা শিক্ষকসমূহৰ এখন বাতৰি কাকত থকা বাঞ্ছনীয়।

শাৰীৰিক কাৰ্য্যাৱলী শিক্ষা দিবলৈ যেনেকুৱা সুবিধা কৰা হৈছে সেইদৰে হাতৰ কামৰ শিক্ষা দিবলৈও এটি বিশেষ দিহা কৰিব লাগে। অসম শিক্ষক সন্মিলনৰ মঙ্গলদৈ অধিবেশনে শিক্ষকক হাতৰ কাম বা গৃহ-শিল্প শিক্ষা দিবলৈ নৰ্ম্মাল ট্ৰেইনিং স্কুলৰ নিচিনা এটা গৃহ শিল্প শিক্ষা দিয়া স্কুল স্থাপিত কৰিবলৈ চৰকাৰক অনুৰোধ কৰিছে। শিক্ষক আৰু পৰিদৰ্শকসকলে হাতৰ কাম ভালকৈ জানিব লাগে। প্ৰাইমাৰী আৰু মজলীয়া স্কুলত শিক্ষা দিবলগীয়া হাতৰ কামবিলাক নৰ্ম্মাল স্কুলৰ ছাত্ৰসকলক ভালকৈ শিকোৱাৰ ব্যৱস্থা কৰিলেও হাতৰ কামৰ শিক্ষা ভাল হব পাৰে। উপৰিস্থ কৰ্ম্মচাৰীসকলে হাতৰ কামৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিব লাগে।

আজিৰদৰে বছৰে বছৰে প্ৰত্যেক মহকুমাতে হাতৰ কামৰ প্ৰদৰ্শনী হব লাগে। উৎকৃষ্ট হাতৰ কাম কৰোঁতাক পুৰস্কাৰ দিব লাগে। অতি উৎকৃষ্ট কামবিলাক অসমৰ বাহিৰৰ প্ৰদৰ্শনীবিলাকলৈও পঠাব লাগে। লৰাই তৈয়াৰ কৰা হাতৰ কাম বিলাক বিক্ৰী কৰাৰ ব্যৱস্থা হব লাগে। স্কুলৰ কাৰণে আৱশ্যকীয় সঁজুলি সম্ভৱ হলে লৰাৰ হাতৰ

কামৰ পৰাই কিনি লব লাগে। লৰাই নিজে ব্যৱহাৰ কৰা বস্তুও পৰাপক্ষত হাতৰ কামৰ বস্তুৰ পৰাহে লব লাগে। লৰাৰ হাতৰ কামৰ বস্তু কিনিবৰ কাৰণে ৰাইজৰ মন ঘূৰাবলৈ চেষ্টা কৰিব লাগে।

আমাৰ দেশত আগেয়ে গৃহস্থই গছা, ঠগা, কুকি, কৰণি, চেৰেকী, কাঁপ, কাটৈক আদি বস্তুবোৰ ধুনীয়া ধুনীয়াকৈ কৰি লব জানিছিল। কমাৰ, কুমাৰ, কঁহাৰ আৰু বাঢ়ৈৰ বিদ্যাবোৰ ক্ৰমে লোপ পাই আহিল। ইয়াৰ ফলত ব্যৱহাৰিক জীৱনৰ কাৰণে লাগতিয়াল আনদেশৰ সাধাৰণ সৰু সুৰা বস্তুবোৰ কিনোঁতে কিনোঁতে প্ৰতি বছৰে বহুত টকা আমাৰ দেশৰ পৰা বিদেশলৈ যায় আৰু এইদৰেই ক্ৰমে আমাৰ দেশ দুখীয়া হবলৈ ধৰিছে। এই কথাটো উদাহৰণ দি আলোচনা কৰিলে দেখা যায়, যে এজন লৰাই মাহেকত ৬ পাইৰ চিয়াঁহী কিনে বুলি ধৰিলে বছেৰেকত তেওঁ ।৵ অনাৰ চিয়াঁহী কিনে। এখন প্ৰাইমাৰী স্কুলত চিয়াঁহীৰে আখৰ লিখা লৰা গড় হিচাবে ৩০ জন আছে বুলি ধৰিলে এখন প্ৰাইমাৰী স্কুলৰ শিক্ষক আৰু ছাত্ৰৰপৰা মুঠতে বছেৰেকত ১২৲ টকাৰূপ খৰচ হয়। এটা মহকুমাত ১৫০ খন প্ৰাইমাৰী স্কুল আছে বুলি ধৰিলে এই মহকুমাৰ পৰাই বছেৰেকত ১৮০০৲ টকা খৰচ হয়। এই হিচাবে অসম উপত্যকাৰ প্ৰাইমাৰী স্কুলবিলাকৰপৰা বছেৰেকত প্ৰায় ২৭০০০৲ টকা চিয়াঁহীৰ বাবে বিদেশলৈ যায়। কেৱল প্ৰাইমাৰী স্কুল সমূহৰ লৰাবিলাকে নিজে ব্যৱহাৰ কৰিবলগীয়া চিয়াঁহী নিজে কৰি ললেও এই ২৭০০০৲ টকা ৰূপ অসম উপত্যকাত ৰৈ যায়।

এতিয়া হাতৰ কামৰ ওপৰত শিক্ষা বিভাগৰ কৰ্ত্তৃপক্ষৰ বিশেষ দৃষ্টি পৰিছে। এই বছৰ প্ৰকাশ হোৱা শিক্ষাবিভাগৰ বছেৰেকীয়া "ৰিপোৰ্টত" মান্যবৰ ডাইৰেক্টৰ চাহাব বাহাদুৰে হাতৰ কাম সম্বন্ধে কৰা মন্তব্যৰ সাৰাংশ এই ;— অসম উপত্যকাৰ এখন আৰু চুৰমা উপত্যকাৰ চাৰিখন হাই স্কুলত নিয়মীয়াকৈ আৰু সুন্দৰ ৰূপে হাতৰ কামৰ শিক্ষা দিয়া হয়। আন আন স্কুলবিলাকতো নানা ধৰণৰ হাতৰ কাম কৰোৱা হয়। অসম উপত্যকাৰ মধ্যলীয়া স্কুলবিলাকত ই এটা বাধ্যতামূলক বিষয়। দুয়ো উপত্যকাতে শিক্ষাৰ এক অঙ্গ স্কুল প্ৰদৰ্শনীবিলাকত কিছুমান বৰ সুন্দৰ সুন্দৰ হাতৰ কামৰ আদৰ্শ বস্তু দেখিবলৈ পোৱা যায়।"

সেই 'ৰিপোৰ্ট'ৰে আন এঠাইত তেখেতে আকৌ মন্তব্য কৰিছে ;— "মিঃ গোস্বামীয়ে (অৰ্থাৎ অসম উপত্যকাৰ স্কুল সমূহৰ ইনস্পেক্টৰ মহোদয়ে) কোৱা দৰে নিৰ্দ্দিষ্ট কামৰ বাহিৰেও স্কুলৰ বাগিচাৰ কাম, হাতৰ কাম, শাৰীৰিক শিক্ষা স্কাউটৰ খেলা আৰু স্বাস্থ্য বিষয়ৰ শিক্ষাত আমাৰ প্ৰাইমাৰী স্কুলবিলাকেও লাহে লাহে আগ বাঢ়িছে।

"আমাৰ প্ৰাইমাৰী স্কুলবিলাক বহুত অসুবিধাৰ মাজত আছে। এই সম্পৰ্কে মই মিঃ গোস্বামীৰ ভাষাৰে আকৌ কওঁ ;— প্ৰাইমাৰী স্কুলবোৰ ইমানবোৰ অসুবিধাৰ মাজত থকা সত্বেও তাত হাতৰ কাম আৰু শাৰীৰিক কাৰ্য্যাৱলী আদি কামবোৰত আশাতীত উৎসাহ-অনুৰাগ দেখা গৈছে।"

"মই ইয়াকো কব পাৰোঁ, যে গাৱঁলীয়া প্ৰাইমাৰী স্কুলৰ কাৰ্য্যই আমাৰ অনেক হাইস্কুলৰ কাৰ্য্যকো পিচ পেলাইছে।"

এই সময়তে দেশবাসীয়েও গৃহ-শিল্পৰ প্ৰতি মনোযোগ দিছে। সেই কাৰণে নতুনকৈ সংশোধিত হবলৈ ধৰা হাতৰ কামৰ পাঠ্য তালিকাত ব্যৱহাৰিক জীৱনৰ কাৰণে লাগতিয়াল গৃহ-শিল্প বিষয়ক কামবিলাকে ঠাই পাব বুলি সকলোৱে আশা

কৰিছে। প্ৰাইমাৰী আৰু মজলীয়া স্কুলত শিকাব পৰা কোনবিলাক হাতৰ কাম ছাত্ৰসকলক শিকালে ভৱিষ্যতে ছাত্ৰসকল হাতৰ কামৰ বিষয়ত উপযুক্ত গৃহস্থ হব পাৰিব তাক প্ৰতি শিক্ষক আৰু অভিভাৱকে ভাবি চাই নিজ নিজ মন্তব্য সোনকালেই স্কুল কৰ্ত্তৃপক্ষক জনোৱা উচিত।

আমি পাহৰিব নালাগে, যে জাপান, জাৰ্ম্মান আদি দেশবোৰে শিল্প শিক্ষাৰ বলেৰেই বৰ্ত্তমান জগতত উন্নতি লাভ কৰিছে।*

সম্ভাষণ।

পুৰণি ঠাইত
নতুন বলেৰে
নৱ আহি কৰে অধিকাৰ।
এনুৱাই ৰীতি
আগৰে পৰাই
চলি আছে ইহ জগতৰ॥
তাৰ লগে লগে
মৰম — বিদায়
চলি থকা জগতৰ ৰীতি।

পুৰণি বছৰে
মেলানি মাগিছে
জনোৱা বিদায় স্নেহৰ প্ৰীতি॥
নবীনক সবে
নতুন উলাহে
বজোৱা বীণা পঞ্চমে তুলি!
তাৰ লগে লগে
দেশৰ কল্যাণ
সাধা সবে নিজ-প্ৰাণ ভুলি॥

স্কাউটিং সম্বন্ধে দুআষাৰ মান।

১। মাননীয় সভাপতি মহোদয়, আৰু
সমবেত ভদ্ৰমণ্ডলী!

বয়স্কাউট এচোচিয়েচনৰ জিলা কমিচনাৰে যোৰহাট বয়স্কাউটবিলাকৰ এখনি স্থানীয় সভা গঠন কৰিবলৈ বুলি আপোনালোকক আহ্বান কৰি আনি স্কাউটিং সম্বন্ধে দু আষাৰমান কথা কবলৈ মোক আদেশ কৰিছে। স্কাউটিঙৰদৰে এনে এটি বৃহৎ অনুষ্ঠানলৈ চাই বিজ্ঞমণ্ডলীৰ আগত কথা কবলৈ

যোৱা ২৩ আৰু ২৪ মাৰ্চ্চ তাৰিখে শিৱসাগৰ মহকুমা শিক্ষক সন্মিলন আৰু হাতৰ কামৰ প্ৰদৰ্শনী শিৱসাগৰ "টাউনত" হৈছিল। প্ৰদৰ্শনী উদ্বোধন কৰিছিল অসম গৱৰ্ণমেণ্টৰ জুডিচিয়েল মেম্বৰ অনাৰেবল ৰায় বাহাদুৰ— শ্ৰীযুক্ত প্ৰমোদ চন্দ্ৰ দত্ত ডাঙৰীয়াই। মূল সন্মিলনৰ সভাপতি আছিল অসম উপ-(?)কাৰ স্কুল সমূহৰ ইনস্পেক্টৰ শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামী মহোদয়। তাত পাঠ কৰিবৰ উদ্দেশ্যে এই প্ৰবন্ধ লিখা হৈছিল। — লিখক—

আগবঢ়াটো মোৰ পক্ষে গুৰুতৰ কাম। কিন্তু তথাপি এই বুলি সাহসত ভিৰ দি হে আপোনালোকৰ আগত থিয় হৈছোঁহি; দোষ হলে অনুগ্ৰহ কৰি ক্ষমা কৰে যেন।

২। বৰ্ত্তমান চলিত শিক্ষাপদ্ধতিৰ বহু বিষয়ক প্ৰচেষ্টাৰ মাজটো কিয় স্কুলবিলাকত স্কাউটিং আৰম্ভ কৰিবলগীয়া হল বা পুনৰ সংগঠন কৰিবলগীয়া হল এই বিষয়ে দ'কৈ ভাবি চাবৰ সময় আহিল। এই সম্বন্ধে আজি দুবছৰৰ আগেয়ে বাতৰিত প্ৰকাশিত "বয়স্কাউটৰ বৈঠক" নামে প্ৰবন্ধৰপৰা কেইটামান কথা তুলি দিলোঁ। আৰু লগতে বাতৰিৰ সম্পাদক ডাঙৰীয়াকো ধন্যবাদ জনালোঁ।

কিছুমান পণ্ডিতে কয়, যে বৰ্ত্তমান যি প্ৰণালীত আমাৰ লৰা-ছোৱালীবিলাকক স্কুল কলেজত পঢ়োৱা হৈছে সেয়ে যথেষ্ট হোৱা নাই। কিয়নো এই এক ৰকমৰ শিক্ষাই কেৱল মগজুৰ বাহিৰে হাত, ভৰি, চকু, কাণ আদি অঙ্গ প্ৰত্যঙ্গ আৰু সেই অনুপাতে আন আন ইন্দ্ৰিয়বিলাকৰ উপযুক্ত উন্নতি সাধিব পৰা নাই। এই কথা একেবাৰে মিছা বুলি উৰাই দিবলৈ বোধকৰোঁ নিচেই উজু নহব। আমাৰ শিক্ষাৰ এই ডাঙৰ অভাব যাতে গুচাব পৰা যায়, তাৰ কাৰণে স্কাউটিং শিক্ষাৰ প্ৰচলন কৰা হৈছে। কোনোৱে সুধিব পাৰে, যে এই অনুষ্ঠানৰ জনম দিওঁতা লৰ্ডবেডেন পাওৱেলে পোনতে এনে উদ্দেশ্যেৰেই স্কাউটিং আৰম্ভ কৰিছিল নে? পাতনিতে ঠিক এই উদ্দেশ্য আখৰে আখৰে নকলিয়ালেও ক্ৰমে কৃতকাৰ্য্য হোৱাৰ লগে লগে ইয়াৰ ভিতৰত বহুত আৱশ্যকীয় কথা সোমাই পৰিল।” চমুকৈ কব পাৰি, যে "প্ৰত্যেক লৰাৰ ভিতৰতে উপযুক্ত নাগৰিকতাৰ গঁচ সিঁচি তাৰ পুলিটি যাতে আপডাল কৰি ঠন ধৰাই তুলিব পৰা হয় সেইটোৱেই ইয়াৰ প্ৰধান উদ্দেশ্য।"

সাধুকথা আৰু ৰং খেমালিৰ মাজেদি সকলো সময়ৰ শিক্ষকবিলাকে লৰাক, ধৰ্মনীতি, ৰাজনীতি, সমাজ নীতি আৰু স্বাস্থ্য নীতি আদি বিষয়ৰ আদৰ্শ শিক্ষা দি অহা দেখা গৈছে। স্কাউটিঙেও সেই একে নীতিকেই অনুসৰণ কৰি আহিছে। চাৰি ঘণ্টা বা পাঁচ ঘণ্টা স্কুলৰ পাঠ মনোযোগেৰে টেঙেক পঢ়ি শেহত গধূলি খেলিবা যুকলি পথাৰত সমনীয়াৰ লগত ৰং খেমালি কৰি সৰু উপায়েৰে সময় কটোৱা আৰু লগতে শৰীৰ আৰু মনৰো উৎকৰ্ষ সাধন কৰাই স্কাউটিঙৰ প্ৰধান কাম। "স্কাউটিং বহুতে বিদেশীয় শিক্ষা বুলি ভাবিব পাৰে আৰু তেনে ভাবৰ পৰা ইয়াক ঘৃণাৰ চকুৰেও চাব পাৰে। আমি দেখোঁতে এনেকৈ চোৱাৰ কাৰণ নাই। ই কাৰো নিজা সম্পত্তি নহয়; ই সকলোৰে। পৃথিৱীৰ ইতিহাস মেলি চালে এনে এখনি দেশ পোৱা নাযাব যি দেশত "স্কাউট" নাছিল। দেশ, কাল, পাত্ৰ চাই কোনো কোনো কথাৰ হ্ৰস্ব দীৰ্ঘ হয়।

স্কাউটিঙৰ এটা বিশেষত্ব আছে। ই একালে যেনেকৈ ব্যক্তিত্বৰ উৎকৰ্ষ সাধন কৰাত সহায় কৰে আনফালে তেনেকৈ কোনো দলভুক্ত হৈ এজন চলাওঁতাৰ অধীনত দহজনৰ উপকাৰ সাধন কৰাতো বল আৰু ধৈৰ্য্য দিয়ে।

দৰাচলতে স্কাউটিঙে এনে এক শ্ৰেণীৰ মানুহ গঢ়ি তোলে যি ধৰ্ম্মপৰায়ণ হয় অথচ বিধৰ্ম্মী বিদ্বেষী নহয়, যি উচিত কথা কবলৈ কাৰো অনুগ্ৰহৰ লোভত তলমূৰ নকৰে; যি লোকৰ দুখত সহানুভূতি প্ৰকাশ কৰিয়েই ক্ষান্ত নেথাকে কিন্তু কাৰ্য্যত দুখ নিবাৰণৰ চেষ্টা কৰে; যি কোনো ৰাজহুৱা কামৰ চলাওঁতা হৈ স্বাৰ্থপৰতা আৰু সংকীৰ্ণ মনৰ পৰিচয় নিদিয়ে; যি দহজনীয়া কামৰ নিমিত্তে পাইটো পইচাটো তুলি তাৰে আধা পাইটো পইচাটো বজাৰ খৰচত ব্যয় নকৰে; যি নিজৰ সমাজ বা

দেশৰ কাৰণে কোনো এটা কাম হাতত লৈ তাৰ ফলাফলি ধৰৰে ইত্যাদি ইত্যাদি।

৩। ছেলেহতে এই জাতি গঠনমূলক অনুষ্ঠানটি যেনেকৈ আৰম্ভ হয়লৈ পাছে তাৰ বিষয়ে সকলোৰে অলপ অচৰপ জনা উচিত যেহেতু কাইলৈ হয়তো আমি প্ৰত্যেকেই আমাৰ লৰা-ছোৱালীবিলাকক তাৰ অন্তৰ্ভুক্ত কৰিবলৈ ইচ্ছা কৰিব পাৰোঁ।

৪। ১৮৯৩—৯৪ এই এবছৰৰ ভিতৰত য়ুৰোপ ইণ্ডিয়াৰ সৈন্য বিভাগত কাম কৰোঁতে লৰ্ড বেডেন পাওৱেল ভেণ্ডিয়াৰ লেফটেনেণ্ট জেনেৰেলে বুজিব পাৰিলে, যে সাধাৰণ শান্তি দূত হিচাবে শিক্ষা দি আনিবলৈ সৈন্য বিভাগত এক প্ৰকাৰ অসম্ভৱ। গতিকে তেখেতে সুকীয়াকৈ কিছুমান মানুহক কটকী আৰু চোৰাং শিক্ষা দিবলৈ আৰম্ভ কৰিলে। ১৮৯৭—১৮৯৮ এই এবছৰৰ ভিতৰত মুকলি পথাৰত দক্ষতা আৰু সুচৰিত্ৰৰে সৈতে কাম কৰিব পৰাকৈ পূৰ্বৰ তিনি বছৰৰ অভিজ্ঞতাৰে সৈতে বেডেন পাওৱেলে যথেষ্ট ৰকমে উন্নতি সাধিলে। ১৮৯৯—১৯০০ খৃষ্টাব্দৰ ভিতৰত দক্ষিণ আফ্ৰিকাৰ যুদ্ধৰ সময়ত মেজৰ লৰ্ড এডোৱাৰ্ড চেচিল নামেৰে বেডেন পাওৱেলৰ কৰ্তৃপক্ষ একজনে ছাত্ৰবিলাকৰ মাজৰপৰা এনে এটি দল সংগঠন কৰি তোলে। এই শিক্ষাৰ আদৰ্শই বেডেন পাওৱেলৰ জীৱনত এটি নতুন পোহৰ পেলায়; ফলত ১৯০১ চনত দক্ষিণ আফ্ৰিকাত তেখেতে নিজৰ মতেৰে এটি নতুন দল সংগঠন কৰে।

১৯০৩ খৃষ্টাব্দত ইংলণ্ড দেশত শিক্ষয়িত্ৰীবিলাকৰ কলেজত বেডেন পাওৱেলৰ স্কাউটিং মূলক প্ৰবন্ধবিলাক পাঠ্য হিচাবে পঢ়োৱা হয়।

১৯০৫ চনত এই শিক্ষা পদ্ধতি বেডেন পাওৱেল মহাশয়ে নিজে ছাত্ৰবিলাকৰ সম্পূৰ্ণ উপযোগী কৰি ৰচনা কৰে।

১৯০৭ খৃষ্টাব্দত ব্ৰাউনচি দ্বীপত বেডেন পাওৱেলে নিজৰ তত্ত্বাৱধানত স্কাউটিং শিক্ষা দিবলৈ আৰম্ভ কৰি তাৰ আশাতীত ফল লাভ কৰে। কি মূল নীতিৰ ওপৰত এই শিক্ষাৰ ভিত্তি স্থাপন কৰি স্কাউটিং আৰম্ভ কৰে সেই সম্পৰ্কে বেডেন পাওৱেল মহাশয়ে ১৯১৮ চনৰ ২৪ মেৰ দিনাখন লণ্ডনত আমেৰিকান কনচুলেট জেনেৰেলৰ বৈঠকত তলৈক প্ৰশ্নটিৰ? আগত এইদৰে সাক্ষ্য দিছিল।

The training was based on that which I had employed with soldiers and with the constabulary with some adoptations to make it suitable for boys, following the principles adopted by the Zulus and other African tribes which reflected some of the ideas of Epictetus. and the methods of the Spartans, ancient British and Irish for training their boys.

এই সব অনুষ্ঠানটিয়ে এনেভাৱে জন সাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিলে, যে ১৯১০ খৃষ্টাব্দত স্কাউটৰ সংখ্যা ১০৮০০০ হৈ উঠিলহি। ১৯৩৫ চনত বয় স্কাউটবিলাকৰ হিচাবত পোৱা গৈছে মুঠ সংখ্যা ৯০৫০০০; এই হিচাবৰপৰা বয়স্কাউটৰ ক্ৰমোন্নতি কেনেকৈ বুজিব পৰা যাব।

ইয়াৰ উপৰিও মাজে মাজে পৃথিবীৰ ভিন্ন ভিন্ন ঠাইত হোৱা বয়স্কাউট জাম্বোৰিবিলাকৰপৰা এইটো স্পষ্টকৈ প্ৰমাণ পোৱা গৈছে, যে এই বিষয় শিক্ষাই দেশ, জাতি আৰু সাম্ৰাজ্যৰ মাজত এটি নতুন ভাব ধাৰাৰ সৃষ্টি কৰি তুলিছে।

মিছিনাথৰ মাধ্যমৰ হৈ যোৱা [illegible] জাম্বোৰীৰ কাৰ্য্যাৱলী ভাৰতৰ ইতিহাসত [illegible] সাধনা আৰু লিখিব এটি অমৰ দৃষ্টান্ত [illegible] থাকিব।

৫। স্কাউটিঙৰ ওপৰে ওপৰে আৱশ্যকতাৰ বিষয়ে আমি অলপ কথা কৈ আহিলো কিন্তু ইয়াৰ জন্ম দিওঁতা লৰ্ডবেডেন পাওৱেলৰ নিজৰ ভাষাৰে কোৱা কথা কেইআষাৰ·আৰু সাকথা।

The aim of the movement was to make good citizens and for this reason it was judged unnecessary to introduce military drill.

"My purpose in forming the Scout organisation was to counter' act if possible, the deterioration, moral and physical, which shortened our rising generation, and to train the boys to be more efficient and characterful citizens. The defect in existing boys' organisation was plain that they were not sufficiently attractive from the boys' point of view, nor wide enough in their scope of their training, nor sufficiently varied to meet the changeable nature of the boy."

৬। এতিয়া আমাৰ ঘৰৰ ওচৰলৈ আহোঁহক। সম্প্ৰতি যোৰহাটত ১৬৬ জনতকৈও সৰহ বয়স্কাউট আছে আৰু ৭২ জনতকৈও অধিক কাব আছে।

এইসকলৰ শিক্ষাৰ দায়িত্ব তাৰ লব লাগিব আপোনালোকে। আৰু আজি আপোনালোকক আহ্বান কৰি আনিছে সেই একে উদ্দেশ্যেৰেই। তাৰ কাৰণে আপোনালোকে কামৰ ভাগ বাতি লব গতিকে মই আৰু সেই বিষয়ে কোনো কথা কৈ আমনি দিব নোখোজো। কিন্তু আপোনালোকৰ ওচৰত বিদায় লোৱাৰ আগেয়ে মই আজি সংগঠন হব খোজা লোকেল এচোচিয়েচনৰ ওচৰত এটা কথা জনাব খোজোঁ। সকলো কথাই হু-বহু গ্ৰহণ কৰা এটা জাতিৰ পক্ষে কিমান মঙ্গলজনক তাক দকৈ ভাবি চোৱা উচিত। স্কাউত শিক্ষা জাতি সংগঠনৰ কাৰণেহে। এতেকে লোকেল এচো-চিয়েচনৰ লক্ষ হোৱা উচিত যাতে অন্তৰ্জাতিক ভ্ৰাতৃ ভাৱ গঠন কৰিবলৈ যাওঁতে নিজৰ ঘৰলৈ নেপাহৰে। ভাগনে লেয়া কৰ নোৱাৰে। কিন্তু আমাৰ দেশৰ বহুতৰ এনে এটি উদাৰ চৰিত্ৰ আছে যে নিজৰ ঘৰৰ খুটা ভাঙ্গি মি লোকৰ ঘৰত লগাই তৰনী কৰি তুলিব পাৰে আৰু ইফালে নিজে ভঙা ঘৰৰ তলত থাকিও ৰাজ সুখ ভোগ কৰা বুলি অনুমান কৰে। নীতি পৃথিৱী ব্যাপী একে হলেও বয়স্কাউটে জাতীয়ত্ব ৰক্ষা কৰিবই লাগিব। আমি প্ৰথমতে অসমীয়া তাৰ পাচতহে আন সকলো।

শ্ৰীধীৰেশ্বৰ ভট্টাচাৰ্য্য।

যোৰহাট মহকুমা শিক্ষক সম্মিলনৰ

অভ্যৰ্থনা সমিতিৰ সভাপতি অনৰেবল শ্ৰীযুত হেৰম্ব প্ৰসাদ বৰুৱাদেৱৰ অভিভাষণ।

শ্ৰদ্ধাস্পদ সভাপতি ডাঙৰীয়া, আইসকল, দেউ-সকল আৰু ছাত্ৰবন্ধুসকল।

বৰ্ত্তমান সময়টো সভা-সমিতিৰ যুগ। আজি যোৰহাট মহকুমাৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলক যোৰহাট মহকুমা শিক্ষক সম্মিলনৰ হৈ এই সম্মিলনত নিমন্ত্ৰণ কৰি অভ্যৰ্থনা কৰিবলৈ পাই নিজকে ধন্য মানিছোঁ। আমাৰ এই সম্মিলনত নিমন্ত্ৰিত ভদ্ৰলোক সকল আহি সম্মিলনৰ শোভা বঢ়োৱাত আৰু আনন্দ পাইছোঁ। তেখেত সকলকো মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ। সম্মিলনৰ কাৰ্য্য তালিকাতে আপোনাসকলে সভাৰ উদ্দেশ্য বুজিব পাৰিছে। সেই বিষয়ে মই বহলাই নকলেও হব। তদুপৰি আজিৰ সভাপতি ডাঙৰীয়াই এই বিষয়ে খৰচি মাৰি যি ক্ৰুআৰাৰ কব তাতকৈ সাৰুৱা কথা মোৰ পৰা আশা কৰিবও নোৱাৰে। মোৰ মাত্ৰ আজি এটা সুবিধা মিলিছে। মোৰ নিজৰো এই মহকুমাৰ শিক্ষাৰ বিষয়ে কিছু সম্বন্ধ থকা গতিকে শিক্ষক-শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰী সকলক একে ঠাইতে দেখি স্বভাৱতে এটা আনন্দৰ ভাৱ মনত উপজিছে। এই ছেগতে তেওঁলোকৰ লগত ভাবৰ আদান প্ৰদান কিছুদূৰ হলে উভয় পক্ষই যে তাৰ পৰা উপকৃত হব সেই কথাত মোৰ কোনো সন্দেহ নাই। মই যিমানদূৰ নিজে অনুভৱ কৰিছোঁ আজিৰ উদ্দেশ্যও সেয়েহে। আজি আমি এটা নতুন ভাৱ লৈ ইয়াত গোট খাইছোঁ। দুখে সুখে, সুবিধা অসুবিধাৰ মাজতো, আমাৰ দেশত শিক্ষক শিক্ষয়িত্ৰী সকলে কি দৰে শিক্ষা বিধান কৰিছে, ছাত্ৰ ছাত্ৰী অভি-ভাবক সকলৰ লগত তেওঁলোকে কিদৰে ব্যৱহাৰ কৰিছে আৰু নিজেও সেই ব্যৱহাৰ পাইছে, দেশৰ, সমাজৰ, লগত তেওঁলোকে কিদৰে সমানে সাঁতুৰিছে, পৰস্পৰে পৰস্পৰক সেই সম্ভেদ দি নিজৰ পথ সুগম কৰি লোৱাৰ আজি ইচ্ছা কৰিছে। হ'ত মানুহে কোনো এটা উদ্দেশ্য লৈ গোট খায়, তাত এনেয়েও দহোটা ন কথা শিকে আৰু শিকায়। আজিৰ সম্মিলনত আমি তাকেহে আশা কৰোঁ।

আজি আমি গোট খাইছোঁ কেৱল কথাৰ মৰণা মাৰিবলৈ নহয়। আজি আমি চকুৰ আগত দেখিম— বহুত অসুবিধাৰ মাজতো ছাত্ৰ শিক্ষক গোট খাই কিমানদূৰ হাতৰ কাম বন কৰি হাতকো মগজুৰ দৰে শিক্ষিত কৰি তুলিব পাৰিছে। শিক্ষয়িত্ৰীসকলে ছোৱালীইতক কিদৰে ভৱিষ্যত ঘৰুৱা কাম, বোৱা কটা, চিলাই আদি শিকাই পাকৈত কৰিছে। দেশৰ উঠি অহা ডেকাসকলে কিদৰে বং ধেমালিৰ মাজেদি শিক্ষাৰ বোজাটো পাতল কৰি, ব্যায়ামেৰে অঙ্গ প্ৰত্যঙ্গৰ সৌষ্ঠৱ বঢ়াই ভৱিষ্যত জীৱন সৰ্ব্বতোভাৱে সুখৰ কৰি তুলিবলৈ যত্ন কৰিছে। প্ৰদৰ্শনীত আমি বিবিলাক বস্তু দেখিম সেইবিলাক হয়তো দামী বা চকু দিলে চকু ৰোৱা সিমানদূৰ নহব পাৰে। কিন্তু সাতোঁৰেতে সাতোঁ-ৰেতে যি দৰে বাউসিৰ বল বাঢ়ে, ছাত্ৰৰ নিজ হাতে কৰা এইবিলাক বস্তুৰে তেওঁলোকৰ ভৱিষ্যত শিল্প নৈপুণ্যতাৰ আগ লোৱাত দিব পাৰে। এয়ে "যি মূলা বাঢ়িব তাৰ দুপতীয়াতে চিন" হব পাৰে।

গধুলিলৈ আমি ছায়াচিত্ৰৰ সহায়েৰে বহুত কথা

চকুৰে দেখি শিকিম। ইয়ো বৰ্ত্তমান যুগত লোক শিক্ষাৰ এটা অঙ্গ বুলিব পাৰি। ছায়াচিত্ৰৰ সহায়েৰে আমি যি শিক্ষা লাভ কৰোঁ। সিটো চকুৰ আগতে ঘটিছে যেন বোধ হয়। এনে ছায়াছিত্ৰৰ সহায়েৰে দিয়া শিক্ষাৰ বিশেষত্ব বুলি মোৰ অনুমান হয়। ইয়াৰ সহায়েৰে আমাৰ একৰকম নিৰক্ষৰ দেশত গাঁৱত বহুত বিষয়ে জনসাধাৰণৰ চকু মুকলি হব পাৰে। বিশেষকৈ, খেতি-বাতি, গৰু-ম'হ, বোৱা-কটা, স্বাস্থ্য সম্বন্ধে বহুত জানিবলগীয়া কথা এই ছায়াচিত্ৰৰ সহায়েৰে শিকিব পাৰি। মোৰ বোধেৰে সময়ত ই গাঁৱলীয়া শিক্ষাৰ এটা সঙ্গুলি হব।

শিক্ষক হিচাবে মোৰ নিজৰ অভিজ্ঞতাৰপৰা বিশেষ কবলগীয়া নেথাকিলেও শিক্ষা বিভাগৰ লগত বৰ্ত্তমান সময়ত মোৰ যি সম্বন্ধ সেই সম্বন্ধৰ মাজত থাকি কিছু কথা স্বভাৱতে চকুত পৰিছে। মোৰ অনুমান হয় এতিয়া দেশত জনসাধাৰণৰ শিক্ষা কলীয়া আখৰেৰে চিনাকী হলেই নহয়। তাৰ লগে লগে হাতে কামেও চিনাকী হব লাগিব। সুখৰ বিষয়, এই কথা দেশত আজি সকলোৱে বুজি উঠিছে। বহুত প্ৰতিকুল অৱস্থাৰ মাজত থাকি এই বিষয়ে যদিও আমি বিশেষ একো কৰিব পৰা নাই তথাপি মই ভাবোঁ। দেশত এতিয়া লাহে লাহে হাতে-কামে পোৱা শিক্ষাই গাঁৱলীয়া সমাজ নিয়ন্ত্ৰিত কৰিব। আমাৰ দেশৰ অপূৰ্ব্ব আৰ্টিজেন শ্ৰেণীৰ কামৰ লগত গাঁৱলীয়া শিক্ষা আকৌ খাপ-খাই পৰিব লাগিব। প্ৰথমতে আমাৰ দেশত জন-সাধাৰণৰ শিক্ষাৰ লগত যে ইয়াৰ সম্বন্ধ আছে সেই কথাটো ভবা হোৱা আছিল—মোৰ এনে অনুমান হয়। এতিয়া শিক্ষা যে কাৰ্য্যকৰী হব লাগে এই কথা শিক্ষাৰ অধিনায়ক সকলে আৰু বেছিকৈ ভাবিছে।

আজিৰ সন্মিলনৰ লগত লোকেলবোৰ্ড বিলাকৰো কিছু সম্বন্ধ আছে। আজি এই সম্বন্ধে দুআষাৰ কলেও বোধ হয় অবান্তৰ নহ'ব। এই বিষয়ে মোৰ কবলগীয়া বিশেষ একো নাই। মাত্ৰ ইমানকে কব খোজোঁ, বোৰ্ড আৰু শিক্ষা বিভাগে সকলো ঠাইতে জনসাধাৰণৰ শিক্ষালৈ ধাউতি চাই, সমানে হেপাঁহ পলুৱাই কাম কৰিব পৰা নাই যদিও, সকলো প্ৰকাৰ অনাটনৰ মাজতো বুজিছে যে প্ৰাথমিক শিক্ষা বিস্তাৰ কৰা বোৰ্ডৰ প্ৰথম কৰ্ত্তব্য। অন্ততঃ বোৰ্ডে যতে সুবিধা পাইছে শিক্ষাৰ পোহৰ পেলাবলৈ পাহৰা নাই। আৰু শিক্ষা বিভাগেও বোৰ্ডক সদায় সহা-কণীয়া কৰি ৰাখিছে। শিক্ষক সকলেও বহুত অসুবিধাৰ মাজতো যিদৰে শিক্ষাৰ ধাৰ বোৱাই ৰাখিছে, সেই বাবেও তেওঁলোক শলাগৰ পাত্ৰ। মোটতে জনসাধাৰণৰ শিক্ষা এতিয়া সকলোৰে আগ্ৰহৰ বস্তু হৈ পৰিছে। এই প্ৰবল ইচ্ছাই নিজৰ বাট সময়ত উলিয়াই ল'ব বুলি কব পাৰি।

এই খিনিতে সিদিনাৰ অসম কাউন্সিলত প্ৰাদে-শিক্ষা বোৰ্ড এখন স্থাপনৰ যি প্ৰস্তাব হৈছে সেই কথাই প্ৰমাণ কৰিছে যে দেশত শিক্ষাৰ এটা নতুন নীতি অৱলম্বন কৰিবৰ সময় পালেহি। এই বোৰ্ডে জনসাধাৰণৰ শিক্ষা কিছুমানদূৰ আগ বঢ়াই দিব পাৰিব বা কাৰ্য্যকৰী কৰি তুলিব সেই কথা এতিয়াই কোৱা টান। সেয়ে হলেও এবাৰ কথা এই খিনিতে কব পাৰি যে জনসাধাৰণৰ শিক্ষা কিছু-মান দূৰ আগ বঢ়াই দিব পাৰিব বা কাৰ্য্যকৰী কৰি তুলিব সেই কথা এতিয়াই কোৱা টান। সেয়ে হলেও এবাৰ কথা এই খিনিতে ক'ব পাৰি যে জনসাধাৰণৰ শিক্ষাত বৰ্ত্তমান সময়ত যিবিলাক আসোঁৱাহ আছে তাক দূৰ কৰিবলৈ এই শিক্ষাৰ বোৰ্ডে নিশ্চয় প্ৰথম কৰ্ত্তব্য বুলি ধৰিব। এই

'New Orientation' বা নতুন পদ্ধতিৰ প্ৰয়োজন অনুভৱ নকৰা হলে এই শিক্ষা বোৰ্ড স্থাপন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰাও নহলহেঁতেন। এই প্ৰাদেশিক বোৰ্ড কাৰ্য্যকৰী কৰিবলৈ সকলোৱে সমান চেষ্টা হোৱা উচিত হব।

মোৰ বিশেষ কবলগীয়া একো নাই। অভ্যৰ্থনা সমিতিৰ সভাপতি স্বৰূপে আপোনালোকক যথা যোগ্য আদৰ সমাদৰ কৰিব নোৱাৰি বেজাৰ পাইছোঁ। এই বিষয়ে আমাৰ সকলো ত্ৰুটি যেন ক্ষমা কৰে। আমাৰ সৌভাগ্যৰ কথা যে আজিৰ সভাত অসম শিক্ষা ক্ষেত্ৰত অতি অভিজ্ঞ এজনক সভাপতি স্বৰূপ পাইছোঁ। তেখেতে স্থি দক্ষতাৰে সৈতে আজি অতকাল শিক্ষাৰ গুৰি ধৰি আছিছে তাৰে আমাক নিৰাপদে পাৰ-ঘাট চপাই দিব পাৰিব বুলি আমি বিশ্বাস কৰোঁ। তেখেতৰ সুমূলা আৰু সাৰুৱা অভিভাষণ শুনিবলৈ আপোনা-সকল নিশ্চয় উদ্‌গ্ৰীৱ হৈ আছে। মই আৰু সময় নলওঁ। মই এই অভ্যৰ্থনা সমিতিৰ সভাপতি হলেও, কাৰ্য্যস্থলত মই একো কৰিব পৰা নাই। প্ৰকৃত কাৰ্য্যভাৰৰ বাবে আজি যদি কোনোৱে শলাগ পাব লাগে তেখেত হৈছে সমিতিৰ সম্পাদক আপোনাসকলৰ সুযোগ্য ডিপুটী ইন্‌স্‌পেক্টৰ শ্ৰীযুত দেবানন্দ শৰ্ম্মা দেৱ। তেখেতে অহোপুৰুষাৰ্থ চেষ্টা কৰি সন্মিলনৰ সকলো কাম নকৰা হলে মই বিমোৰত পৰিলোঁহেঁতেন।

শেহত শিক্ষক বৰ্গ, শিক্ষয়িত্ৰী, ছাত্ৰ ছাত্ৰী-সকল আৰু উপস্থিত সজ্জনসকলক মোৰ আন্তৰিক ধন্যবাদ জনাই আপোনাসকলৰ অনুমতি লৈ আজিৰ সন্মিলনৰ কাৰ্য্য আৰম্ভ কৰিবলৈ অনুৰোধ কৰি মোৰ বক্তব্য সামৰিলোঁ।

ফাল্গুনৰ শেষ দিন।

অ'ফাগুনি তই যাবলৈ ওলালি
বসন্তক আদৰি থৈ;
চিৰ লগৰীয়া ফাগুনি বতাহো
যাবিগৈ লগতে লৈ।

এজাৰত তয়ে নিজাৰ পেলালি
পাত সকবালি 'বা'ত;
তোৰ বতাহতে গছ-বিৰিখেও
বসন্ত লগালে গাত।

তোৰ'বা'কাৰণে কবিৰ পৰাণে
থাকে কত বাট চাই;
আছি দুদিনতে গলি ঐ ফাগুনি
অতৃপ্ত-প্ৰাণ জুৰাই।

তোৰেই কাৰণে বসন্ত বৈ থাকে
(তই) গলেই আহিব বুলি
বসন্তক দেখি কুউ, কুউ বুলি
মাতিব কুলীয়া কুলি।

সেই কাৰণেই গলি তই ফাগুনি
বসন্ত আগমন দেখি
বসন্তক পাই নতুন পোচাক
সাজিব প্ৰকৃতি দেখি।

স্বাৰ্থ ত্যাগ/ তুমি   দেখালা 'নবক'
যশত আপেক্ষা দেখি
ভোগ বিলাসত   নমজি কাওনি
গলাগৈ আপুনি শুচি।

যাবিগৈ কাওনি।   আহিবি যেতিয়া
(আকৌ) বছৰ শেষত তই
তোৰ 'মা' কাৰণে   অবলা পৰাণে
থাকিলোঁ অপেক্ষি ৰই।
শ্ৰীজগত চন্দ্ৰ দত্ত বৰা।

ব্যায়াম চৰ্চ্চাত নৰ্ম্মাল স্কুলৰ ছাত্ৰ।

মঙ্গলদৈৰ উদীয়মান যুবক, ১৯৩৪ চনৰ নৰ্ম্মাল স্কুলৰ তৃতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ, শ্ৰীমান শ্ৰীকান্ত চক্ৰবৰ্ত্তীয়াই অতি কম সময়ৰ ভিতৰতে ব্যায়াম চৰ্চ্চা কৰি, শাৰীৰিক শক্তি উৎকৰ্ষ সাধনত বিশেষ ভাবে ব্যুৎপত্তি লাভ কৰিছে।

১৯৩৩ চনৰপৰা ব্যায়ামচৰ্চ্চা কৰি আজি দুবছৰৰ ভিতৰতে জ্বালেমান লাগতিয়াল খেলা দেখুৱাই দৰ্শক সকলক পৰিতোষিত কৰি, নৰ্ম্মাল স্কুলৰ সুখ্যাতি বঢ়াইছে। সময় আৰু সুবিধা উলিয়াই ছাত্ৰ জীৱনতে শৰীৰৰ কেনেকৈ পুষ্টি সাধন কৰিব পাৰি তাৰ জলন্ত উদাহৰণ এওঁ ছাত্ৰসকলৰ আগত দাঙ্গি ধৰিছে।

ডগা চিচাৰ ওপৰত সুদা গাৰে শুই বুকুত ৭।৮ মোণ বখা, ডগা চিচাৰ ওপৰত সুদা ভৰিৰে নচা, দাঁতেৰে ছিঙ্গিৰে আৰু বুকুৰে টান লোহা বেকা কৰা, হাতৰ ঠাৰিত মেৰোৱা, টান লোহা হাড়ৰ খাউৰিত ৰাখি বেকা কৰা, হাতৰ মাংস পেশীৰে (Muscle) আৰু দুটা আঙুলিৰে কণী থিয় কৰি ভাঙ্গত ভঙ্গা, বচিৰ টান কাঠোনৰপৰা মুকলি হোৱা, মটৰ বখা আৰু ছুৰী খেল আদিৰ বাহিৰেও আসন প্ৰাণায়াম্ আৰু নানা ব্যায়াম খেলত পাৰ্গতালি লাভ কৰিছে।

১৯৩৪ চনৰ জয়ন্তী উৎসৱ উপলক্ষে জনলাগৰৰ পাৰত বহা বিৰাট জন সমূহৰ মাজত, আৰু মঙ্গলদৈত বহা যোৰা শিক্ষক সম্মিলনত ব্যায়াম দেখুৱাই বিশেষ প্ৰশংসা লাভ কৰিছিল। তাৰ বাহিৰেও স্কাউট খেলা, অসমভেলি টুৰ্ণামেণ্ট আৰু মাজে সময়ে সভা সমিতিত নানা খেলা দেখুৱাই সুকীৰ্ত্তি লাভ কৰিছে। যোৱা ৪।১২।৩৪ তাৰিখে অসম শিক্ষা বিভাগৰ শুবীয়াল মহামান্ত জি, এ, স্মল চাহাব বাহাদুৰে নৰ্ম্মাল স্কুলৰ মুকলি প্ৰান্তত তেওঁৰ ব্যায়াম কৌশল দেখি বিশেষ পৰিতুষ্ট হৈছিল।

বৰ্ত্তমান এওঁৰ বয়স ১৯ বছৰ মাথোন। আশা কৰোঁ এওঁ নিচলা অসম মাতৃৰ মুখ উজ্জল কৰিব।

বিবিধ টোকা।

(৪।২।৩৫ তাৰিখ সোমবাৰে শিৱসাগৰ কেন্দ্ৰৰ শিক্ষক সভাত পঠিত)

(১) শিৱসাগৰৰ পৰাই পোন প্ৰথমে ১৮৪৬ খৃষ্টাব্দত আমেৰিকাৰ বেপ্‌টিষ্ট মিছন চাহাব সকলে "অৰুণোদয়" নামৰ এখন আলোচনী কাকত বাহিৰ কৰিছিল। এই কাকত ছপোৱা প্ৰেছ আৰু অফিছ শিৱসাগৰ নগৰৰ থানা মুখৰ ওচৰত আছিল। এতিয়া সেই ঠাই দিখৌ নৈৰ গৰ্ভত। পণ্ডিত ৺শিৱনাথ ভট্টাচাৰ্য্য মহাশয়ে শিৱসাগৰলৈ আহোঁতে এদিন নৈৰ মাজৰ সেই ঠাই ডোখৰ মোক দেখুৱাই দিছিল।

(২) মেছাগড় পুখুৰীয়েই আহোম ৰজাসকলে খনোৱা পুখুৰীৰ ভিতৰত পোন প্ৰথমে খনোৱা পুখুৰী বুলি শুনা যায়। ইয়াৰ পাৰতেই ছেনো ৰাজ-আজ্ঞামতে চাউডাংইঁতে মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ জোঁৱায়েক হৰিদেৱক কাটিছিল।

(৩) যোৱা ১।১২।৩৪ তাৰিখে ৰংপুৰৰ ৰংঘৰৰ ওপৰৰ তলাটো জুখি চোৱা হৈছিল। ওপৰৰ তলাৰ মুঠ দীঘল ৬৮॥ ফুট, পুতল ৩৭॥ ফুট। এই তলাটোক তিনিটা ভাগত ভগাব পাৰি। প্ৰথম ভাগ, দ্বিতীয় ভাগ আৰু তৃতীয় ভাগ। দ্বিতীয় ভাগটো অৰ্থাৎ মাজৰ ভাগটো ডাঙৰ। ইয়াৰ দীঘ ৩৭ ফুট, পুতল ১৯ ফুট ৫ ইঞ্চি। এই ভাগলৈ মুঠতে ১০টা বাট আছে। যোৱা ২।২।৩৫ তাৰিখে আমি তিনি জন শিক্ষকে আমাৰ স্কুলৰ ৫৮ জন ছাত্ৰ লগত লৈ এই কীৰ্ত্তিবোৰ চাবলৈ গৈছিলোঁ। সিদিনাই ৰংঘৰৰ বেৰটো জুখি ২২৯ ফুট আৰু মাটিৰ পৰা মজিয়াৰ সমানলৈ উচ্চতা ২১ ফুট ৮ ইঞ্চি পালোঁ। জয়সাগৰ পুখুৰীৰ পুব পাৰটো জুখি প্ৰায় ২০৫০ ফুট পালোঁ। উত্তৰ আৰু দক্ষিণ পাৰ দুটা ইয়াতকৈ দীঘল হব যেন লাগে।

(৪) ৭।১।৩৫ তাৰিখ দেওবাৰে লগত ৫ জন ছাত্ৰলৈ নামদাং নৈৰ ওচৰত থকা শিলৰ সাঁকো-খন চাবলৈ গৈছিলোঁ। বাটতে ন-পুখুৰী আৰু পুৰণি পুখুৰীও চোৱা গৈছিল। শিলৰ সাঁকোৰ দীঘ ২০৩ ফুট, পুতল ২১॥ ফুট, সাঁকোৰ ওপৰৰ বেৰৰ মাজ ভাগৰ উচ্চতা ২ ফুট ৮ ইঞ্চি, পানীৰ ওপৰৰপৰা সাঁকোৰ উচ্চতা ৩০ ফুট ১০ ইঞ্চি; পানী বৈ যোৱা বাট ৫ টা আছে; তাৰে এটা বাট জুখি ১০॥ ফুট পালোঁ। বাটবোৰ সমান।

(৫) ২৭।১।৩৫ তাৰিখ দেওবাৰে লগত ৬ জন ছাত্ৰ লৈ নাজিৰাৰ কাৰেংঘৰ চাবলৈ গৈছিলোঁ। সিদিনা তাত নাজিৰাৰ শিক্ষিত ডেকাসকলে বনভোজ খাইছিল। আমিও নিজাকৈ সামান্যভাবে খাইছিলোঁ। কাৰেঙৰ ওপৰ ভাগৰপৰা তলাবোৰৰ দীঘ পুতল :—

(ক) প্ৰথম তলাৰ দীঘ ১০ ফুট ১১ ইঞ্চি, পুতলো প্ৰায় সিমানেই।

(খ) দ্বিতীয় তলাৰ দীঘ ৩৩ ফুট, পুতল ২৪ ফুট ১০ ইঞ্চি।

(গ) তৃতীয় তলাৰ দীঘ ৫২ ফুট ৩ ইঞ্চি। পুতল=৩১ ফুট ৮ ইঞ্চি।

(ঘ) চতুৰ্থ তলাৰ দীঘ ৭৮ ফুট, পুতল ৫৯ ফুট ২ ইঞ্চি।

বাটতে চুণপুৰা পাৰ্ব্বত (পোঃ আঃ নাজিৰা) শ্ৰীযুক্ত দুটিৰাম ফুকনৰপৰা পালোঁ যে গড়ৰ কালি ১ বৰ্গ

মাইল। ৰঙৰ দুৱাৰ (ক) বৰ দুৱাৰ (খ) মনচোৰা দুৱাৰ (গ) পানী দুৱাৰ (ঘ) চুণপুৰা দুৱাৰ (ঙ) পোহৰমুখ দুৱাৰ। বৰ দুৱাৰ ভুখি মাটিৰ সমানত ৫০ ফুট বহল পালোঁ। তাৰ উচ্চতা ১০ ফুট। গড়ৰ কোনো কোনো ঠাই খহি গৈছে। ফুকনৰ ঘৰত এখন কি দুখন পুৰণি বুৰঞ্জী থকা খবৰ পালোঁ।

(৬) আহোম ৰজাসকলে ঠায়ে ঠায়ে পুখুৰী খন্দাই দিয়াৰ লগে লগে তাৰ পাৰত দ'ল-দেৱালয়ো নিৰ্ম্মাণ কৰি দিছিল। ই নিশ্চয় তেখেতসকলৰ ঈশ্বৰ ভক্তিৰ নিদৰ্শন। বহুতেই আন মানুহক সোধে এই দ'লটো কিমান ওখ, সৌ দ'লটো কিমান ওখ? ইত্যাদি। দ'লবিলাক কিমান ওখ তাক জুখি চোৱাও সহজ কথা নহয়। ইয়াৰ এটা উজু উত্তৰ আছে। যি পুখুৰীৰ পাৰত যিটো প্ৰধান দ'ল থাকে, সেই পুখুৰীৰ কালি যিমান পুৰা মাটি, দ'লটোও সিমান হাত ওখ। যেনে:— শিৱসাগৰ পুখুৰীৰ কালি যিমান পুৰা, তাৰ পাচত থকা প্ৰধান দ'ল শিৱদ'ল সিমান হাত ওখ। এই কথাষাৰ আমি প্ৰমাণ কৰি চাব পৰা নাই, ইচ্ছুক বাইজে চাব পাৰে। এই কথাষাৰৰ মই ৰাজমাও পুখুৰীৰ পাৰৰ শ্ৰীযুত চন্দ্ৰকান্ত ফুকন ডাঙৰীয়াৰ পৰা ২৩।১১।৩৪ তাৰিখে তেখেতৰ ঘৰতেই কথা প্ৰসঙ্গত শুনিবলৈ পাইছিলোঁ।

৭। মণ্টেছৰী স্কুলৰ উদ্বোধন উৎসৱত বিশ্ব কবি ৰবীন্দ্ৰ নাথ ঠাকুৰ মহোদয়ে শিক্ষাৰ আদৰ্শ সম্পৰ্কে যি বাণী প্ৰচাৰ কৰিছে, তাক সকলো শিক্ষিত লোকেই জনা উচিত। তেখেতে কৈছে যে শিক্ষাৰ উদ্দেশ্য হৈছে— স্বাধীনতা। আমাৰ স্কুল বিলাকৰ দুৱাৰ মুখত সোণালী আখৰেৰে লিখি থোৱা উচিত— স্বাধীনতা। এই স্বাধীনতা হৈছে আত্ম প্ৰকাশৰ স্বাধীনতা। দৰিদ্ৰতাৰ বন্ধন, অন্যায় অনাচাৰৰ বন্ধন, ৰাষ্ট্ৰীয় পৰাধীনতাৰ বন্ধন, নৈতিক দুৰ্ব্বলতাৰ বন্ধন, অজ্ঞানতাৰ বন্ধন সকলো পাৰ্থিব বন্ধনৰ পৰা যি শিক্ষাই মানুহক বিমুক্ত কৰি ৰাখিব নোৱাৰে, সেই শিক্ষা আমাৰ কিঞ্চিতমানো কাম্য নাহে। ("দেশ"— ৮।১২।৩৪)

(৮) লঙ্কাৰ পুৰণি ৰাজধানী অনুৰাধা পুৰৰ পৰা ৫৪ মাইল দূৰত থকা আউকনা (Ankana) নামে ঠাইত ভূত ভাবন বুদ্ধদেৱৰ এটা প্ৰতিকৃতি (Statue) আৱিষ্কৃত হৈছে। তাৰ উচ্চতা— ৪৬ ফুট, সেই প্ৰতিকৃতি ১৫০০ বছৰ আগতে নিৰ্ম্মিত। (ইলিষ্ট্ৰেটেড্ উইক্‌লি— ১৬।১২।৩৪)

(৯) যোৱা ২৯।১১।৩৪ তাৰিখ বৃহস্পতিবাৰে আমাৰ মহাৰাজ পৰম ৰুদ্ৰ বাহাদুৰৰ তৃতীয় পুত্ৰৰ শুভবিবাহ অতি সমাৰোহেৰে সম্পন্ন হৈ গৈছে।

(১০) যোৱা ১৬।১১।৩৪ তাৰিখে দুপৰীয়া পোন প্ৰথমে শিৱসাগৰ নগৰৰ ওপৰেদি ডিব্ৰুগড়ৰ ফাললৈ "ইয়াৰোপ্লেন" গৈছে। সেই বাবে সিদিনা নগৰ, গাওঁ সকলোতে হৈ চৈ কাণ্ড হৈ পৰিছিল। মই হলে ৬।১২।৩৪ তাৰিখেহে প্ৰথমতে ইয়াৰোপ্লেন দেখা পাওঁ।

(১১) কাঠপেন্সিলৰ সীহত এবিধ বিষাক্ত বস্তু থাকে; তাৰ পৰা মানুহৰ নানা ৰকম বেমাৰ পাতি হব পাৰে। কাঠপেন্সিল মুখত দি লিখা অভ্যাস একেবাৰে বৰ্জ্জনীয়। যিটো বস্তু কোনে কেনেকৈ তৈয়াৰ কৰিছে একো নাজানি তাকনো মুখত দিব কিয়?

সংগ্ৰাহক— শ্ৰীশ্ৰীৰাজেন্দ্ৰ দাস।

২। এৰা বোটলা—

বহু বিবাহ প্ৰথাৰ আটাইতকৈ বেছি প্ৰচলন তাম দেশত। বৰ্ত্তমান আগুৰজন ৰজাৰ ৮০ গৰাকী ভাৰ্য্যা আৰু প্ৰায় চাৰি কুৰিমান পুত্ৰ আছিল।

অলপো তাৰতম্য নোহোৱাকৈ সমানে দেশৰ পূজ্য এনে কর্ম্ম ক্ষেত্রতো সমানে দেশৰ নেতৃ ভাৰতৰ মতিলাল জহৰলালৰ নিচিনা পিতৃ পুত্র জগতত নাই।

মেকলে (Macaulay) ৮ বছৰ বয়সতে বুৰঞ্জী বিজ্ঞ হৈছিল। টেনিচন তাৰো আগতে কবি হৈছিল। ১০ বছৰীয়াতে বাইৰণে কবিতা লিখিছিল। ১০ বছৰীয়াতে বেকন দার্শনিক হৈছিল আৰু মেজার্ট (Mazart) সু-বচক আৰু সু গায়ক হৈছিল।

টচ্ছ (Tosso) ছমহীয়াতে কথা কৈছিল আৰু ৭ মহীয়াতে লেটিন ভাষা কৈছিল। প্ৰবাদ আমাৰ জাক পণ্ডিতে উপজিয়েই কথা কৈছিল।

আমেৰিকাৰ এজনী ৮ বছৰীয়া ছোৱালীয়ে ৮টা ভাষা কব পাৰে। ৩ বছৰীয়া হওঁতেই তাই "Type writer" বে লিখিব পাৰিছিল। ৫ বছৰ বয়সতে তাই গ্ৰন্থকৰ্ত্ৰী হল।

লণ্ডনৰ জন এভেলিনৰ ৫ বছৰীয়া লৰা এটাই লেটিন আৰু ফৰাচী ভাষাৰ সকলো শব্দ থকা অভিধান এখন মুখস্থ কৰিছিল।

সবাতকৈ ডাঙৰ আৰু ওখ ঘৰ আছে আমেৰিকাত। চিকাগো নগৰত নতুনকৈ এতিয়া এটা ঘৰ তৈয়াৰি হৈছে; ই ৭৫ মহলীয়া। এই ঘৰটো ৮৪৫ ফুট ওখ। ইয়াৰ খৰচ প্ৰায় ১৩৫,০০০,০০০৲ টকা। ইয়াৰ মূধৰ চালৰ ওপৰত সাঁতুৰি গা ধোৱাৰ ব্যৱস্থা কৰি দিছে।

৩। জীৱ জন্তু।

জীৱজন্তু আটাইবোৰৰ ভিতৰতেই আটাইতকৈ দীৰ্ঘজীৱী কাছ। ৩৫০ বছৰলৈকো জী থকা কাছ আছে।

হাতী সাধাৰণতে ৮০ বছৰ জীয়াই থাকে সিংহ আৰু বাঘ দীৰ্ঘজীৱী নহয়। ভালুক প্ৰায় ৩০ বছৰমানহে জীয়াই থাকে। ম'হ কুৰি বছৰতে বুঢ়া হয়।

জন্তুতকৈ চৰাই বেছি দিন জীয়ে। ভাঁটৌ আটাইতকৈ দীৰ্ঘজীৱী চৰাই। লণ্ডনত এটা ১২০ বছৰীয়া ভাঁটৌ আছে। চোৰা কাউৰীও বহুত দিন জীয়ে। মাইকী ৰাজহাঁহ কোনো জনী ৮০ বছৰলৈকো থকা আছে।

হৰিণাপহু ৪০।৫০।৬০ বছৰলৈকে সাধাৰণতে জীয়াই থাকে। স্কটলণ্ডত এজনী হৰিণী ১২০ বছৰ জীয়াই আছিল।

ভাৰতীয় সৰু ঘোঁৰাবোৰৰ কোনোটো ৫০ বছৰো জীয়াই থাকে। ডাঙৰ ডাঙৰ ঘোঁৰাবোৰৰ কোনোটো তাতোকৈ বেছি দিন থাকে।

বৰ্ত্তমানে পৃথিৱীত মন্দ্ৰাজীয়াৰ মানুহেই আটাইতকৈ দীৰ্ঘজীৱী আৰু আসামৰ মানুহেই আটাইতকৈ অল্পজীৱী।

৪। নলবাৰী শিক্ষা-কৃষি প্ৰদৰ্শনীৰ ৰিপোৰ্ট।

ফেব্ৰুৱাৰী ১৯৩৫ চন।

শিক্ষা বিভাগৰ ডিৰেক্টৰ চাহাব বাহাদুৰ মাননীয় মিঃ জি, এ স্মল আই, ই, এচ মহোদয়ে ২১।২।৩৫ ফেব্ৰুৱাৰী তাৰিখে দুপৰীয়া ১২ বজাত নলবাড়ী হাইস্কুল কোম্পাউণ্ডত প্ৰদৰ্শনীৰ দ্বাৰ উদ্ঘাটন কৰে। এই উৎসৱত স্কুল সমূহৰ মাননীয় ইনস্পেক্টৰ শ্ৰীযুক্ত শৰৎচন্দ্ৰ গোস্বামী বি, এ, বি, টি দেৱ, গৌহাটী— মহকুমাৰ স্কুল ডিপুটি ইনস্পেক্টৰ মৌলবী আবদুৰ ৰহমান বি, এ, কৃষি বিভাগ, শিল্প বিভাগ, স্বাস্থ্য বিভাগ আৰু ভেটেৰিনাৰী বিভাগৰ কেবাগৰাকীও কৰ্ম্মচাৰী আৰু বহুতো স্থানীয় গণ্যমান্যলোক আৰু কৰ্ম্মচাৰী উপস্থিত আছিল। বেঙ্কুপাৰ্টী, তুলীয়া

কালীয়াং, খুলীয়া আদিৰে মঙ্গল বাদ্য কৰে আৰু চেক্ৰেটাৰী শ্ৰীযুত প্ৰভাত নাৰায়ণ চৌধুৰী বি, এচ ; মাননীয় ডিৰেক্টৰ চাহাব বাহাদুৰক আদৰ সম্ভাষণ জনাই বেজ পিন্ধাই দিয়াৰ পাচত তেখেতে প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰি দিয়ে।

কৃষি প্ৰদৰ্শনীৰ সম্পাদক শ্ৰীযুত প্ৰভাত নাৰায়ণ চৌধুৰী বি, এৰ প্ৰস্তাৱ আৰু শিক্ষা প্ৰদৰ্শনীৰ সম্পাদক শ্ৰীযুত সিন্ধু নাথ দত্ত মজুমদাৰৰ সমৰ্থন মতে মাননীয় ডিৰেক্টৰ চাহাব বাহাদুৰে বৈঠকৰ সভাপতিৰ আসন গ্ৰহণ কৰাৰ পাচত তেওঁতক মাল্য প্ৰদান কৰা হয়। ছোৱালীৰ গান আবৃত্তি হোৱাৰ লগে লগে শ্ৰীযুত দণ্ডীৰাম দত্ত মহাশয়ে কৌতুক কাহিনী অক্ষ দেখুৱাই উপ-উপস্থিত সভ্যসকলক মুগ্ধ কৰে। তাৰ পাচত সভাপতি মহাশয়ে ক্ৰমে ইংৰাজী আৰু অসমীয়াত শিক্ষা আৰু স্কাউটিঙৰ উন্নতিৰ হকে প্ৰদৰ্শনীৰ উপকাৰিতাৰ সম্পৰ্কে এটি সাৰগৰ্ভ বক্তৃতা দিয়ে। ইংৰাজী কথাৰ অসমীয়া ভাঙনী কওঁতে মাননীয় শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱে নলবাৰী ৰাইজৰ হকে এটি সাৰুৱা অথচ চমু বক্তব্য কৈ দৰ্শকক তৃপ্তি লগাইছিল। পণ্ডিত শ্ৰীযুত প্ৰতাপচন্দ্ৰ দেৱ গোস্বামী বিদ্যাবিশাৰদ, শ্ৰীযুত প্ৰতাপনাৰায়ণ চৌধুৰী মহাশয়ে প্ৰদৰ্শনীৰ উপকাৰিতা সম্বন্ধে ৰাইজক বুজাই দিয়ে, আৰু সভাপতি মহাশয়ক অসমীয়াৰ হিতৈষী অসমীয়াৰ চাহেব বুলি দাবি কৰি তেখেতৰ গুণ-কীৰ্ত্তন কৰে। খানাপাৰা কেটেল ফাৰ্মৰ মেনেজাৰৰ শ্ৰীযুত খগেশ্বৰ হাজৰিকাই ওজস্বিনী ভাষাত পশুপালন সম্পৰ্কে এখন সাৰুৱা ৰচনা পাঠ কৰে।

তাৰ পাচত সভাপতি মহাশয়ে ক্ৰমাৎ শিক্ষাৰ সঁজুলি, চাউৰ কাম, কৃষি বিভাগ আৰু সংগ্ৰহ কৰা স্থানীয় কৃষিজাত বস্তু, ভেটেনাৰী বিভাগ, পশুপালন বিভাগ, সংগ্ৰহ কৰা স্থানীয় শিল্পজাত দ্ৰব্য, যোৰহাট টেক্নিকেলত হোৱা বস্তু, স্বাস্থ্য বিভাগ আৰু চৰকাৰী উইভিং বিভাগ পৰিদৰ্শন কৰি আনন্দ পায়।

২ বজাৰ পাচত গৰ্ডন হাইস্কুলৰ ফিল্ডত ক্ৰমে স্কাউটখেলা, ব্যায়াম খেলা, দেওধা নাচ হয়। শ্ৰীযুত ধনীৰাম ডেকাই বহুত লৰাৰে ব্যায়াম খেলা, কছৰৎ দেখুৱাৰ পাচত শ্ৰীযুত ভূপতি দত্ত বি,এ, ই নলবাৰী হাইস্কুল, নলবাৰী মজলীয়া স্কুল, মৰোৱা, বগৰীহাটী, গন্ধিয়া, এবন্দী স্কুলৰ লৰা স্কাউট খেলা দেখুৱাই সকলোকে আনন্দ দিয়ে; সভাপতি দেৱক মাজত লৈ ফিল্ডত গ্ৰুপ ফটোও তোলা হয়। গধূলি ৭ বজাৰপৰা ৯ বজালৈ ম্যাজিক লেণ্টাৰ্ণৰ সহায়েৰে স্বাস্থ্য বিভাগৰ কাৰ্য্য কলাপ ৰাইজক বুজাই দিয়ে।

২২।২।৩৫

উক্ত দিন ন বজাৰপৰা প্ৰদৰ্শনী আৰম্ভ হয়, ২ বজাৰপৰা ৪ বজালৈ বহুত মহিলাই প্ৰদৰ্শনীত যোগ দান কৰে। তাৰ ভিতৰত বহুত পৰ্দ্দানচিন মহিলাও আছিল। ইয়াৰ আগেয়ে কোনো উপলক্ষে নলবাৰীত তিৰোতাৰ ইমান সমাবেশ হোৱা নাছিল। গৌহাটী ছাত্ৰী বাৰীৰপৰা অহা ধাত্ৰী দুগৰাকীয়ে সকলো তিৰোতাক প্ৰসূতি চিকিৎসা আৰু পালনৰ বিষয়ে বুজাই দি উপকাৰ কৰিছিল।

প্ৰগ্ৰেম মতে ৰাবণগীৰা হোৱাত মাননীয় ডিৰেক্টৰ চাহাব বাহাদুৰ আৰু শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী ইন্‌স্পেক্টৰ দেৱ অন্ত ঠাইলৈ যায়।

কামৰূপ জিলাৰ ডেপুটি কমিচনাৰ চাহাব বাহাদুৰ মাননীয় খাঁ বাহাদুৰ মৌলবী [illegible] চৌধুৰী বি, এ মহাশয়ে প্ৰথমে ঢুলীয়া, খুলীয়াৰ সঙ্গ,

ওজা, যেওধা নাচ আৰু ভাৱপাচত শিক্ষাৰ সঁজুলি চাওৰ কাম, কৃষি বিভাগ আৰু সংগ্ৰহ কৰা স্থানীয় কৃষিজাত বস্তু, ভেটেৰিনাৰী বিভাগ, পশু পালন বিভাগ, যোৰহাট টেক্নিকেলত প্ৰস্তুত হোৱা বস্তু সংগ্ৰহ কৰা স্থানীয় শিল্পজাত বস্তু, স্বাস্থ্য বিভাগ আৰু উদ্ভিদ বিভাগ পৰিদৰ্শন কৰি আনন্দ পায় আৰু পৰীক্ষক বোৰ্ডৰ সহায়ত পুৰস্কাৰ পাবলগীয়া লোকসকলৰ নাম নোট কৰে। উক্ত দিন লাইকৰ্ষ্টক আৰু ডায়েৰী এক্সপাৰ্ট মিঃ উদকোৰ্ডে উপস্থিত হৈ প্ৰদৰ্শনী কমিটীক উৎসাহ দিয়ে।

গধূলি অলপ সময় ম্যাজিক লেণ্টাৰ্ণ ডেমনেষ্ট্ৰেচন হোৱাৰ পাচত শ্ৰীযুত ত্ৰৈলক্যনাথ গোস্বামী এম, এ আৰু শ্ৰীযুত ৰবিচন্দ্ৰ শৰ্ম্মাৰ যত্ন আৰু তত্ত্বাবধানত নলবাৰীৰ সঙ্গীত সভাৰ এখন অধিবেশন বহে। তাত খাঁ বাহাদুৰ মৌলবী মহম্মদ চৌধুৰীয়ে সভাপতিৰ আসন গ্ৰহণ কৰি উক্ত সভাটিক ৰবকৈ উদ্‌গনি দিয়ে। তাত বহুতো স্থানীয় গণ্য-মান্য লোক আৰু কৰ্ম্মচাৰী উপস্থিত আছিল।

ৰাতি শ্ৰীযুত ভৰণচন্দ্ৰ বৰ্ম্মাই হেথেতৰ যাত্ৰা পাৰ্টীৰ অভিনয় কৰি দৰ্শক বৃন্দক আমোদ দিয়ে।

২৩।২।৩৫

ন বজাত প্ৰদৰ্শনী আৰম্ভ হয়। ১০ বজাৰ পৰা মাননীয় খাঁ বাহাদুৰ মৌলবী মহম্মদ চৌধুৰী বি, এ মহাশয়ৰ সভাপতিত্বত পুৰস্কাৰ বিতৰণী সভা বহে। চেক্ৰেটাৰী দুইজনে সভাপতিক সাদৰ সম্ভাষণ জনাই আৰু কৃষি বিভাগ বিশেষকৈ পশু পালন বিভাগ, শিল্প বিভাগ, স্বাস্থ্য বিভাগ আৰু ভেটেৰিনাৰী বিভাগে সহযোগ কৰাৰ বাবে ধন্যবাদ জনায়।

গৌহাটী লোকেলবোৰ্ডে কৃষি প্ৰদৰ্শনীক ১০০ টকা দিয়া বাবে আৰু শিক্ষা প্ৰদৰ্শনীৰ নিমিত্তে ১০০, টকা মঞ্জুৰ কৰা বাবে আৰু শিক্ষা বিভাগে ছাত্ৰ আৰু শিক্ষকৰ হাতৰ কামৰ পুৰস্কাৰৰ মূল্যৰ বাবে ৬০, টকা আৰু কৃষি বিভাগে কৃষি জাত দ্ৰব্যৰ পুৰস্কাৰৰ মূল্যৰ বাবে ৫০, টকা দি সহায় কৰা বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

কলিকতাৰ বেঙ্গল ইন্‌ষ্টিটিউটে ভাইটামিন চাৰ্ট কিছুমান বিতৰণ কৰি এটি ডেমনেষ্ট্ৰেচন দিয়ে। নলবাৰী চাৰ্কেলৰ শিক্ষকসকলৰপৰা ৩৫, টকা নগদ আৰু বাহিৰৰ কালৰপৰা ১৭, টকা আৰু স্থানীয় চাঁদা ১০, টকা নগদ পোৱা হয়। মাননীয় ডেপুটী কমিচনাৰ চাহাব বাহাদুৰে চেটেলমেণ্ট অফিচৰ এটি কোম্পাউণ্ড প্ৰদৰ্শনী কমিটিক ব্যৱহাৰ কৰিবৰ দিয়া বাবে, স্থানীয় হাইস্কুলত প্ৰদৰ্শনী পাতিবলৈ চেক্ৰেটাৰী আৰু হেড্‌মাষ্টৰ ডাঙৰীয়াই অনুমতি দিয়াৰ বাবে তেখেত সকলক ধন্যবাদ জনোৱা হয়।

শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ বৰুৱাই তেখেতৰ অনেক মূল্যবান বস্তু আৰু পশুপালন বিভাগত তেখেতৰ ষাড়, গাই আৰু পোৱালীবোৰ দি পূৰাকৈ সহযোগ কৰা বাবে ধন্যবাদ জনোৱা হয়। প্ৰদৰ্শনী কৃতকাৰ্য্য কৰিবলৈ শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামী স্কুল সমূহৰ ইনিস্পেক্টৰ দেৱে, কৃষি বিভাগৰ ডিৰেক্টৰ চাহাব বাহাদুৰ বাবু যতীন্দ্ৰনাথ চক্ৰবৰ্ত্তী আৰু ডিপুটী ডিৰেক্টৰ শ্ৰীযুত লক্ষেশ্বৰ বৰ ঠাকুৰে অনেক মৌখিক উপদেশ দিয়া বাবে তেখেতসকলক শলাগ জনোৱা হয়। মৌলবী আবদুল ৰহমানে প্ৰদৰ্শনীৰ কৃতকাৰ্য্যতাৰ নিমিত্তে বহুত যত্ন কৰে। তাৰ পাচত সহকৰ্ম্মীসকলক ধন্যবাদ জনোৱা হয়। কেইবাজনো সম্ভ্ৰান্তলোকে প্ৰদৰ্শনীৰ সফলতাৰ কামনা কৰি চিঠি দিয়ে। তাৰ ভিতৰত আসাম উপত্যকাৰ কমিচনাৰ চাহাব মাননীয় জে, চি, হিগিন্‌চে প্ৰদৰ্শনীক উপস্থিত

হব পোৱাৰি প্ৰদৰ্শনীৰ সফলতা কামনা কৰি দিয়া চিঠি উল্লেখ যোগ্য।

ডিব্ৰুগড়ৰ শ্ৰীযুত কনক চন্দ্ৰ শৰ্ম্মা দেৱে পশু পালন বিষয়ক এটি সাৰুৱা বক্তৃতা দিয়ে। সভাপতিয়ে হাতৰ কামৰ নগদ ৬০৲ টকাৰ পুৰস্কাৰ বিতৰণ কৰি দিয়ে। ডিৰেক্টৰ চাহাব বাহাদুৰে নিজৰপৰা ইয়াৰ প্ৰথম পুৰস্কাৰটি দি দিয়ে। এই বিষয় গোৱালপাৰা মহকুমাৰ ৮৫ খন স্কুলৰ ৮৫৫ বিধ বস্তু গোট খাইছিল। শিল্পজাত বস্তুৰ বাবে কামৰূপ জিলাৰ ১৪ জন লোকে ২৪৲ টকাৰ পুৰস্কাৰ লাভ কৰিছিল।

কৃষিজাত বস্তুৰবাবে ৪৩ জন লোকে ৪৩৲ টকা মূল্যৰ পুৰস্কাৰ লাভ কৰে। শিল্পজাত বস্তুৰবাবে ১৪ খন, আৰু কৃষিজাত বস্তুৰবাবে ৬৮ খন নানা তৰহৰ বাবে ৩ খন আৰু কৃষিবিভাগ, পশুপালন শাখা, শিল্পবিভাগ, স্বাস্থ্য বিভাগ, আৰু ভেটেৰিনাৰী বিভাগক ৫ খন চাৰ্টিফিকেট ঘোষণা কৰা হয়। কৃষি আৰু শিল্পজাত ১০০০ তকৈ বেচি বিধ স্থানীয় বস্তু গোট খাইছিল।

সভাপতি ডাঙৰীয়াই তেখেতৰ উপদেশ পূৰ্ণ মন্তব্য প্ৰকাশ কৰি জন সাধাৰণক অনেক উদ্‌গনি দি তেখেতে সকলো বিষয়ত সহায় কৰিবলৈগাত লয়।

সভাপতিক আৰু উপস্থিত সকলোকে শলাগৰ শৰাই আগবঢ়োৱাৰ পাচত, সভাপতিক মাজতলৈ এটি গ্ৰুপ ফটো তোলা হয় আৰু তাৰ পাচত সভা ভঙ্গ হয়।

বেণ্ড পাৰ্টীৰ যোগত সভাপতিক শোভা যাত্ৰা কৰি বজালৈ আগবঢ়াই থোৱা হয়। ইয়াৰ পাচত দুপৰীয়া প্ৰদৰ্শনী অন্ত হয়।

শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী
চেক্ৰেটাৰী কৃষি প্ৰদৰ্শনী।
শ্ৰীসিদ্ধনাথ দত্ত মজুমদাৰ
চেক্ৰেটাৰী শিক্ষা প্ৰদৰ্শনী।

৫। যোৰহাট শিক্ষক সম্মিলনত হাতৰ কামৰ বাবে বঁটা পোৱা সকলৰ নাম।

১। এমব্ৰয়দাৰী কামৰ বাবে :—১। শ্ৰীমতী দময়ন্তী ঠাকুৰীয়া ২। শ্ৰীমতী তিলকেশ্বৰী হাজৰিকা গাৰ্লচ এম, ই, স্কুল (certificate)

ফুল তোলা মেজৰ চাদৰ— ১। শ্ৰীমতী চাৰুপ্ৰভা শইকীয়া। ২। গাৰ্লচ হাইস্কুল ৩। শ্ৰীমতী লাবণ্যপ্ৰভা গোস্বামী „ (certificate)

৩। কাৰ্পেটৰ ফুল তোলা :— ১। শ্ৰীমতী স্বৰ্ণলতা বৰুৱা—গাৰ্লচ হাইস্কুল, ২। শ্ৰীমতী হৰিপ্ৰিয়া দেৱী, শাৰদা বালিকা স্কুল।

৪। গাৰুগিলিপ :— ১। শ্ৰীমতী হেমপ্ৰভা দাস, গাৰ্লচ এম, ই, স্কুল।

৫। মেজৰ চাদৰ :— ১। শ্ৰীমতী ৰাধাৰাণী দেৱী গাৰ্লচ এম, ই, স্কুল,— ২। আনোৱাৰ বেগম „ „ (certificate)

৬। সূতা তোলা কামৰ বাবে :— ১। শ্ৰীমতী যাদৱী দেৱী—তৰাজান। ২। শ্ৰীমতী কমল কুমাৰী শইকীয়া (certificate)

৭। মেজৰ চাদৰ :—১। শ্ৰীমতী কেশৱতী খাৰঘৰীয়া, চাৰিগাওঁ মডেল স্কুল। ২। শ্ৰীমতী কামিনী বালা, কাটিকুচীয়া স্কুল।

৮। গাৰু গিলাপ কামৰ বাবে :— ১। শ্ৰীমতী বুলবুল নিচা—চৰাইবাহী স্কুল। ২। নিজিৰণ নিচা, কাকজান গৱৰ্ণমেণ্ট এম-ই স্কুল।

৯। কাৰ্পেটৰ কামৰ বাবে :— ১। শ্ৰীমতী সোণেশ্বৰী প্ৰভা—পটীয়াগাওঁ স্কুল। (certificate)

১০। উলৰ গোঠা কামৰ বাবে :— ১। শ্ৰীমতী চাৰুপ্ৰভা শইকীয়া —গাৰ্লচ হাইস্কুল যোৰহাট। ২। শ্ৰীমতী নীলিমা বৰুৱা—তৰাজান। (certificate)

১১। ক্ৰুশৰ কামৰ বাবে :— ১। শ্ৰীমতী মমতাজ-নিচা, গাৰ্লচ এম-ই স্কুল। ২। শ্ৰীমতী লাবণ্যপ্ৰভা দেৱী, চপানী স্কুল।

১২। মনি বেগ :— শ্ৰীমতী জুবেদা খাতুন— গোলাঘাট।

১৩। বিচনি :— ১। সোণেশ্বৰী প্ৰভা পটীয়াগাওঁ (certificate), ২। শ্ৰীমতী ৰাজবালা বৰুৱা— পীতাম্বৰা স্কুল।

১৪। বৰলৰ কামৰ বাবে :— ১। শ্ৰীমতী তিলোত্তমা হুৱৰা—বৰাজান, ২। শ্ৰীমতী বেৱতী ভূঞা— মাল-কটা, ৩। শ্ৰীমতী পুণ্যদা শইকীয়া— বাহনা বালিকা স্কুল (certificase), ৪। শ্ৰীমতী ক্ষীৰবালা নেওগ— বংৰৈ বালিকা, স্কুল ৫। শ্ৰীমতী ভুৱনেশ্বৰী বৰা— টেকেলা গাওঁ।

ছবি মানচিত্ৰ :— ১। শ্ৰীঘনশ্যাম ভূঞা, নৰ্ম্মাল স্কুল (Certificate)

মেপৰ বাবে :— ২। শ্ৰীনগেন্দ্ৰনাথ চৌধাৰী নৰ্ম্মাল স্কুল, Do.

ফিজিকেল মেপৰ বাবে :— ১। শ্ৰীপীতাম্বৰ চমুৱা নৰ্ম্মাল স্কুল Do.

মেপ সাধাৰণ :— ২। শ্ৰীমতী তাৰাসুন্দৰী দেৱী চেঙাৰী পাঠশালা,

ৰিলিফ মেপ :— ১। বি, ডি, মহন্ত, নৰ্ম্মাল স্কুল (Certificate)

ভূগোলৰ বহী :—১। শ্ৰীপদ্মধৰ দত্ত, গড়মূৰ সত্ৰ স্কুল

ঐতিহাসিক মানচিত্ৰ :— ১। শ্ৰীযোগেন্দ্ৰনাথ ভূঞা নৰ্ম্মাল স্কুল (Certificate)

গ্ৰন্থ :— ১। মহম্মদ চাহাদত আলি, নৰ্ম্মাল স্কুল (Certificate.)

সময় নিৰূপক ৰেখা :— ১। শ্ৰীদেবেন্দ্ৰনাথ দাস নৰ্ম্মাল স্কুল (Certificate.)

হাতৰ আখৰৰ বাবে :—শ্ৰীগিৰিধৰ ঠেঙ্গাল—তিতাবৰ এম্ ই স্কুল, ২। শ্ৰীবাপুৰাম বৰা—আউনী আটী মজলীয়া স্কুল, ৩। শ্ৰীগোলাপচন্দ্ৰ ভূঞা টীয়ক, মাইনৰ স্কুল,

কৌশল লগা মেপ :— ১। শ্ৰীমহেন্দ্ৰনাথ মহন্ত নৰ্ম্মাল স্কুল,— Certificate.

২। শ্ৰীঅমূল্যনাথ শৰ্ম্মা Do.

হাতৰ আখৰৰ বাবে :— ১। শ্ৰীযুত কনকচন্দ্ৰ দত্ত শিক্ষক— দহোতীয়া এম্ ভি, স্কুল।

শ্ৰীযুত বুদ্ধীন্দ্ৰনাথ মহন্ত— হাতীচুঙ্গী স্কুল, (চাৰ্টিফিকেট দিয়া হব)

কাঠৰ কামৰ বাবে :— ১। শ্ৰীপ্ৰিয়নাথ শইকীয়া (Certificate)

২। শ্ৰীধৰ্ম্মেশ্বৰ শৰ্ম্মা তনং প্ৰেক্‌টিচিং স্কুল।

বেতৰ কামৰ বাবে :— ১। শ্ৰীযুত গণেশচন্দ্ৰ গোস্বামী শিক্ষক। (চাৰ্টিফিকেট)

২। শ্ৰী[illegible] আহোম, কুঁৱৰী পুখুৰী স্কুল।

ধেকিয়াল আৰ্য্য ধৰ্ম্ম প্ৰচাৰিণী টোল।

২। শ্ৰীমান চিত্ৰসিং হাণ্টি, খৃষ্টিয়ান স্কুল যোৰহাট।

৩। ,, নবীনচন্দ্ৰ শইকীয়া চাৰিঙ্গীয়া স্কুল।

৪। ,, যোগেন্দ্ৰনাথ পাচনী বামুণ পুখুৰী স্কুল।

৫। ,, বাপুৰাম দাস দহোতীয়া এম্ ভি স্কুল।

৬। ,, গেৰাই চুতীয়া। সোণাৰী গাওঁ এম্ ভি স্কুল।

৭। ,, জীতেন্দ্ৰচন্দ্ৰ মহন্ত নৰ্ম্মাল স্কুল (চাৰ্টিফিকেট)

ব্যৱহাৰিক কাম এড়ি সূতা কটা যত্ৰৰ—

১। শ্ৰীমান মুকুন্দ কাটনি দহোতীয়া এম্, ভি, স্কুল।

জাপি সজা— ১। শ্ৰীমান চন্দ্ৰধৰ পাত্তৰ তনং প্ৰেক্‌টিচিং স্কুল।

২। বাপাই কলিতা

মাটিৰ বস্তুত বৰণ দিয়া বাবে— ১। শ্ৰীমান সোমেশ্বৰ শৰ্ম্মা, তনং প্ৰেক্‌টিচিং স্কুল।

২। শ্ৰীমান ধৰ্ম্মেশ্বৰ শৰ্ম্মা ঐ

মাটিৰ কাম জীৱ জন্তুৰ— ১। শ্ৰীমান মাখনচন্দ্ৰ শৰ্ম্মা বেঙ্গেনা আটি স্কুল।

ফল-মূল— ১। শ্ৰীমান কমলেশ্বৰ ভট্টাচাৰ্য্য

২। ,, যমুনা প্ৰসাদ তেলী যোৰহাট মক্তাব।

পেন্সিল ড্ৰইং— শ্ৰীযুত বুদ্ধীন্দ্ৰ নাথ মহন্ত শিক্ষক হাতীচুঙ্গ পাঠশালা— চাৰ্টিফিকেট

বং বৰণৰ ছবি— শ্ৰীমান সোমেশ্বৰ দাস বেজবৰুৱা হাইস্কুল— চাৰ্টিফিকেট।

মাছৰ বাকলিৰ ছবি— শ্ৰীমতী স্বৰ্ণ লতা বৰুৱা গাৰ্লচ হাইস্কুল ,, মাইজনী (মৌঃ এচ, বি আমিৰ কন্যা) চাৰ্টিফিকেট।

এইবিলাকৰ বাহিৰেও চিৰাহী তৈয়াৰ কৰা প্ৰণালী দেখুৱা বাবদ শ্ৰীযুক্ত বত্নেশ্বৰ দত্ত ৪নং প্ৰেক্‌টিচিং স্কুলৰ শিক্ষকক এটি মেডেল দিয়া স্থিৰ কৰা হয়।

আবৃত্তি আদি কৰি দেখুৱা বাবে প্ৰায়বিলাক ছাত্ৰ-ছাত্ৰীকে পুৰস্কাৰ দিয়া হয়।

বিনীত—

শ্ৰী[illegible] সভা পতিৰ

CURZON HALL LIBRARY.
17 APR. 1936
GAUHATI-ASSAM.

প্ৰভাত।

যোৰহাট নৰ্ম্মাল স্কুলৰ আলোচনী কাকত।

আত্ম বলম্ পৰম বলম্।

১৭ শ খণ্ড
২য় সংখ্যা
প্ৰীতি সংখ্যা ১৮৫৭ শক।
সমস্ত সংখ্যা—৬৬

কাৰো দিন সমানে নেযায়।

(১)

হেৰা ৰবি! কলৈ তযু নিদাঘ সময়?
যেতিয়া দহিছা ভয়ঙ্কৰ;
জীৱন বিচাৰি জীৱে ব্যস্ত হৈছে প্ৰাণে
দগ্ধ হই কিৰণে তোমাৰ।
বাটকৰা মানুহক দগ্ধ কৰিছিলা
হুতাশনে কৰি তযু কৰ;
এতিয়া কলৈ গইছে তযু সেই কাল
অনুভৱ কৰোঁ মাথোঁ আৰ।
তনুকৰ তুচ্ছ কৰি যত জীৱ বোৰ
ত্যজিয়ে ঘুৰিছে তযু ভয়;
এতিয়া তোমাক চাই এই মনে ভাবে।
কাৰো দিন সমানে নেযায়।

(২)

হেৰা বৰষুণ! গ্ৰীষ্মৰ বাবিষাত
নাচিছিলা ধৰা বাবি পাতে;
গৰ্জিছিলা সিংহদৰে বিজুলী দেখাই
কৰিছিলা ভীত বজ্ৰ পাতে।
ক'ত সেই বজ্ৰপাত অতি বৰষুণ
আওৰাই আহিছে শৰৎ;
গঙ্গা, সিন্ধু, ব্ৰহ্মপুত্ৰ নহব প্লাবন
কেই টোপা বাৰি বৰ্ষণত;
শৰতাত্তে এবে আৰ নহবাহে তেনে
তোমাৰ গৰজে নাই ভয়ঃ
এতিয়া তোমাক চাই এই মনে ভাবোঁ
কাৰো দিন সমানে নেযায়।

(৩)

'ধ' হুদ্ৰ আহি তোমাক কেনেই দমিছে?
অকালেই জৰিবে ধৰাত?
কালি মোহ কৰিছিলা সৌৰভ কৌশলে
চাৰিদিশ ঘ্ৰাণে আমোদিত
বিমোহিত হই মধু সৌৰভে ভোমাৰি
[illegible]ছিল বাণী ফুল ভয়।

যেতিয়া তোমাক চাই মানুহবিলাকে
তৃপ্তি কৰিছিল দুনয়ন।
'অ' ফুল! তোমাৰ নাই সেই ৰূপ গুণ
বিবৰ্ণ হৈছা শুকাই কায়;
এতিয়া তোমাক চাই এই মনে ভাবোঁ
কাৰোদিন সমানে নেযায়।

(৪)

হেৰা জোন! কেলৈ আজি অমাবস্যা হই
ধৰাক ঢাকিছা এন্ধাৰত?
জেউতিত কৰিছিলা অনন্ত ভুবণ
বিতোপন দুগ্ধ পূৰ্ণিমাত।
শুক্ল পক্ষে লাহে লাহে বৃদ্ধি আকাৰত
বাঢ়িছিলা আলোকিত হই;
এতিয়া কৃষ্ণ পক্ষত অন্ধকাৰ কৰি
লাহে লাহে গইছা শেষলৈ।
তুমি নোৱাৰা থাকিব থিৰাং! বিস্মিত হৈ
সকলোৰ আছে বৃদ্ধি ক্ষয়;
এতিয়া তোমাক চাই এই মনে ভাবোঁ
কাৰোদিন সমানে নেযায়।

(৫)

কোন তুমি পৰ্ণা ঘৰে নিগাইছা কাল
ছিৰা গ্ৰন্থি বসন তোমাৰ?
বিবৰ্ণ হৈছে কিয় শৰীৰ তোমাৰ?
শুই আছা খেৰৰ ওপৰ?
সুখে কৰিছিলা বাস কাৰেঙ ঘৰত
ৰজা হই সাজি ৰাজ পুৰি?
অলেখ বিষয়া মাজে ৰাজেশ্বৰ হই
সিংহাসনে দণ্ড অধিকাৰী।
ৰাজ্য হেৰুৱাই নাই আত্মীয় স্বজন
আৰু তবু দণ্ড বিধি ভয়;
এতিয়া তোমাক চাই এই মনে ভাবোঁ
কাৰো দিন সমানে নেযায়।

মোহাম্মদ হাফেজ আলী

গীতা, সম্মিলিত উপাসনা আৰু আধুনিক পদ্ধতি।

১। আমাৰ ভিতৰত বহুতেই কওঁ যে নাম ধৰলৈ গৈ চিঞঁৰি চিঞঁৰি নাম ললেই তাৰপৰা কোনো বিশেষ ফল লাভ হব নোৱাৰে। সাত দিন সাত ৰাতি ভোৰ তাল বজাই চাপৰিত গগন কম্পমান কৰি তুলিলেও হাতেৰে কাম নকৰা পৰ্য্যন্ত কোনো কথাই আপোনা আপুনি সিদ্ধ হৈ নুঠে। এতেকে কৰ্ত্তব্য কৰি যোৱা, নৰনাৰায়ণৰ সেৱা কৰা, ধৰ্ম্ম আপোনা আপুনি হব, মানুহক দেখুৱাই ধৰ্ম্ম কৰিবৰ আৱশ্যক নাই। গীতাই কৈছে কৰ্ম্ম কৰা। এই শ্ৰেণীৰ কৰ্ম্মবাদী (?) সকলৰ লগত উজানৰ কাষৈ মাছ উজোৱা দি উজাই গৈ আমি তৰ্ক সুগত কৰ পাৰো যে নাম ঘৰ, কীৰ্ত্তনঘৰ, দেৱমন্দিৰ, দৌল, মঠ কিম্বা অন্যান্য ধৰ্ম্মানুষ্ঠানবোৰ নিৰ্ম্মান কৰি অনাহকত অৰ্থব্যয় নকৰিবা; বৰঞ্চ সেই টকাৰে আশ্ৰয়হীন দৰিদ্ৰৰ ঘৰ সোমাৱলৈ পঁজা একোটি সজাই দিয়া:— যাগ, যজ্ঞ, পূজা অৰ্চ্চনা পাতি হেজাৰ হেজাৰ টকা পুৰি ভস্মসাৎ নকৰিবা, তাৰে নিৰাশ্ৰয় পীড়িতৰ চিকিৎ-

সৰ্ব কাৰণ আপ্তভাৱ সকাই দিয়া। এতিয়া যোৱা যাওক এই জাতীয় কৰ্মোত্তৰ ধৰ্মবাদীসকলে ক'ত থিয় হবলৈ বিচাৰিছে? ধৰ্ম কৰিবলৈ ওলোৱাৰ আগতে তেওঁবিলাকৰ সৰল কি?

২। গীতাই কৈছে কৰ্ম কৰা, নিত্যে কৰ্ম কৰা, তোমাৰ স্বধৰ্মত থাকি তুমি নিত্যে কৰ্ম কৰা। কৰ্ম নকৰাতকৈ কৰ্ম কৰাটোৱেই শ্ৰেয়ঃ। শৰীৰ যাত্ৰাৰ কাৰণেও কৰ্ম অৱশ্য কৰ্তব্য। যেহেতু কৰ্ম নকৰাকৈ কোনো থাকিব নোৱাৰে, এতেকে কৰ্ম কৰা;— শাৰীৰিক, মানসিক, আধ্যাত্মিক, যেই কোনো প্ৰকাৰৰ কৰ্ম কৰা। গীতা ৩য় অধ্যায় ৮ম শ্লোকত আছে:—

নিয়তং কুৰু কৰ্ম ত্বং কৰ্ম জ্যায়ো হ্যকৰ্মণঃ।
শৰীৰ যাত্ৰাপি চ তে ন প্ৰসিধ্যেদকৰ্মণঃ॥

৩: ৮.

আকৌ:—

কৰ্মণৈৱ হি সংসিদ্ধিমাস্থিতা জনকাদয়ঃ।
লোকসংগ্ৰহমেৱাপি সংপশ্যন্ কৰ্তুমৰ্হসি॥

৩: ২.

জনকাদি ৰাজৰ্ষিসকলে কৰ্মদ্বাৰাই সিদ্ধি লাভ কৰিছিল। জগতৰ উপকাৰৰ অৰ্থেও কৰ্ম কৰা নিতান্ত উচিত।

৩। উত্তম কথা। কৰ্ম আমি এনেয়ো কৰোঁ। তাকে যদি শাস্ত্ৰয়ো কৈছে সি আৰু ভাল। আমাৰ সকলো কামকে প্ৰধান দুই শ্ৰেণীত ভগাব পাৰি, প্ৰথম আত্ম-সংক্ৰান্ত, দ্বিতীয় বহিঃ সংক্ৰান্ত। আত্মাৰ উন্নতিৰ অৰ্থে অৰ্থাৎ নিজৰ আধ্যাত্মিক, পৰমাৰ্থিক বাহ্যিক, মানসিক, শাৰীৰিক, পাৰিবাৰিক, আৰ্থিক, আৰু আন সকলো প্ৰকাৰৰ কামেই আত্ম সংক্ৰান্ত। ইহঁতৰ ভিতৰত আকৌ আত্মাৰ উন্নতিয়েই শ্ৰেষ্ঠতম। আত্মাৰ উন্নতিৰ লগে লগে আন সকলো উন্নতি সহজ সাধ্য হৈ পৰে। নিজেই নিজৰ পৰম বন্ধু আৰু নিজেই নিজৰ পৰম শত্ৰু। গীতাই এই শ্ৰেণীৰ কামলৈ আঙুলিয়াই কৈছে:—

উদ্ধৰেদাত্মনাত্মানং নাত্মানমৱসাদয়েৎ।
আত্মৈৱ হ্যাত্মনো বন্ধুৰাত্মৈৱ ৰিপুৰাত্মনঃ॥

৬: ৫.

অৰ্থাৎ নিজেই নিজক উদ্ধাৰ কৰা, তললৈ যাবলৈ নিদিবা; নিজেই নিজৰ পৰম বন্ধু, নিজেই নিজৰ পৰম ৰিপু।

৪। এতিয়া দেখা গল শাস্ত্ৰই দুয়ো বিধৰ কাৰ্য্যকে সমৰ্থন কৰিছে। প্ৰথম বিধ সমৰ্থন কৰি কৈছে "উদ্ধৰেদাত্মনাত্মনা" আৰু দ্বিতীয় বিধ সমৰ্থন কৰি কৈছে "লোক সংগ্ৰহমেৱাপি সংপশ্যন্ কৰ্তুমৰ্হসি।" উক্ত পণ্ডিত শ্ৰেণীয়ে এতিয়া নিঃসন্দেহে এই প্ৰশ্ন সুধিব পাৰে যে আত্মাৰ উন্নতি কৰিলো নিৰলে, নিৰ্জনত নীৰৱভাৱে মনেদি চিন্তা, ধ্যান, সাধনাৰ সহায়তে, বাহিৰলৈ ওলাই সেই শক্তি নিয়োগ কৰিলো লোক সেৱাৰ কাৰণে অথবা কৰ্মত হাত দিলো কৰ্মৰ উন্নতিৰ কাৰণে আৰু সেই কৰ্মৰ সহায়ত জগতত লোক সেৱাৰ দেখা বিধি উঠিল। এই প্ৰণালীত উভয় কাৰ্য্যই সিদ্ধ হ'ল। অপৰ কথাত সাপো মৰিল লাঠিও নেভাঙিল। আৰু যদি সেয়ে হ'ল তেন্তে ধৰ্মানুষ্ঠানবিলাকৰ কৰ্তব্য শেষ হৈ গল, সেইবিলাকৰ আৱশ্যকতা উঠিল।

৫। ওপৰোক্ত যুক্তি তৰ্কবিলাক আহিবৰ [illegible] সুন্দৰ আৰু সহজ সাধ্য যদ্যাচতকে কিন্তু তেনে নহয়। এই শ্ৰেণীৰ কৰ্মবাদীসকলে [illegible] নিৰ্দ্ধাৰণ কৰিছে সঁচা, [illegible] প্ৰথম পইচা "[illegible]" পৈছে সিও সঁচা, কিন্তু তাৰ বীজ [illegible] প্ৰতিষ্ঠা" পাহৰি গৈছে। সকলো উদ্ধাৰ হৈছে

কিন্তু বাৰহাত বাকী। তেনেহলে তাৰপৰা কি আশা কৰিব পাৰি? যি মণিবোৰেৰে তেওঁবিলাকে মালা গাঁথিবলৈ গৈছে সেই মণিৰ ভিতৰলৈ প্ৰৱেশ দ্বাৰ বন্ধ আৰু যি সুতাৰে গাথিবলৈ চেষ্টা কৰা হৈছে সিও পচা, অনাৱশ্যকীয়। অতএব কাৰ্য্যৰ শেষ পৰিণাম ভয়াবহ।

৬ ব্যক্তি আৰু সমাজৰ মাজত এটা অঙ্গাঙ্গীয় সম্বন্ধ চিৰ কাল চলি আহিছে। সেই কাৰণে দেখা যায় যে ব্যক্তিৰ উন্নতিৰ লগে লগে সমাজৰ আৰু সমাজৰ উন্নতিৰ লগে লগে ব্যক্তিৰ উন্নতিৰ যথেষ্ট মিল থাকে। ধৰ্ম্মানুষ্ঠানবিলাকৰ অস্তিত্ব অস্বীকাৰ কৰাৰ লগে লগে এই সম্বন্ধত দেখাকৈ বা নেদেখাকৈ এটা প্ৰতিঘাত পৰে। এই প্ৰতিঘাত সময়ত ইমান প্ৰবল হৈ উঠে যে তাৰ স্ৰোত নিবাৰণ কৰাটো দুঃসাধ্য হৈ পৰেগৈ। তেনেহলে ব্যক্তি আৰু সমাজৰ সম্বন্ধ দৃঢ়তৰ কৰি ৰাখিবৰ কাৰণেই প্ৰধান আৱশ্যক হল নাম ঘৰ আদি ধৰ্ম্মানুষ্ঠানবোৰৰ। কিন্তু কোনো দুটা কথাৰ মূল, উদ্দেশ্য বা সূক্ষ্ম অংশ এক মুখী নহলে তাত ঐক্যতা থাকিব নোৱাৰে তাত, কোনো সামঞ্জস্যবো আশা কৰা অসম্ভৱ। মানুহৰ কাৰ্য্য পদ্ধতি যদিও সুকীয়া তথাপি লক্ষ্য কোনো প্ৰকাৰৰ উদ্গতি কৰা। আৰু সেই দেখি সকলো প্ৰকাৰৰ কাৰ্য্য পদ্ধতিৰ মূলতে ভগৱানে কৈছে:—

যৎ কৰোষি যদশ্নাসি যজ্জুহোষি দদাসি যৎ।
যৎ তপস্যসি কৌন্তেয়! তৎ কুৰুষ্ব মদৰ্পণম্॥

৯: ২৭

অৰ্থাৎ হে কৌন্তেয়! তুমি যি কৰা, যি ভোজন কৰা, যি হোম কৰা, যি দান কৰা, যি তপস্যা কৰা সকলো মোত অৰ্পণ কৰা। ইয়াৰ দ্বাৰাই দেখা গল ভগৱানৰ চৰণত অৰ্পণ নকৰাকৈ আমি কোনো কামেই কৰিব নোৱাৰো। আমি যে নিজেই নোৱাৰোঁ এনে নহয় আমাৰ দ্বাৰাই গঠিত সমাজেও নোৱাৰে। তেনেহলে নিজৰো আৰু সমাজৰো সকলো কাম ভগৱানৰ চৰণত অৰ্পণ কৰিবলৈ নাম ঘৰৰ বাহিৰে আৰু ক'ৰবাত কোনোবা এনে ঠাই ওলাব পাৰেনে? অন্ততঃ এই কাৰণেও আমাৰ নাম ঘৰলৈ যোৱাৰ আৱশ্যক হৈ উঠিল, নাইবা সম্মিলিত হৈ পিতৃৰ পবিত্ৰ চৰণত মূৰ থবলৈ আৱশ্যক হৈ উঠিল। আৰু যদি আমি এইদৰে নিজকে সমৰ্পণ নকৰোঁ। মুলি কালবি কাটো তেনেহলেও আমাৰ অৱনতি অৱশ্যম্ভাৱী, কিয়নো একালে আমি গছৰ ফল মূলটৈ আশা কৰিছোঁ কিন্তু আন কালে তাৰ গুৰিত সাৰ জাবৰ দিবলৈ অমান্তি হৈছো। এই কথাকে লক্ষ্য কৰি ভগৱানে কৈছে:—

ময়ি সৰ্ব্বাণি কৰ্ম্মাণি সংন্যস্যাধ্যাত্মচেতসা।
নিৰাশীৰ্নিৰ্মমো ভূত্বা যুধ্যস্ব বিগতজ্বৰঃ॥

৩: ৩০.

অৰ্থাৎ আত্মা আৰু চিত্তবৃত্তিবোৰেসৈতে সকলো কাৰ্য্য মোত অৰ্পণ কৰি মায়া, মমতা, ক্ৰোধ আদি আঁতৰাই থৈ তুমি যুদ্ধ কৰা। ভগৱানৰ এই আদেশ নিচেই সহজ নহয়। কৰ্ম্মময় জীৱনত, যুদ্ধময় জীৱনত আগ বাঢ়িবলৈ আমাক উদগনি দিছে কিন্তু খন্তেকৰ কাৰণে বাহ্যিক জগতৰপৰা মনটোক আঁতৰাই আনি ভগৱৎ চিন্তাত লগাবলৈ কবলৈ পাহৰা নাই। অলপ দকৈ ভাবি চালে আমি দেখিবলৈ পাওঁ যে গোটেই জীৱনত মুখ্য কৰ্ম্ম এইটোৱেই। যদি জীৱনৰপৰা এইটোৱেই যায় [illegible] তেনেহলে থাকিব কি? পূৰ্ব্বেই কৈ আহিছোঁ যে ব্যক্তি আৰু সমাজৰ ভিতৰত ঘনিষ্ঠ সম্বন্ধ। ব্যক্তিয়ে ভগৱৎ চিন্তাত যেনেকৈ আত্ম নিয়োগ কৰিব লাগে সমাজেও ভগৱৎ চিন্তাত তেনেকৈ আত্ম নিয়োগ কৰিব লাগে। যি মানুহে ভাবে যে মই নিজমূৰ

কাৰ্য্য কৰিয়েই ক্ষান্ত থাকিব তেওঁ কৰ্ত্তব্যৰ এক অংশ অপৰিপক্ক হৈয়েই থাকে। আকৌ যি মানুহে তাতে এইবোৰ মানুহক দেখুৱাহে কাম হৈছে তেওঁ নিজকে সমৰ্পণ নকৰে, তেওঁ ঈশ্বৰৰ ওচৰত পৰস্পৰৰ ভাতৃ ভাব পাহৰি যায়।

৭। আন এটা উদাহৰণৰপৰা আমি কথাটো ভালকৈ লক্ষ্য কৰি চাওঁ। আমি যদি এটি পক্ষী ঘৰলৈ চকু দিওঁ আৰু তাৰ সূক্ষ্ম নিৰ্ম্মাণৰ বিষয়ে চিন্তা কৰোঁ। তেতিয়াহলে দেখিবলৈ পাওঁ যে কেইটুকুৰা মান ইটাৰ সমষ্টিয়ে তাৰ প্ৰধান কাৰণ। এই ইটাৰ টুকুৰা বোৰক একত্ৰ কৰা হল এটা সামান্য লেহনৰ দ্বাৰাই। ইটাবোৰ সুকীয়াকৈ পেলাই থোৱা হলে তাৰ পৰা কোনো পক্ষীঘৰ নিৰ্ম্মাণ নহ'লহেঁতেন। অধিক কি ইটাবোৰ গথাৰ পাছত লেহন নিদিয়া হলেও তাৰ পৰা কোনো স্থায়ী ঘৰ পোৱাৰ আশা নেথাকিলহেঁতেন। এই দৃষ্টান্তৰ ভিতৰত এটা বিশেষ সত্য এই যে ভগৱৎ শক্তিয়ে আমাক এক নকৰিলে আমি নিজেই হাজাৰ সিদ্ধতা লাভ কৰিলেও সুকীয়া। ভগৱানৰ পবিত্ৰ মন্দিৰ নিৰ্ম্মাণত আমাৰ সত্তায় সম্পূৰ্ণ অস্থায়ী। তাৰ বাবে আমি সমাজৰ ওচৰত বিশেষ ভাবে ঋণীয়া। নাম ঘৰৰ মুখ্য কৰ্ম্ম আমাৰ এই দোষ নিৰ্ম্মূল কৰা। সকলোৱে ভগৱানৰ চৰণত এক হৈ সেৱা জনাবলৈ এটা অপূৰ্ব্ব মুহূৰ্ত্ত নাম ঘৰ বা ধৰ্ম্মানুষ্ঠান বিলাকে নিদিলে আন একোৱেই দিব নোৱাৰে। আমি যদি আমাৰ অন্তৰৰ ক্ষুদ্ৰ সেৱা এটি নিৰ্ভৰ হৈ সমাজৰ কাৰণে স্থিৰ হৈ ভগৱানৰ চৰণত অৰ্পণ নকৰো তেনেহলে আমাৰ জীৱন বৃথা নহৈ কাৰ হব? পৰিয়ালৰ ভিতৰত আটাইকেইটি মিলিবলৈ যেনেকৈ একোখনি ঠাই থাকে, সমাজ একত্ৰিত হবলৈ তেনেকৈ ধৰ্ম্মানুষ্ঠানবোৰ একো একোখনি ঠাই। পৰিয়ালৰ ভিতৰত এই ঠাই কেবাৰ যদি কিবা শিক্ষা মূলক নাইবা চৰিত্ৰ গঠন মূলক প্ৰভাৱ আছে তেনেহলে নামঘৰৰ তাতোকৈ হেজাৰ গুণে বেছি থাকিব। কিন্তু সদায় মনত ৰাখিব লাগিব যে নামঘৰ ধাৰাবাহিক চিন্তাৰ ঠাই, ই ধৰ্ম্ম অনিষ্ঠ, চুপতি মৰা ঠাই নহয়; মুখ চেবাদি মাৰিবলৈ তাত সময় নাই। নাম ঘৰ, আত্মাৰ বস্তি, কপাৰ সাৰথি জ্ঞান হীনৰ স্বৰ্গীয় জ্যোতি। য'ত ভগৱানৰ ধ্যান চিন্তা আৰু প্ৰভাৱ আছে সেই ঠাই চিৰ পবিত্ৰ। শাস্ত্ৰত আছে:—

যত্ৰ যোগেশ্বৰঃ কৃষ্ণো যত্ৰ পাৰ্থো ধনুৰ্দ্ধৰঃ।
তত্ৰ শ্ৰীৰ্বিজয়ো ভূতিৰ্ধ্ৰুবা নীতিৰ্মতিৰ্মম॥

১৮: ৭৮,

অৰ্থাৎ য'ত যোগেশ্বৰ কৃষ্ণ আৰু ধনুৰ্দ্ধাৰী পাৰ্থ বৰ্ত্তমান তাতেই শ্ৰীবিজয়, ভূতি বৈভৱ আৰু নীতি বৰ্ত্তমান;— এৱে মোৰ অভিমত। এই ঠাইৰ অদৃশ্য ৰূপ হৃদয়ত দৃশ্যৰূপ নাম ঘৰত। এই দুই ৰূপ যেতিয়া একীকৰণ হয় তেতিয়াই জয়লাভ, তেতিয়াই নিজৰো উপকাৰ আনৰো উপকাৰ। তেনেহলে এতিয়া দেখা গল ধৰ্ম্মানুষ্ঠান আৰু ধৰ্ম্ম কৃত্যাদি বিলাকৰ আৱশ্যকতা ক'ত, সেই বিলাকৰ প্ৰভাৱ কিমান।

৮। এতিয়া আন একালৰপৰা চোৱা যাওক নাম ঘৰবিলাকৰ অন্যতম মাহাত্ম্য কি? স্ৰোতস্বতী নৈত যেতিয়া নাও মেলি দিয়া হয় তেতিয়া নৈৰ সোঁতে সকলোবোৰকে সমান। নৈয়ে কাকো কমকৈ বা কাকো বেছিকৈ উটুৱাই নিনিয়ে। কিন্তু নাৱৰীয়াই আৰু উপৰিও নিজৰ বাহু আৰু বুদ্ধিৰ বল প্ৰয়োগ কৰি নিজৰ নাও আগ কৰি নিয়ে। যি তাকে কৰিব নোৱাৰে সি পাছ পৰি যায়। আনহাতে যোজাবোৰে পানীৰ সোঁতলৈ লক্ষ কৰি পাছত থকা বিলাকতকৈও আগুৱাই নিব পাৰে। ইয়াৰ পৰা অনুগামীসকলৰ মাজেই উপকাৰো সাধিত হয়।

আমি যেতিয়া একে লগ হৈ ভগবানৰ বাণীৰপৰা শিক্ষা লাভ কৰোঁ। তেতিয়া তাৰ ভিতৰেদি স্বভাৱতে এটা পবিত্ৰতাৰ অবাৰিত সোঁত বৱলৈ ধৰে। এই সোঁতৰ গতি সকলোলৈকে আছে। সৰু, ডাঙৰ, ধনী, দুখীয়া, পণ্ডিত, মুৰ্খ, ধাৰ্ম্মিক, অধাৰ্ম্মিক, সকলোৰে তাৰ প্ৰাধান্যতা আৰু কাৰ্য্যকাৰীতা অনিচ্ছাৰতে হলেও কিঞ্চিৎ নহয় কিঞ্চিৎ অনুভৱ কৰে। কিন্তু ইয়াৰ বিশেষত্ব এই যে নৈৰ সোঁত কাৰো ব্যক্তিগত পথত কাঁহত নোহোৱা.ৱৰে ইযো কাৰো ব্যক্তিগত উন্নতিত বাধা নিদিয়ে। আনফালে যিবিলাকে মাথোন সেই ফেৰাত বা হবে আন কোনো অৱসৰ উলিয়াব পৰা নাইও সিবিলাকৰ ই এটা মহৎ উপকাৰ সাধে; যেহেতু এখণ্ডকলৈ হলে সকলোৰে চকুৰ আগত এটি দিব্য জ্যোতিয়ে আহি দেখা দিয়ে। যদি ধৰ্ম্মানুষ্ঠানবিলাকৰ প্ৰতি উপলুণ্ঠা কৰা হয় তেনেহলে নিশ্চয় আত্মা আৰু সমাজৰ উন্নতিৰ পথত দুৰ্ঘোৰ অভেদ্য ঢাকনী এখন পেলাই দিয়া হয় মাথোন। সুতে এই কথাকে কৈছিল:—

সোপানাষ্টাদশৈৰেবৈং ভক্তি মুক্তি সমুচ্ছ্ৰিতৈঃ।
ক্ৰমশশ্চিত্ত শুদ্ধিঃ স্যাৎ প্ৰেম ভক্ত্যাদিকৰ্ম্মণ॥

সাধোৰ্গীতাম্ভসি স্নানং সংসাৰমল নাশনম্।
শ্ৰদ্ধাহীনস্য তৎ কাৰ্য্যং হস্তিস্নানং বৃথৈৰ তৎ॥

গীঃ মাঃ ১১—১২

অৰ্থাৎ গীতাৰ ভক্তি মুক্তি দায়ক ওঠৰ অধ্যায়ৰ জখলা খনিৰে প্ৰেম, ভক্তি আৰু কৰ্ম্ম কৰি মানুহৰ ক্ৰমে ক্ৰমে চিত্তৰ শুদ্ধতা লাভ হয়। সাধু বিলাকে গীতাৰূপ জলত স্নান কৰি সংসাৰজনিত মল (অৰ্থাৎ কুক্ৰিয়া, কুচিন্তা, পাপাদি) নিবাৰণ কৰে; অপৰন্তু শ্ৰদ্ধাহীন হৈ এই কাৰ্য্য কৰিলে হস্তীৰ স্নানৰ তুল্য হয়। অৰ্থাৎ হাতীয়ে গা ধুই যেনেকৈ পৰিষ্কাৰ হব নোৱাৰে বৰং পেছি মলিয়ন হে হয় তেনেকৈ শুদ্ধ চিত্তেৰে যি ভক্তি আৰাধনা কৰা নাই নাইবা নকৰে তাৰো অন্তৰত কপটতা আৰু মলিনতা জন্মে। সুতৰ মুখতেই বাদ বিসম্বাদ সকলো টুটিল বুলি ধৰিব পাৰি। যদি আমি ইয়াকে কৰা নাই তেন্তে আমাৰ দোষ, যদি কৰিয়েই আছোঁ অথচ ফল দেখা নাই যি পোৱা নাই তেন্তে মাজতে কেৰোণ হয়। এই কেৰোণ পৰিমাৰ্জ্জিত হব লাগিব নহলে একেবাৰে ধ্বংস পাব। ব্যক্তিগত আৰু সামাজিক হিচাবে কোনটো কৰিম সেইটো সম্পূৰ্ণ আমাৰ ওপৰত নিৰ্ভৰ কৰে। ক্ৰমশঃ

এয়ে মাথোঁ আশা মোৰ।

নালাগেহে দয়াময় ভাল পান মোক
মাথোঁ মোক পাৰলৈ দিয়া,
নালাগে তোমাৰ মোক একো প্ৰতিদান
যদি দান লোৱা মোৰ হিয়া।
নালাগে মোলৈ চাব দয়াৰ চকুৰে
পুজিবলৈ দিয়া মাথোঁ মোক,
তোমাৰ গুণকে মোক গাবলৈ দিয়া
মন মোৰ তোমাতে মজ'ক।
নালাগে মাতিব মোক মৰম মাতেৰে
মাতিবলৈ দিয়া মাথোঁ মোক,
দেখোৱা এবাৰ যদি তোমাৰ মুৰতি
হৰি' নিব লেহে মোৰ শোক।

নালাগে ওচৰ চাপি আলিঙ্গন দিব
আঁতৰতে থাকিবা সদায়,
দেখিলে তোমাৰ সেই অপূৰ্ব্ব জেউতি
তাতে সুখ পায় অভাগাই।

নালাগে দুখত মোৰ দুখ পাব তুমি
দিয়া মোক দুখলৈ' অন্তৰ;
'এৰে যাবে'। আশা মোৰ' দিয়া যেন মোক
তোমাতেই পাবলৈ সৰ।

শ্ৰীদেৱেন্দ্ৰ নাথ দাস।

টীয়ক ছাত্ৰ সন্মিলনৰ ১৯৩৫ চনৰ বাৰ্ষিক অধিৱেশনৰ সভাপতিৰ অভিভাষণ।

সভাপতি— শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱা বি, এল।

আদৰণী সমিতিৰ সভাপতি, অতি আদৰৰ ছাত্ৰ বন্ধুসকল আৰু সমজুৱাসকল;—

আজিৰ এই সন্মিলনৰ সভাপতিৰ খাৰ মোৰ ওপৰত কিভাবে পৰিল মই সেই বিষয় একো নাজানোঁ। ব্যৱসায়ত মই যদিও উকীল কিন্তু জীৱনৰ সৰহখিনি সময় ছাত্ৰসকলৰ লগত কটাই আহিছোঁ আৰু আশা কৰো আগলৈকো কটাব লাগিব। সেই কাৰণেই ছাত্ৰসকল মোৰ অতি আদৰৰ বন্ধু। গতিকে তেওঁবিলাকৰ সাদৰ আহ্বান অতি মধুৰ হলেও মোৰ প্ৰতি মধুৰ বুলি ভাবোঁ। তেওঁবিলাকৰ আদৰলৈ আওকাণ কৰাটো মোৰ পক্ষে অতি কঠোৰ কাম বুলি জানো। সেইহে আজি আপোনাসকলৰ আগত উপস্থিত। মোৰ কষ্ট আৰু হানি হলেও মই ছাত্ৰসকলক কেতিয়াও কোনো সৎ উদ্যমত বাধা নিদিওঁ। আৰু তেওঁবিলাকৰ উৎসাহৰ উতলা উদ্যমত নিৰুৎসাহৰ চেঁচা পানী ঢলাটো মোৰ স্বভাৱ নহয়।

আজি কালিৰ সভা-সমিতিৰ নিয়ম মতে সভাপতি হলেই তেওঁ জনাই শুনাই এখন অভিভাষণ লিখি আনি পঢ়ি সমজুৱা আৰু ছাত্ৰসকলক শুনাব লাগে। যোগ্যতা অনুযায়ী অনেক গুণীলোকে নতুন কথাৰে ছাত্ৰসকলক উদ্দীপনা মূলক বক্তৃতাৰে উৎসাহিত কৰে। কিন্তু মোৰ তেনে বাক্ চতুৰালি নাই। মই বহুত কথাও নাজানোঁ। বক্তৃতাৰ ঢৌ তুলি প্ৰাণত হেন্দোলনি আৰু ওচৰৰ গছ গছনিৰ পাতত সেই বক্তৃতাৰ বিং বিঙনিও তুলিব নোৱাৰো। তেনেকুৱা বক্তৃতাৰ আগ্ৰহ গিৰি মোৰ অন্তৰত নাই। মই কাৰ্য্যকৰী কেই আষাৰমান কথা জানো, আৰু সেই মতেই সদাই চলিবলৈ যত্ন কৰোঁ। কাৰ্য্যকৰী কৰ্ম্ম পদ্ধতিৰ কঠুৱা কথা শুনি যদি আপোনাসকলৰ আমনি নালাগে তেনেহলে মোৰ কথাত কিবা সোৱাদ পাব পাৰে। নহলে মোৰ কথাখিনি "নিৰসঃ তৰুৱৰ পুৰতো" নহৈ "শুষ্কং কাষ্ঠং তিষ্ঠতি অগ্ৰে"হে হব।

আপোনাসকলৰ অনুমতি লৈ মোৰ মনৰ ভাবৰ কথা কেইটামান চমুৱাই আপোনাসকলৰ আগত দাঙি ধৰিম। কিবা ভুল হলে আপোনাসকলে ক্ষমা কৰিব লাগিব। ক্ষমা নকৰিলেও নহব, কাৰণ

সভাপতিজন আপোনাসকলৰ বাছনিৰ মানুহ হে। গতিকে আজিৰ সভাৰ সভাপতিৰ দোষ গুণৰ বাবে আপোনাসকলেহে সম্পূৰ্ণৰূপে জগৰীয়া।

শিক্ষাৰ প্ৰধান উদ্দেশ্য হৈছে মানুহৰ মনৰ অজ্ঞানতাৰ অন্ধকাৰ দূৰ কৰি জ্ঞানৰ জেউতি দিয়া আৰু এনেকুৱা শিক্ষাৰ দ্বাৰাই দেশৰ অধিবাসী সকলক শিক্ষিত কৰি জাতীয় জীৱন উন্নতৰ কৰি জাতিক সহজে আৰু বলবান কৰিব পাৰিলেহে শিক্ষাৰ উদ্দেশ্য সাধন হয়। অকল অৰ্থকৰি বিদ্যাৰ পৰা জাতীয় জীৱনৰ উদ্দেশ্য কেতিয়াও সাধন হব নোৱাৰে। "বিদ্যা" আৰু "শিক্ষা" এই দুই শব্দৰ অৰ্থ সুকীয়া। শিক্ষাই মন উন্নত আৰু হৃদয় প্ৰশস্ত কৰে। সাধাৰণ অৰ্থত বিদ্যাই জীৱন নিৰ্ব্বাহ কৰা এটা উপায় দিয়ে। বৰ্ত্তমান আমাৰ প্ৰচলিত শিক্ষা পদ্ধতিৰ দ্বাৰা আমাৰ জীৱন নিৰ্ব্বহ হব এটা বাট পোৱা গৈছে। কিন্তু ই য়ো আমাক সম্পূৰ্ণৰূপে সবল কৰি তুলিব পৰা নাই বুলি বহুতৰ মুখত শুনিবলৈ পোৱা যায়। এনেকুৱা মনোভাৱৰ একেবাৰে কোনো ভিত্তি নাই বুলিও কোনেও ঢাঠি কৰ নোৱাৰে। অন্য উপায় নহলে ইয়াৰ আলম লৈ য়ে উঠিব লাগিব আৰু যত্ন কৰি ইয়াৰ সংশোধনো কৰিব লাগিব।

বৰ্ত্তমান প্ৰচলিত শিক্ষা প্ৰণালীত বহুত খুঁত বা বেয়া আছে। এই মত সকলোৱে সমৰ্থন কৰে আৰু শিক্ষা বিভাগৰ গুৰিয়ালসকলেও এই মত অস্বীকাৰ কৰিব নোখোজে। কিন্তু এই বেয়াখিনি গুচাবলৈ যেনেকুৱা যত্নৰ আৱশ্যক তেনেকুৱা প্ৰথা এতিয়ালৈকে চৰকাৰী কি বে চৰকাৰী কোনো অনুষ্ঠানে হাতত লব পৰা নাই। প্ৰচলিত প্ৰণালীৰ বেয়াখিনি গুচাই নতুন প্ৰথা প্ৰৱৰ্ত্তন কৰিবলৈ বহুত অৰ্থৰ আৱশ্যক। বৰ্ত্তমান শিক্ষা বিভাগেও তেনে কাম এই অৱস্থাত কেতিয়াও হাতত লব নোৱাৰে বুলিয়েই আমি ধৰি লব লগীয়াত পৰিছোঁ। কাৰণ আজিৰ অসম গৱৰ্ণমেণ্টৰ অৰ্থৰ অভাৱ খুব বেছি বুলি আমি জানো। সেই বুলি "আহক খাৱিবা কাটক পাত" এই আশাত তোকাতুৰ "তিনীহিক ভাত" খাবলৈ বহুৱাই থোৱাটোও উচিত নহব। চোৱা থৰ মাৰি এটা উপায় উলিয়াই আমাৰ উঠি অহা ছাত্ৰসকলৰ ভৱিষ্যতৰ জীৱনৰ বাট সুগম কৰি দিব লাগিব, নহলে তেওঁবিলাকৰ প্ৰতি আৰু আন পাকে দেশৰ প্ৰতি যথোচিত শিক্ষা দান কৰা নহব যেন অনুমান হয়।

শিক্ষা, জাতীয় সাহিত্য আৰু কৃষ্টিৰ সৰ্ব্বাঙ্গিন পৰিপুষ্টি সাধন কৰিবলৈ হলে আমাৰ এটা সুকীয়া বিশ্ববিদ্যালয় অতি আৱশ্যক হৈছে। এই বিষয় বহুত দিনৰপৰা আলোচনা চলি আহিছে। এইবাৰ অসম কাউন্সিলত এই বিষয় বিশদ আলোচনা হোৱাৰ পিচত এই প্ৰস্তাৱিত বিশ্ব বিদ্যালয়ৰ আঁচনি তৈয়াৰ কৰিবলৈ এখন সমিতি গঠিত হৈছে। এই বিষয় বাজহুৱা মতো অতি প্ৰবলভাৱে চলিছে। অসম চৰকাৰে টকাৰ অনাটনৰ কথা কৈছে; কিন্তু অনাটন থাকিলেও কেন্দ্ৰীয় গৱৰ্ণমেণ্টৰ সাহায্য লৈ হলেও অতি সোনকালে আমাৰ সুকীয়া বিশ্ববিদ্যালয় স্থাপন কৰা কাৰ্য্যত গৱৰ্ণমেণ্টে অৱহেলা কৰিলে অসমৰ শিক্ষা, সাহিত্য আৰু কৃষ্টিৰ উন্নতিৰ বাটত বহুত বিঘিনি পৰিব বুলি আমাৰ ঘোৰ আশঙ্কা হৈছে। গতিকে সকলো বাজহুৱা অনুষ্ঠানে অচিৰে অসমত এটা সুকীয়া বিশ্ব বিদ্যালয় স্থাপন হব লাগে বুলি খুব জোৰেৰে চাৰিও ফালৰ পৰা আন্দোলন কৰিব লাগে। আমাৰ চুকতে থাকি বুকুত কামোৰা দিলটীয়া ভাইসকলে কলিকতা বিশ্ববিদ্যালয়ৰ মোহ এৰিব নোৱাৰে যদি আমি তেওঁবিলাকক খাতাং কওঁ যে তেওঁবিলাকে অসম

কাউন্সিলৰ মোহ এৰি বঙ্গ কাউন্সিলৰ ভিতৰত সোমাওক। আমি তেওঁবিলাকক অতি আনন্দেৰে আৱশ্যক হলে বাট খৰচা দি আগ বঢ়াই থৈ আহিমগৈ। আমি চাৰিও ফালৰপৰা তেওঁবিলাকক সতৰ্ক কৰি দিয়া উচিত যে তেওঁবিলাকে আমাৰ উন্নতিৰ বাটত কেতিয়াও যেন বিধি পথালি নিদিয়ে। আমাৰ দেশৰ যুৱটো যেতিয়ালৈকে বঙ্গ দেশৰ মাজত সোমাই থাকিব তেতিয়ালৈকে আমাৰ জাতীয় সাহিত্য, শিক্ষা আৰু কৃষ্টি বিজতৰীয়া হৈহে যাব। এই বিজতৰীয়া ভাব দূৰ কৰাৰ একমাত্ৰ উপায় হৈছে নিজৰ বিশ্ববিদ্যালয় স্থাপন কৰা।

শিক্ষাই যেনেকৈ মানসিক শক্তিৰ বিকাশ কৰে, সেইদৰে শাৰীৰিক শক্তিৰো উৎকৰ্ষ সাধন কৰিব লাগে। আজি কালি জগতত জাতি বোলাই জীয়াই থাকিবলৈ হলে শাৰীৰিক শক্তিৰ বিশেষ প্ৰয়োজন হৈছে। যোগ্য জাতিয়েহে জগতত তিষ্ঠি থাকিব পাৰিব। গতিকে লিখা-পঢ়াৰ লগে লগে শাৰীৰিক শক্তিৰ উৎকৰ্ষ সাধন কৰিবলৈ ছাত্ৰসকল সদায় যত্নবান হব লাগে। বৰ্ত্তমান প্ৰচলিত খেল ধেমালিত কৈ আমাৰ আগৰ কালৰ মাল যুঁজ আদি খেল ধেমালিৰ প্ৰচলন হোৱাটো নিতান্ত বাঞ্ছনীয়। উদ্যোগী আৰু নিঃস্বাৰ্থ দেশ সেৱক মোৰ বন্ধু শ্ৰীযুত হৰিনাৰায়ণ বৰুৱা দেৱৰ অদম্য উৎসাহ আৰু প্ৰবল ইচ্ছাৰ ফলত "অসম শক্তিমেলা"ই যোৱা বছৰ আৰু এই বছৰ যোৰহাটত যি মেলা আদিৰ প্ৰদৰ্শনী দেখুৱালে এই অনুষ্ঠানে আগলৈ আমাৰ ডেকাসকলৰ শাৰীৰিক শক্তিৰ ক্ৰীড়া কৌশল দেখুৱাত বিশেষ সহায়তা কৰিব বুলি আশা কৰিব পাৰি। আপোনাসকলেও ইচ্ছা কৰিলে এনেকুৱা সভা সমিতিৰ লগতে তেনেকুৱা শাৰীৰিক শক্তিৰ ক্ৰীড়া কৌশল দেখুৱা একোখনি প্ৰদৰ্শনী পাতিব পাৰে।

যিদিনা যোৰহাটত হোৱা শিক্ষক সন্মিলনৰ উদ্যোগত ছাত্ৰ ছাত্ৰীসকলৰ হাতৰ কামৰ এখনি প্ৰদৰ্শনী হৈছিল। সেই প্ৰদৰ্শনীখনি যোৰহাট বেজবৰুৱা হাই স্কুলত খোলা হৈছিল। সেই প্ৰদৰ্শনীত সৰু সৰু ছাত্ৰ-ছাত্ৰীসকলৰ হাতৰ কাম কাজবিলাক দেখি মনত বৰ আনন্দ লাগিছিল। স্কুলত পঢ়া অৱস্থাত সেইবিলাক কাম কৰি কোনোমতে প্ৰমোচন পুৰস্কাৰ বা প্ৰশংসা লৈ স্কুল এৰাৰ পিছত সেইবিলাক কামলৈ পিঠি দিলে তেনেকুৱা কাম শিকাৰপৰা ছাত্ৰৰ বা দেশৰ কোনো উপকাৰ নহয়। সেইবিলাক ছাত্ৰ অৱস্থাত যি উৎসাহ আৰু আগ্ৰহেৰে ছাত্ৰসকলে কৰে পিচতো দুগুণ উদ্যমেৰে সেইবিলাক কাম কৰি নিজৰ ব্যৱসায় একোটা কৰি লব পাৰিলেহে সেইবিলাক কাম শিকাৰ সাৰ্থকতা আছে।

শিক্ষকসকলে ইচ্ছা কৰিলে প্ৰত্যেক স্কুলতে ছাত্ৰৰ হাতৰ সঁজুলিবিলাকৰ একোটা Co-operative Stores খুলিব পাৰে। আৰু ওপৰ শ্ৰেণীৰ কেইজনমান ছাত্ৰ আৰু শিক্ষকসকলৰ তত্ত্বাৱধানত সেই Stores ৰ বস্তু বেচি ছাত্ৰসকলক ব্যৱসায় শিকোৱা হব আৰু তাৰ লগে লগে সেই Stores ৰ আয়ৰ পৰা উপযুক্ত দুখীয়া ছাত্ৰক সাহায্য দান কৰি পঢ়াত সহায় কৰিব পাৰে। ইয়াৰ বাহিৰেও অসমৰ বাহিৰৰপৰা আহি আমাৰ দেশত পাৰ্ব্বে-তুঁৱে বাঁহ বেতৰ চকী-মূঢ়া বেচি ফুৰা বেপাৰী—বিলাকক বন্ধ কৰিবলৈ ছাত্ৰসকলক উদগনি দিব পাৰি। কোনো ব্যৱসায় হীন নহয়। আমাৰ সকলোৰে অসমৰ উন্নতি, অসমীয়া জাতিৰ উন্নতি লক্ষ্য হওক। কবিৰ ভাষাত কবলৈ গলে,

'দিব্য কাজত হাঁত, শিপনী বোৱাঁহি [illegible];
কৃষক বোৱাঁহি ধান, বেপাৰী [illegible] "[illegible]";

পণ্ডিত প্ৰচাৰা জ্ঞান, কবি গোৱা স্তুতি গান ;
উছাহ অগনি লই, মিলনৰ মন্ত্ৰ গাই,
অশ্বা যজ্ঞৰ কৰা আয়োজন, দিগ্বিজয়ী দেৱতা সাধন।"

এই বিষয়ত আমাৰ লোকেলবোৰ্ডবিলাকে বিশেষ সাহায্য দান কৰি হাতৰ সংকুলি কৰাত পাইকত ছাত্ৰবিলাকক একোটা বৃত্তি দি উৎসাহ দিলে আমাৰ দেশৰ আৰ্থিক অৱস্থা টনকিয়াল কৰা কামত বিশেষ সহায়তা কৰা হয়। এইবিলাক কৰক চাবি আমাৰ লোকেলবোৰ্ডবিলাকে বিশেষকৈ আমাৰ যোৰহাটৰ বৰ্ডে শিক্ষা বিষয়তে যেনেকৈ মন দিব লাগে, তেনেকৈ একো কৰিব পৰা নাই বা কৰা নাই বুলি চাৰিও ফালৰপৰা আপত্তি শুনিবলৈ পোৱা হৈছে। অন্য বিষয়ত কি কৰিছে নকৰিছে আমি একো থিৰাংকৈ জানিব পৰা নাই, কিন্তু যোৰহাট লোকেল বৰ্ডে যে ১০ খন প্ৰাইমেৰী স্কুল তুলি দিলে এইটো কথা সকলোৱে জানিছে ঁহঁক। ইয়াৰপৰা আমাৰ শিক্ষা বিষয়ত মহৎ ক্ষতি হৈছে। এই কাৰ্য্যৰপৰা ১০ জন গাৱঁলীয়া পণ্ডিতৰ যোজা বন্ধ হল। দহোটা পৰিয়াল হঠাতে অৰ্থাভাৱত পৰিল। আৰু দহখন স্কুলৰ গড়ে ৩০ জন ছাত্ৰ হলেও ৩০০ শ ছাত্ৰই শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত হল। যি দেশত ১০০ ভিতৰত আজিও ৯৩ জন নিৰক্ষৰ সেই দেশত দহখনকৈ প্ৰাইমেৰী স্কুল বন্ধ হোৱাত কিমান ক্ষতি হৈছে সেইটো আপোনাসকলে এবাৰ দকৈ ভাবি চাই ইয়াৰ প্ৰতিকাৰ পাবলৈ যত্ন কৰিব লাগে।

যেতিয়ালৈকে দেশৰ নিৰক্ষৰতা দূৰ নহয় তেতিয়ালৈকে আমাৰ দেশৰ কোনো জাতীয় অনুষ্ঠানে উন্নতি কৰিব নোৱাৰে। বৰ্ত্তমান আমাৰ দেশৰ শিক্ষাৰ যি মন্থৰ গতি সেই গতিত আমাৰ শিক্ষাৰ উন্নতি হবলৈ হলে কত শতাব্দীৰ মূৰত নিৰক্ষৰতা দূৰ হব তাক অনুমানকে কৰিব নোৱাৰি। আমাৰ দেশৰ শিক্ষা-বিভাগৰ তত্বাৱধানত যোৱা ১৬ বছৰৰ ভিতৰত ১০ বছৰ বা তাৰ ওপৰৰ লৰা-ছোৱালীৰ এহেজাৰৰ ভিতৰত তলত দিয়া হিচাবে শিক্ষিত হৈছে। লুছাই পাহাড় ২৩৮ জন, কাছাৰত ২১০ জন, কামৰূপত ১৯৫ জন, শিৱ সাগৰত ১৭৮ জন, লক্ষীমপুৰত ১৫৮ জন, নগাৱঁত ১৫২ জন, গুৱাল পাড়াত ১৪৫ জন, দৰঙত ১২১ জন। ১৬ বছৰৰ ভিতৰত হাজাৰৰ ভিতৰত ওপৰৰ হিচাব মতে শিক্ষা পালে নিৰক্ষৰতা দূৰ কৰিবলৈ কত হাজাৰ বছৰ লাগিব সাধাৰণ ত্ৰৈৰাশিক মতেই ওলাব। প্ৰাথমিক শিক্ষা ভাৰতৰ বাহিৰে অন্যদেশত বাধ্যতা মূলক। আমাৰ অসমতো প্ৰাথমিক শিক্ষা বাধ্যতা মূলক হব লাগে বুলি আন্দোলন কৰাৰ ফলত যোৱা ১৯২৬ চনতে 'প্ৰাথমিক শিক্ষা বাধ্যতা মূলক' আইন এখন কাউন্সিলত গৃহীত হল ; কিন্তু সেইখন আইন এতিয়ালৈকে আলমাৰিৰ ভিতৰতে আছে, কাৰ্য্যত পৰিণত হোৱা নাই। এই আইন কাৰ্য্যত খটোৱা হলে আজি এই ৯।১০ বছৰে আমাৰ দেশৰ বহুত লৰা-ছোৱালীয়ে বাধ্য হৈ স্কুলত পঢ়িব লাগিল হেঁতেন আৰু নিৰক্ষৰতা বহুত গুণে দূৰ হলহেঁতেন।

এতিয়া এই ধৰণৰ ছাত্ৰৰ অনুষ্ঠান বিলাকৰ জৰিয়তে গাৱেঁ-ভুৱেঁ শিক্ষাৰ পোহৰ যাতে সকলোৱে পাই সেই বাবেঁ এই ছাত্ৰ সভাবিলাকৰ গুৰিয়ালসকলে অশেষ যত্ন কৰিব লাগে। এজন শিক্ষানুৰাগী লোকে কোৱাৰ দৰে "Compulsion would ensure expansion of education, economy of expenditure by minimizing wastage, effiency as regards teaching by reducing the member of one teacher schools

and equality of progress for all Communities" প্ৰাথমিক শিক্ষাৰ প্ৰচলনৰ লগে লগে শিক্ষা বাঢ়িব। শিক্ষাৰ খৰচ কমিব, ভাল শিক্ষাৰ দিন হব আৰু সকলো সম্প্ৰদায়ে সমানে উন্নতি কৰিব পাৰিব। গতিকে এনেকুৱা ছাত্ৰৰ অনুষ্ঠান বিলাকে অহো পুৰুষাৰ্থ কৰি প্ৰাথমিক শিক্ষাৰ প্ৰচলন কৰি সকলো সম্প্ৰদায়কে সমানে উন্নতি কৰিবলৈ বাট দেখুৱাব লাগে। এই কামত গাৱঁত মুখিয়াল আৰু গুৰিয়ালসকলে সদায় গুৰি ধৰি ছাত্ৰসকলক সকলো সজ কামতে সহায় কৰিলে আমাৰ এই অনুষ্ঠানবিলাক জীয়াই থকাৰ সাৰ্থকতা আছে।

সাৰশেষত ছাত্ৰবন্ধুসকলক মই জনাওঁ তেওঁবিলাকে নিজৰ দেশ আৰু সমাজৰ প্ৰতি সদায় মনত ৰাখে যেন। দেশ আৰু সমাজ সেৱাই তেওঁবিলাকৰ প্ৰধান কৰ্ত্তব্য। "Service to humanity is glory to god." ছাত্ৰ অৱস্থাই হৈছে সাধনাৰ সময়। এই সময়তে শৰীৰত শক্তি, মনত বল আৰু অন্তৰত অদম্য উদ্যম লৈ দেশৰ আৰু সমাজৰ সেৱাত আগ বাঢ়িবলৈ এতিয়াৰপৰা এই অনুষ্ঠান বিলাকৰ সহায়তে আগ বাঢ়া। মানৱৰ সেৱাই ঈশ্বৰৰ পূজা। এতিয়া সকলোবিলাক স্কুলেই বন্ধ। এই সময়ত ছাত্ৰসকলে সঙ্ঘবদ্ধ হৈ নিজ নিজ গাৱঁৰ আলি পদূলি, পুখুৰী ইত্যাদি কেনেকৈ পৰিষ্কাৰ কৰি ৰাখিব লাগে তাৰ আদৰ্শ দিব পাৰিলে হয়। গাৱঁত বেমাৰ আজাৰ হলে দৰৱ ঔষধ দি কেনেকৈ শুশ্ৰূষা কৰিব লাগে এনেকুৱা বিলাক মানৱ সেৱা কাৰ্য্যৰ মহান আদৰ্শ সকলোকে দেখুৱাব লাগে।

সামৰণিত মই আপোনাসকলক বিনীতভাৱে অনুৰোধ কৰোঁ আপোনাসকলে মোৰ অৰ্থ নাইকিয়া কপচুটা কথাবিলাকত কিবা অসন্তোষ পালে ক্ষমা কৰে যেন। মই আগতে কৈ আহিছোঁ মোৰ কথাত ৰস নাই। গতিকে এই নীৰস কথাবিলাক আপোনাসকলে ধৈৰ্য্য সহকাৰে অত্তপৰ শুনা বাবে মই আপোনাসকলৰ শলাগ লৈছোঁ। মোক আজিৰ এই সভাৰ সভাপতিৰ বাব দি মৰম দেখুৱাবাবে মোৰ আদৰৰ ছাত্ৰবন্ধুসকলক মোৰ অন্তৰৰ ধন্যবাদ জনাইছোঁ। আৰু তেওঁবিলাকৰ এই অনুষ্ঠানৰ সকলো প্ৰকাৰ উন্নতি কামনা কৰোঁ।

আমি সকলোৱে সমস্বৰে এবাৰ গাওঁঃ—

"মধুময় বলোক বতাহ, মধুময় নদীৰ প্ৰবাহ;
মধুৰ শ্যামল বনৌষধি, মধুহোক উষা দিনে ৰাতি।
মধু পৃথিবীৰ ধূলি কণ, মধু পিতৃ মাতৃ গুৰু জন,
মধুময় দ্যুলোক ভূলোক, মধুময় সকলোটি লোক।
মধুময় বন বনস্পত, মধুময় ৰবিৰ জেউতি,
দিশে দিশে মধুৰ বৰ্ষণ, মধুহোক সকলোৰে মন।"

ঋগ্বেদ, ১ম অষ্টক, ষষ্ঠ অধ্যায়।

স্কাউটৰ দহ বিধি।

শ্ৰীযুত শশীচন্দ্ৰ বৰবৰুৱা বি, এ; (ডিষ্ট্ৰিক্ট স্কাউট কমিশ্যনাৰ, অসম উপত্যকা।)

প্ৰথমতে স্কাউট সদা জানিবা বিশ্বাসী
দ্বিতীয়তে ভক্তি-পৰায়ণ;
লোকক সহায় কৰা সদা মৰি-পৰি
স্কাউটৰ তৃতীয় ধৰম।

স্কাউটৰ চতুৰ্থ নীতি ভাই [illegible]
সকলোকে সদা [illegible]
পঞ্চমে বিনয়ী স্কাউট সদা ভদ্ৰ শিষ্ট
ষষ্ঠে সদা প্ৰাণী [illegible]

সপ্তমে স্কাউটে গুৰু পিতৃ নেতাৰিৰ
নিৰ্ব্বিবাদে কথা মানি চলে ;
অষ্টমত থাকে স্কাউট শত বিপদতো
হাঁহি মুখে অচলে-অটলে।

নৱমত স্কাউটৰ, জীৱ প্ৰতি দয়া
থাকে সদা তাৰি চিৰি ;
দশমত দেহে চিত্তে নিৰ্ম্মল থাকক
স্কাউটৰ এয়ে দিশি বীতি।

খেলৰ কেইটিমান কথা।

ব্যায়াম চৰ্চ্চা মোটামুটি পাঁচ প্ৰকাৰে কৰা যায়।

(১) ড্ৰিল, (২) জিমনাষ্টিক, (৩) ফুটবল, হকি প্ৰভৃতি ডাঙৰ খেল, (৪) কুস্তি, দৌৰ, জাপমৰা প্ৰভৃতি (৫) সাধাৰণ খেল, (Informal games)।

তলত লিখা কথাবিলাক মনত ৰাখি, খেলিবৰ কাৰণে চেষ্টা কৰিব লাগে।

১। নিজৰ গোটেই শক্তি লগাই খেল কৰিব লাগে, আৰু সৰু সৰু নিয়মবিলাকো যত্ন কৰি মানি চলিব লাগে।

২। সকলো খেলাকৰে নিজৰ দায়িত্ব বুজি খেলিব লাগে।

৩। নিজৰ দোষ সদায় সংশোধন কৰিবলৈ চেষ্টা কৰিব লাগে।

৪। ভালকৈ খেলিবলৈ আন্তৰিক চেষ্টা আৰু যত্ন কৰিব লাগে, দৰ্শকৰ প্ৰশংসালৈ কাণ দিব নালাগে। নিজৰ সন্তোষ আৰু আনন্দই মূল মন্ত্ৰ।

৫। অদম্য উৎসাহ লৈ খেলিব লাগে আৰু সদায় মনত ৰাখিব লাগে যে কৰ্ত্তব্য সাধনেই মনুষ্যত্বৰ প্ৰকৃত চিন।

৬। খেলৰ নিয়ম প্ৰণালীবিলাক সদায় পালন কৰাৰ উপৰিও আন দলৰ ওপৰত অন্যায় ভাবে সুবিধা লওঁতাক আন্তৰিক ঘৃণা কৰিব লাগে।

৭। খেলত হাৰিলে নিৰুৎসাহ হব নালাগে, তাৰ কাৰণ ভালকৈ বুজি জিকিবৰ নিমিত্তে চেষ্টা কৰিব লাগে।

৮। নিজৰ স্বাৰ্থক তুচ্ছ কৰি দলৰ স্বাৰ্থলৈ চকু দিব লাগে।

৯। খেলত জয়ী হলে অহঙ্কাৰী হব নালাগে, আচলতে যিবিলাক জয়ী হয়, সেইসকল অহঙ্কাৰত নম্ৰ আৰু বিনয়ী হয়। আজি জিকিলোঁ, কালিলৈ নাহাৰিম এইটো মোকোৱাই ভাল।

১০। দলৰ ভিতৰত কোনোৱে খেলিব নোৱাৰিলে, তাক নিৰুৎসাহ কৰিব নালাগে, আৰু বেছিকৈ উৎসাহ দিব লাগে।

১১। কথাত পাৰ্গত নহৈ কৰ্ম্মত পাৰ্গত হবলৈ চেষ্টা কৰিব লাগে।

১২। আমাৰ অন্তৰত যি শক্তি আৰু সৎগুণ লুকাই আছে, তাক প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিব লাগে, আৰু ক্ৰমাবয়ে সেই চেষ্টাত প্ৰতিপত্তি লাভ কৰি নিজ দেশৰ সুযোগ্য পুত্ৰ হবলৈ চেষ্টা কৰিব লাগে।

শ্ৰীবংশীধৰ ফুকন।

শিৱসাগৰ কেন্দ্ৰ শিক্ষক সভাৰ চমু বিৱৰণ।

১। শিৱসাগৰ লোকেলবোৰ্ডৰ ভূতপূৰ্ব্ব চেয়াৰমেন মাননীয় শ্ৰীযুত ভুবনচন্দ্ৰ গগৈ আৰু একটিং ডেপুটী ইন্‌ছপেক্টৰ শ্ৰীযুত শিৱনাথ গগৈ মহাশয়ৰ যত্নত ইং ১৯৩৩ চনত শিৱসাগৰ মহকুমাৰ শিক্ষক সভাৰ গঠন হয়। ২৮।৬।৩৩ তাৰিখে শিৱসাগৰ কেন্দ্ৰ শিক্ষক সভাৰ প্ৰথম অধিবেশন বহিছিল। যোৱা ২৬।১০।৩৩ তাৰিখৰ শ্ৰীযুত শান্তপাল দাস ডেপুটী ইন্‌ছপেক্টৰ মহাশয়ৰ শিক্ষক সভা সম্বন্ধীয় চাৰ্কুলাৰে সভাৰ স্থায়ী বন্দবস্ত লগাই দিয়ে, আৰু শিৱসাগৰ মহকুমাত ১৩ খন শাখা শিক্ষক সভাৰ গঠন হয়। যথা:— শিৱসাগৰ টাউন, কোঁৱৰপুৰ, নামদাং, নাজিৰ পুখুৰী, ভাথৰা, ডিমৌ, বৰগাওঁ, বৰ পাত্ৰ দল, চাৰিং, আমগুৰি, সোণাৰি, সাপেখাতি আৰু সন্দিকৈ গাওঁ।

২। যোৱা ২৮।৬।৩৩ তাৰিখৰপৰা ২।৯।৩৫ তাৰিখলৈকে প্ৰতিমাহে এবাৰকৈ শিৱসাগৰ কেন্দ্ৰ শিক্ষক সভাৰ ২৭ টা অধিবেশন হৈ গৈছে।

(ক) এই শিক্ষক সভাত আদৰ্শ পাঠ দি ট্ৰেইনিং নোপোৱা শিক্ষকসকলক পাঠ দানৰ প্ৰণালী দেখুওৱা হয় আৰু দোষ গুণ আলোচনা কৰা হয়। নিৰ্দ্দিষ্ট বিষয়ৰ ৰচনা লিখা, বক্তৃতা দিয়া আৰু শিক্ষা প্ৰণালীৰ সম্বন্ধে বাদানুবাদবো (তৰ্ক-বিতৰ্কবো) প্ৰথা আছে। ইয়াৰ উপৰিও মাননীয় ইন্‌ছপেক্টৰ চাহাব মহোদয়ৰ, মাননীয় ডেঃ ইঃ মহাশয়ৰ আৰু বিশিষ্ট লোকসকলৰ শিক্ষা সম্বন্ধীয় টোকাবিলাক সভাত পাঠ কৰা হয়।

সকলো বিষয়বে সমালোচনা কৰি আৱশ্যকীয় কথা শিক্ষকসকলক বুজি লিবলৈ দিয়া হয় আৰু শিক্ষা দান কাৰ্য্যত প্ৰয়োগ কৰিবলৈ অনুৰোধ কৰা হয়।

(খ) শিক্ষকসকলৰ মাহেকীয়া বৰঙণি আৰু ভৰ্ত্তিৰ মাচুলৰ পইচাৰে সভাৰ যাবতীয় কাৰ্য্য চলোৱা হয়। জমা থকা পইচাৰপৰা অসম শিক্ষক সম্মিলনৰ বছেৰেকীয়া বৰঙণি, সম্মিলনৰ বছেৰেকীয়া অধিবেশনলৈ প্ৰতিনিধি পঠোৱাৰ খৰচ আৰু মাজে সময়ে হোৱা খেল-ধেমালিৰ প্ৰতিযোগিতাত ছাত্ৰ-সকলক পুৰস্কাৰ দিয়া হয়। ইয়াৰ উপৰিও উক্ত পুঁজিৰ ধনেৰে "প্ৰভাত" আলোচনী কাকত লোৱা হৈছে।

(গ) শিৱসাগৰ কেন্দ্ৰত ৪২ খন স্কুল আৰু ৭৯ জন শিক্ষক আছে। প্ৰতি সভাতে শিক্ষকসকলৰ দৰমহাৰ বিল সংগ্ৰহ কৰা হয় আৰু সম্পাদকৰ যোগে ডেঃ ইঃ মহাশয়ৰ অফিচলৈ পঠোৱা হয়। সভা গঠন হবৰেপৰা শিক্ষকসকলৰ দৰমহা পোৱাত আগতকৈ বহুত সুবিধা হৈছে।

(ঘ) উপস্থিত সভ্যসকলৰ মাজৰপৰা প্ৰতি দিনৰ সভাৰ কাৰণে এজন সভাপতি নিৰ্ব্বাচন কৰা হয়, আৰু এই দৰে প্ৰতি দিনৰ সভাৰ কাৰ্য্য চলোৱা হয়।

(ঙ) ১।৯।৩৫ তাৰিখৰপৰা এই শিক্ষক সভাৰ যোগে "পঢ়াশালি" নামে এখন মাহেকীয়া হাতে লিখা আলোচনী কাকত উলিয়া হৈছে। এই কাকতৰ সম্পাদক শ্ৰীযুত কমেশ্বৰ গগৈ। (হেড্‌পণ্ডিত হাঁহচৰা এম, ভি, স্কুল)।

৩। বিশেষ কাম :—

(ক) ১৯৩৭ [illegible]

ইন্‌পেক্টৰ চাহাব শ্ৰীযুত কেশৱচন্দ্ৰ দাস বি, এ, বি, টি; মহোদয়ৰ সভাপতিত্বত শিৱসাগৰ কেন্দ্ৰ শিক্ষক সভাৰ এটি বিশেষ অধিবেশন বহে। কোৰঁৱপুৰ, চাৰিং আৰু ৰৰপাত্ৰদ'ল কেন্দ্ৰ শিক্ষক সভায়ো ইয়াত যোগদান কৰিছিল। সাধাৰণ ভাবে ছাত্ৰসকলৰ হাতৰ কাম, আৰু লিখা বহীৰ প্ৰদৰ্শনীও হৈছিল। খেলাৰ প্ৰতিযোগিতাত উচ্চ স্থান লাভ কৰা ছাত্ৰসকলক যথাৰতে পুৰস্কাৰো দিয়া হৈছিল।

(খ) ২০।১।৩৫ তাৰিখে শিৱসাগৰত হোৱা মজলীয়া স্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাৰ্থী সকলৰ কাৰণে পতা জিমখানাত এই সভাই যোগ দান কৰিছিল।

(গ) ১৯৩৫ চনৰ ২৩ আৰু ২৪ মাৰ্চ্চ তাৰিখে হোৱা শিৱসাগৰ শিক্ষা প্ৰদৰ্শনী আৰু ৫।৬ সেই তাৰিখৰ ৰূপালী জুবিলী উৎসৱত এই সভাই সাধ্যানুসৰি সহায় কৰিছিল।

(ঘ) অসমৰ বিশেষ লোকসকলৰ অকাল মৃত্যুত সভাই শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জনায়। যথা:— ৩।৩।৩৪ তাৰিখে ৺পণ্ডিত শিৱনাথ ভট্টাচাৰ্য্য, শিক্ষক জয়ৰাম দাস; ৫.৬।৩৪ তাৰিখে ৺লক্ষ্মীধৰ শৰ্ম্মা এম, এ, বি এল; ৩।৮।৩৪ তাৰিখে যোৰহাট নৰ্ম্মাল স্কুলৰ শিক্ষক ৺কামিনী কান্ত শৰ্ম্মা বি, টি, ৩।৯।৩৪ তাৰিখে ৺খান চাহাব মহম্মদ আলি; ৪।২।৩৫ তাৰিখে আৰবি ভাষাবিদ পণ্ডিত ৺আব্দুস্‌ছালাম এম, এ, চাহেব আৰু "ঘৰ-জেউতিৰ" সম্পাদিকা ৺কণকলতা চলিহাৰ অকাল মৃত্যুত সভাই গভীৰ শোক প্ৰকাশ কৰি স্বৰ্গীয় আত্মাৰ সদগতিৰ কাৰণে ২।১ মিনিট সময় সকলোৱে থিয় হৈ ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছিল।

৪। দেশ হিতকৰ কাম:—

১৯৩৪ চনৰ জাইচৰয়ৰ বিহাৰ ভূমিকম্প বিলিফ্ ফণ্ডলৈ এই সভাই ৩১৷৵০ মঃ একত্ৰিশ টকা তেৰ অনা আৰু সেই চনৰে নগাওঁ বান পানী সাহায্য ফণ্ডলৈ ৮৩৴৯ মঃ তিৰাশী টকা এক অনা ন পাই দান কৰে।

৫। এই সভাৰ গঠন হৱৰপৰা ক্ৰমে শিক্ষকসকলৰ শিক্ষা সম্বন্ধে যথেষ্ট উন্নতি হোৱা দেখা গৈছে। পৰস্পৰৰ ভিতৰত সদভাব আৰু সহযোগিতাৰ বান্ধ সুদৃঢ় হৈছে। এইদৰে নিয়মিতৰূপে সভাৰ কাৰ্য্য চলি থাকিলে ভবিষ্যতলৈ নিশ্চয় ইয়াৰ সুফল ফলিয়াব বুলি আশা কৰা যায়।

শ্ৰীগম্ভীৰ চন্দ্ৰ বৰদলৈ।
সহকাৰী সম্পাদক শিৱসাগৰ কেন্দ্ৰ শিক্ষক সভা।

কবি গুৰু মাধৱ।

যেতিয়া অসমৰ ঘৰে ঘৰে মন্দিৰে মন্দিৰে বিপুল সম্ভাৰেৰে শক্তি পূজাৰ আয়োজন চলিছিল, যেতিয়া অসমত বিলাকত নানা ধৰ্ম্মৰ সলনি জাতীয় বাদ বিবাদে ঠাই লৈছিল তেতিয়া এই অসমতে কবি গুৰু শঙ্কৰে জন্ম ধৰি শক্তি ধৰ্ম্মৰ সলনি জন সাধাৰণক নাম ধৰ্ম্মৰ সুগম পথ দেখুৱাই দিছিল। শঙ্কৰৰ জন্মৰ পাচতো অসমত বহুত শক্তিৰ সেৱক আছিল

আৰু তাৰ ফলত আমাৰ শঙ্কৰ গুৰু কিছু পৰিমাণে নির্য্যাতিত হৈছিল। তাৰ পাচত—

"যথা তৰোর্মূল নিষেচনেন।
তৃপ্যন্তি তৎস্কন্ধ ভুজোপশাখাঃ॥
প্রাণোপহাৰাচ্চ যথেন্দ্রিয়ানাং।
তথাচ সর্ব্বার্চ্চনমচ্যুতেজ্যা॥"

মন্ত্রত দীক্ষিত হৈ যি জন শক্তিৰ প্ৰধান সেৱক মহাপুৰুষে—

"মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি॥"

সুৰেৰে অসমৰ ইমুৰৰপৰা সিমুৰলৈ গুৰু গম্ভীৰে হেজাৰী যোৱাৰ লেছাৰী শুনাই মানৱ আনকি বনৰ চৰাই পহুৰ মনতো করুণাৰ সঞ্চাৰ কৰিছিল সেই মহাপুৰুষ মাধৱ দেৱৰ চৰণত মূৰ দোৱাওঁ। আজিৰ প্ৰবন্ধত মাধৱৰ জীৱনী আলোচনা কৰা উদ্দেশ্য নহয়—মাথোন মাধৱৰ অমূল্য গ্ৰন্থ ৰাজিৰ পৰা দুই এটা ধৰ্ম মত আৰু ভক্তিৰ কথাহে আলোচনা কৰা হব।

মাধৱদেৱ কবিতা কুঞ্জৰ এজন সুদক্ষ মালী আছিল। তেওঁ ৰোৱা ফুলগছবোৰৰ লানি অবিচ্ছিন্ন। এবাৰ চালে মূৰ তুলিব নোৱাৰি।

"দিবস নাথায় সুখে নাথায় ৰজনী
চান্দ চন্দন দুখ পৱন বৈৰিণী॥" বৰগীত—

এইদৰে মাধৱৰ কবিতা কুঞ্জৰফালে চকু দিলে তোক পিয়াহ পাহৰি মানৱ মন উতলা হয়। যাৰ মন ফাগুনীৰ আঁচলৰ সংস্পর্শত উতলি উঠে, যাৰ অন্তৰে কিবা এক অনিশ্চিত আশাত মগ্ন হৈ মৰু ভূমিৰ উত্তপ্ত বালুকা ৰাশিৰ মাজতো নীলোৎপল বিচাৰে তেওঁ এবাৰ মাথোন মাধৱৰ কবিতা কুঞ্জত প্ৰবেশ কৰক। দেখা পাব অলেখ বং বেৰেঙৰ সুগন্ধি ফুলেৰে ৰাশিছা সুৰভিত।

প্ৰবীণ শক্তিৰ সেৱক কবি গুৰু মাধৱৰ মুখৰ পৰা যেতিয়া ওলাল গীতাৰ সেই মৰ্ম বাণী—

"মন্মনা ভব মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু।
মামে বৈষ্যসি সত্যং তে প্রতিজানে প্রয়োহসিমে॥"

তাকে সাৰ কৰি লৈ যেতিয়া মাধৱে নিষ্কাম বীণাত পঞ্চমত সুৰ তুলি গালে—

"মোত মাত্র সদা দিয়া মন মোৰ ভক্ত তোৱা সৰ্ব্বক্ষণ
মোকে পূজা মাত্র মোকে কৰা নমস্কাৰ।
কহিলোঁ তোমাক সত্যবাণী পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ॥"

তেতিয়া বুজিব লাগিব প্ৰখৰ জ্যোতি বিমণ্ডিত শঙ্কৰ সূৰ্য্যৰ তাপত উত্তাপিত হৈ কেন্দ্ৰাপসাৰিনী শক্তিৰে যেতিয়া মাধৱ ঘূৰিছিল তেতিয়া নিশ্চয় অসমৰ ভাগ্য গগনত নৱগ্ৰহৰ সংযোগ ঘটিছিল।

মাধৱদেৱৰ ভাষাত প্ৰাণৰ স্পন্দন, সমুদ্ৰৰ উত্তাল তৰঙ্গ মালাৰ হেন্দোলনি, শাৰদীয় জোনৰ শীতল স্পৰ্শন আৰু কুমুদিনীৰ কমনীয়তা সকলো পোৱা যায়। যদি আমি চাওঁ—

"হৰি ভক্তি সৰোবৰে সন্তোষ অমৃত জলে
কৃষ্ণ পাদ পদ্ম প্ৰকাশয়;
ৰাম নাম ৰাজহংস ছানিয়া আবাৰ কৰে
শুনি অতি কৌতুক মিলয়॥"

এইখিনিতে আমি কেৱল মাধৱ দেৱৰ চৰিত্ৰৰ ওপৰত কিছুমান কঢ় শব্দৰ বোজা বান্ধি দিছোঁ। তেওঁনো কোন ভাগ্যবানৰ বংশত ক'ত জন্ম ধৰি-ছিল তাকো অলপ জনা উচিত—; অলপ সুৰ লগাই কব পাৰি—

মহোদৰ!

কিনো প্ৰেৰণাত তুচ্ছ কৰি জাতীয় সন্মান
অমিয়াৰ সন্ধান হেতু আহিলা ইঠাই;
কিনো সি সোণৰ জৰী টানিলে অলেখে
অকৃত্তি জীয়াৰী মোৰ [illegible]।

মনোৰমা,

আদৰ্শ স্থানীয়া তুমি আই জননীৰ।
লাভ কৰি মহাৰত্ন মাধৱ মূৰতি॥
ধন্যা হ'লা নিজে আজি সৱ সমাজত।
ধন্যা ৰত্ন প্ৰসৱিনী তোমাৰ শকতি॥
মহোদৰ,
মনোৰমাক বুকুত সাৱটি ল'ই
এয়েনে একেটি ফল স্বৰ্গীয় প্ৰেমৰ—
সাৰ্থক লভিলা আজি সৰ সমাজত;
জেউতি চৰাই ৰ'ব বুৰঞ্জী পাতৰ।

মাধৱৰ কাব্য কাননত ভোমোৰাৰ (আধিপত্য চাওক) গুঞ্জৰণ শুনক।

"ৰজনী বিদুৰ দিশ ধৱলি বৰণ।
তিমিৰ ফেৰিয়া বাজ ৰবিৰ কিৰণ॥
শত পত্ৰ বিকশিত ভ্ৰমৰ উবাৰে।
ব্ৰজ বধু দধি মথে তুৱা গুণ গাৱে॥"

মাধৱদেৱৰ অমূল্য ৰত্নৰ এঠাইত আমি পাওঁ ব্ৰহ্মাণ্ড বৰ্ণনা। আনে যিয়েই নোবোলক, আমি ডাঠি কব পাৰোঁ যে ই মাধৱৰ পূৰ্ণ মৌলিকতা প্ৰাপ্ত নহলেও ইয়াত সত্যৰ অংশো অপলাপ ঘটা নাই। ইয়াত বিজ্ঞান অসম্মত কথা কিবা আছে বুলি আমি নাজানোঁ। বৰ্ত্তমান আমি পুৰণি কথা ঘোৰ বিশ্বাস কৰিব নোৱাৰোঁ। আমাৰ শক্তি হ্ৰাসৰ বাবে। যদি অনুসন্ধান কৰি চাব পৰা যায় তেন্তে অসমায়াৰ নাই বুলিবলৈ আজি একো নাই। সপ্ত-দ্বীপ আৰু সপ্ত সাগৰ বৰ্ণনাৰ পাচত আমি পাওঁ—

"জল সাগৰৰ মাজে সিপাৰত আটী।
দুই গুণ কাঞ্চন ভূমি আছে চতুৰ্ভিতি॥"

*   *   *   *

আকৌ—

"জলৰ চৌপাশে বেঢ়ি আছয় ব্ৰহ্মাণ্ড।
ৰহলে পঞ্চাশ কোটি প্ৰস্থ মহীখণ্ড॥
তাৰ মাজে আছে ৰত্নময় গৃহ এক।
লাগিয়াছে স্ফটিকৰ স্তম্ভ হাজাৰেক॥
গৃহৰ ভিতৰে আছে অনন্ত শয্যাত।
একৰূপে ঈশ্বৰ পুৰুষ আছে তাত॥"

ব্ৰহ্মাই এক মাথোঁ সত্য মূৰ্ত্তি তেওঁত বাজে জগতত দ্বিতীয় স্ৰষ্টা নাই; যদি কোনোৱে কয় বোলে আছে তেন্তে কব লাগিব ব্ৰহ্মাণ্ডৰ সকলো বস্তু নিজ সত্তাৰ সত্তাবান। আৰু সেই সত্তাই হৈছে "একমেবাদ্বিতীয়ম্।" এই একে কথাকে যদি আমি মাধৱৰ মতৰ লগত মিলাই চাওঁ তেন্তে দেখা পাম—

"হৰিৰ গৃহৰ দ্বাৰে বেত্ৰৰ প্ৰহাৰ যোগ্য
ব্ৰহ্মা ইন্দ্ৰ আদি দেব ঝাক॥১০৪॥ ঘোষা

পুৰণি কালত ইউৰোপত এটা প্ৰথা আছিল যে ধাৰ্মিক হব খুজিলে সকলোৱে পোপৰ বাসস্থান ইটালীলৈ তীৰ্থ কৰিবলৈ গৈছিল। সেই বুলি ইউৰোপৰ সকলো মানুহ ধাৰ্মিক হোৱা নাছিল। কাৰণ যাৰ মনত ধৰ্ম্মৰ বীজ নাই সি ধাৰ্মিক নহৈ সিদিনহে হব। আমাৰ মহাপুৰুষীয়া কবি মাধৱেও এই বিষয়ে একে মতকেই দিয়ে।

এওঁৰ ধৰ্ম্মমতে বেদ বিহীত কৰ্ম্মবিলাকতকৈ হৰি নাম ডাঙৰ আৰু ই প্ৰকৃত মূল। মাধৱে শঙ্কৰৰ শিষ্যত্ব গ্ৰহণ কৰাৰ পাচতে তাক মানি লৈছিল। আৰু এই বিষয়ে আমি নাম ঘোষাত পাওঁ

"বেদৰ বিহিত যত ধৰ্ম্ম আছে সংসাৰত
সবে হৰিৰ নামৰ কিঙ্কৰ"॥১০৩॥

বৰ্ত্তমান আমাৰ উঠি অহা তৰুণসকলে কব পাৰে যে নাম কি? আমিও উত্তৰত খাতাংকৈ কৈ দব পাৰোঁ— নাম একো নহয়; ই বলিয়াৰ বলিয়ালি, কানীয়াৰ কানি খোৱা দেহা। তাৰ অজলি সকলোৱে সংকীৰ্ত্তনৰ ধুৰ উৰাই দিয়ক আৰু প্ৰাণৰ সংকীৰ্ত্তন পাতক। কিন্তু অলপ দৰেক ভাবিব পাৰিলে

বুজিব পাৰি যে, ভোৰ তাল কোবাই নাম ধৰাই নাম নহয়। ধুম ধুপালিৰ মাজেদি নাম ধৰ্ম্মৰ অমিয়া পিব নোৱাৰি। মোৰ মনত নাম ভাল নেলাগিব পাৰে; কিন্তু একোজন এনে নামৰ পিপাসু আছে যে জীৱনৰ সকলো দৈন্য কাটি কৰি থৈ এক মাথোন নামতে জীৱন উটুৱাই দিছে। অৱশ্যে ফলাফল আমি নাজানোঁ। কিন্তু ইয়াকে কব পাৰোঁ যে জীৱনত তেওঁবো এটা মহৎ সুখ আছে।

অন্তৰত যেতিয়া কৰুণাৰ বিননি উঠে তেতিয়া এখনি চেনেহী হিয়াৰ এষাৰি সহানুভূতি সূচক মাতে হৃদয় তন্ত্ৰীত কিমান আঘাত দিয়ে অলপ ভাবিলেই কব পাৰি। সেইদৰে যদি একান্ত মনোনিবেশত দয়াময় সদানন্দৰ এষাৰি নাম আমি শুনিবলৈ পাওঁ তেন্তে হৃদয় তন্ত্ৰীত সি কোনো ৰকম আঘাত নকৰিবনে?

পছিমীয়া বৈষ্ণৱ গুৰুসকলৰ ধৰ্ম্ম-পথ কেৱল এটা। তাৰ অলপ ইফাল সিফাল হলেই মহা লেঠাত পৰিব লাগে। কিন্তু আমাৰ মাধৱৰ নিয়োজিত ধৰ্ম্মত— শ্ৰৱন, কীৰ্ত্তন, স্মৰণ, অৰ্চ্চন, পদ সেৱন, দাস্য সখিত্ব আৰু বন্দন এই সাতবিধ ভক্তিৰ পথ পোৱা যায়। কিন্তু মূলত যে এটা সি নিশ্চয়; মাথোন প্ৰবেশৰ পথহে বেলেগ বেলেগ।

মাধৱৰ ৰচিত বহুত গ্ৰন্থ আছে; তাৰ ভিতৰত নাম ঘোষা সৰ্ব্বোৎকৃষ্ট। অসমীয়া বৈষ্ণৱ সাহিত্যত যদি আৰু অইন পুথি নাথাকিল হেঁতেন তথাপি অসমীয়াই ইয়াকে লৈ বিজয় গৌৰৱত হৃদয় ফুলাই থিয় দিব পাৰিলেহেঁতেন। দৰ্শন, বিজ্ঞান, সাহিত্য, জ্যোতিষ, সকলো ফালৰপৰা ই এখন মূল্যবান গ্ৰন্থ হব। মাথোন আমাৰ "ধী" শক্তিৰ অপকৰ্ষতা হেতু আমি বুজিব ভুল কৰোঁ। দশাৱতাৰ বৰ্ণনাত পাওঁ—

"মৎস্য, কূৰ্ম্ম, নৰসিংহ, বামন, পৰশুৰাম
হলিৰাম, বৰাহ, শ্ৰীৰাম;
বুদ্ধ, কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোহো প্ৰণাম" ॥

আমি ইয়াৰ ব্যাখ্যা দিব খোজা নাই মাথোন বিজ্ঞান সম্মত কথা ইয়াত কিবা আছেনে নাই চিন্তাশীলসকলে ভাবি চালেই হব। ইচ্ছা কৰিলে পাশ্চাত্য ব্যক্তিৰ মতৰ লগত মিলাই চাব পাৰে।

"প্ৰেমে প্ৰেম বিচাৰে"; সেইবাবে প্ৰকৃত ভক্তসকলে মুক্তিক বাঞ্চা নকৰে তেওঁলোকক লাগে কেৱল জগদীশ্বৰ সদানন্দৰ এফেৰি কৰুণা আৰু তাকে পালেই তেওঁলোকৰ অপাৰ আনন্দ। সেই দেখি মাধৱদেৱে ঘোষাৰ প্ৰথম শ্লোকতে ৰসময়ী ভক্তিৰ কথা কৈছে। ইয়াৰপৰা বুজিব পৰা যায় যে মাধৱৰ ঈশ্বৰ প্ৰেম কিমান মধুৰ কিমান সুন্দৰ। আৰু ইয়াকে লক্ষ্য কৰি কবিয়ে ঘোষাত গাইছে। "মুকুতি সুখকো বঞ্চ কৰি, হৰি নাম আনন্দত নাচে"।

প্ৰকৃত প্ৰেমত এটা লক্ষ্য থাকিবই সি ঈশ্বৰ ভক্তিয়ে হওক নালাগে অইন কিবাই হওক। এই লক্ষ্যকে ভাল পোৱাৰ চৰম নিদৰ্শন বুলি ভাবিব নালাগে। যদি ভবা হয় তেন্তে এটা সাংঘাতিক ভুল কৰা হব। কিয়নো ভাল পোৱাৰ চৰম উন্নতি বিচাৰি পোৱা বৰ টান। মৌ মাখিটোৱে ফুলৰ মৌ বিচাৰি ফুৰোঁতে কিমান ফুলক চুমা খায় তাৰ কি ইয়ত্তা আছে? সেই বুলি এদিন গুলঞ্চত পৰি পিচদিনা আকৌ সেই গুলঞ্চকে আশা কৰিবনে? নাইবা ওচৰত থকা পদুম পাহিলৈও চপলিয়াব। ইয়াৰ ভিতৰত আমি কব পাৰোঁ যে, কামনা বা ইচ্ছাৰ অন্ত নাই; তাক যিমানেই প্ৰশ্ৰয় দিয়া হয় সি তিমানে উচাও হয়। আৰু নতুনৰ আগ্ৰহক দেখিলে সকলোৱে পুৰণিলৈ পিঠি [illegible]; এয়ে জগতৰ চিৰন্তন ৰীতি। এই [illegible] জগত পৰিচালিত। লাগে বিজ্ঞানৰ [illegible]

উপস্থিত হওক তথাপি বৈজ্ঞানিকৰ অন্তৰত এটা হিয়া ভৰা আকাঙ্ক্ষাৰ ক্ষীণ কণ্ঠস্বৰ বাজি থাকিব। আনকি জীৱন বৰ্ত্তি নিৰ্বাপিত হোৱা কালতো ই চিৰদিন চামাক কৈ জ্বলি থাকিব। এয়ে সকাম আৰু নিষ্কাম।

বিসকলে মাধৱৰ বিষয়ে কয় যে, "মাধৱৰ কামনা আছিল;" কিয়নো ভক্তিয়েতো মানুহৰ এবিধ কাম্য বস্তু হব পাৰে। ইয়াৰ উত্তৰত আমি কব পাৰোঁ যে, জীৱনৰ উদ্দেশ্য ভক্তি হব পাৰে কিন্তু ইয়াত স্বাৰ্থৰ টান মুঠেই নাই আনকি আমি গুৰুৰ নিজৰ মুখৰপৰাই পাওঁ—

"অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিব তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন;
এতাৱন্ত মূৰ্ত্তিশূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন ॥৫॥

ভক্তিৰ যোগত মাধৱৰ নৈপুণ্য চালে আমি দেখা পাওঁ যে, শ্ৰীকৃষ্ণ যি সকলো সত্তাৰে সত্তাবান তেওঁ হৈছে এক অপাৰ সমুদ্ৰ। আমি দুদিনীয়া বেশেৰে হয়াত যি বৈষম্যৰ সৃষ্টি কৰোঁছক (অৱশ্যে বৰ্ত্তমান চলিত বিষয়েকে কোৱা হৈছে) তাৰ মূল যদি বিচাৰি চাওঁ তেন্তে দেখা পাম এটা ভিত্তিহীন পানীৰ লাক; যাৰ অস্তিত্ব শূন্য, ধ্বংস অনিবাৰ্য্য আৰু উৎপত্তি মহাশক্তি।

আজিৰ তথা ভাৰতত জাতীয় বৈষম্যৰ যি অভেদ্য হাহাকাৰ হেন্দোলনি উঠিছে তাৰ মূল কি? এই বিষয়ে আজিৰ প্ৰবন্ধত লিখাৰ ঠাই নাই আৰু লিখকৰো উদ্দেশ্য সেইটো নহয়। তথাপি সংক্ষেপে এই খিনিকে কব পাৰি যে ইয়োৰৰ উচ্ছেদ সাধন ইতি পূৰ্ব্বে হৈ গৈছে বিশেষকৈ এই বসুগৰ্ভা আই অসমৰ বুকুতে। তেতিয়াৰ দিনত দেশত বৰ্ত্তমান হাহাকাৰ হোৱা নাছিল, জোৰ জুলুমৰ যন্ত্ৰৰ খোঁজ কৰেঁা খুব কম আছিল। এহলে মহাপুৰুষসকলৰ স্মৃতি আজিও ইমান উদ্ভাসিত হৈ জুলিছেহেঁতেন। তেতিয়াৰ মহাপুৰুষসকলৰ আদৰ্শ আছিল দাস্য আৰু সখিত্ব। ইয়াতে কোনোবাই কব পাৰে যে, আনৰ উপকাৰ কৰোঁতে দাস্যৰ আশ্ৰয় লোৱাটো জীৱৰ কাম আৰু পৌৰুষৰ অযোগ্য। আমি যদিও তৰুণৰ প্ৰেৰণাত তাকে কবলৈ বাধ্য হম, তথাপি বুকু ফিন্দাই ইয়াকো কব পাৰোঁ যে, যি উপায়েৰে মানুহে মানৱ হৃদয় আনকি বনৰ চৰাই পশুৰ হৃদয়তো আসন পাব পাৰে তেনে যুক্তিহে মূল্যবান আৰু কাৰ্য্যকৰী। সেই একে কথাকে মাধৱে ঘোষাত গাইছে:—

"নোহো জানো আমি চাৰি জাতি
চাৰিও আশ্ৰমী নোহো আতি;
নোহো ধৰ্ম্মশীল দান ব্ৰত তীৰ্থ গামী।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপী কৰ্ত্তা পদকমলৰ
দাসৰ দাসৰ তানে দাস ভৈলো আমি ॥"

যদি আমি মাধৱৰ গুৰু ভক্তিৰ পিনে চাওঁ— তেন্তে দেখা পাম অতল বিশ্বাস, প্ৰগাঢ় ভক্তি। সেই বাবেই বোধহয় মাধৱে ৰসময়ী ভক্তিৰ প্ৰাৰ্থী আছিল। আৰু ঘোষাত গাইছে:—

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেমে অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি ॥"৩৭১ ॥

তেওঁৰ গুৰুভক্তি ইমান প্ৰবল আছিল যে ভাবিব নোৱাৰি; যি ঠাইত মাধৱৰ জৌলিকত্বৰ পূৰা অধিকাৰ তাতো তেওঁ গাইছে:—

গুৰু বাক্য শুনি মাধৱে গুণয়
সঙ্কোচ কৰিয়া কায়।
কহিলা হৰিষে অমৃত বৰিষে
গুৰু পদ দুই চায়॥

অমূল্যবস্ত।

শঙ্কৰৰ বৈকুণ্ঠ গমনৰ পাচত তেওঁৰ পুতেক মৰে। তেনে স্থলত মাধৱেই শঙ্কৰৰ পৰিয়ালৰ তদাৰক লব লগাত পৰে। এই কথাত শঙ্কৰৰ ভায়েকে মাধৱক অবিশ্বাস কৰাত মাধৱ বেহাৰলৈ যাবলৈ ওলাইছিল। তাতে শঙ্কৰৰ ভাৰ্য্যাই তেওঁক অনুনয় কৰি কৈছিল, "তুমি গলে মোৰ পৰিয়ালৰ ভৰণ-পোষণৰ ভাৰ কোনে লব"? গতিকে তুমি তিমান দূৰলৈ নগৈ সুন্দৰী দিয়াতে থাকা। ধৰ্ম্মনীৰ মাধৱে গুৰু পত্নীৰ অনুৰোধ উপেক্ষা কৰে কেনেকৈ? ইও মাধৱৰ গুৰু ভক্তিৰ এটি পটন্তৰ।

কিছুমানে কব পাৰে যে মাধৱে কিয় বিয়া নকৰালে? বিবাহ বন্ধনটো বৈষ্ণৱ ধৰ্ম্মৰ কোনো নীতিবহিৰ্গত কাৰ্য্য নহয়। আনকি তেওঁৰ গুৰু শঙ্কৰেওতো বিয়া কৰাইছিল। ইয়াৰ উত্তৰত আমি কব পাৰো যে তেওঁৰ ইচ্ছা নাই বিয়া নকৰালে। গতিকে থাতাং। এই বিষয়ে শঙ্কৰ-মাধৱৰ কথোপকথনৰপৰা অলপ বেলেগ কথা বুজিব পাৰোঁ। শঙ্কৰে যেতিয়া মাধৱত কৈছিল, "ৰৰাৰপো যুদ্ধ জিকিবলৈ হলেও নিজ ঠাইৰ চাৰিওফালৰ পৰা গড় মাৰি লব লাগে; গতিকে তুমি বিয়া কৰোৱা"। তাৰ উত্তৰত মাধৱে কলে "গড় মাৰি লৈ যুদ্ধ কৰি যি জিকে তেওঁ ৰথী, কিন্তু গড় নমৰাকৈ যুদ্ধ কৰি যি জিকে তেওঁ মহাৰথী"। এই কথোপকথনৰপৰা বুজা যায় যে মাধৱৰ উদ্দেশ্য ক'ত। তেওঁৰ উদ্দেশ্য গৌৰীশৃঙ্গত নহয়নে? বোধহয় সেই হিচাবে মাধৱে কিছু পৰিয়ালেও— তাৰ প্ৰমাণ "নামঘোষা"।

এতিয়া বিশেষ একো নাই। মাধৱদেৱ ছুদিনলৈ অসমৰ ভাগ্য আকাশত উদিত হৈছিল; যাব গ'ল। তাত একো কথা নাই। কিন্তু সেই ৫০০ বছৰৰ আগৰ মাধৱৰ মধুৰ বংশীধ্বনীয়ে আজিও প্ৰত্যেক অসমীয়াৰ প্ৰাণত নতুন চেতনা, নতুন প্ৰাণৰ সঞ্চাৰ কৰি আছে। আজিও অসমৰ নামঘৰে, নাম ঘৰে, সত্ৰই, সত্ৰই, ভাওনা-সবাহে দেখা যায়— জীৱন্ত মূৰ্ত্তি বিচাৰিলে পোৱা যায় তাত মাধৱৰ এখনি মহৎ অন্তঃকৰণ, য'ত স্বাৰ্থ মমতা আৰু ভীকতাৰ লেশ মাত্ৰও ছাঁ পৰা নাই।

সৰশেষত আমি ইয়াকে কব খোজোঁ। যে আজি মহাপুৰুষৰ এই তিথি মহোৎসৱত তেওঁৰ জীৱনৰ বহুমূলীয়া কথা নকৈ মস্তিষ্ক প্ৰসূত কিছুমান বাবে ফচছু কথাহে লিখা হৈছে। ইয়াতকৈ বেচিকৈ লিখিবলৈ বৰ্ত্তমান লিখক অপাৰগ; কাৰণ বিদ্যা বুদ্ধিৰ ফালে তথৈবচ। বিদায় মাগাৰ আগতে—

গুৰুদেৱ,

ছুদিনলৈ অসমৰ ভাগ্য গগণত
নন্দনৰ পাৰিজাত হই;—
বিলালাহি দীন ভাৱে সদিনা সুঘ্ৰাণ
বোৱালা প্ৰাণত অমৃতৰ নই।
অসমৰ আকাশ বতাহ সুগন্ধতে হল অৱকাশ
দশোদিশে মলয়াই নিলে উৰুৱাই;
"পীয়ূ পীয়ু তাই অমিয়া মাধুৰী হৃদিয়ে সায়
লুইতে লুই যায় ঢৌতে উঠাই।*

শ্ৰীতপোধৰ দেৱ শৰ্ম্মা।

*যোৰহাট নৰ্ম্মাল স্কুলৰ মহাপুৰুষ মাধৱদেৱৰ তিথি উপলক্ষে পতা ১৮।৮।৩৫ তাৰিখৰ ধৰ্ম্মালোচনী সভাত পঠিত। —লিখক—

স্বৰ্গীয় সোণাই মোৰ।

(১)

কিয় বাৰু কেৰা সোণ
আধাফুটা হাঁহিটি মাৰিলি ?
জীৱনৰ প্ৰথম পুৱাত
কিয় তই লাজতে লুকালি ॥
পালিনেকি ঘোৰ পৰিতাপ
পাই পাপ পৰশ ধৰাত
আমনি কি হ'ল অসহন
সুবিমল শুভৰ হিয়াত ?
হাঁহি মাৰি দুহাত মেলিলা
নিমিষতে মুদিলি নয়ন
কাণে কাণে কথা কৈ কৈ
বাৰতাটি দিলি অবুজন।
তোৰ সেই চেনেহী প্ৰতিমা
অজান পুৰীলৈ উৰি গ'ল
চিক্ মিক্ বিজুলী ছাঁয়াটি
[মোৰ] হিয়াৰ পটত আঁকা বল।

(২)

হিংসা দ্বেষে দহে মানৱক
মায়ামোহে সংসাৰ মৰুত
আঁতৰিলি সিকাৰণে তই
পালি সুখ কামনা পুৰত।
[তাত] ধীৰে বয় শান্তিৰ মলয়া।
চিৰ বসন্তৰ শোভা ভৰা
নন্দনত, বিহৰিছ তই
আনন্দত আপোন পাহৰা ॥
পবিত্ৰ সলিলা মন্দাকিনী
বৈ যায় অনন্ত সোঁতত
তই এত নাহুৰ সাতোঁৰ
[কিন্তু] কান্দোঁ মই পপীয়া দেশত ॥

(৩)

সপোনত সিদিনা যে সোণ
কৰুণ সুৰত কৈছিলি
"সোনকালে আহিবি সোণাই"
কিয় তই কাক মাতিছিলি ?
"মৰতৰ মায়াৰ মোহন
মধুময় বাঁহীটি বাজিছে
কুমলীয়া মানৱী প্ৰাণত
বিষাদৰ কালিমা বাজিছে ॥
সি কাৰণে আহিলোঁ ঘুমাই
ছুদিনীয়া নশ্বৰ প্ৰদীপ।
আজি মোৰ হিয়া শীতলাম
বৈ যায় বা—ৰিব্ ৰিব্ ॥
বৰ্ত্তমান চিৰ জোছ্‌নাৰ
সুৰভাবে ভৰা ইন্দু আভা
ফুলাম পাহীৰে মাধৱীয়ে
ধৰে চিৰ বসন্তৰ শোভা ॥
পখিলীৰ ফুলাম পাখীত
চিক্ মিক্ বেণু বাশি স'তে
আলফুল কুসুম পৰশি
সৌন্দৰ্য্যই নাচে আলাসত্তে"

(৪)

থাক তই কামনা পুৰত
সোণৰ হৰিণী স'তে খেলি।
গাব গান বিহঙ্গী সুৰত
মনোহৰ পাখী মেলিমেলি ॥

'অন্তৰৰ 'নিভৃত' দুৱাৰ—
সৰগীয় হাঁহি লৈ পাই

চিন্দিন্দু মধুৰ ভাৱেৰে
"উজলিছে হাঁহি স্নেহাৰ"।
''——চন্দ্ৰপ্ৰভা——''

স্কাউট আৰু সেৱা-ব্ৰত।

সেৱাব্ৰতৰ নিচিনা সৎপথ আৰু সৎকৰ্ম্ম দ্বিতীয় নাই। লোক-সেৱাই পৰম ধৰ্ম্ম, পৰোপকাৰেই [illegible] ব্ৰত, পৰৰ হিত চিন্তাই আটাইতকৈ সৎ চিন্তা। এনেকুৱা অদ্বিতীয় সৎপথ লোক সেৱাৰ উদ্দেশ্যৰেই "বয়জ স্কাউট" অনুষ্ঠানটিৰ সৃষ্টি হৈছে।

স্কাউটৰ প্ৰথম সৃষ্টি হয় আফ্ৰিকা মহাদেশত। ১৯০১ খৃষ্টাব্দত "বুওৰ" যুদ্ধ হয়। এই যুদ্ধত কিছুমান লোকক সৈন্য হিচাবে লোৱা নাছিল, সেইবিলাকলোকে যাতে যুদ্ধত আহত হোৱা লোকক শুশ্ৰূষা কৰিব পাৰে, যুদ্ধৰ খবৰ-বাতৰি অনা-নিয়া কৰি যুদ্ধত সহায় কৰিব পাৰে, তাৰে নিমিত্তে কৰ্ত্তৃপক্ষক অনুৰোধ জনায়। তেতিয়া ইংৰাজ সেনাপতি চাৰ ৰবাৰ্ট বেডেন পাওৱেলে এই সঙ্ঘটিৰ সৃষ্টি কৰে। দক্ষিণ আমেৰিকাৰ "ইণ্ডিয়ান" আৰু আফ্ৰিকাৰ "জুলু" আদি কিছুমান অসভ্য জাতিৰ মাজত লৰাছোৱালীক কৰ্ম্মপটু আৰু নিজ নিজ জাতীয় সমাজৰ আচাৰ ব্যৱহাৰত উপযুক্ত কৰি তুলিবলৈ এনেকুৱা কিছুমান নিয়ম পূৰ্ব্বৰ পৰাই চলি আহিছিল।

লৰা-ছোৱালীক চৰিত্ৰবান, কৰ্ম্মপটু, আৰু লোকৰ [illegible] কৰি নিজৰ ভৰিৰ ওপৰত ভৰ দি চলিবলৈ শিকোৱাটোৱেই স্কাউট অনুষ্ঠানটিৰ মুখ্য উদ্দেশ্য। ই শিশুৰ উন্নতিৰ প্ৰতি ভৰ আৰু [illegible] কৰি সৰ্ব্বজন হিতাৰ্থে সৎকৰ্ম্মত [illegible] [illegible] [illegible], সেৱক আৰু ৰক্ষক হ'বলৈ, সাংসাৰিক দুখ-কষ্ট সহিবলৈ আৰু পৰসেৱা ব্ৰত ধৰি জীৱন সাফল্য মণ্ডিত কৰিবলৈ। সকলো স্কাউট চৰিত্ৰবান, বিনয়ী, মিতব্যয়ী, প্ৰফুল্ল আৰু পৰ হিতাকাঙ্ক্ষী।

স্কাউট সঙ্ঘৰ সৃষ্টি কৰ্ত্তা চাৰ ৰবাৰ্ট বেডেন পাওৱেল ভাৰত ভ্ৰমণ কৰিবলৈ আহি ভাৰতবৰ্ষত উপস্থিত হয় আৰু ভাৰততো এদল স্কাউট গঠন কৰি থৈ যায়। তেতিয়াৰপৰাই ক্ৰমান্বয়ে ভাৰতত স্কাউট সঙ্ঘটিৰ বহুল প্ৰচলন হৈ আহিছে। বৰ্ত্তমান পৃথিৱীৰ সকলো সভ্য দেশতে এই অনুষ্ঠানটি আছে। শিক্ষাবিভাগৰ ডাইৰেক্টৰসকলৰ যত্নত আমাৰ অসম দেশতো ক্ৰমান্বয়ে বহুল প্ৰচলন হব ধৰিছে। অলপতে অষ্ট্ৰেলিয়াৰ পাৰ্থ নগৰত পৃথিৱীৰ সকলো দেশৰে স্কাউটসকলৰ এখন সভা হৈ গ'ল। আমাৰ অসমৰ পৰাও এজন সভ্য গৈছিল। [illegible] হৈছে, বৰপেটা হাইস্কুলৰ শিক্ষক শ্ৰীযুত [illegible] ভট্টাচাৰ্য্য বি, এ, বি, টি। তেখেতে অসমৰ গৌৰৱ অটুট ৰাখি অহাত আমি আনন্দিত হৈছোঁ।

ভাৰতীয় স্কাউটসকলৰ নিমিত্তে নানা প্ৰকাৰৰ খেলা আছে। এই খেলাবোৰৰ দ্বাৰা শৰীৰৰ অঙ্গ প্ৰত্যঙ্গ পৰিচালিত হৈ দেহৰ পুষ্টি সাধন হয়। আনপক্ষে শাৰীৰিক উন্নতি আৰু দেহৰ পুষ্টি সাধিত হোৱাৰ লগে লগে মনৰ উচ্চতা, স্বভাৱৰ নম্ৰতা আদি মানসিক শক্তিও বৰ্দ্ধিত হয়। সঁচাকৈ কিছু-

মান খেলা বৰ আনন্দ দায়ক।

স্কাউটৰ সাধাৰণ পোছাক খাকি হাত চুটি কামিজ, খাকি হাফপেন। জোতা-মোজা পিন্ধা অৱস্থা আৰু অভ্যাসৰ ওপৰত নিৰ্ভৰ কৰে। খাকি হাফপেন, খাকি চোলা পিন্ধিলেহে যে স্কাউট হব পাৰি বা খাকি পোছাক পিন্ধা অৱস্থাতহে যে স্কাউটৰ কাম কৰিব লাগে এনে নহয়; মাত্ৰ এনে পোছাক পিন্ধিলে কাম কৰিবলৈ সুচল হয়। আন পক্ষে খৰচো অনেক কম হব। একোটা হাফপেনে ৪৷৫ খন ধুতীৰ দিন নিয়াব পাৰে। খাকি নহলে আমাৰ ঘৰতে হোৱা এৰী বা অইন কাপোৰৰ হাফপেন আদি কৰি ললে আৰু খৰচ কম হব। পোছাক সকলোৰে একে ধৰণৰ হলে অনেক সুবিধা হয়। সেয়ে হাফপেন আদি পিন্ধাৰ ব্যৱস্থা।

খাকি পোচাক পিন্ধি হাতত টোকোন আৰু ভিঙিত বঙা কানি লৈ ফুৰাই কাম বুলি স্কাউট— সকলে নাভাবে। সঙ্ঘৰ উদ্দেশ্য অনুসাৰে কাম কৰি ফুৰে। তেওঁবিলাকে ভাবে, পৰোপকাৰ কৰাই স্কাউটৰ ধৰ্ম্ম। পৰৰ হিত চিন্তাই স্কাউটৰ মহাব্ৰত। নিজৰ কৰ্ত্তব্যৰপৰা কেতিয়াও নিপিচলে। আন কি দহজনৰ উপকাৰৰ অৰ্থে নিজৰ জীৱন উচৰ্গা কৰিবলৈকো কুণ্ঠিত নহয়।

স্কাউটে বিনা ওজৰে পিতৃ-মাতৃৰ কথা মানি চলে আৰু সেৱা শুশ্ৰূষা কৰে। মাননীয় লোকৰ কেতিয়াও অবাধ্য নহয়। তেওঁবিলাকে সহায়হীন, নিপকতীয়া লোকক সহায় কৰে, কণাক বাট দেখুৱায়, খোৰাক হাতি দিয়ে, নিৰাশ্ৰয়ক আশ্ৰয় লগাই দিয়ে। ভিকোহা, বুঢ়া বা লৰা আদিক বিপদত পৰিলে উদ্ধাৰ নকৰি নেৰে। ৰোগীক ঘিণ নকৰি, নিজৰ শৰীৰ সাৱধানে ৰাখি আপোন ভাবেৰে শুশ্ৰূষা কৰে। সাপে কামোৰা, পানীত পৰা, জুয়ে পোৰা গছৰপৰা পৰা আদি আকস্মিক দুৰ্ঘটনাত জীৱন পণ কৰি ৰোগীক সহায় আৰু শুশ্ৰূষা কৰে। আকস্মিক দুৰ্ঘটনাৰ প্ৰাথমিক চিকিৎসা সকলো স্কাউটে জানে। কোনো ঠাই কেতিয়াবা বান পানী আদিত ডুবিলে, সেই ঠাইৰ মানুহ, ঘৰচীয়া জীৱ জন্তু, বয়-বস্তু আলাই আথানী নহবলৈ যৎপৰোনাস্তি সহায় কৰে। সভা সমিতি বা তীৰ্থ দৰ্শন আদি মঙ্গলজনক অনুষ্ঠানত নানা ৰকমে সহায় কৰে। ঘৰচীয়া জীৱ জন্তুকো মৰমৰ চকুৰে চায়। নিৰীহ প্ৰাণীবোৰক ঈশ্বৰ সৃষ্টিত প্ৰাণী বুলি কেতিয়াও কষ্ট নিদিয়ে। আনকি বাটত কাঁইট বা অন্য পিছলা বস্তু পৰি থাকিলেও আঁতৰাই পেলাই দিয়ে। ইবিলাকে ঘৰে-পৰে বাটে-ঘাটে, বিপদে-সম্পদে সকলো ঠাইতে সকলো সময়তে লোকৰ উপকাৰ কৰিবলৈ সাজু হৈ থাকে। ধন্য স্কাউট! এনেকুৱা কৰ্ম্মতহে ধৰ্ম্ম। এই ধৰ্ম্মৰ পৰা পিছল খাব নালাগে।*

শ্ৰীসতীনচন্দ্ৰ দাস।

মণিপুৰ ভ্ৰমণ।

মণিপুৰখন বভ্ৰুবাহনৰ দেশ। বহুত দিনৰপৰাই এইবাৰ পূজাৰ বন্ধত সৰ্ব্বাঙ্গ সুন্দৰ কৈ [illegible] মণিপুৰত এপাক মাৰিবলৈ প্ৰবল ইচ্ছা আছিল। বন্ধুৰ মণিপুৰ ভ্ৰমণ আয়োজন লগপাই [illegible]

*স্কাউটসকলৰ নিমিত্তে লিখিত আৰু শিৱসাগৰ সদৰ মজলীয়া স্কুলৰ হাতে লিখা আলোচনী "আবৰ্ত্তি"ত প্ৰকাশিত। লিখক।

ৰাম বুলি কথা দিলোঁ। বন্ধুসকলে যেনিবা অনুমতি পত্ৰত নামটো ভৰাই যোৱাৰ সুবিধা কেৰা দিবলৈ নাপাহৰিলে।

যোৱা ১৩ অক্টোবৰৰ (১৯৩৪ চন) দিনা মণিপুৰ অভিমুখে যাত্ৰা কৰিলোঁ। পুৱা আঠবজাত শিৱসাগৰৰপৰা যোৰহাট লৰী ছাৰ্ভিছত উঠি জাঁজীতে মোৰ সংযাত্ৰী শ্ৰীযুত মোহন ৰাম শইকীয়াৰ লগ লাগিলোঁ। দুয়ো গৈ নৰ্ম্মাল বোৰ্ডিং পালোগৈ প্ৰায় ১০ মান বজা সময়ত। তাতে দুপৰীয়াৰ আহাৰ কৰি দিনটো ইফালে সিফালে ঘূৰি কটালোঁ। গধূলি ৰেলত যোৱাৰ বন্দবস্ত ঠিক হ'ল। মুঠ যাত্ৰী হলোঁ দুজন কম কুৰি। সকলো দলে বলে মিলি ৰেলত উঠি যাত্ৰা কৰিলোঁ।

সেইদিনা ৬ষ্ঠী তিথি। বতৰ মুকলি। ৰেলগাড়ী পশ্চিম দক্ষিণ কোণলৈ ডাকয়াই উকিয়াই যাবলৈ ধৰিছে। পশ্চিম আকাশত জোনবায়ে কিৰণ ঢালি দিছে; কিন্তু পশ্চিমৰ গছগছনিৰ আঁৰত এবাৰ লুকাই এবাৰ দেখাদি যেন আমাৰ লগত লুকাভাকু খেলিছে। আমিও প্ৰকৃতিদত্ত আমোদত যোগ দি ভাল পাইছলোঁ। এনেতে ওচৰৰ এটা কোঠাৰপৰা তাল তালকৈ বৰগীত আহি আমাৰ কাণত পৰিবলৈ ধৰিলে। গায়কজনৰ মাতটিও অতি সুললিত আছিল। এনে সোণত সুৰগা চলা বৰগীতৰ সুৰে আমাক অপাৰ আনন্দ দিবলৈ ধৰিলে। এই আনন্দৰ সোঁতত উটি গৈ থাকিবলৈ ধৰিলোঁ।

কিছু সময়ৰ পাচতে ফাৰ্কাটিং ষ্টেচন পালোঁগৈ। ৰেল থামিল। আমিয়ো নামি প্লেট্‌ফাৰ্মত আমাৰ সৰঞ্জামবিলাক একে ঠাইতে দম কৰি ৰেললৈ বাট চাই আছোঁ। অলপ পাচতে ৰেলৰ উকি আৰু ক্ষন্তেকৰ পাচতে গাড়ী আহি উপস্থিত হলহি। [illegible] ডিমাপুৰ ষ্টেচনলৈকে থ্ৰু টিকেট। ফাৰ্কাটিঙৰ টিকেট বাবুৱে যেনিবা "বাবু টিকেট দিয়া" এই অনুৰোধ সূচক কথাষাৰি শুনিবলৈ নাপালে। গাড়ীত উঠিবলৈ এমুৰৰপৰা সিমুৰলৈকে চাই কতো অকণো খালী ঠাই নাপাই অ'ত দুটা ত'ত দুটাকৈ উঠিছোঁ। অৱশেষে আমি আঠজন মান একেটা কোঠাতে উঠিছোঁ। এই কোঠাটোত আন যাত্ৰীবিলাক শুই আছিছে, আমি টিকা দিবলৈকে অকণো সুবিধা নাই। বাধ্য হৈ সেই যাত্ৰীবিলাকক জগাই তুলি দিছোঁ আৰু আমি বহিছোঁ। দুজনমান বাকী থাকে আন এজনক জগাইছোঁ "ডাঙৰীয়া উঠক, আমি বহিবলৈও অলপ ঠাই দিয়ক।" তেওঁৰ কিন্তু কেৰেপেই নাই। আকৌ জগাইছোঁ, তেতিয়া গহিনাই মাত দিছে "মই ডাঙৰ নহয় ঔ দেউ।" "নহয় ডাঙৰীয়া উঠক।" "এ বোলো মই ডাঙৰ নহওঁ।" "এ ডাঙৰীয়া কিনো ধেমালি কৰে ?" "নহয় মই পাঁচ শ টকীয়াই নহওঁ।" এই বুলি যেনিবা উঠিল। কোনো ৰকম আমিও বহিলোঁ। বহাৰ লগে লগেই নিদ্ৰাদেৱীয়ে আমাক আকোৱালি লবলৈ নাপাহৰিলে। যেয়ে যেনেকৈ পাৰিছোঁ অলপ অলপ টোপনি মাৰিছোঁ। কিছু সময় গৈ ডিমাপুৰ ষ্টেচন পালোঁগৈ। তাত অলপ বাটকৰা আহাৰ কৰি ষ্টেচন মাষ্টৰ জনৰ ওচৰত থাকিবলৈ সুবিধা বিচাৰিলোঁ। তেখেতে ষ্টেচনৰ পাচফালে বাবু থকা ঘৰ এটা বন্দবস্ত কৰি দিলে। তাতে আটাই কেউজন পৰি থাকিলোঁ।

ৰাতি পুৱাল। লৰী বন্দবস্ত কৰিলোঁ, ডিমাপুৰৰপৰা মণিপুৰলৈকে মাত্ৰ প্ৰত্যেকৰ ॥০ আঠ অনা ভাৰাকৈ। ভাতৰ বন্দবস্ত নহব দেখি দিনটোৰ আহাৰ স্বৰূপে একো পিয়লা চাহ আৰু গৰম পুৰি খাই লৈছোঁ। লৰীবিলাক এখন দুখনকৈ যাবলৈ ধৰিলে। প্ৰায় ৮ মান বজাত আমাৰ লৰীখনেও লাহেকৈ যাত্ৰা কৰিলে। যাত্ৰা কৰিয়ে ডিমাপুৰ

থুকিছু থমাত লৰী ৰখালে "পাছ" কিনিবৰ কাৰণে। আমাৰ কেইজন মানে গৈ প্ৰত্যেকৰ ।০ আঠ অনাকৈ দি "পাছ" কিনি আনিলে। পুনৰ লৰী চলাবলৈ ধৰিলে। বাওঁফালে মণিপুৰ ৰোডৰ কাষৰতে থকা কছাৰী ৰজাৰ ভগ্নাৱশেষবিলাক চকুত পৰিল। ন মাইল সমতলৰ ওপৰেদি গৈ "নিচুগাওঁ" গেট পালোঁগৈ। তাত আমাৰ গাড়ী থমালে, "পাছ"বিলাক পৰীক্ষা কৰিলে।

ইয়াৰপৰাই পৰ্ব্বতীয়া বাটৰ আৰম্ভ। পৰ্ব্বতৰ একাষেঁকা বাটৰ ওপৰেদি লৰীবিলাক বগাবলৈ ধৰিছে, আমি কাষৰৰ দৃশ্যবিলাক চাই, ইজনে সিজনক দেখুৱাই এটা হুলস্থূল লগাই দিছোঁ। বস্তুৰ সিদিনা মজলীয়া আছিল। বাওঁফালে কোনো ঠাইত পৰ্ব্বতৰ কাষৰেদি বেলিটো দেখোঁ আৰু কেতিয়াবা হঠাতে ৰবমুণ আহে কিন্তু সিয়ে নিচেই পাতল। আকৌ কোনো কোনো ডোখৰ পৰ্ব্বত কুঁৱলীত ঢাকখাই থাকে আৰু অলপ আঁতৰৰপৰা একোখন মহা সমুদ্ৰ যেন লাগে। এইদৰে কিছুদূৰ যোৱাৰ পাচত দুজন এজন সন্মুখে বঁতিয়াবলৈ ধৰিলে। আমাৰ আনবিলাকৰো তেওঁলোকৰ অৱস্থা দেখি বেজাৰ লগা হৈছে। আৰু নিজৰ কাৰণেও অলপ ভয় লাগিছে অথচ তেওঁলোকক আমি কোলাত তুলি শুৱাই লৈছোঁ। ডিমাপুৰৰপৰা ৩৪ মাইল গৈ এডোখৰ বেয়া বাট পালোঁগৈ। ড্ৰাইভাৰজনে আমাক নামিবলৈ কলে আৰু আমাৰ হাতৰ বস্তুবিলাকো নমাই দিলে। প্ৰত্যেকেই হাতত "চুট্‌কেছ" লৈ লৈ খোজ কাঢ়িলোঁ। কিছুমানে নগাকো দিলে। এইখিনিতে অনেক স্বাস্থ্যবান নগা দেখিলোঁ। এওঁবিলাকে যাত্ৰীৰ কুলী কাম কৰিবলৈকে ইয়াত বাট চাই গোট খাই থাকেহি।

বেয়া বাট ডোখৰ পাৰ হৈ লৰীত আকৌ উঠিলোঁ। অলপমানতে কোহিমা নগৰৰ দূৰ, পৰ্ব্বতীয় ৰাস্তাৰ মাজত বঙা, বগা নানান বৰণৰ টিনৰ ঘৰবিলাক আমাৰ চকুত পৰিছে। প্ৰথমে এই দূৰত্বখিনি অতি ওচৰতে যেন লাগিছিল, অনুসন্ধান কৰি জানিলোঁ ইয়াটো পূৰা দহ মাইল। যি কি নহওক, এই দূৰত্বকে চকুৰ আগত লৈ কোহিমা পালোঁ। তাত লৰী প্ৰায় ১॥ ঘণ্টা ৰৰ বুলি কোৱাত আমি প্ৰায় ১২ জন মান লগলাগি কোহিমা নগৰ চাবলৈ ওলালোঁ। প্ৰথমে মটৰ ষ্টেচনৰ কাষতে থকা স্কুলনি বাৰীত সোমালোঁ। কেইবাটাও নগা লৰাই তাত ফুল গছবিলাকৰ ওপৰত জপিয়াই খেমালি কৰি ফুৰিছে। আমাক দেখা মাত্ৰকে "ৰাম, ৰাম" বুলি প্ৰণাম জনাইছে। আমি সেই স্কুলনিৰ মাজৰ বৈঠকীত বহি চাৰিওফালে চকু পাৰি চাইছোঁ। তাৰ পাচত নগৰৰ ফালেগৈ, এটি সামান্য টিলাৰ ওপৰত থকা কোহিমা "জেল" চাইছোঁ, এনেতে শ্ৰীমান বিপিন চন্দ্ৰ গগৈ নামে এটি ১২ বছৰ মান বয়সৰ লৰাই হেহাই ফোপাই লৰি আহি আমাৰ লগ ললেহি। লৰা কণে আমাক লগ পাবলৈকে এনে বেগত আহিছিল। তেওঁ আমাক লগত লৈ কোহিমাৰ হস্পিতাল, কাছাৰী, মধ্য ইংৰাজী স্কুল ইত্যাদি সকলোবিলাক দেখুৱাই লৈ ফুৰিছিল। লৰাটিৰ হাঁহিমুখ আৰু কামৰ তৎপৰতা দেখি প্ৰত্যেকেই মুগ্ধ হৈছিলোঁ।

লৰীৰ পুনৰ যাত্ৰাৰ সময় হৈছিল বুলি ষ্টেচনলৈ কালে বেগা বেগিকৈ বাওঁফালেই তিনিশ ফুটৰপৰা ওপৰৰ এটা শৃঙ্গত ক্ৰমাৎলৈ চাই বাত কিছুমান ভাবৰ কথা লেখা যেন দেখিলোঁ। কিন্তু হঠাতে সেই ভাবৰে আমাৰ ইজনে সিজনক দেখুৱা নাই পেলালে। তাৰ পাচত কনুৰ হল। এবং [illegible] নামৰ পাচত ৰবৰুৰ থলিৰ:- আকৌ [illegible]

ঘ'ৰ জলাল। লৰীবিলাকে বাৰৈ আৰম্ভ কৰিলে। আমাৰ মনেও সোঁ কৰি চলিল। শ্ৰীমান বিপিন বাপাৰো আমাটৈ চাই ৰই পৰিল। অলপ পাচতে সেদেখা হলোঁ।

আগবদৰেই লৰীবিলাকে পৰ্ব্বতে পৰ্ব্বতে খগাৰৈ ধৰিলে। অলপ টকাৰে "মাও" গেট পালোঁগৈ। কোহিমাৰপৰা মাও ২০ মাইল দূৰ। মাওগেটত লৰী থামিল। আগেয়ে মণিপুৰ বাটৰ চেণ্ট্ৰা গেট আছিল এই মাও, কিন্তু আজি কালি কোহিমাহে চেণ্ট্ৰা গেট কৰিছে। ইয়াৰপৰা প্ৰায় ২০।২৫ মাইল মান পৰ্ব্বতীয়া বাট গৈয়ে মণিপুৰৰ তৈয়ামত সোমালোঁগৈ। এই সমভূমিৰ আৰম্ভতে "কংকুপী" গেট। এই গেট পাওঁতেই প্ৰায় গধূলি হবৰ সময় হৈছে। পৰ্ব্বতৰ পাকবিলাকৰপৰা অব্যাহতি পাই আমাৰ মনতো আনন্দ লাগিছে। দিনটোৰ. দুখৰ ভাৰ শাম কটাবৰ কাৰণে সকলোৱে দুই এটি গান আৰু সংকীৰ্ত্তন গাইছোঁ। গধূলি ৭॥ চাৰে সাতমান বজাত ইম্ফল পালোঁগৈ। ধৰ্ম্মশালাতে থাকিবলৈ ঠিক কৰি দুটা কোঠা খুলি লৈ মজিয়াতে প্ৰত্যেকে চলা বিছনা পাৰি লৈ জিৰাইছোঁ। তাৰ পাচত ভাতৰ কাৰণে খা-খবৰ লবলৈ ধৰিলোঁ। কেইজনমানে "হোটেল" বিচাৰি ফুৰি অলপ সময়ৰ পিছত এখনত উপনিত হলোঁগৈ। তাতো তৈয়াৰি ভাত নথকা আৰু মূল্য বেছি দেখি কেবল আমাৰ তিনিজনৰ বাহিৰে অন্য বিলাকে ঘাঁতৰি গুচি গল। আমি তাতে এমুঠি খাই শাঁতে ধীৰে থকা ঠাইলৈ আহিলোঁ আৰু বাকীবিলাকে এখন মাৰোৱাৰী চাহ-দোকানত চাহ পুৰি খাই নিশাটোলৈ পৰি থাকিলোঁ।

ৰাতি পুৱাল। সকলোৱে সেই মাৰোৱাৰীৰ [illegible] কৰিলোঁ। মাৰোৱাৰীৰ কথাই কথাই গালি, কাৰণ আগদিনা গধূলি আমি বিলাক পুৰি খাম বুলি কৈছিলোঁ, সেইবিলাক তেওঁৱেই মোখোৱাত আৰু চাহ খাই কাপ, গিলাচবিলাক ধুই দিদিয়াত। তাকোপৰি চাহৰ দাম আগতে আদায় নকৰিলে আৰু চাহ খোৱা গিলাচ খাই উঠি পৰিকাৰকৈ ধুই দিম বুলি প্ৰতিশ্ৰুতি নিদিলে চাহ নেবেচে। একান্তই চাহৰ কানীয়াইতে তাকেই কৰিবলৈ বাধ্য হলোঁ। চাহ এটুপি তাতে খাই ভাবিকা গোসাঁইৰ "তাতৰ যোগাৰ কৰ" কথাৰ বাৰিৰ দিহা বিচাৰি গলোঁ। হোটেললৈ মাৰ্চৰ আৰু পইচাৰ মোনাই কোনো ৰকমেই হুকুম নিদিয়ে। অন্য কোনোৱা চিনাকি মানুহো নাই। ধৰ্মশালাতে এখন গৰু বন্ধা চালি আছিল; তাতেই খোৱা মুঠি বন্ধা হব বুলি ঠিক কৰিহে বস্তু-বাহানি বিচাৰি গলোঁ। দুখৰ বিষয়, মণিপুৰীয়া ভাষা নাজানোঁ। আৰু পুৰা মণিপুৰৰ বজাৰত খোৱা বস্তু পোৱা ভীষণ মস্কিল। কেইবা ঠাইতো একোকে নুবুজি ওভতিছোঁ। এইদৰে আলিয়ে আলিয়ে ঘূৰি ফুৰোঁতে, ইম্ফল হাইস্কুলৰ ১০ম মান শ্ৰেণীৰ এজন ছাত্ৰ লগ পালোঁ। তেওঁৰ নাম শ্ৰীসমৰেন্দ্ৰ সিংহ। তেওঁ আমাক লগ লগাই ইফালে সিফালে ঘূৰাই বজাৰৰ কিনিব লগা বস্তুবিলাক কিনাই দিয়ালে। এই খোৱা সামগ্ৰী লৈ ওলটি আহোঁতে আমাৰ আন কেইজন বন্ধুৱে ইম্ফাল পুলিছ ইন্‌স্পেক্টৰ শ্ৰীযুত মণীৰাম দাস বাবুক আমাৰ "পাছ"খন দেখাবৰ ইচ্ছাৰে গৈছে। বাটত আমাক লগ পাই, তেওঁলোকে সেই মণিপুৰী বন্ধুজনক লগত লৈ মণী বাবুৰ তালৈ গল। মই আৰু শ্ৰীযুত যোগেন্দ্ৰ নাথ ভূঞা এই দুইজন মাত্ৰ বজাৰলৈ ঘূৰিলোঁ। কিছুসময়ৰ পাচত বন্ধুসকল মণীবাবুৰ তাৰপৰা ঘূৰি আহি এটা ভাল ভক্ত সম্বাদলৈ যে, আমি সকলোৱে দুপৰীয়া

তেওঁলোকৰ ভাত আহাৰ কৰিব লাগে। সকলোৱে গা পা ধুই হল বান্ধি বলীবাবুৰ ভাত আহাৰ খাবলৈ গলোঁ। যথা সময়ত বিবিধ ব্যঞ্জনেৰে ডাৰোগা বাবুৰ ভাত খোৱা হল। সেই খণ্ডেকৰ কাৰণে বুজিলোঁ যে, সেই গৃহস্থ অতিথি সেৱাত নিশ্চয় আদৰ্শনীয়। প্ৰায় তিনিমান বজাত তাৰপৰা আহিলোঁ।

—ক্ৰমশঃ—

অসমীয়া গাওঁ।

যি ঠাইত ছুটা বা তাতোকৈ অধিক চুবুৰি লগ লাগি বাস কৰে তাক গাওঁ বোলে। গাৱঁত ৬০।৭০ ঘৰৰপৰা ১০০০ বা ১২০০ ঘৰলৈকে মানুহ বাস কৰে। অসম খন এনেকুৱা অনেক গাৱঁৰে ভৰা। কোনো মানুহে যদি গাৱঁলীয়া অসমীয়া মানুহৰ পুণ্যশাল জীৱন চাব খোজে বা তাৰ আভাস লব খোজে, তেন্তে অসমৰ অসমীয়া গাওঁ চাই নিজৰ জীৱন ধন্য কৰক। গাৱঁত পৌৰাণিক ৰীতি-নীতি দেখিবলৈ পাব। আধুনিক পাশ্চাত্য শিক্ষা দেখিবলৈ নাই। কোনো কোনো গাৱঁত হিন্দু মুছলমান একে লগে বাস কৰিছে। প্ৰত্যেক গাৱঁৰ ওজা মানুহবোৰে হিন্দু ধৰ্ম্মৰ মত মতে তেওঁলোকৰ নাম ঘৰত হিন্দু শাস্ত্ৰ, কীৰ্ত্তন, নামঘোষা আদি পাঠ কৰি পুৱা গধূলি ঈশ্বৰৰ নাম লয়। কোনো কোনো গাৱঁত একোখন প্ৰধান সত্ৰৰ একোজন গৰাকী থাকে। তেওঁক অধিকাৰ বোলে। অধিকাৰৰ তলত কেবাজনো ভকত থাকে। তেওঁলোকে পুৱা গধূলি সত্ৰত চাকি জলোৱা, চাফ কৰা আদি সকলো যাবতীয় কাম কৰে। সময়ে সময়ে কীৰ্ত্তন, ভাগৱত আদি শাস্ত্ৰ পাঠ কৰি নাম লয়। অধিকাৰ বা নানা ৰকমৰ জ্ঞানবিদ্ মানুহবিলাকে মাজে সময়ে অনেক ৰকমৰ শাস্ত্ৰৰ বিষয়ে আলোচনা কৰে। গাৱঁৰ কিছুমানে গোট খাই সেইবোৰ আলোচনা শুনে।

অন্য দেশত যেনেকৈ মহাপুৰুষসকলৰ তিথি পৰ্ব্বাদি পালন কৰে, সেইদৰে আমাৰ গাওঁবিলাকতো সেইবোৰ উৎসৱ পালন কৰে। যেনে :— ৺শ্ৰীশ্ৰীশঙ্কৰদেৱ, ৺শ্ৰীশ্ৰীমাধৱদেৱ, ৺শ্ৰীশ্ৰীহৰিদেৱ, শ্ৰীশ্ৰীদামোদৰদেৱ, শ্ৰীকৃষ্ণৰ জন্মোৎসৱ ইত্যাদি। সেই দৰে আমাৰ মুছলমান ভাইসকলৰ মাজতো সেই সকলোবিলাক দেখিবলৈ পোৱা যায়। প্ৰত্যেক মুছলমান গাৱঁতে মছ্জিদ (নামঘৰ) আছে। তেওঁ-লোকে তাত ঈশ্বৰ উপাসনা কৰে। মোল্লাসকলে নিয়মিত সময়ত মছ্জিদত আজান দিয়ে আৰু নামাজ পঢ়ে। তেওঁলোকেও ঈদ্ আদি উৎসৱ পালন কৰে। অনেক ধৰ্ম্ম শাস্ত্ৰ আলোচনা কৰা ইউৰোপৰ নগৰবিলাকত যেনেকৈ কিছুমান উৎসৱ বছৰত সময়ে সময়ে পালন কৰে সেই দৰে আমাৰ অসমৰ গাওঁবিলাকতো বিহু আদি উৎসৱ পালন কৰে। বিহু (সংক্ৰান্তি) দুই মাহৰ মাজৰ দিনক কয়। অসমীয়াই যাইকৈ তিনিটা উৎসৱ বা বিহু পালন কৰে।

যেনে :— (কাতীয়া) কঙালী, (মাঘৰ) ভোগালি আৰু (বহাগৰ) ৰঙালি বিহু। কঙালী বিহুৰ দিনা প্ৰত্যেক হিন্দুৱে ঘৰৰ চোতালত তুলসী [illegible] কৰে আৰু তাত চাকি আদি দি [illegible] [illegible] পায়। ধাননি পথাৰবোৰত চাকি জলায়। [illegible] সেই বিহুক লক্ষ্মীদেৱীৰ পূজাৰ দিন বুলি জানে।

সেই হেতুকে পথাৰত চাকি দিয়ে। হিন্দুৱে তুলসী গছক বৰ পবিত্ৰ বুলি গণ্য কৰে। সেইদৰে গাৱঁত প্ৰত্যেক হিন্দুৰ ঘৰত তুলসী গছ দেখিবলৈ পোৱা যায়। যিবিলাক হিন্দুৱে পথাৰৰ কামত আবদ্ধ থাকে নাম ঘৰলৈ আহিবলৈ সময় নাপায়, তেওঁলোকে ঘৰত দুপৰীয়া-গধূলি ঈশ্বৰৰ নাম লয়। হিন্দুৰ মাজত নিৰ্দ্ধাৰিত সময়ত নাম ঘৰলৈ যোৱাৰ নিয়ম প্ৰচলিত আছে।

পুহৰ শেষ দিনক মাঘ বিহু বোলে। সেই সময়ত মানুহবোৰে কামৰপৰা আজৰি পায়। পথাৰৰ সকলো প্ৰকাৰৰ শস্য ঘৰলৈ চপাই আনে। সেইদেখি সেই বিহুক ভোগালি বিহু বোলে। আনটো বহাগৰ পহিলা দিনা হয়। ইয়াক বহাগ বা ৰঙালি বিহু বোলে। সেইদিনাৰপৰা নতুন বছৰ আৰম্ভ হয়। সেইদিনাৰপৰা গছ লতাই প্ৰকৃতিৰ আগমনীৰ গান গাবলৈ ধৰে অৰ্থাৎ বৰ্ষণৰ অভাৱত আৰু সবিতাৰ দেহ পুৰি নিয়া ৰশ্মিৰ প্ৰকোপত সৌন্দৰ্য্য বিহীন হৈ থকা গছ লতাবোৰে নতুন বছৰৰ নৱ বৰষুণ পাই নতুন জীৱন পোৱাদি পায় আৰু অনেক ৰকমৰ ফল-ফুল ধৰি প্ৰকৃতি দেৱীৰ মনত আনন্দ বিলায়। মনুহৰ মনতো নতুন উৎসাহ বিৰাজ কৰে আৰু দেহা মন আনন্দত ওপচাই পেলায়। পাশ্চাত্য জগতত যেনেকৈ ডেকাবিলাকৰ মাজত ফুটবল, হকী, ক্ৰিকেট আদি নানা ৰকমৰ খেলা আছে; সেইদৰে অসমৰ গাওঁবিলাকতো হাউচোপ গোল্লা, হুদুগুদু, লুকা-লুকি, বাঘবল, মোগল-পথা আদি অনেক খেলা আছে। বহাগ বিহুত অনেক গাৱঁত সেইবোৰ খেলা হয়। তাৰ বাহিৰেও অনেক ব্যায়াম আদিৰদ্বাৰা মানুহৰ মনত আনন্দৰ ঢৌ বিৰিঙি উঠে। আন পিনে যেনেকৈ ডাঙৰ ডাঙৰ চহৰবোৰত গান-বাজনা আদি দেখিবলৈ পোৱা যায়; সেইদৰে গাৱঁতো ঢুলীয়া খুলীয়া আদি দেখিবলৈ পোৱা যায়। আৰু দেৱী পদ্মাৱতীৰ অনেক গীত গোৱা ওজা আছে। নগৰত যিমানবিলাক আনন্দৰ উৎসৱ আছে, গাৱঁতো সেইবোৰ আছে। যদি নগৰৰ বা দেশৰ শাসনৰ লগত গাৱঁৰ শাসন বিধি বিচাৰ খোজোঁ তেন্তে সেই দুয়োৰ ভিতৰত কোনো প্ৰভেদ দেখা নাযায়। গাৱঁত যিবিলাক সৰু সৰু ঘটনা বা কাজিয়া হয় সেইবিলাক মিটমাট কৰিবলৈ অনেক সুবিধা আছে। গাৱঁত অনেক ৰকমৰ গাৱঁলীয়া বিষয়া থাকে। তেওঁলোকে উক্ত বিষয়বোৰ মিটমাট কৰে। গঞায়ো সেই নিয়ম মতে চলি থাকে। যদি কোনো মানুহে গাৱঁৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু সৰল জীৱন চাব খোজে তেওঁ গাৱঁলৈ আহি চাওকহি। যেতিয়া শৰৎ কালত গাৱঁৰ পথাৰবোৰত সেউজীয়া শস্যবোৰ মলয়া বতাহত হালি-জালি উলাহত নাচি থাকে তেতিয়া গাৱঁলীয়া দৃশ্য বেলেগতকৈ অধিক বেস লাগে। কবিসকলে এনেবোৰ দৃশ্যৰদ্বাৰাই কোনো বিষয়ে ভাবি তাক লালিত্য যুক্ত ভাষাৰে বৰ্ণিত কৰি অনেক শুৱলা শুৱলা কবিতা ৰচনা কৰে। গাৱঁত নাই বুলিবলৈ একো বস্তু নাই। খাদ্য সম্বন্ধেও সকলো ৰকমৰ ভাল ভাল খাদ্য পূৰ্ণকৈ পায়। শাক পাচলি, মাছ, গাখীৰ, আদি "আইটো বিন" থকা বস্তুও পোৱা যায়। গাৱঁলীয়াই যি ৰকমে ওপৰৰ বস্তুবোৰ পায়, নগৰীয়াবোলোকে সেই ৰকমে পোৱা কঠিন। গাৱঁলীয়া সদায় নিৰোগীয়া আৰু পৰিশ্ৰমী। গাৱঁলীয়া বুলিলে সহজে অজলা হালবোৱা লোক যেন ভাবে; কিন্তু সেইটো নহয়।

গাৰ্গীয়া বহুত গুণৰ অধিকাৰী। গাৰ্গীয়া পতি-ভাৰ্য্যাৰ মাজত প্ৰেমৰ বান্ধ বৰ ভাল। তিৰোতা-বিলাক নগৰৰ তিৰোতাতকৈ বহুত গুণে পৰিশ্ৰমী। তেওঁলোকে গৃহস্থৰ আলপৈচান ধৰাৰ উপৰিও বাহিৰা কামত সদায় লিপ্ত থাকে। সেইদৰে যিবিলাক লৰাই গাৱঁৰ প্ৰাইমাৰী স্কুলত পঢ়ে, সিহঁতেও পঢ়াৰ বাহিৰেও গৰু ৰখা, গৰু চৰোৱা আদি বহুত কাম কৰে। ওপৰৰ কথাবোৰৰপৰা আমি কব পাৰোঁ যে অসমৰ গাওঁবিলাকত বিশেষ মানুহ বাস কৰে, তেওঁলোকৰ জীৱন সাৰ্থক। আৰু তেওঁলোক নগৰ বাসীতকৈ কোনো গুণে হেয় নহয়।*

শ্ৰীৰজনী কান্ত শৰ্ম্মা।

অসম উপত্যকাৰ শিক্ষা বিভাগৰ চলন্ত লাইব্ৰেৰীৰ নিয়মাৱলী।

১। এই লাইব্ৰেৰীৰ প্ৰধান কেন্দ্ৰ যোৰহাট নৰ্ম্মাল স্কুলত পতা হল।

২। এই লাইব্ৰেৰীৰ কিতাপ একোটা বাকচত ভৰাই প্ৰত্যেক মহকুমাৰ ডেপুটী ইনস্পেক্টৰ মহাশয়লৈ বছৰে বছৰে পঠিওৱা হব।

৩। ডেপুটী ইনস্পেক্টৰ মহাশয়ে কিতাপৰ বাকচ তেখেতৰ মহকুমাৰ শিক্ষকৰ কেন্দ্ৰবোৰলৈ ক্ৰমান্বয়ে পঠিয়াব। প্ৰত্যেক কেন্দ্ৰত কেৱল মাত্ৰ এমাহ দিনহে কিতাপ ৰাখিব পাৰিব।

৪। চলন্ত লাইব্ৰেৰী চলোৱাৰ সুবিধা অনুসৰি প্ৰতি ডেপুটী ইনস্পেক্টৰ মহাশয়ে নিজ মহকুমাৰ কেন্দ্ৰবিলাকৰ ক্ৰমিক তালিকা এটা তৈয়াৰ কৰিব; আৰু সেইমতে কিতাপৰ বাকচ পঠোৱাৰ দিহা কৰিব। কেন্দ্ৰৰ তালিকাৰ নকল বছৰৰ আৰম্ভতে সদৰ কেন্দ্ৰ যোৰহাট নৰ্ম্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট মহাশয়লৈ পঠাব লাগিব। কোন মাহত কোন কেন্দ্ৰত লাইব্ৰেৰী থাকিব উক্ত তালিকাত ডেপুটী ইনস্পেক্টৰ মহাশয়ে উল্লেখ কৰিব।

৫। কিতাপবিলাকৰ ৰক্ষণাবেক্ষণৰ ভাৰ প্ৰত্যেক কেন্দ্ৰীয় স্কুলৰ প্ৰধান শিক্ষক মহাশয়ৰ গাত থাকিব। কোনো কিতাপ হানি হোৱা বিষয়ে তেখেত দায়ী থাকিব। তেখেতৰ দায়িত্বত শিক্ষাবিভাগৰ বাহিৰৰ মানুহকো কিতাপ পঢ়িবলৈ দিব পাৰিব; কিন্তু প্ৰতিজনক এবাৰত এখনতকৈ বেছি কিতাপ দিব নোৱাৰিব।

৬। প্ৰত্যেক বাকচ কিতাপৰ লগতে একোখন ধাৰবন্ধা বহী (Loan Book) দিয়া হব। সেই বহীত কিতাপ পঢ়িবলৈ নিওঁতাৰ চহী আৰু কিতাপ ঘূৰাই লওঁতাৰো চহী থাকিব লাগিব।

৭। লাইব্ৰেৰী পঠাওঁতা আৰু পাওঁতা কেন্দ্ৰীয় স্কুলৰ শিক্ষক মহাশয়দ্বয়ে কিতাপৰ বাকচ পঠোৱা আৰু পোৱা সংবাদ প্ৰধান কেন্দ্ৰ যোৰহাট নৰ্ম্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট মহাশয়লৈ দিব লাগিব।

৮। প্ৰতি মহকুমাৰ সকলো কেন্দ্ৰতে চলন্ত লাইব্ৰেৰীৰ ব্যৱহাৰ শেষ হলে, অন্তত যি কেন্দ্ৰলৈ চলন্ত লাইব্ৰেৰী যাব, সেই কেন্দ্ৰৰ কেন্দ্ৰীয় স্কুলতে কিতাপ বাকচ থাকিব আৰু সি সেই স্কুলৰে সম্পত্তি হব। কিন্তু কিতাপ দিয়া বহীটো (Loan Book টো) সদৰ কেন্দ্ৰ যোৰহাট নৰ্ম্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট মহোদয়লৈ ডেপুটী ইনস্পেক্টৰ মহাশয়ৰ যোগেদি ঘূৰাই পঠাব লাগিব। ইয়াৰ পাছত প্ৰধান কেন্দ্ৰই ডেপুটী ইনস্পেক্টৰ মহাশয়লৈ ক্ৰমান্বয়ে পঠোৱা

* নৰ্ম্মাল স্কুলৰ হাতে-লিখা আলোচনী "ছাত্ৰ"ৰপৰা উদ্ধৃত। "ছাত্ৰ"ৰ সম্পাদক—মহম্মদ হাফিজুদ্দিন আহমদ। সং প্ৰঃ

কিতাপৰ বাকচবোৰ ওপৰত লিখা থাকে যে বেলেগ বেলেগ কেন্দ্ৰত ব্যৱহাৰ হোৱাৰ পাচত পূৰ্ব্বে স্থায়ী ভাবে কিতাপ নোপোৱা কেন্দ্ৰত কিতাপ বাকচ থাকিব, অৰ্থাৎ প্ৰতিবাৰেই বেলেগ বেলেগ কেন্দ্ৰীয় স্কুলে একো বাকচকৈ কিতাপ পাব লাগিব; আৰু ওপৰৰ নিয়মে সেইবোৰ কিতাপ সেই সেই কেন্দ্ৰীয় স্কুল খনৰ সম্পত্তি হব।

৯। এটা কেন্দ্ৰৰপৰা আন এটা কেন্দ্ৰলৈ লাইব্ৰেৰী পঠাওঁতে পঠাওঁতাই খৰচ নোহোৱাকৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগিব। এইদৰে পঠোৱা কাৰ্য্যত আৱশ্যক মতে চকিদাৰ, চাপ্ৰাচি প্ৰভৃতি খটাব পাৰিব। এই অৰ্থে ছাত্ৰ, শিক্ষক আৰু শিক্ষাবিভাগৰ আন আন বিষয়াবো সহায় বিচৰা হল। তেওঁলোকে আটায়ে এই কাৰ্য্যত সহায় কৰিব।

১০। বছৰৰ শেষত ডেপুটী ইনস্পেক্টৰ মহাশয়সকলে নিজ নিজ মহকুমাৰ চলন্ত লাইব্ৰেৰীৰ প্ৰচলনৰ বিষয়ে এখন বছেৰেকীয়া ৰিপোৰ্ট লিখি অসম উপত্যকাৰ স্কুলসমূহৰ ইনস্পেক্টৰ মহোদয়লৈ পঠাব লাগিব। ইতি

বিনীত

যোৰহাট
১-৯-৩৫

শ্ৰীশৰৎচন্দ্ৰ গোস্বামী
অসম উপত্যকাৰ স্কুলসমূহৰ ইনস্পেক্টৰ।

অসম উপত্যকাৰ ডেপুটী ইনস্পেক্টৰ মহাশয়সকললৈ এই বিষয়ৰ কাম আৰম্ভ কৰিবৰ কাৰণে ইয়াৰ নকল পঠোৱা হল।

যোৰহাট
১-৯-৩৫

শ্ৰীশৰৎচন্দ্ৰ গোস্বামী
অসম উপত্যকাৰ স্কুলসমূহৰ ইনস্পেক্টৰ।

বিবিধ জোনাকী।

[৫।১২।৩৫ তাৰিখৰ ছুই দিনীয়া "অসমৰ" সম্পাদকীয় প্ৰবন্ধৰপৰা উদ্ধৃত]

"অসম উপত্যকাৰ শিক্ষা বিভাগৰ চলন্ত লাইব্ৰেৰী।
ইনস্পেক্টৰ শ্ৰীযুত গোস্বামী মহোদয়ৰ দেশহিতৈষিতা।"

অসম উপত্যকাৰ স্কুল সমূহৰ ইনস্পেক্টৰ মাননীয় শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী মহোদয়ে উইলিয়াম-চন্‌চ ফণ্ডৰপৰা এই বছৰ ২০০্‌ টকাৰ গ্ৰাণ্ট এটি আনি "অসম উপত্যকাৰ শিক্ষা বিভাগৰ চলন্ত লাইব্ৰেৰী" নামে এটি ভ্ৰাম্যমান পুথি-ভঁৰাল স্থাপন কৰিছে। এই উদ্দেশ্যত এই গ্ৰাণ্টটো পাবৰ কাৰণে তেখেতে ছয় সাত বছৰৰ আগৰপৰা লিখা লিখি কৰি চেষ্টা কৰি আছিছিল। ইমান দিনৰ চেষ্টাৰ ফলত উক্ত ফণ্ডৰ কৰ্তৃপক্ষসকলে এই বছৰহে গ্ৰাণ্টটো মঞ্জুৰ কৰিলে। এই লাইব্ৰেৰীৰ সকলো পুথি অসমীয়া ভাষাৰ পুথিৰপৰা লোৱা হৈছে। ব্যৱসায়ৰ কালৰপৰা গ্ৰন্থকাৰ সকলৰ স্বাৰ্থ লৈ লক্ষ্য কৰি একেজন গ্ৰন্থকাৰৰে সৰহীয়াকৈ কিতাপ নিকিনি বেলেগ বেলেগ গ্ৰন্থকাৰৰ বেলেগ বেলেগ পুথি এই লাইব্ৰেৰীৰ কাৰণে কিনা হৈছে। অসমীয়া খ্যাতনামা গ্ৰন্থকাৰসকলৰ পুথি এই লাইব্ৰেৰীত যাতে বাদ নপৰে তালৈ দৃষ্টি ৰখা হৈছে। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, আৰু বাহিৰৰ উপকাৰত অহা পাঠোপযোগী কিতাপেৰেহে এই লাইব্ৰেৰী সজোৱা হৈছে।

"অসম অসমীয়াৰ কাৰণে" এই আন্দোলনৰ মহৰত মাননীয় শ্ৰীযুত গোস্বামী মহোদয়ৰ নেতৃত্বত চলা এই লাইব্ৰেৰী সময়োপযোগী হৈছে। এনেবিলাক কাৰ্য্যইহে অসমীয়া ভাষা, সাহিত্য আৰু অসমীয়া মানুহক ওপৰলৈ তুলি নিব।

এনে ধৰণৰ কাৰ্য্যত পৈণত বুদ্ধিৰ শ্ৰীযুত গোস্বামী ডাঙৰীয়াই এই চলন্ত লাইব্ৰেৰী আমাৰ উপত্যকাত পোন প্ৰথমতে প্ৰচলন কৰাৰ বাবে তেখেত দেশবাসীৰ নিশ্চয় শলাগৰ পাত্ৰ। বৃটিছ ভাৰতৰ আন আন প্ৰদেশৰ শিক্ষা বিভাগৰ কোনো বিষয়াই এনেকুৱা চলন্ত লাইব্ৰেৰীৰ দিহা কৰাৰ কথা আমি গম নেপাওঁ। বোধকৰোঁ শ্ৰীযুত গোস্বামী মহোদয়েই এই বিষয়ত প্ৰথম হব। গোস্বামী মহোদয়ে অশেষ পুৰুষাৰ্থ কৰি অসম সাহিত্য সভাৰ গঠন কাৰ্য্য কৰা বাবে যেনেকৈ দেশবাসীৰ শলাগৰ পাত্ৰ, অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰচাৰৰ অৰ্থে, পাঠক সমাজ গঢ়িবৰ নিমিত্তে এই চলন্ত লাইব্ৰেৰী স্থাপন কৰা বাবেও তেনেকৈ তেখেত অসমীয়া ৰাইজৰ ধন্যবাদৰ পাত্ৰ।

যোৱা ২৮।৯.৩৫ তাৰিখে অসম চৰকাৰৰ শিক্ষা মন্ত্ৰী অনাৰেবল মৌলবী আব্দুল হামিদ চাহাবে অসম উপত্যকাৰ স্কুল সমূহৰ ইনস্পেক্টৰ মহোদয়ৰ সৈতে নৰ্ম্মাল স্কুল পৰিদৰ্শন কৰোঁতে স্কুল চুপাৰিণ্টেণ্ডেণ্ট শ্ৰীযুত ঘনকান্ত বৰুৱা দেৱৰ তত্বাৱধানত চলন্ত লাইব্ৰেৰী অফিচৰ প্ৰধান কৰ্ম্মী শ্ৰীযুত হৰি নাৰায়ণ দত্ত বৰুৱাই লাইব্ৰেৰীৰ সকলো কাৰ্য্য তেখেত সকলক দেখুৱায়। তেতিয়া "এই আদৰ্শ আৰু ইয়াৰ কাৰ্য্য প্ৰণালী অতি সুন্দৰ হৈছে" বুলি অনাৰেবল মন্ত্ৰী বাহাদুৰে মন্তব্য প্ৰকাশ কৰে আৰু পৰিদৰ্শনৰ পাচত তেখেতে এই লাইব্ৰেৰীৰ অৰ্থে ১০০৲ টকা দান কৰে। মাননীয় ইনস্পেক্টৰ মহোদয়ৰ এই লাইব্ৰেৰী সম্পৰ্কীয় এখন চাৰ্কুলাৰ ৰাইজৰ জ্ঞাতাৰ্থে "অসম"ত পিচলৈ প্ৰকাশ কৰা হব।

সংগ্ৰাহক— শ্ৰীধৰণীধৰ বৰুৱা।

২। বামুণগাওঁত।

ধুবড়ী শিক্ষক সন্মিলনীৰ প্ৰথম অধিবেশন।

যোৱা ২৮ শ আৰু ২৯ শ চেপ্তেম্বৰত শিক্ষক, গণ্য মান্য ভদ্ৰলোক আৰু স্থানীয় ৰাইজ সহ প্ৰায় এহেজাৰমান মানুহৰ সমাগমত বামুণগাওঁত ধুবড়ী শিক্ষক সন্মিলনীৰ প্ৰথম অধিবেশন মহা সমাৰোহে সমাপন হল।

সভাত প্ৰথম দিন ধুবড়া শিক্ষক সন্মিলন গঠন আৰু তাৰ পৰিচালনাৰ নিয়মাৱলী প্ৰণয়ন, কাৰ্য্যকৰী সমিতি গঠন আৰু প্ৰস্তাৱ নিৰ্ব্বাচন আদি কাজ সমাপন কৰি ৰাতি ৮ বজাত সভা ভঙ্গ কৰা হয়।

দ্বিতীয় দিন মুল সভাৰ অধিবেশন বহে ছোৱালী এটিৰ সুললিত সঙ্গীতেৰে সভাৰ কাৰ্য্য আৰম্ভ হয়। পৰ্য্যায় ক্ৰমে সভাৰ কাৰ্য্য চলাৰ লগে লগে স্তোত্ৰ, বড়ো ভাষাৰ সঙ্গীত আৰু ধেমেলীয়া নাট আদি হৈ যোৱাত সৰ্ব্ব সম্মতিক্ৰমে তলত লিখা প্ৰস্তাৱ বোৰ গৃহীত হয়।

১। এই সভাই ভাৰত সম্ৰাট আৰু সম্ৰাজ্ঞীৰ প্ৰতি ৰাজ ভক্তি জ্ঞাপন কৰে। আৰু তেখেত সকলৰ দীৰ্ঘ জীৱন কামনা কৰে।

প্ৰস্তাৱক—সভাপতি।

২। আজিৰ সন্মিলনীৰ পক্ষৰপৰা এই প্ৰস্তাৱ কৰোঁ যে, ধুবড়ী মহকুমাৰ শিক্ষক আৰু শিক্ষয়িত্ৰী সকলোক লৈ ধুবড়ী শিক্ষক সন্মিলন গঠিত হওক। আৰু ইয়াক অসম শিক্ষক সন্মিলনৰ অন্তৰ্ভুক্ত কৰি সংৰক্ষিত নিয়মাৱলী মতে পৰিচালিত

কৰা হওক।

প্ৰস্তাৱক—কুমাৰ শ্ৰীযুত দেৱেন্দ্ৰ নাৰায়ণ দেৱ।

সমৰ্থক— শ্ৰীযুত কমল চন্দ্ৰ বড়ো।

৩। মই প্ৰস্তাৱ কৰোঁ যে তলত লিখা সভ্য সকলক লৈ ধুবড়ী শিক্ষক সন্মিলনৰ কাৰ্য্যকৰী সমিতি গঠন কৰা হওক।

শ্ৰীযুত ৰাজেন্দ্ৰ নাৰায়ণ শৰ্ম্মা (সভাপতি) শ্ৰীযুতভূপেন্দ্ৰ নাৰায়ণ নাথ (সম্পাদক আৰু ধনভঁৰালী) শ্ৰীযুত চাৰেন্দ্ৰ নাৰায়ণ লক্ষণ (সহকাৰী সম্পাদক) শ্ৰীযুত ধনেশ্বৰ দাস (হিচাব পৰিদৰ্শক), শ্ৰীযুত ৰাজেন্দ্ৰ মজুমদাৰ, শ্ৰীযুত শ্ৰীকান্ত দাস, শ্ৰীযুত নৰেন্দ্ৰ ব্ৰহ্ম, শ্ৰীযুত খগেন্দ্ৰ ৰায়, শ্ৰীযুত হলিৰাম বৰুৱা, শ্ৰীযুত কমল বড়ো, শ্ৰীযুত বসন্ত বৰ্ম্মণ, শ্ৰীযুত ভবানী প্ৰসাদ পাঠক, মৌলবী জালাল উদ্দিন আহম্মদ, মহম্মদ কয়েৰ উদ্দিন আহম্মদ, মৌলবী আব্দুল গনি, মৌলবী আব্দুল ৰহমান, শ্ৰীযুত লক্ষ্মী কান্ত সিংহ, শ্ৰীযুত জয় সিং সিংহ, শ্ৰীযুত ক্ষীৰ চন্দ্ৰ বৰ্ম্মণ, শ্ৰীযুত ধনসিং বসুমতাৰী, শ্ৰীযুত ৰাজেন্দ্ৰ বৈষ্ণৱ। (সভ্য)

এওঁলোকৰ ভিতৰত ৭ জন সভ্যৰ উপস্থিতিত সভা স্থল হব বুলি স্থিৰ কৰা হওক।

প্ৰস্তাৱক - শ্ৰীযুত জয়সিং সিংহ।

সমৰ্থক— শ্ৰীযুত পঞ্চানন বৰুৱা।

৪। মই প্ৰস্তাৱ কৰোঁ যে, প্ৰত্যেক সভ্যৰপৰা বছৰি ৮০ অনাকৈ বৰঙনি তুলি এই সন্মিলনীৰ এটা ধন ভঁৰাল খোলা হওক।

প্ৰস্তাৱক— শ্ৰীযুত বসন্ত কুমাৰ বৰ্ম্মণ।

সমৰ্থক— শ্ৰীযুত ভৱানী প্ৰসাদ পাঠক।

৫। মজুৰী কৃত সকলো স্কুলৰ মেৰামতি আৰু সজুলকৈ তৈয়াৰ কৰাৰ সম্পূৰ্ণ খৰচ বহন কৰিবলৈ কৰ্তৃপক্ষক অনুৰোধ কৰা হওক।

প্ৰস্তাৱক— শ্ৰীযুত জয়ৰাম বৰ্ম্মণ।

সমৰ্থক— শ্ৰীযুত [illegible] বৰুৱা।

৬। ওচৰত কোনো খোৱা পানীৰ ব্যৱস্থা নথকা সকলো স্কুলতে এটাকৈ পকী নাদ দিবলৈ কৰ্তৃপক্ষক অনুৰোধ কৰা হওক।

প্ৰস্তাৱক— শ্ৰীযুত ভূপেন্দ্ৰ নাৰায়ণ নাথ।

সমৰ্থক— শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ সিংহ।

৭। স্কীম আৰু কটীনৰ ভিতৰত মিল ৰাখি কাম কৰিবলৈ প্ৰত্যেক স্কুলতে এটাকৈ ঘৰি, আৱশ্যকীয় সৰঞ্জাম আৰু এটা আলমাৰী সহ প্ৰত্যেক শ্ৰেণীৰ পাঠ্য পুথি দিবলৈ কৰ্তৃপক্ষৰ সুদৃষ্টি কামনা কৰা হওক।

প্ৰস্তাৱক— শ্ৰীযুত ধনসিং বসুমাতাৰী।

সমৰ্থক— শ্ৰীযুত লক্ষ্মী কান্ত সিংহ।

৮। স্থায়ী শিক্ষক সকলৰ— "লোকেলবোৰ্ড আৰু মিউনিচিপালিটিৰ অধীনস্থ"— তলত লিখা গ্ৰেড অনুযায়ী দৰমহা বৃদ্ধি কৰি দিবলৈ কৰ্তৃপক্ষৰ ওচৰত বিশেষ ভাৱে অনুৰোধ জনোৱা হওক।

মজলীয়া স্কুল } ১ম গ্ৰেড— ৪০৲—৪৲—৬০৲
২য় গ্ৰেড— ২০৲—২৲—৪০৲

প্ৰাইমাৰী স্কুল } ১ম গ্ৰেড— ২০৲—২৲—৩০৲
২য় গ্ৰেড - ১৫৲—১৲—২০৲

প্ৰস্তাৱক— শ্ৰীযুত ধনেশ্বৰ দাস।

সমৰ্থক— শ্ৰীযুত খগেন্দ্ৰ নাৰায়ণ ৰায়।

অনুমোদক— মৌলবী জালাল উদ্দিন আহম্মদ।

৯। আজি অনেক দিন ধৰি আমাৰ (শিক্ষকসকলৰ) সাৰ্ব্বজনীন ভাৱে দৰমহা বৃদ্ধিৰ কোনো বিবেচনা হোৱা নাই। গতিকে মই প্ৰস্তাৱ কৰোঁ যাতে অহা মাৰ্চ্চ মাহৰ পৰা শতকৰা পঁচিশ টকা হাৰে দৰমহা বঢ়াই দিয়ে, তাৰ কাৰণে কৰ্তৃপক্ষৰ ওচৰত সনিৰ্ব্বন্ধ অনুৰোধ জনোৱা হওক।

প্ৰস্তাৱক— শ্ৰীযুত হলিৰাম বৰুৱা।

সমৰ্থক— শ্ৰীযুত ৰাজেন্দ্ৰ নাথ মজুমদাৰ।

অনুমোদক— মহম্মদ কয়েৰ উদ্দিন আহম্মদ।

১০। শিক্ষকসকলে বেমাৰত ছুটী লৈ চৰকাৰী বেচৰকাৰী ডাক্তাৰ, গাৱঁলীয়া কবিৰাজ, হাকিম, আইবা ওঝা, যাৰ চিকিৎসাধীনত থাকে তাৰ চাৰ্টি- ফিকেটে যেন কাৰ্য্যকৰী হয় তাৰ কাৰণে কৰ্ত্তৃপক্ষৰ ওচৰত অনুৰোধ জনোৱা হওক।

প্ৰস্তাৱক— শ্ৰীযুত ধাতু ৰাম দাস।

সমৰ্থক— শ্ৰীযুত গনেশচন্দ্ৰ বৰুৱা।

১১। বাজে খৰচ— মজলীয়া স্কুলৰ কাৰণে ২৲ টকাৰপৰা ৩৲ টকালৈ আৰু প্ৰাইমাৰী স্কুলৰ কাৰণে ৷৹ অনাৰপৰা ১৲ টকালৈ ধাৰ্য্য কৰিবলৈ কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হওক।

প্ৰস্তাৱক— শ্ৰীযুত বৃন্দাবন চন্দ্ৰ ৰায়।

সমৰ্থক— কুমাৰ শ্ৰীযুত মনীন্দ্ৰ নাৰায়ণ দেৱ।

১২। এই শিক্ষক সন্মিলন যি কেন্দ্ৰত বহিব অসম শিক্ষক সন্মিলনৰদৰে তাৰ স্কুলবিলাক আৰম্ভক হলে অন্ততঃ দুদিন বন্ধ আৰু সন্মিলনলৈ অহা প্ৰতিনিধিসকলক দুদিন স্পেচিয়াল কেজুৱেল বিদায় মঞ্জুৰ কৰিবলৈ কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হওক।

প্ৰস্তাৱক— শ্ৰীযুত হৰেন্দ্ৰ নাৰায়ণ বৰ্ম্মণ।

সমৰ্থক— মৌলবী আব্দুৰ ৰহমান।

১৩। এই সন্মিলনৰ প্ৰস্তাৱবিলাকৰ নকল তলত লিখা কৰ্ম্মচাৰী মহোদয় সকললৈ একো কপি পঠোৱা হওক।

(১) ধুবড়ী মহকুমাৰ স্কুল ডেপুটী ইনস্পেক্টৰ মহোদয়।
(২) ,, ,, লোকেলবোৰ্ড চেয়াৰম্যান চাহাব।
(৩) গোৱালপাৰা জিলাৰ ডেপুটী কমিচনাৰ চাহাব।
(৪) অসম ভ্যালীৰ কমিচনাৰ চাহাব।
(৫) ,, ,, স্কুল ইনস্পেক্টৰ চাহাব।
(৬) আসামৰ শিক্ষা বিভাগৰ ডাইৰেক্টাৰ চাহাব।
(৭) ,, ,, ,, মন্ত্ৰী বাহাদুৰ।
(৮) ,, স্বায়ত্ব শাসন বিভাগৰ মন্ত্ৰী বাহাদুৰ।
(৯) অসমীয়া সংবাদ পত্ৰৰ সম্পাদক ডাঙৰীয়া।
(১০) অসম শিক্ষক সন্মিলনৰ সম্পাদক ডাঙৰীয়া।

প্ৰস্তাৱক— শ্ৰীযুত নৰেন্দ্ৰ চন্দ্ৰ ৰায়।

সমৰ্থক— শ্ৰীযুত কালী মোহন অধিকাৰী।

অৱশেষত অহা বাৰলৈ শুড্‌ক্ৰাইডেৰ বন্দৰত ফকিৰা গ্ৰাম কেন্দ্ৰলৈ সন্মিলন আমন্ত্ৰিত হৈ বিপুল জয়ধ্বনীৰ মাজত সভা ভঙ্গ কৰা হয়।

(স্বাক্ষৰ)—শ্ৰীপ্ৰমথ নাথ চক্ৰবৰ্ত্তী, সভাপতি।

২৯ ৯।৩৫

৩। কামৰূপ শিক্ষক সভাৰ বিশেষ কাৰ্য্যকৰী সমিতি।

যোৱা ২।১২।৩৫ তাৰিখে গুৱাহাটী চাৰ্কেল মেম্বৰ শ্ৰীযুত নিৰ্ম্মলচন্দ্ৰ ডেকাৰ সভাপতিত্বত বৰ- নদী মজলীয়া স্কুলৰ শৰৎচন্দ্ৰ হলত উক্ত সভা বহে।

১। কামৰূপ শিক্ষক সভাৰ লগত হাতৰ কামৰ প্ৰদৰ্শনী পতাৰ হকে আজিৰ সভাই এইদৰে বন্দো- বস্ত কৰে।

(ক) ডেপুটী ইন্সপেক্টৰ ডাঙৰীয়াৰ ২।১০।৩৫ তাৰিখৰ ১১৪১৪ নং চিঠিৰ মৰ্ম্মে লোকেলবোৰ্ড আৰু চৰকাৰৰপৰা টকা পাবলৈ সম্পাদকে বিশেষ যত্ন লওক।

(খ) শিক্ষক সভাৰ লগত পাতিব খোজা প্ৰদৰ্শনীখন তলত লিখা (গ) (ঘ) চৰ্ত্তানুযায়ী পতাৰ বন্দবস্তৰ কাৰণে এইবাৰ কামৰূপ শিক্ষক সভা চলোৱা অভ্যৰ্থনা সমিতিৰ হাতত ভাৰ দিয়া হওক। আৰু এই কাম সমাধাৰ কাৰণে আজিৰ সভাই সেই সভাক অনুৰোধ কৰে।

(গ) বৰ্ড আৰু চৰকাৰৰপৰা যদি টকা পোৱা নাযায়, তেনেহলে মূল সভাৰপৰা পুৰস্কাৰৰ বাবে ৩০৲ ত্ৰিশ টকা মঞ্জুৰ কৰা হওক। এই টকাৰে

কাম চলাৰ পৰাকৈ সাধাৰণ ভাবে প্ৰদৰ্শনী পাতিব।

(ঘ) খৰ্চ আৰু চৰকাৰৰপৰা টকা পালে শিক্ষক সভাৰপৰা মজুৰী ৩০৲ ত্ৰিশ টকা শিক্ষক সভাই কিবাই পাব আৰু বিশেষ ভাবে প্ৰদৰ্শনী পতা হব।

(ঙ) পুৰস্কাৰ বিতৰণৰ ভাৰ মূল সভাৰ অনু মোদনমতে পতা সভাৰ গাত থাকিব।

২। কাংক্ৰা শিক্ষক সভাৰ ৎগত এখন "স্কাউট ৰেলি" পাতিবলৈ সম্পাদকে অভ্যৰ্থনা সমিতিৰ লগত আৰু স্কাউট মাষ্টৰসকলৰ লগত আলোচনা কৰিব আৰু সম্ভৱপৰ হলে মূল সভাৰ দিনাই পাতিবলৈ স্থিৰ কৰিব।

(স্বাক্ষৰ)—শ্ৰীনিৰ্ম্মল চন্দ্ৰ ডেকা। সভাপতি।

১/১২/৩৫

৪। তেজপুৰ মহকুমা-শিক্ষক সম্মিলনী।

এই সভাৰ দ্বিতীয় অধিবেশন ৯ আৰু ১০ নবেম্বৰ তাৰিখে চতিয়াত শ্ৰীযুত নীলমনি ফুকন বি, এ, ডাঙৰীয়াৰ সভাপতিত্বত মহা সমাৰোহেৰে সম্পন্ন হয়।

গৃহীত প্ৰস্তাৱ সমূহ:—

জ্ঞাত অজ্ঞাত মৃত শিক্ষকসকলৰ মৃত্যুত আজিৰ এই সভাই শোক প্ৰকাশ কৰে, আৰু সিবিলাকৰ আত্মাৰ সদগতি কামনা কৰে।

অসম আইৰ সুসন্তান, বাণীৰ বৰ পুত্ৰ শ্ৰীযুত বাণীকান্ত কাকতি দেৱে অসমীয়া ভাষাৰ মৌলিকত্ব দেখুৱাই কলিকতা বিশ্ব বিদ্যালয়ৰপৰা "ডক্টৰেট" উপাধি পাই অসমীয়া ভাষা আৰু অসমীয়া জাতিৰ গৌৰৱ অক্ষুন্ন ৰখাত আজিৰ এই সম্মিলনে তেওঁক আন্তৰিক সম্বৰ্দ্ধনা জনায়।

যেহেতু বৰ্ত্তমান সময়ত ছাত্ৰবৃত্তি আৰু হাইনৰ স্কুলৰ সংখ্যা আগতকৈ বহুত গুণে বৃদ্ধি হৈছে, কিন্তু জিলাই প্ৰতি বৃত্তিৰ সংখ্যা আৰু হাৰৰ কোনো পৰিবৰ্ত্তন হোৱা নাই, সেই কাৰণে প্ৰতি জিলাৰ বৃত্তিৰ সংখ্যা দুগুণ অন্ততঃ বৰ্ত্তমান হাৰতকৈ ২৲ টকা বৃদ্ধি কৰি দিবলৈ এই সভাই প্ৰস্তাৱ কৰে।

৩৫৲ টকালৈ দৰ্মহা পোৱা সকলো শিক্ষক আৰু শিক্ষয়িত্ৰীৰ দুজন আৰু ৫০৲ টকাৰপৰা ১০০৲ টকালৈ দৰ্মহা পোৱা শিক্ষকৰ একজন লৰাই সকলো স্কুলত বিনা মাচুলে পঢ়িব পৰাৰ নিয়ম কৰিবলৈ গৱৰ্ণমেণ্টক টানি অনুৰোধ কৰা হওক।

লোকেলব'ৰ্ড, মিউনিচিপালিটি আৰু এইডেড্ স্কুলৰ সকলো শ্ৰেণীৰ শিক্ষক মাত্ৰকে আগৰ 'চাৰ্ভিচ' যোগ কৰি গৱৰ্ণমেণ্ট স্কুলত কাম খালী হলে 'আগসুবিধা' (Preference) দি নিযুক্ত কৰিবৰ কাৰণে গৱৰ্ণমেণ্টক অনুৰোধ কৰা হওক।

যেহেতু লোকেলব'ৰ্ড মিউনিচিপালিটি আৰু এইডেড্ স্কুলৰ শিক্ষকসকলৰ দৰমহা অতি কম আৰু পেঞ্চন আদিও নাই; সেই কাৰণে প্ৰভিডেণ্ট ফণ্ডত শিক্ষকসকলৰপৰা টকাইপ্ৰতি দুঅনা আৰু ব'ৰ্ডৰপৰা দুঅনাকৈ জমা ৰখাৰ ব্যৱস্থা কৰা হওক।

'অসম ল'ৱাৰ স্কুল চাৰ্ভিচ'ৰ 'Cadre I' আৰু 'Cadre II (A)' শ্ৰেণী দুটা লগ কৰি এটাকৰ হওক আৰু মফচলীয়া স্কুলৰ প্ৰধান শিক্ষকসকলক এটা বিশেষ সুবিধা দিয়া হওক।

আমাৰ অসমীয়া বাতৰি কাকত, আলোচনী আৰু পাঠ্য কিতাপবিলাকত বহুত ভুল আখৰ জোঁটনিত অমিল দেখা যায়। সেই কাৰণে শিক্ষক আৰু ছাত্ৰসকলে বহুত অসুবিধা ভোগ কৰিব লগাত পৰে। সেই কাকতবিলাকৰ সম্পাদক আৰু গ্ৰন্থকাৰসকলক অনুৰোধ কৰা হওক যে সিসকলে যাতে সেই বানান ভুল, আখৰ জোঁটনিত গড় মিল নকৰে তাৰ বাবে যেন বিশেষ যত্ন লয়।

বোৰ্ডৰ সকলোবিলাক স্কুলত পাঠ্য কিতাপ নথকাত শিক্ষাদানত অনেক অসুবিধা ঘটিছে।

সেই কাৰণে প্ৰতি স্কুলতে পাঠ্য কিতাপবোৰৰ এক্কো সংখ্যাকৈ পাবৰ কাৰণে অনুৰোধ কৰা হওক।

গৱৰ্ণমেণ্টৰ অফিচাৰসকলৰ দৰে বোৰ্ড আৰু মিউনিচিপালিটি স্কুল সমূহৰ শিক্ষকসকলক পাৰ ঘাটৰ মাচুল মাফ দিবলৈ কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হওক।

ধনৰ পুঁজিৰ অভাৱত এইডেড্ স্কুলৰ শিক্ষক সকলক যোগ্যতা আৰু গৱৰ্ণমেণ্ট বান্ধি দিয়া স্কেল হিচাবে দৰমহা দিব নোৱাৰে। এই অসুবিধা আঁতৰাবলৈ গৱৰ্ণমেণ্টে যেন বেছিকৈ আৰ্থিক সাহায্য প্ৰদান কৰে।

লোকেলবোৰ্ডৰ মঞ্জুৰীয়া স্কুলবোৰত আগৰ নিচিনাকৈ আকৌ প্ৰাইজৰ ব্যৱস্থা কৰিবৰ কাৰণে বোৰ্ডক অনুৰোধ কৰা হওক।

হাই স্কুলবিলাকৰ টুৰ্ণামেণ্ট খেলত চৰকাৰে বিশেষ আৰ্থিক সাহায্য দান কৰে, কিন্তু তেনে কোনো আৰ্থিক সাহায্য গৱৰ্ণমেণ্টে মঞ্জুৰীয়া থাপৰ স্কুলবিলাকত অলপীয়া হলেও নিদিয়ে। গৱৰ্ণমেণ্টৰপৰা মঞ্জুৰীয়া থাপৰ স্কুলবিলাকৰ টুৰ্ণামেণ্টৰ বাবে এটা সাহায্য আৰু স্থানীয় লোকেলবোৰ্ডৰ পৰাও তেনে সাহায্য পাবলৈ কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হওক। গৱৰ্ণমেণ্ট স্কুলবিলাকৰ নিচিনাকৈ লোকেলবোৰ্ডৰ সকলো স্কুলৰ শিক্ষকসকলে ছুটী পোৱাৰ ব্যৱস্থা কৰিবৰ নিমিত্তে বোৰ্ডক অনুৰোধ কৰা হওক।

লোকেলবোৰ্ড স্কুলবোৰত টাইম্ স্কেল নহয় মানে মঞ্জুৰীয়া স্কুলবোৰৰ ভিতৰত কম পক্ষেও পাঁচটা পোষ্ট ৪০৲ টকীয়া আৰু নিম্নপ্ৰাইমেৰীৰ ১৫ টা পোষ্ট ৩০৲ টকীয়া কৰিবলৈ তেজপুৰ লোকেলবোৰ্ডক আৰু স্কুল কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হওক।

আগেয়ে দিয়াৰ নিচিনাকৈ তেজপুৰ লোকেল বোৰ্ডৰ ১২৲ টকীয়া পোষ্টবিলাক ১৫৲ টকীয়া কৰিবলৈ, নৰ্ম্মাল পাছ শিক্ষকসকলক ২৫৲ টকাৰ কমকৈ দৰমহা নিদিবৰ কাৰণে বোৰ্ডক অনুৰোধ কৰা হওক।

সাময়িক কৰ্ত্তনৰ ধন দুখীয়া শিক্ষকক আংশিকৰূপে ঘূৰাই দিয়া বাবে তেজপুৰ লোকেলবোৰ্ডৰ শলাগ লোৱা হওক।

বোৰ্ডৰ আন আন স্কুলবদৰে প্ৰাইমেৰী স্কুল আৰু এইডেড্ স্কুলবিলাকৰ শিক্ষকসকলৰ চাৰ্ভিছ বুক ৰাখিবলৈ ব্যৱস্থা কৰা হওক।

(স্বাঃ) শ্ৰীনীলমণি ফুকন বি, এ। সভাপতি।

৫। যোৰহাটৰ বিষয়ে ছুআৰাৰমান।

শ্ৰীযুত শশীচন্দ্ৰ বৰ বৰুৱা বি, এ,

১। যোৰহাট আহোম ৰজাৰ শেষ ৰাজধানী।

২। ঢেঁকোলাই নৈৰ পাৰত ৰজাৰ ঘৰ আছিল। ৰাজ ঘৰৰ ভগ্নাৱশেষৰ বহুত পুৰণি ইটা কেঞ্চাৰ ৰৰ গোলাৰ ঘৰত লগোৱা হৈছে।

৩। ৰজা মৈদামৰ এটা মৈদাম পুৰন্দৰ সিংহৰ, আনটো তেওঁৰ পুত্ৰ কামেশ্বৰ সিংহৰ।

৪। আজি কালিৰ কাছাৰীৰ জৰ্জ্জ কোৰ্টৰ কোঠাৰ গুৰিতে ৰাজ চ'ৰা আছিল।

৫। ৰাজ মাও পুখুৰীৰ আচল নাম বিষ্ণু সাগৰ বা বিষ্ণু দ'লৰ পুখুৰী। ইয়াৰ পাৰত ৰাজ মাৰৰ ঘৰ আছিল।

৬। নতুন কেঞ্চাৰিটৰ ওচৰত "মণিৰাম দেৱান"ৰ ঘৰ আছিল।

৭। আজি কালিৰ আস্পতালৰ বেৰা সীমাই (Compound) পূৰ্ণানন্দ বুঢ়াগোহাঁঞিৰ ঘৰ আছিল। সব এচিষ্টেণ্ট ডাক্তৰ থকা ঘৰটোৰ পূৰ্বনি ভেটি বুঢ়াগোহাঁঞি ডাঙৰীয়াৰ গোসাঁই ঘৰৰ ভেটি।

৮। বাবু অক্ষয় সেন উকীলৰ ঘৰৰ গুৰিতে মণিৰাম দেৱানক ফাঁচী দিছিল। এই কালে ৰাজ আলিৰ কাষত প্ৰধান মন্ত্ৰী বুঢ়াগোহাঁঞি ডাঙৰীয়াৰ ঘৰ থকাত তাৰ আগেদি মানুহ জুম বান্ধি দলে বলে যোৱাৰ প্ৰথা নথকাত "ফাঁচী আলিয়ে মণিৰাম দেৱানৰ ফাঁচী চাবলৈ গৈছিল, সেই আলিক সেই কাৰণে "ফাঁচী আলি" বুলিলে।

৯। গৱৰ্ণমেণ্ট হাইস্কুলৰ বেৰা সীমাৰ ভিতৰত এজোপা আমলখি গছ আছে। এই গছজোপাৰ তলত সিদিনা অলপলৈকে এটা ডাঙৰ গাঁত আছিল। এই গাঁতটো বোলে বদন চন্দ্ৰই পূৰ্ণানন্দ বুঢ়াগোহাঁঞিক পেলাই মাৰিবৰ কাৰণে পাতপতুৱাকৈ চকাই খনাইছিল। এই কালেদিয়েই ৰাজমাৰৰ ওচৰলৈ আহযাহ কৰিবলৈ বুঢ়াগোহাঁঞি ডাঙৰীয়াৰ এটা লুণ্ডুণ্ডীয়া বাট আছিল।

১০। ৰঙলা পুখুৰীত ৰূপসিং চুবাদাৰে বদনক বিধি অৱোধাল দেখাৰ কাৰণে তাৰ পানী অপবিত্ৰ বুলি মানুহে গ্ৰহণ কৰিবলৈ এৰিলে।

৬। উত্তৰ লক্ষীমপুৰ শিক্ষক সভা।

২।১২।৩৫

গৃহীত হোৱা প্ৰস্তাৱ :--

বোৰ্ড, মিউনিচিপালিটি স্কুলৰ শিক্ষকসকলৰ বৰ্ত্তমান থকা অভিযোগবোৰৰ সুবিচাৰৰ কাৰণে অসম শিক্ষক সভাৰ পক্ষৰ পৰা এখন 'মেমোৰেণ্ডম্' অহা 'কনভেনচন' কমিটিত দিয়া অৱশ্যে কৰ্ত্তব্য বুলি এই সভাই ভাবে। সেইকাৰণে তাৰ যথা বিহিত কাৰ্য্য কৰিবলৈ প্ৰধান সম্পাদক মহাশয়ক সনিৰ্ব্বন্ধ অনুৰোধ জনোৱা হওক।

× × ×

এই প্ৰস্তাৱৰ নকল জ্ঞাতাৰ্থে অসম শিক্ষক সন্মিলনৰ প্ৰধান সম্পাদক মহাশয়লৈ পঠোৱা হল।

শ্ৰীগঙ্গাধৰ সভাপণ্ডিত।

সম্পাদক উঃ লক্ষীমপুৰ শিক্ষক সভা।

৭। আমাৰ স্কাউটিং—

আমাৰ স্কুলৰ স্কাউটৰ সংখ্যা যোৱা কেইবছৰমানতকৈ এইবাৰ বেচি হৈছে।

মহামান্য সম্ৰাটৰ 'ৰূপালী জুবিলি"ত স্কাউটৰ প্ৰতিযোগিতা মূলক খেল ধেমালিবোৰৰ প্ৰায় সবহ ভাগতেই আমাৰ "ট্ৰুপ"ই কৃতকাৰ্য্যতাৰে প্ৰথম স্থান অধিকাৰ কৰি কাৰ্য্য দক্ষতা আৰু জন্মভূমিৰ গুণৰ পৰিচয় দিব পাৰিছে।

সিদিনা অলপতে আমাৰ অসম শিক্ষা-মন্ত্ৰী মহামান্য মৌলবী আব্দুল হামিদ চাহাব বাহাদুৰ যোৰহাটলৈ আহি আমাৰ নৰ্ম্মাল স্কুলকে আদি কৰি কেইবাখনো স্কুল পৰিদৰ্শন কৰে। তেখেতৰ সন্মানাৰ্থে যোৰহাটৰ কেওটা "ট্ৰুপ" মিলি যোৱা ২৮ চেপ্তেম্বৰ তাৰিখে চন্দ্ৰকান্ত হেণ্ডিকৰ সন্মুখৰ মুকলি পথাৰত এটি 'স্কাউট কেম্প-ফায়াৰ'ৰ আয়োজন কৰা হয়। সন্ধ্যা ৬॥ বজাৰ পৰা 'কেম্প ফায়াৰৰ কাম আৰম্ভ হয়। মন্ত্ৰী মহাশয়ৰ লগতে আমাৰ শ্ৰদ্ধেয় স্কুল ইনস্পেক্টৰ মহোদয়কে আদি কৰি নগৰৰ অনেক ভদ্ৰলোক-ভদ্ৰমহিলা আৰু ছাত্ৰ-ছাত্ৰী আমাৰ 'কেম্পফায়াৰ চাবলৈ আহিছিল।

মন্ত্ৰী মহাশয় খেলৰ ঠাইত সোমোৱা মাত্ৰে কেইজনমান স্কাউটে "এলাট" হৈ তেখেতক সম্ভাষণ জনায়। তাৰ পাছত বেলেগ বেলেগ "ট্ৰুপ"ৰ পৰা ক্ৰমান্বয়ে বেলেগ বেলেগ খেল দেখুৱা হয়। আমাৰ 'ট্ৰুপ'ৰ পৰা "তামোল চোৰ" "খেকেলাৰ জুৰ" "মিৰি সুৰৰ নাম" মিৰি "টয়েন" আৰু "অসমীয়া বিহু" এই পাঁচবিধ খেল-ধেমালি দেখুৱা হয়। দানিৰাম চাউদাং কেইজনমান স্কাউটেৰে সৈতে সুন্দৰ অঙ্গ ভঙ্গিৰে 'তামোল চোৰ'ৰ খেল দেখুৱাই দৰ্শকৰ মনত আনন্দ দিছিল। নীলকান্ত গগৈৰ বেহেলাৰ সুৰ আৰু পীতাম্বৰ চমুৱাৰ মিৰি সুৰৰ নামে সংজুৰা ভদ্ৰমণ্ডলীৰ মন মোহিত কৰিছিল। তাৰ পাছত মোক্ষেশ্বৰ, পীতাম্বৰ, জগতনাথ, পদ্মেশ্বৰ, ভুবাকান্ত, জগত বৰা, নীল গগৈ আৰু দেবেন দাসৰ অসমীয়া বিহু-গীত, বিহু নাচ আদিয়ে দৰ্শক মণ্ডলীৰ মাজত আনন্দ আৰু হাঁহিৰ বোল তুলিছিল। শেষত আমাৰ গোটেই ট্ৰুপে দেখুৱা মিৰি 'টয়েনৰ' কাৰ্য্যাই স্কাউটৰ কাৰ্য্য যে শৃঙ্খলাবদ্ধ তাক সুন্দৰকৈ প্ৰমাণ কৰিছিল।

ইয়াৰ মাজে মাজে অৱশ্যে আন আন 'ট্ৰুপৰ খেল-ধেমালিও আছিল। এইদৰে বং ধেমালি ঘণ্টা সময় কটোৱাৰ পাছত "কেম্পফায়াৰ" শেষহয়।

যোৱা ১১ নবেম্বৰ তাৰিখে ভালদৰেই 'আৰ্মিষ্টিচ' দিনটো পালন কৰা হৈ গল।

শ্ৰীদেবেন্দ্ৰ নাথ দাস।

নৰ্ম্মাল স্কাউট "ট্ৰুপৰ" "ট্ৰুপ লিডাৰ"

পোৱা কিতাপৰ চমু আলোচনা :—

১। সুখৰ সোপান (কথা সাহিত্য) কাগজে বান্ধা ।৵০ আৰু কাপোৰে বান্ধা ৸৵০ অনা। ইয়াৰ লিখক পণ্ডিত শ্ৰীযুত ভবদেৱ ভাগৱতী বেদান্তবাগীশ ব্যাকৰণ বেদান্ততীৰ্থ, পুৰাণ শাস্ত্ৰী, কৈঠালকুছি, কামৰূপ।

পুথিখনি তলৰ ১১ টা ভাগত ভাগ কৰিছে :—

(১) ১ম অংশ পানবাজাৰৰ পকীঘৰ।

(২) ২য় অংশ স্বৰ্গযাত্ৰা।

(৩) ৩য় অংশ মহামহোপাধ্যায় ৺ধীৰেশ্বৰাচাৰ্য্যৰ আলহী।

(৪) ৪ৰ্থ অংশ ইন্দ্ৰৰ ৰাজসভাত। (৫) ৫ম অংশ নন্দন কাননত। (৬) ৬ষ্ঠ অংশ লাচিত ভৱনত। (৭) ৭ম অংশ সন্ন্যাসীৰ পৰাক্ৰম। (৮) ৮ম অংশ অমৰজীৱ

শান্তি কুটীৰত। (৯) ৯ম অংশ অশ্বিনী কুমাৰ উৰ্ষ-বাঁৰলৰত। (১০) ১০ম অংশ স্বৰ্গৰ সাহিত্য সভাত। (১১) ১১শ অংশ পিতৃ দৰ্শন।

ভূমিকা লিখকৰমতে এই পুথিখনক আচলতে "মৰ্ত্ত্যলোকৰ স্বৰ্গ ভ্ৰমণ" বুলিব পাৰি; ইয়াৰ ভাব ভাষা উৎকৃষ্ট, হয়াত আমাৰ নামনি অঞ্চলৰ যি দুই চাৰিটা খণ্ড বাক্য প্ৰয়োগ কৰিছে, সেইবোৰে সোণত সুৱগা চৰোৱাৰদৰে পুথখনৰ ভাষা ৰসাল কৰি সুখপাঠ্য কৰিছে। শ্ৰদ্ধেয় পণ্ডিত মহাশয়ে যিবোৰ সংস্কাৰ কামনা কৰি এই গ্ৰন্থ প্ৰণয়ণ কৰিছে, আমি পঢ়ি বিশেষ আনন্দ পাইছোঁ। সকলো শিক্ষিতলোকে এই গ্ৰন্থখনি একোবাৰ পঢ়ি চাব বুলি আমি আশা কৰিলোঁ। পুথিখনিৰ প্ৰতিটো অংশই উপদেশ পূৰ্ণ হৈছে। পণ্ডিত মহাশয়ৰ চেষ্টা আৰু অৰ্থব্যয় সাৰ্থক হৈছে। তেখেতে আমাৰ ভাষাত এই অমূল্য গ্ৰন্থ দান কৰাৰ বাবে তেখেতক ধন্যবাদ জনালোঁ।

১। নল-দময়ন্তী (কথা সাহিত্য) প্ৰতি খনে ।/০
লিখক শ্ৰীযুত যামিনী কান্ত দাস, নগাওঁ।

"নল-দময়ন্তী" উপাখ্যান লৈ লিখা এই পুথিখনি এখনি উৎকৃষ্ট শিশুসাহিত্য হৈছে। ইয়াৰ ভাষা সৰল আৰু বাক্যবোৰ চুটি চুটি হোৱাত ৪ৰ্থ আৰু ৫ম মানৰ ছাত্ৰসকলে পঢ়ি সাহিত্যৰ ৰস পাব বুলি আমাৰ বিশ্বাস। আশা কৰোঁ আমাৰ মজলীয়া স্কুলৰ শিক্ষকসকলে ইয়াক প্ৰচাৰ কৰিবলৈ বিশেষ যত্ন কৰিব। গ্ৰন্থকাৰৰ চেষ্টাৰ আদি শলাগ ললোঁ।

শোকৰ বাতৰি।

আমাৰ স্কুলত শোক সভা।

যোৱা ১৮।১২।৩৫ তাৰিখে আমাৰ স্কুলৰ শিক্ষক আৰু ছাত্ৰ সকলোৱে মিলি শ্ৰীযুত মুক্তালাল কাথ বৰুৱা অস্থায়ী চুপাৰিণ্টেণ্ডেণ্ট মহোদয়ৰ সভাপতিত্বত শুৰু বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ ৺অপূৰ্ব্ব চন্দ্ৰ ব্ৰহ্মৰ মৃত্যুৰ শোক প্ৰকাশ কাৰবলৈ এখনি সভা পতা হয়। সভাত সৰ্ব্বসম্মতি ক্ৰমে তলত দিয়া প্ৰস্তাৱ কেইটি গৃহীত হয়।

১ম প্ৰস্তাৱ :— যোৱা কালি আমাৰ লগৰে ভাই শুৰু শ্ৰেণীৰ ছাত্ৰ ৺অপূৰ্ব্ব চন্দ্ৰ ব্ৰহ্মৰ মৃত্যুত এই সভাই গভীৰ শোক প্ৰকাশ কৰে আৰু মৃতকৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায়।

২য় প্ৰস্তাৱ :— এই সভাৰপৰা শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জনোৱা হওক।

৩য় প্ৰস্তাৱ :— এই শোক সভাৰ কাৰ্য্যবিৱৰণীৰ নকল প্ৰভাত আৰু অসমৰ বাতৰি কাকতলৈ পঠোৱা হওক।

৪ৰ্থ প্ৰস্তাৱ :— স্বৰ্গীয় ব্ৰহ্ম এজন ভাল খেলুৱৈ আছিল। তেওঁৰ স্মৃতিৰ অৰ্থে শিক্ষক আৰু ছাত্ৰ সকলৰপৰা বৰঙনি তুলি এটি "কাপ" অসম উপত্যকাৰ টুৰ্ণামেণ্টৰ যোৰহাট সমিতিলৈ দিয়া হওক।

শ্ৰীঅমৃত চন্দ্ৰ দত্ত বৰা।
সহকাৰী সম্পাদক ধৰ্ম্মালোচনী সভা। ১৯।১২।৩৫

CURZON HALL LI…

প্ৰভাত।

যোৰহাট নৰ্ম্মাল স্কুলৰ আলোচনী কাকত।

আত্ম বলম্ পৰম বলম্।

১৭ শ খণ্ড ৩য় সংখ্যা	শীত সংখ্যা ১৮৫৭ শক।	সমস্ত সংখ্যা—৬৭

গীত।

উত্তৰ লক্ষীমপুৰত হোৱা অসম শিক্ষক সম্মিলনৰ ৭ম অধিবেশন উপলক্ষে ৰচিত।

শ্ৰীযুত পদ্মধৰ সভা পণ্ডিত।

স্বাগত, স্বাগত, আগত সুধী বৃন্দ!
আজি জাতিকাৰ মিলন ভূমি;
বন পখীয়েও চায় ঘূৰি ঘূৰি;
দিক্ কেলে সুনীল আকাশ
দূৰ সমুদ্ৰে চুমি যায়,
ই শুভ ক্ষণৰ আনন্দ ৰাগিণী
গভীৰ মন্দ্ৰাৰে বাজে হিয়া জিনি,
দুখ, দৈন্য তন্দ্ৰা ক্লান্তি সকল
সকলো দুখ-শান্তি নাই।

মিলিত কণ্ঠে বাজক অমিয়া,
দূৰীভূত হক হিংসা অসূয়া;
উজলি উঠক মিলন-কিৰণ
গীত সুৰে বাজক বীণ।
ভাৰতী মাতৰ সেই বেদ গান
গোৱা নৱ-সুৰে হই একতান
সম্মিলিত শক্তি দিয়া পূৰ্ণাহুতি
হওক সফল পুণ্য দিন।

বাসুগাৱত বহা ধুবড়ী শিক্ষক সন্মিলনৰ প্ৰথম অধিৱেশনৰ সভাপতিৰ অভিভাষণ।

সমবেত শিক্ষক মণ্ডলী আৰু সমজুৱাসকল,

আজি আপোনালোকে মোৰ নিচিনা এজন অভাজন পাত্ৰৰ ওপৰত এই মহৎ যজ্ঞৰ পৌৰোহিত্যৰ ভাৰ অৰ্পণ কৰি মোক একালে যেনে বিপদগ্ৰস্ত কৰিছে আনফালে মোক যি গৌৰবেৰে গৌৰান্বিত কৰিছে তাক বহলাই কবৰ মোৰ ভাষা নাই।

সভাত সভাপতিত্ব কৰিবৰ মোৰ যোগ্যতা নাই। মই বক্তাও নহওঁ, মই জানোঁ মোৰ এই মহাযজ্ঞৰ হোতৃত্ব কৰিবৰ পাৰ্গতালিও নাই। মই জানোঁ মোতকৈ সৰ্ব্বতোভাৱে উপযুক্ত আৰু সৰ্ব্ববিধ গুণত শ্ৰেষ্ঠ এই মহাযজ্ঞত পৌৰোহিত্য কৰিবৰ মানুহ এই অসমতে আছে। তথাপি আপোনালোকৰ মৰমিয়াল অনুৰোধ আৰু মোৰ ক্ষুদ্ৰশক্তিৰে কাম কৰিবৰ প্ৰবল ইচ্ছাই মোক এই গৌৰৱময় দায়িত্বপূৰ্ণ কাম কৰিবলৈ আগ বঢ়াই আনিছে মই নিশ্চয়কৈ জানোঁ, যে এই মহাযজ্ঞৰ পৌৰোহিত্য কৰোঁতে, এই গৌৰৱময় কাম কৰোঁতে সহস্ৰ সহস্ৰ অপৰাধ হব ত্ৰুটী হব, ভুল ভ্ৰান্তি হব; গতিকে আপোনালোকক মোৰ অনুপযুক্ততা আৰু অনভিজ্ঞতালৈ চাই মোৰ সকলো অপৰাধ আৰু ত্ৰুটী মাৰ্জ্জনা কৰিবলৈ অনুৰোধ জনালোঁ।

সমবেত সমজুৱাসকল! আপোনালোকে মোৰ এনে আধিপত্য নাই এনে যোগ্যতা নাই আৰু এনে বল নাই যাৰদ্বাৰা মোৰ কথাই কৰ্তৃপক্ষৰ ওচৰত কিবা বুজাব পাৰিব বুলি আশা কৰিব পাৰে; আৰু মোৰ এনে জ্ঞান আৰু বুদ্ধি নাই যাৰদ্বাৰা আপোনালোকৰ জটিল সমস্যাবিলাকৰ সমাধান কৰিব পাৰিম বুলি আশা কৰিব পাৰেঁ। যি হ'ক আপোনালোকৰ মৰমিয়াল অনুৰোধ মূৰত লৈ আপোনালোকৰ লগত মিলি জুলি আপোনালোকৰ ভিতৰত এজন হৈ আপোনালোকৰ সকলো প্ৰকাৰ দুখ কষ্ট আৰু অন্যায় অভিযোগৰ বিষয় আলোচনা কৰিবলৈ যে সুযোগ পাইছোঁ, সেই বাবে মই নিজকে ধন্য মানি এই গৌৰৱময় দায়িত্বপূৰ্ণ কাম কৰিবলৈ আগ বাঢ়িলোঁ।

আপোনালোকৰ সন্মিলনীৰ উদ্দেশ্যবিলাক অতি লাগতিয়াল, সাৰুৱা আৰু যুক্তিপূৰ্ণ হৈছে। এই সম্পৰ্কে মোৰ এই ক্ষুদ্ৰ অভিভাষণত জনাই নজনাই কবলৈকো ইচ্ছা আছে। কিন্তু এইবিলাক বিষয়ে আলোচনা কৰিবলৈ ওলালে পোন প্ৰথমতে আপোনালোকৰ বৰ্ত্তমান দুখ কষ্ট পূৰ্ণ অৱস্থালৈ চকুত পৰে; গতিকে আৰম্ভতে এই বিষয়ে কিছু বহলাই কোৱাটো উচিত বিবেচনা কৰি এই বিষয় টোতে হাত দিবলৈ আগ বাঢ়িলোঁ।

আপোনালোকৰ দায়িত্বপূৰ্ণ আৰু মস্তিষ্ক শোষিত কামৰ লগত আপোনালোকৰ দৰমহা মিলাই চালে মহাসাগৰৰ ওচৰত গোষ্পদৰ নিচিনা দেখা যায়। আপোনালোকক পাৰিশ্ৰমিক স্বৰূপে যি টকা দিয়ে তাৰে নিজৰ পেটৰ দুবেলা দুমুঠি ভাত কি এটা পৰিয়াল ভৰণ-পোষণ কৰাটো যে কিমান দুৰূহ তাক ভুক্তভোগী জনেহে জানে। ইয়াৰ পাছত যেমাৰ-আজাৰ পিন্ধন-উৰণ, লৰা-ছোৱালীৰ শিক্ষা-দীক্ষা আছেই। এই দৰমহাৰে জীৱন ধাৰণ কৰাটোৱে টান। আন-বিলাকৰ কথা এৰি দিলেও; শিক্ষকসকলৰ সৎপথত

থাকি তাঁৰ জুৰিবলৈ হ'লে তেওঁলোকৰ দৰমহা বৃদ্ধি হব লাগে। চৰকাৰে ৰাজহুৱে আন আন বিভাগসমূহৰ দৰমহাবোৰ বৰ্দ্ধিত কৰিব তাৰ বাবে গত বছৰ কি দহ টকাকৈ বাঢ়িব নিয়ম কৰিছিল তাক উঠাই দিলে; কিন্তু শিক্ষকসকলৰ ভাগ্যাকাশত পৰিবৰ্ত্তনৰ একো সূচনা দেখা নাযায়। বিলাই চালে দেখা যায় একে শ্ৰেণীৰ আমোলা-কেৰাণী, কেৰাণী-মহৰী আদিৰ একালে যেনে চাকৰিৰ উন্নতিৰ বাট মুকলি আনকালে বেতন বৃদ্ধিৰ সুবাবো খোলা; কিন্তু শিক্ষকসকলৰ সেই দুটাৰ এটাও সন্তোষজনক নহয়; বৰং চেম্বাৰ মৰাহে। যি গুণাগুণৰ বলেৰে এজন কেৰাণী-মহৰীয়ে যিমান বানচ পায়, শিক্ষকসকলে ততোধিক পোৱা উচিত। কিয়নো শিক্ষকসকলৰ খাটনি আৰু দায়িত্ব অতিকৈ অধিক। তেওঁলোকৰ ওপৰতে জগতৰ সন্তান সন্ততি সকলৰ প্ৰাথমিক শিক্ষাৰ ভাৰ অৰ্পিত হৈছে আৰু জগতৰ সন্তান সন্ততিৰ সুশিক্ষাৰ ওপৰতে মানুহৰ জাতীয় উন্নতি, দেশৰ উন্নতি আৰু ভৱিষ্যত সুখ-শান্তি নিৰ্ভৰ কৰে। অতি পুৰণি কালত সকলো বেদাধ্যয়ন আদি ধৰ্ম্ম শিক্ষাকেহে শিক্ষা বুলিছিল। কিন্তু বৰ্ত্তমান যুগত শিক্ষা শব্দৰ অৰ্থ বহল হৈছে শিক্ষাৰ প্ৰধান মূল তত্ব সত্যবাদিতা, স্বদেশানুৰাগ পৰস্পৰ সহানুভূতি, উদ্যম, নিৰ্ভীকতা, অকপটতা, সামাজিক ঐক্যতা আৰু সমাজৰ সদ্ব্যৱহাৰ ফুটাই লৈ সৎপথত থাকি অৰ্থ উপাৰ্জ্জনৰ বাট মোকোলাব পৰা জ্ঞান বুদ্ধিত যোগ্যতা লাভ কৰিব পৰাকে শিক্ষা বোলে। যি দেশ যিমান শিক্ষিত সেই দেশ সিমান উন্নত। এই শিক্ষাৰ ওপৰত জাতিৰ আৰু দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। যি দিনা অসমৰ গাৱেঁ ভূঁয়ে শিক্ষিত মানুহৰ সংখ্যা সৰহ আছিল সেই দিনা অসমে প্ৰাগ্‌জ্যোতিষপুৰ নামেৰে অকল অসমকে নহয় গোটেইখন ভাৰতক বেদৰ শিখাৰে উজলাই ৰাখিছিল। আজি শিক্ষাৰ অভাৱত অসমে আইক শ্ৰদ্ধাৰ বাট বিচাৰিছে। গোৱালপাৰাৰ অৱস্থাও এনে হব লগা নাছিল; গোৱালপাৰা এদিন শিক্ষাই দীক্ষাই জ্ঞানে মানে গৌৰবে বীৰ্য্যে অতুলনীয় আছিল। এদিন এই সুন্দৰ বন শ্যামল শস্য আবৃত সুশোভন বৃক্ষ লতাদি সুশোভিত, শুভ্ৰ সলিলা নদ নদী পৰিপূৰিত, বিদ্বজন নিবাসিত গোৱালপাৰাই সভ্যতাৰ উজ্জ্বল স্থান অধিকাৰ কৰি আছিল, ইয়াক বৰ্ণাবিলাকক কেন্দ্ৰ কৰি গোৱালপাৰাই কিমান উজ্জ্বল জ্যোতিষ্কৰ নিচিনা সুপ্ৰসিদ্ধ পণ্ডিতক নিজক নিজৰ জ্ঞানজ্যোতি বিস্তাৰৰ বাবে সহায়তা কৰিছিল। আজি সেই গোৱালপাৰাৰ এই অৱস্থা, এই পৰিণতি। শিক্ষা বিস্তাৰৰ অভাৱেই এই পৰিণতিৰ মাই কাৰণ।

আজি যি ঠাইত আপোনালোকে এই সন্মিলন অধিৱেশন বহাইছে, এই ঠাইৰ অৱস্থাও এনে নাছিল। বাসুগাওঁৰ 'বাসু' শব্দটোৱে ইয়াৰ চিনাকি দি আছে। বাসুগাওঁ এদিন ধনজন পৰিপূৰিত বুদ্ধিসম্পন্ন গাওঁ আছিল কালৰ সোঁতত পৰি শিক্ষাৰ অভাৱত ইয়াৰ এনে অৱস্থা।

আজি শিক্ষাৰ গুৰিয়াল শিক্ষক সমাজে একেলগে গোট খাই তেখেতসকলৰ মঙ্গল চৰ্চ্চা কৰিবলৈ গুলোৱা দেখি মোৰ মনত এই আশাৰ সঞ্চাৰ হৈছে যে গোৱালপাৰাৰ পূৰণি গৌৰৱতাৰকা উদিত হব আৰু অকল উত্তৰ গোৱালপাৰা নহয় অকল গোৱালপাৰা নহয় সমগ্ৰ অসম উপত্যকাৰ একতা বন্ধন দৃঢ় কৰি অসমীয়া জাতি গঠনত আগুৱৰ কাম কৰিব। মই জগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰোঁ। আপোনালোকৰ এই মিলন যেন ক্ষণিক নহয় চিৰন্তন হওক।

পূৰণিকালত আপোনালোকেই জাতিৰ গুৰিয়াল আছিল। দেশৰ আৰু জাতিৰ ভাল বেয়া আপোনালোকৰ ওপৰত নিৰ্ভৰ কৰিছিল। আপোনালোকৰ

শিক্ষাদীক্ষাই দেশৰ আৰু জাতিৰ আদৰ্শ ধাৰ্য্যছিল। আপোনালোকে দেশৰ আৰু জাতিৰ সমগ্ৰবিষয়ত জাতিৰ গৌৰৱ বোৱাইছিল। এতিয়াও আপোনালোক দেশৰ আদৰ্শ, জাতিৰ ভৱিষ্যত, এতিয়াও আপোনালোকৰ ওপৰতে জাতিৰ আৰু দেশৰ ভাল বেয়া নিৰ্ভৰ কৰে। আপোনালোকক আগত কৰি এতিয়াও দেশ চলিব। শিক্ষক নহলে শিক্ষা নহয়। শিক্ষক সু হলে শিক্ষা সুন্দৰ আৰু শিক্ষক কু হলে শিক্ষাও কু হয়। কু শিক্ষাই দেশক আৰু জাতিক আনৰি ধৰি দেশ আৰু জাতিক অৱনতিৰ শেষ সীমালৈ লৈ যায়। সৃষ্টিৰ কালৰে পৰা শিক্ষক আছে আৰু প্ৰলয় কাললৈকে থাকিব। শিক্ষক আৰু ছাত্ৰ গুৰু আৰু শিষ্যৰ সম্বন্ধ মধুৰ। শিক্ষকৰ ছাত্ৰৰ প্ৰতি যেনে কৰ্তব্য আছে ছাত্ৰৰ ও শিক্ষকৰ প্ৰতি তেনে কৰ্তব্য আছে। মই জানো আপোনালোকক যি দৰমহা দিয়া হয় সি আপোনালোকৰ কামৰ দায়িত্ব আৰু কৰ্তব্যৰ পৰিমাণতকৈ বহুত কম। কিন্তু তেনেহলেও আপোনালোকে কৰ্তব্য ভ্ৰষ্ট নহব। আপোনালোকে বেতন কম পোৱাৰবাবে সংঘ বদ্ধ হৈ কৰ্তৃপক্ষক খাটিব লাগিব; সংঘ বদ্ধ নহলে কোনো কাম নহয়। আপোনালোকে জানে "তৃণৈৰগুণত্বমাপন্নৈৰ্বধ্যন্তে মত্ত দন্তিনঃ"। ইংৰাজীতো কথা এটা আছে United we stand divided we fall" আজি বিশ্বব্যাপী সংঘৰ দিন। সংঘ বদ্ধ হৈ কাম কৰিলে সেই কামৰ ফল অচিৰে পোৱা যায় আৰু সংঘক সকলোৱে সম্ভ্ৰম কৰে।

আজি আপোনালোকক ইয়াত সংঘ বদ্ধ হোৱা দেখি মোৰ মনত এনে ভাব হৈছে যে আজি বিশ্ব ব্ৰহ্মাণ্ডৰ চাৰিওফালে যি জাগৰণৰ ঢৌ আহিছে সেই ঢৌৰ স্পন্দনে আপোনালোকক পাইছে। আমাৰ সূৰ্য্য এবি দিয়ক; গ্ৰহ উপগ্ৰহবিলাকো নিজ নিজ কক্ষত আৱৰ্তন, বিবৰ্তন আৰু উন্নতিৰ চেষ্টা কৰিছে। বৰ্তমান সময়ত ... এটা সুন্দৰ ... উদীপনা আৰু নতুন স্পন্দনৰ অনুভূতি পোৱা গৈছে। জড়িত হৈছে যেন ভাব ... হৈ ... ভাব দেখুৱাই পোৱা যায়। আজি ... তিনি হাজাৰ শিক্ষক ... নিজ নিজ অৱস্থাত সন্তুষ্ট হৈ জড়ভাৱত হৈ থাকিব; এই কথা ভাবিলে মনত বেজাৰ লাগিব লাগিছে। আন্দোলন, আলোচনা নহলে কোনো কাৰ্য্যত সফল হব নোৱাৰি। প্ৰতিচেষ্টা প্ৰতিকৰ্ম্মৰ এটা ফল আছেই, এই চেষ্টাৰ ফলত এই কৰ্ম্মৰ বলত আজি গোৱালপাৰা জিলাৰ শিক্ষকসকল একতা সূত্ৰত গ্ৰথিত হৈ ইয়াত একত্ৰীভূত হৈ সমগ্ৰ শিক্ষক মণ্ডলীৰে অভাব অভিযোগৰ আৰু আন আন বিষয়ৰ আলোচনা কৰি সেইবোৰ অভাব অভিযোগৰ প্ৰতিকাৰৰ নিমিত্তে কৰ্তৃপক্ষক জনাই আৰু ভাঙি ধৰা প্ৰস্তাববিলাক চাৰিওফালে পঠিয়াই চৰকাৰৰ সহানুভূতি আকৰ্ষণৰ চেষ্টা কৰিছে। আপোনালোক কৰ্ম্ম কৰে তো, ফলদাতা সৰ্বশক্তিমান সৰ্ব্বনিয়ন্তা ভগৱন্ত। আপোনালোকে কাম কৰি যাওক ভগৱানক স্মৰণ কৰি। আপোনাকে চাব আপোনালোকৰ চেষ্টা, আপোনালোকৰ আন্দোলন আপোনালোকৰ কৰ্ম্মপ্ৰয়াস ব্যৰ্থ হোৱা নাই। আজি যি বীজ উপ্ত কৰিলে এই বীজ অচিৰে শাখা প্ৰশাখা ফল পুষ্প পৰি শোভিত বৃহৎ বৃক্ষত পৰিণত হৈ সকল শিক্ষক মণ্ডলী সহ সমগ্ৰ অসমীয়া জাতিৰ উপকাৰ সাধন কৰিছে। আপোনালোকে জানে আজি কালিৰ দিনত ভাল কৰি থবিব নোৱাৰিলে অভাব অভিযোগৰ প্ৰতিকাৰ নহয়, আৰু অৱস্থাৰ উন্নতি নহয়। আপোনালোকে যদি সংঘ বদ্ধ হৈ হিন্দু মুছলমানৰ ভেদাভেদ পাহৰি এখন শিক্ষকৰ ছাপ, বই, বিপদ শিক্ষক সমাজৰ

দুঃখ কষ্ট বিপদ বুলি ভাবে, যদি সভা সমিতি কৰি আপোনালোকৰ অভাৱ অভিযোগ কৰ্ত্তৃপক্ষক জনাই থাকিব কাকতৰ জৰীয়তে আপোনালোকৰ অৱস্থাৰ কথা চাৰিও ফালে প্ৰচাৰ কৰি দহৰ আৰু দেশৰ সহানুভূতি আকৰ্ষণ কৰিব পাৰে, চৰকাৰ হলে কৰ্ত্তৃপক্ষৰ ওচৰলৈ আপোনালোকৰ অভাৱ অভিযোগ জনাবৰ নিমিত্তে Deputation পঠাব পাৰে আৰু Councillor সকলৰ যোগে Councilত আপোনালোকৰ অভাৱ অভিযোগ ব্যক্ত কৰিব পাৰে তেনেহলে মই ডাঠি কব পাৰোঁ, কৰ্ত্তৃপক্ষ আপোনালোকৰ এই বৰ্ত্তমান অৱস্থালৈ চকু নিদি নোৱাৰে। ইয়াত আৰু এটা কথা কব খুজোঁ। Councillor মনোনীত কৰোঁতে আপোনালোকৰ যি মেম্বৰ হলে আপোনালোকৰ দুঃখ কষ্টৰ কাহিনী Councilত ব্যক্ত কৰিব, যি আপোনালোকক জখলা কৰি Councilত গৈ আপোনালোকৰ কথা পাহৰি নেযায় তেনেকুৱা মানুহক Councilত পঠাবৰ দিহা কৰিব লাগিব। আপোনালোকৰ অৱস্থাৰ উন্নতিৰ বাবে চাৰিওফালৰপৰা চেষ্টা কৰিব লাগিব। কাৰণ আপোলোকে জানে "উদ্যোগিনং পুৰুষসিংহ মুপৈতি লক্ষ্মীঃ"।

মই বুজিব নোৱাৰোঁ যি শিক্ষকৰ ওপৰত ভাৰতৰ জাতি গঠনৰ ভাৰ অৰ্পিত হৈছে সেই শিক্ষকৰ মাহিলী বানচ ১২৲ টকাৰ বেচি নহয়। এই ১২৲ টকা দৰমহাৰ ওপৰত নিৰ্ভৰ কৰি নিশ্চিন্ত হৈ এজন শিক্ষকে কেনেকুৱাকৈ নিজ কৰ্ত্তব্য সাধন কৰিব পাৰে? তাৰ চিন্তা কৰিলে চকুলো ওলায়। কিন্তু যে কৰ্ত্তৃপক্ষৰ এনে লাগতিয়াল অঙ্গৰ ওপৰত চকু পৰা নাই, কিন্তু যে কৰ্ত্তৃপক্ষই আপোনালোকৰ দৰমহা বঢ়োৱা নাই তাক মই ভাবিয়ে নাপাওঁ। চৰকাৰৰ ৰাজ্যতন্ত্ৰৰ খেলা চৰকাৰেহে ভালকৈ জানে! আপোনালোকক এনে তাকৰ দৰমহাত নানা ৰকম অসুবিধা ভোগ কৰি এইবিলাক দায়িত্বপূৰ্ণ কাম কৰি থকা দেখিলে এনে মানুহ নাই যাৰ মনত বেজাৰ নালাগে আৰু আপোনালোকৰ প্ৰতি সহানুভূতি নোপোজে। যোৱা অসহযোগ আন্দোলনৰ সময়ত গোৱালপাৰা জিলাৰ শিক্ষক সমাজ ইমান অসুবিধা ভোগ কৰা সত্বেও তেখেতসকলৰ সহযোগিতা প্ৰশান্ত মহাসাগৰৰ দৰে স্থিৰ আছিল। কৰ্ত্তৃপক্ষৰ এই শিক্ষক সমাজৰ প্ৰতি উদাসীন হৈ তেখেতসকলৰ মনত অসন্তোষৰ গছ গজাব দিয়াটো উচিত নহয়।

আপোনালোকবো আপোনালোকৰ কল্পনাক আৰু জল্পনাক কামত পৰিণত কৰিবলৈ হলে আপোনালোকক অসম উপত্যকা শিক্ষক সন্মিলনীৰ লগত সংযুক্ত হৈ এই সন্মিলনী খনৰ গুৰি শকত কৰিব লাগে। আৰু যাই সভাৰ বলেৰে ইয়াক পুৰঠ কৰিব লাগে আৰু এই সভাখনৰ সভ্য সংখ্যা বঢ়াই এই সভাখনৰ পৰিপুষ্টি সাধন কৰোক। আৰু এই সভাখনৰ ধন ভঁৰাল টনকিয়াল কৰি এই সভাৰ এখন মুখপত্ৰ উলিয়াই সভাৰ উদ্দেশ্য আৰু আপোনালোকৰ অৱস্থাৰ কাহিনী জগতত প্ৰচাৰ কৰোক। আপোনালোকৰ সমবেত চেষ্টা আৰু সদিচ্ছাত ভগৱন্তৰ আশীৰ্ব্বাদ কেতিয়াও ব্যৰ্থ নহয়। আপোনালোকৰ সন্মিলনখনৰ ভেটি ডাঠ কৰি বান্ধি লৈ যুক্তি তৰ্ক-পূৰ্ণ সাৰুৱা প্ৰস্তাৱ ডাঙি ধৰি কৰ্ত্তৃপক্ষক জনাই থাকোক। কৰ্ত্তৃপক্ষই আপোনালোকৰ সভাৰ সাৰুৱা যুক্তিতৰ্ক পূৰ্ণ প্ৰস্তাৱ অগ্ৰাহ্য কৰিব নোৱাৰে, ইটো আন্দোলনৰ যুগ। আন্দোলন নকৰিলে ঘনাই ঘনাই সভা সমিতি নকৰিলে আপোনালোকৰ চেষ্টা উদ্যম আৰু কৰ্ম্ম ফলপ্ৰসূ নহব।

জগতত ভাল বেয়া দুয়ো আছে। আপোনা-

লোকৰ ভিতৰত যিখিনি বেমা আছে তাক গুচৰাই লৈ আবৰ্জনা দূৰ কৰিব নোৱাৰিলে কৰবাত এই আবৰ্জনা ৰাশিয়ে কচুৰীদলৰ দৰে আপোনালোকক আৰু আপোনালোকৰ সমিতি খনক গ্ৰাস কৰি আপোনালোকৰ সকলো চেষ্টা ব্যৰ্থ কৰিব।

এই খিনিতে আপোনালোকৰ দুখ কষ্টৰ অভাৱ অভিযোগৰ সামৰণি মাৰি আপোনালোকক আমনি নলগা কৰি কিছুমান লাগতিয়াল কথা আপোনালোকৰ আগত ডাঙি ধৰিব খোজোঁ।

আপোনালোকে ৰাইজৰ এজন, সমাজৰ এজন আৰু জাতিৰ এজন। আপোনালোকৰ চৰকাৰৰ প্ৰতি যেনে এটা কৰ্ত্তব্য আছে, ৰাইজৰ প্ৰতি সমাজৰ প্ৰতি, জাতিৰ প্ৰতিও তেনে এটা কৰ্ত্তব্য আছে। কিয়নো জাতি, সমাজ আৰু ৰাইজ উন্নত আৰু সমৃদ্ধিশালী হলে আপোনালোকেও উন্নত আৰু সমৃদ্ধিশালী হব। আপোনালোকে গাওঁত থাকি আপোনালোকৰ কৰ্ত্তব্য সম্পাদন কৰে। গাওঁৰ সুখ দুখৰ লগত আপোনালোকৰ সুখ দুখ জড়িত হৈ আছে। আপোনালোকে গাওঁবিলাকৰ ফালে চকু দিলে দেখিব সেই ভাহানি কালৰ সবলতা পূৰ্ণ শান্তি বিৰাজিত বিতোপন বৃক্ষতাদি শোভিত, স্বচ্ছ-বাৰিৰাশি-পূৰিত দীৰ্ঘিকাখচিত শিক্ষিত সমাজ অধ্যুষিত স্বচ্ছলতাপূৰ্ণ বেহা বেপাৰোপযোগী স্বাস্থ্যকৰ সদানন্দ গাওঁবিলাকত এতিয়া সবলতা আৰু শান্তিৰ ঠাই মালি মোকৰ্দ্দমা বাদ বিসম্বাদ, দলাদলি, কাতৰতা, দ্বেষহিংসা, পৰনিন্দা, পৰচৰ্চ্চাই আধিপত্য কৰিছে। বিতোপন বৃক্ষলতাদি এতিয়া মহাৰণ্যত পৰিণত হৈছে, স্বচ্ছ বাৰিৰাশি পুৰিত দীৰ্ঘিকা এতিয়া বোকা আৰু শৈবালেৰে ভৰপূৰ হৈ মেলেৰিয়া আৰু কলাজ্বৰৰ আকৰ হৈছে। সচ্চলতাৰ ঠাইত দাৰিদ্ৰ ৰাক্ষসী গাওঁবিলাকক ধ্বংস কৰিছে। স্বাস্থ্যৰ ঠাইত অস্বাস্থ্যই তাণ্ডৱ নৃত্য কৰিছে। মানুহক বল-বীৰ্য্য তেজ হীন কৰি গোটেই জাতিটোক ক্ষীণৰপৰা ক্ষীণতৰ কৰিছে। বেহা বেপাৰোপযোগী গাওঁবিলাকত আলি পদূলিৰ অভাৱ হৈছে। সদানন্দৰ ঠাইত নিৰানন্দই ৰাজত্ব কৰিছে। সু-শিক্ষাৰ ঠাইত কুশিক্ষা প্ৰবল হৈ পৰিছে। কানি ভাং, মদ আৰু আন আন মাদক দ্ৰব্যই গাওঁবিলাকত অজগৰ সাপৰ নিচিনা সাপটি মাৰি লাহে লাহে কঙ্কাল সাৰ কৰি ধ্বংসৰ বাট মুকলি কৰিছে। ঘৰবপৰা লাহে লাহে ভাঁত শাল উঠি গল। পৰকীয়া সভ্যতাই অসমীয়া সভ্যতাক গাওঁৰপৰা খেদিলে। এইবিলাক দেখিলে আপোনানালোকৰ দুখ নোপজেনে? আপোনালোক গাওঁৰ ডাক্তৰ, শান্তিৰক্ষক আৰু বিচাৰক। আপোনালোকৰ কৰ্ত্তব্য বহুতো। আপোনালোক গাওঁৰ সকলো কামৰ আগ শাৰীত। আপোনালোক গাওঁলীয়া সমাজৰ নেতৃস্থানীয়। আপোনালোকে গাওঁলীয়া মানুহক উপদেশ দি তেওঁলোকৰ মাজত শিক্ষা বিস্তাৰ কৰি স্বাস্থ্যোন্নতিৰ আলোচনা কৰি দলাদলি, বাদবিসম্বাদ আৰু মালিমোকৰ্দ্দমাৰ মীমাংসা কৰি পৰস্পৰৰ মাজত মিলাপ্ৰীতি আৰু সৌহাৰ্দ্দ্য-স্থাপন কৰি আলি পদূলিৰ অভাৱ আৰু খোৱা পানীৰ অসুবিধাকে আদি কৰি নানা আৱশ্যকীয় অভাৱ দূৰ কৰাৰ সুব্যৱস্থা কৰি, গৃহশিল্পৰ উন্নতি আৰু বিস্তাৰৰ নিমিত্তে গাওঁলীয়া ৰাইজক উৎসাহ দি আৰু নিজৰ আদৰ্শ দেখুৱাই কানি, ভাং, মদ আৰু আন আন মাদক দ্ৰব্য বৈধ উপায়েৰে পৰিহাৰ কৰিবৰ নিমিত্তে সহায় কৰি নিজ দেহক দেশজাত বস্ত্ৰেৰে আৰু আৰু নিজ হৃদয়ক দেশ প্ৰেমেৰে ভূষিত কৰি ৰজা প্ৰজাৰ ভিতৰত সামঞ্জস্য স্থাপন কৰি জাতি গঠনৰ সহায় কৰি দেশ আৰু দহৰ শ্ৰদ্ধাৰ ভাজন হৈ

সমগ্ৰ অসমীয়া জাতিৰ সহানুভূতি লাভ কৰি যেন এই সন্মিলনৰ উদ্দেশ্য সফল কৰে।

আপোনালোকৰ প্ৰতি কৰ্ত্তৃপক্ষসকলৰ উদাসীন-তাৰ কথা অলপ আগতে উনুকিয়াই থৈছোঁ। এতিয়া অলপ বহলাই নকলে কিবা যেন বাকী থাকি যাব বুলি মোৰ মনত ধৰে। গতিকে মোৰ অভিজ্ঞতাৰে যিখিনি বুজিছোঁ কৰ্ত্তৃপক্ষসকলৰ শিক্ষক সমাজৰ প্ৰতি উদাসীনতাই ছাত্ৰবিলাকৰ প্ৰতিও একে ভাৱ বোৱাইছে। নিম্ন প্ৰাইমাৰী স্কুলবিলাকত ছাত্ৰসকলক ধাৰিত বহি অৱস্থাৰ বিপৰ্য্যয় ঘটিলে মাটিত বহিও পঢ়িব লগাত পৰে আৰু যদি দৈৱ বিড়ম্বনা অলপ যোগ হয় তেনেহলে ওপৰৰ পানী আৰু তলৰ বোকাৰ মাজত ত্ৰিশঙ্কু হৈ ছাত্ৰবিলাকে পঢ়া শালিত পাঢ়ব লগাত পৰে। ইয়াৰ অৱশ্যম্ভাৱী ফল বেমাৰ ভোগ কৰিব লগা হয়। এনে স্থলত কৰ্ত্তৃপক্ষক খাটো যি ছাত্ৰৰ ওপৰত দেশৰ আৰু জাতিৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে সেই ছাত্ৰসকলে যাতে পঢ়াশালিত শিক্ষাৰ নিমিত্তে আহি শিক্ষাৰ ফল বেমাৰ লৈ নাযায়। যি প্ৰণালীত আজি কালি শিক্ষা দিয়া হয় ইটো জাতি গঠনৰ বাবে অক্ষুণ্ণ প্ৰণালী নহয়। জাতিৰ উন্নতিৰ লগে লগে ইয়াৰ সালসলনি হবলগীয়াত পৰিছে। প্ৰতি পঢ়া-শালিত এখন লাইব্ৰেৰী আৰু সেই লাইব্ৰেৰী খন আধুনিক সাহিত্যৰে ভৰপূৰ কৰা আৰু এখন দৈনিক বাতৰি কাকত দিয়াটো কৰ্ত্তৃপক্ষক নকলেও স্বতঃ প্ৰবৃত্ত হৈ দিয়াটো যুগুত। কিয়নো পঢ়াশালি শিক্ষাৰ পথ দেখুৱাই দিয়ে আৰু লাইব্ৰেৰী সেই স্থান। স্কুলবিলাকত পাশ্চাত্য দেশৰ নিচিনা ম্যাজিক লণ্ঠনৰ সাহায্যেৰে স্বাস্থ্যবিজ্ঞান আৰু আন আন দেশৰ ছাত্ৰবিলাকে কেনেদৰে চলিছে আৰু জাতি গঠনৰ সহায়ক, আন আন লাগতিয়াল বিষয় বুজাই দি ছাত্ৰসকলৰ লগে লগে দেশ আৰু জাতিৰ সৰ্ব্বাঙ্গীণ উন্নতিৰ বাট দেখুৱাই দিয়াটো আৰু বছৰেকত এবাৰ পুৰস্কাৰ বিতৰণ কৰি ছাত্ৰসকলক শিক্ষাৰ ফালে উৎসাহিত কৰাটো সৰ্ব্বতোভাৱে কৰ্ত্তব্য। আৰু আপোনালোকৰ যি নানাবিধ অসুবিধা ভোগ কৰিব লাগে কৰ্ত্তৃপক্ষই তাক দূৰ কৰি যেন আপোনালোকৰ ভিতৰত কৰ্ম্মপ্ৰৱণতা জন্মাই দিয়ে।

মই আগতে গাই থৈছোঁ যে মই চৰকাৰী কৰ্ম্ম-চাৰী নহওঁ আৰু চৰকাৰীসকলৰ অভাৱ অভিযোগৰ কথা মই ভাল কৰি নাজানোঁ। মই আগতে ইয়াকো কৈ থৈছোঁ যে মোৰ সভাপতিত্ব কৰিবৰ যোগ্যতা নাই। মোৰ কথা বিলাকত ভাষাৰ সাদৃশ নাই, কল্পনাৰ কল্প নাই, ভাৱৰ প্ৰভাৱ নাই, অল-ঙ্কাৰৰ ঝঙ্কাৰ নাই, ছন্দৰ মূৰ্চ্ছনা নাই। ই কৰ্ম্ম জীৱনৰ কথা। ই মৃত্যুৰ পৰিসমাপ্তিলৈকে পলৰ পৰা পল, দণ্ডৰপৰা দণ্ড, দিনৰপৰা দিন মাহৰপৰা মাহ, বৎসৰপৰা বৎসৰ চলি থাকিব। ইয়াত ভাবুক বা দাৰ্শনিকৰ ঠাই নাই। ইয়াত আছে কৰ্ম্মৰ চেপা আৰু মৰ্ত্ত্যৰ হাই উৰুমি। মই মোৰ অলাগ-তিয়াল কথাৰে আপোনালোকক আৰু আমনি লগাব নোখোজোঁ।

সামৰণিত সৰ্ব্বমঙ্গলময় ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰোঁ। যেন তেওঁৰ অপাৰ কৰুণা ধাৰা আপোনালোকৰ এই সন্মিলন খনৰ ওপৰত বৰ্ষি ইয়াক চিৰন্তন কৰি ৰাখে আৰু আপোনালোকৰ কৰ্ত্তব্যত সহায়তা কৰি আপোনালোকৰ দুখ কষ্ট দূৰ কৰি চৰকাৰৰ আৰু ৰাইজৰ সুদৃষ্টি আপোনালোকৰ ওপৰত পেলাই আপোনালোকক উন্নতি সৌধৰ ওপৰত বহাই উজ্জ্বল কৰি ৰাখে।

গোলাপ।

গিৰি আৰু কৈলাসৰ ওপৰেদি উৰি
ঘূৰিফুৰা মেঘ যেন অনাই বনাই,
ভ্ৰমোঁতে অকলে মই, এহ ঠাই ঘূৰি
দেখিলোঁ গোলাপ কত সীমা সংখ্যা নাই;
বিলৰ পাৰত বই গছৰ তলত
হালি জালি নাচি থকা ধীৰ বতাহত।

হাতী পটি এটি শোভি অগণন তৰা
তিৰ্ বিৰ্ কৰি নাচে চকু পিৰিকাই;
দীঘল এশাৰী ফুল বহু বাট জোৰা
সেইদৰে আছে ফুলি পাৰ ঢাক খাই;
কত শত ফুল মই দেখিলোঁ আগত
মূৰ তুলি হালি জালি, নচা সমিৰত।

থিতাতে আছিল নাচি সক ঢৌবোৰ
ফুলৰ আনন্দ কিন্তু অতি অনুপম.
দেখিলে কবিও হয় ৰঙত বিভোৰ
ৰাঙ চালি গোলাপৰ লক্ত এনে সদ;
থৰ হই চাইছিলোঁ ভক হলো নাই
সি দৃশ্যই কি সম্পদ দিলেহি বতাই।
তথাপি পাটিত পৰি যেতিয়া নিৰলে
আকাশ পাতাল মই গুণো নানা কথা,
বিজুলী লতাৰ দৰে অন্তৰত জ্বলে
সেই চিত্ৰ; তোমাৰেই কৃপা নিৰ্জ্জনতা।
তেতিয়া অন্তৰ মোৰ ভৰে হৰষেৰে
নাচি উঠে হালি জালি গোলাপ ফুলেৰে।

শ্ৰীদেবেন্দ্ৰনাথ দাস।

মণিপুৰ ভ্ৰমণ।

(আগৰ সংখ্যাৰ পাচৰপৰা)

আবেলি বজাৰ ফুৰিবলৈ ওলালোঁ। তাতে এজন কটন কলেজৰ মণিপুৰী ছাত্ৰ লগ পালোঁ। আৰু তেখেতৰে লৈতেই গৈ মণিপুৰৰ উদ্যোগী কৰ্ম্মী শ্ৰীযুত লোৰেণ সিং বাবুৰ ঘৰ পালোঁ। তেখেতে অতি আদৰ সাদৰ কৰি আমাক শুশ্ৰূষা কৰিলে আৰু এদিন তেখেতে নিজে আমাক লগত লৈ নগৰখন ঘূৰি আনন্দ পাম বুলি আমাক কথা দিলে। তেখেতৰ তাৰপৰা বিদায় লৈ সেই আকস্মিক পৰিচিত বন্ধু জনৰেসৈতেই ফুৰি ফুৰোঁতেই আমাৰ মণিপুৰৰ দিন কেইটা কটাবলৈ তালিকা কৰিলোঁ। যেনে:— ২য় দিনা লোক্‌টাক্ হ্ৰদ চোৱা, ৩য় দিনা ৰজা আৰু ৰাজধানী দৰ্শন, ৪ৰ্থ দিনা ইম্ফল ফুটবল টাউন ক্লাবৰ লগত এখন নম্বুতাৰৰ ফুটবল খেল। এই সময়তে আৰু কেইবাজনো আন মণিপুৰী ছাত্ৰই আহি আমাৰ লগ ললেহি। সকলো বিলাকেই গোট খাই সন্ধ্যা পৰত আমাৰ বাহাৰত বহি কথাৰ মহলা মাৰিবলৈ ধৰিলোঁ। ৰাতি ন বজা মান সময়ত তেখেতসকলে বিদায় ললে। আজি ভাতৰ কোনো বন্দবস্ত নকৰি, চাহ জলপান খাই, বঙালী বজাৰত থিয়েটাৰ চাবলৈ গলোঁ। অৱশ্যে

কেইজন মান নগণ্য। অভিনয় হৈছিল "মন্ত্ৰশক্তি" নাটকৰ। আমি ৰঙ্গমঞ্চ উচিত সময়ৰ পাচত পাই- ছিলোঁ হৈ যদিও বহা মেজৰ বিশেষ অসুবিধা নেপাই- ছিলোঁ। অভিনয় মহলা যিমান তৃপ্তিকৰ নহৈছিল যদিও সেৱা-শুশ্ৰূষাৰ বান্ধত পৰিয়ে আমি এৰাই আহিব নোৱাৰা হৈছিলোঁ। তিনি বজা সময়ত অভিনয় শেষ কৰি আহি ঘৰ পালোঁহি আৰু বাকী পৰ নিশা শুই থাকিলোঁ।

ৰাতি পুৱাল। সেই পুৱাটো মাৰোৱাৰীৰ তাতে চাহ মেল পাতিছোঁ; এনেতে ইম্ফল ৰেজিমেণ্ট অফিচৰ একাউণ্টেণ্ট কেৰাণী শ্ৰীযুত ধীৰেশ্বৰ চৌধুৰী ডাঙৰীয়াই আমাক লগ ধৰিছে। তেখেতে অসমীয়া মানুহ পাই অপাৰ আনন্দ পালে আৰু তেখেতৰ পৰাই আমিও ছুদ চাবলৈ বিশেষ পৰামৰ্শ বিচাৰিলোঁ। তেখেতে সেই সময়ত ছুদলৈ যোৱা কষ্টকৰ বুলি কোৱাত আমিও "বুঢ়াৰ কথা মুগুনা ডেকা টানত পৰি কেকা" বাক্যলৈ মনত পেলাই ছুদ চোৱা লোভ সামৰি পেলালোঁ। তেখেতে আমাক সিদিনা দুপৰীয়া খাবলৈ নিমন্ত্ৰণে জনালে। এতিয়া আৰু আমাক খাবলৈ মতা নিমন্ত্ৰণ ছুদলৈ যাবলৈ নোপোৱা বেজাৰ তেনেই তল পেলালে। আগ দিনাৰ দৰে গা-পা ধুই খাবলৈ গলোঁ। খোৱা আগ দিনাৰ দৰেই হৈছিল আৰু তেখেতৰ আস্বাসো ততোধিক। খোৱাৰ শেষত তেখেতৰ সৈতে অনেক আলাপ; এই আলাপ প্ৰসঙ্গতে গধূলিলৈ আমাৰ সকলোটিকে ৰেজিমেণ্টৰ চিপাহীবিলাকৰ পূজা স্থলীৰ আয়োজিত অভিনয়লৈ নিমন্ত্ৰণ জনালে। দিনৰ বাকী সময়খোৰ ইফালে সিফালে ফুৰি কটাই গধূলি অভিনয় স্থানলৈ গলোঁ। তাত প্ৰজাৰ হেন্দোল্-বান্দোল্। চিপাহীবিলাকে তেওঁলোকৰ পৰিচিত জনৰ বাহিৰে কাকো তাত সোমাবলৈ নিদিয়ে। আমিও অচিনাকি কাজেই একে দশা। অলপ পাচতে চৌধুৰী ডাঙৰীয়াৰ যত্নত তাত সোমালোঁ। অভিনয় আছিল "কুলকুমাৰ" ভাষা হিন্দী। অভিনয় স্থানত আমাৰ কমাণ্ডাৰ চাহাব মিঃ হিগিনচ্ আদি কৰি জন দিয়েক চাহাবকো দেখা গৈছিল। দৰ্শকৰ পয়োভৰ অতি বেচি আছিল। অতি সোনকালে তাৰ পৰা আহি শুই থাকিলোঁ।

১৭ অক্টোবৰ। পুনৰ সেই মাৰোৱাৰীৰ তাতে চাহ তাহ খোৱাৰ পাচতে শ্ৰীযুত লোকেশসিং ডাঙৰীয়াই নগৰ দেখাবলৈ বুলি আমাক লৈ গৈছে। প্ৰথমে মণিপুৰী ৰজাৰ ভগ্নাৱশেষ চাবলৈ গৈ দেখিলোঁ ইয়াৰ কেৱল তিনিখন বাল আৰু শ্ৰীশ্ৰীগোবিন্দজীৰ মন্দিৰ আছে। বালৰ নিচেই ওচৰতে অৰ্জুন বভ্ৰুবাহনৰ যুদ্ধত পাতালৰপৰা নাগমাটি অনা বাটটো। ই বৰ্ত্তমানে এটা প্ৰকাণ্ড শিলেৰে ঢকা হৈ আছে। ইয়াৰ পাচত ওচৰতে ইম্ফাল নদী পাৰ হৈ বৰ্ত্তমান মণিপুৰ ৰজাৰ চুৰাচান্দ নগৰ সোমাইছোঁ। নগৰৰ মুখৰ মুকলি পথাৰৰ আন ফালতে শ্ৰীযুত সিংহ ডাঙৰীয়াৰ অশেষ যত্নত স্থাপিত হোৱা চুৰাচান্দ হাইস্কুল। তেখেতে আমন্দেৰে স্কুলখনিত এপাক ঘূৰাই নগৰলৈ লৈ গৈছে। ৰাজ বাটৰ কাষতে ৰজাৰ ১২ চকৰিৰ ৰথখনৰ সজাটো পৰি আছে। এই ৰথ কেইবাটাও হাতীয়েহে টানে।

সাগৰ সোমাই গোবিন্দজীৰ মন্দিৰ আৰু মূৰ্ত্তি চাবলৈ সোমালোঁ। দেশৰ চলিত প্ৰথা মতে যোতা-মোজা অপনাৰ মুখতে খুলি থৈ গৈছিলোঁ। মন্দিৰৰ ওপৰত দুটা ডাঙৰ কলচী; এই দুটা সোণেৰে পানী চৰোৱা। মূৰ্ত্তি সেৱা কৰিছিলোঁ, সন্মুখেদি নতুন মূৰ্ত্তিলৈ সমকোণ ভাৱে। তাৰপৰা আহি ৰজা চোৱাৰ অভিপ্ৰায়ত বাধা পৰিল, খোৱাৰ সময় পলম হল বুলি। তাৰ পাচত ওচৰতে থকা প্ৰায় ৪০০ মান বছৰৰ আগতে প্ৰতিষ্ঠিত হোৱা হনুমানজীৰ মন্দিৰত সোমালোঁ। এই মন্দিৰৰ

নিচেই ওচৰতে থকা হাবিত অসংখ্য বান্দৰ আছে। এই দৰেই গোটেই নগৰখন ভালকৈ এপাক দিয়া হল। প্ৰায় ১২ মান বজা সময়ত এটা টিলাত উঠি নগৰৰ দৃশ্যটো দূৰৰপৰা নিৰীক্ষণ কৰিবলৈ সুবিধা পাইছিলোঁ। ইয়াৰ পৰাই আমি বাহাৰ মুখী হলোঁ। তাতে এমুঠি কোনো ৰকম খাই তিনি চাৰি ঘণ্টা মানহে জিৰণি ললোঁ। গধূলি পৰত প্ৰায় সকলোবিলাকেই বজাৰ কৰিলোঁ, আন কেনিও ফুৰা নহল।

১৮ অক্টোবৰ ; বজাৰ বাৰীত হোৱা "ক্কাক যাত্ৰা" যাত্ৰালৈ বজা নিজে ওলাব। বজা চোৱাৰ ভাবেৰে পুৱাৰেপৰাই খোৱা বোৱাত খৰধৰ কৰি লাগি গৈছোঁ। প্ৰায় ১০ মান বজা সময়ত বজাৰ বাৰীলৈ যাত্ৰা কৰিলোঁ। যাত্ৰাস্থলী পাই একমাত্ৰ বজাৰ আগমনলৈ বাট চাই আছোঁ। সঁচা কথা, মাছ খাই ভাগৰো মাভাগাৰো কণী খাই হলে ভালকৈ ভাগাৰিলোঁ, কাৰণ দিনৰ দুই বজা মানতহে বজাই যাত্ৰাভিমুখী হৈছিল। বজা ওলাওঁতে বিশেষ আন্দোলন হৈছিল। এই আন্দোলনৰ মাজেদি মন্ত্ৰী আহি প্ৰথমে যাত্ৰা ঘৰত বহিলহি। তেখেত বৰ্ত্তমান বজাৰ ককায়েক। ইয়াৰ পাচত বজাই প্ৰজাৰ হেন্দোল্ বান্দোলৰ মাজেদি যাত্ৰা ঘৰত সোমালহি। তলতীয়া বিষয়াবিলাকে সাষ্টাঙ্গে প্ৰণাম কৰিছে। দুই চাৰিজন সৈনিকে কেইটামান খেলা কৰাৰ পাচত বজাই ৫ ঘণ্টা মান বহি যাত্ৰা ঘৰৰপৰা ওভতিল। যাত্ৰাৰ ঘৰবিলাক সৰ্ব্বসাধাৰণ ভাবেহে কৰা হৈছিল। বজা মন্ত্ৰী দুয়োজনেই সেই দিনা যাত্ৰা স্থলীলৈ নীলা সাজ-পোছাক পিন্ধি ওলাইছিল। যাত্ৰাস্থলীৰ পৰা প্ৰায় আধা মাইল বাট আহোঁতেই ১ ঘণ্টামান সময় লাগিছিল। প্ৰজাৰ হেন্দোল্-বান্দোলত নিজৰ ইচ্ছামতে এটা খোজকে দিব নোৱাৰা হৈছিলোঁ।।

বাহাৰ পালোঁহি। সেইদিনা বিজয়া দশমী। মণিপুৰত পূজা বিসৰ্জ্জন সদায় নিশা হয় আৰু মণিপুৰীবিলাকে তাক "নৌকা যাত্ৰা" বোলে। এই নৌকা যাত্ৰাও অতি আমোদজনক বুলি শুনিছিলোঁ। কিন্তু আমি দিনৰ ভাগৰত পৰি আৰু পিছদিনা পুৱা ঘৰলৈ আহিব লগা হোৱা বাবে যাত্ৰা চাবলৈ আৰু আগ বাঢ়িব নোৱাৰিলোঁ। খোৱা-বোৱা শেষ কৰি শুই থাকিলোঁ। পিছদিনা ৰাতি পুৱাস। সোনকালে লড়ীৰ বন্দবস্তত লাগি গলোঁ। ইহাতে খোৱাৰ বন্দবস্তৰ কাৰণে সেই পৰিচিত মাৰোৱাৰী জনকে আদেশ দিলোঁ। দুখৰ বিষয় মাৰোৱাৰীয়ে আগধন নাপালে আমাৰ আদেশ গ্ৰহণ নকৰে। নিৰুপায় হৈ আগ ধন দি চাহ-লুচিৰ বন্দবস্ত কৰিলোঁ। কিন্তু ইমানতো দুৰ্ভগীয়াহঁতৰ কপালে নাটিলে। লৰীবালাইতে "জল্‌দি আও, জল্‌দি আও, লড়ী ছাৰেগা" বুলি আতাহ পাৰিবলৈ ধৰিলে। গৃহমুখী বাপুহঁত অধৈৰ্য্যহৈ কোনো কোনোৱে চাহ কণ সম্পূৰ্ণ কৈ খালোঁ; কোনোৱে আধা খোৱাকৈ আহি লড়ীত উঠিলোঁ।

গধূলি পৰত সকলোকেইটা নিৰাপদে ডিমাপুৰ পালোঁহি। কেইজন মানে এখন মাৰোৱাৰীৰ হটেলত গধূলিৰ আহাৰ কৰিলোঁ। আৰু কেইজন মানে মাত্ৰ চাহ-লুচি খায়ে থাকিল। নিশা উজনি গাড়ীত উঠি এজনৰ বাহিৰে আমি সকলোৱে ঘৰ পালোঁহি।

মণিপুৰত পাচ ৰাতি থাকিলোঁ। নগৰখন থকা সৰকাইকৈ চালোঁ। মিঃ লোৰেন সিংহ আৰু আন ছাত্ৰ বন্ধুবিলাকৰপৰা মণিপুৰীবিলাকৰ বিষয়ে অনেক কথা জানিছিলোঁ। নগৰখনত কেইবাখনো দৈনিক বজাৰ আছে; বৰ বজাৰ খনেই আটাইতকৈ ডাঙৰ। ইয়াত হাজাৰ হাজাৰ মানুহৰ ভিৰ পৰে, অথচ কাৰো লগত কাৰো খেটা-মেজা এখাবিকে লগ্না

নেদেখি। সেহা বেপাৰত মতাবিলাকতকৈ মাইকী বিলাক বেছি পটু। মাইকীবিলাকে ঘৰত সূতা, কপাহ কাটিও যথেষ্ট টকা উপাৰ্জ্জন কৰে। মণিপুৰী উৎপন্নজাত দ্ৰব্যৰ মূল্য অতি পৰিমাণে কম আৰু মণিপুৰলৈ ৰপ্তানী হোৱা দ্ৰব্যৰ কিন্তু বজাৰ অতি বেছি।

শ্ৰীযুত লোৰেন সিংহ বাবুৱে কয় যে, তেওঁত সকল শিৱসাগৰ বাসীবিলাকৰ সৈতে অতি ওচৰৰ। আগেয়ে শিৱসাগৰৰপৰা মণিপুৰলৈ অহা যোৱা কৰা এটা অতি চমু বাটো আছিল আৰু শিৱসাগৰৰপৰা মৰাণ ৰজা গৈ মণিপুৰত কিছুদিন ধৰি ৰাজত্ব কৰিছিল। সেই ৰজাৰ বাৰী এতিয়াও লোকৃটক হ্ৰদৰ কাষৰত আছে। ইয়াক আজি কালি "মৈৰাং" বুলি জনা যায়।

মণিপুৰত ভাষা মণিপুৰীয়েই চলে। আগেয়ে বঙালী ভাষা চলিছিল; বৰ্ত্তমান মণিপুৰী যুবক বৃন্দৰ যত্নত সেই ভাষাই ঠাই এৰি দিবলৈ বাধ্য হৈছে। তাত বৰ্ত্তমান দুখন হাইস্কুল আৰু ৪০ খন মান মধ্য ইংৰাজী স্কুল স্থাপিত হৈছে। সকলো সময়তে যাত্ৰীৰ পক্ষে মণিপুৰ ভ্ৰমণ সুখ দায়ক নহয়; ৰাস বা দোল যাত্ৰাৰ সময়টোৱেই যাত্ৰীৰ পক্ষে অতি উত্তম।

মৃত্যু-বেলিকা।

(১)

আকাশৰ ৰঙ নাই
তৰা-গ্ৰহ ক্ষুণ হায়!
ডাৱৰে মলিন দেহি গগণ মণ্ডল!
পূৰ্ণ শশী নাই তাত
চৌদিশে প্ৰলয়-মাত—
আলোচা লাগিছে নভে গ্ৰহৰ ক্ৰন্দন॥

(২)

ধন-জন আজি একো—
দেখি ৰবং চৰে শোকো
মুহূৰ্ত্ততে সব হায়! কৰি পৰিহাৰ;
পাহৰি আপোন ঘৰ
কৰি থাকি ঘৰ-কৰ্
হঠাতে বহন সানে প্ৰিয়া মৃত্তিকাৰ॥

(৩)

ৰঙা বেলি মাৰ যায়—
ব'দ আৰু নাই হায়!
দিপৰ বেলিৰ সেই প্ৰখৰ কিৰণ।
সব যায় যহি থহি
চকা পাচে পাতে বহি—
—পঞ্চ ভূতী দেহা পঞ্চ ভূতত মিলন—॥

শ্ৰীগজেন্দ্ৰ নাথ চহৰীয়া।

খেমালি-খেলা।

বৰ্ত্তমান সময়ত লৰা-ছোৱালীৰ স্বাস্থ্যোন্নতিৰ কাৰণে শিক্ষা বিভাগে স্কুলসমূহত ব্যায়াম শিকাৰ সুব্যৱস্থা কৰি দিছে। স্কুলত তিনি চাৰি ঘণ্টা মনোযোগেৰে পঢ়িলে শৰীৰৰ কিছুমান যন্ত্ৰৰ চলা-চল কাৰ্য্য বন্ধ হৈ থাকে। গাতিকে সকলো তন্ত্ৰ সমানে পৰিচালনা কৰিবলৈ নানা ধৰণৰ সময়ো-পযোগী ব্যায়ামৰ দৰ্কাৰ।

সদায় একে ব্যায়ামকে দি থাকিলে, লৰা-বিলাক পাচত নিৰোৎসাহ হয় হৈ। মনোযোগেৰে কাম নকৰিলে একো কামেই ফলদায়ক নহয়। ব্যায়ামতো সেই একে কথাই। লৰাবিলাকক উৎ-সাহী আৰু তজ্‌বজীয়া কৰিবলৈ হলে নতুন নতুন আনন্দদায়ক ব্যায়াম দিব লাগে।

সৰু সৰু লৰাবিলাক অনুকৰণ আৰু প্ৰতি যোগিতা প্ৰিয়। গতিকে তেনে অৱস্থাত দুই তিনি শ্ৰেণীৰ মাজত বা একে শ্ৰেণীকে কেবা দলো কৰি প্ৰতিযোগিতা থকা খেল দিব লাগে। তেতিয়া লৰাৰ মনত উৎসাহ আৰু আনন্দ উদয় হয়।

ভেঁকুলী জাপ।

প্ৰতিযোগিতা থকা খেলৰ ভিতৰত 'ভেঁকুলী জাপ' এটা খেল। এই খেল খেলিবলৈ ৮ জন বা ততোধিক লৰা হলে ভাল। যিমান লৰা বেচি হয় সিমান খেলটো আনন্দদায়ক হয়। লৰাবিলা-কক সমান সমান কেইটামান দলত ভাগ কৰি প্ৰতি দলক সমান্তৰাল ভাবে এজনৰ পাচত আন জনক থিয় কৰাই শাৰী পতাই ৰাখিব লাগে। দল কেইটাৰ সন্মুখে সন্মুখে আঁতৰত একোটা নিচান দিব লাগে। শিক্ষকে সঙ্কেত কৰিলে কোনো মাত্ৰ লৰা বাবে ভৰি মেলি "উজুডুনৰ" দৰে পিঠি হেঁকা কৰি হাত দুখন দুই হাঁটুৰ সৰু গাঁঠিৰ ওপৰত ধৰিব লাগে। যেতিয়া শিক্ষকে খেলৰ আদেশ দিব, তেতিয়া শেষৰ লৰাজনে আগৰ লৰাবিলাকৰ পিঠিৰ ওপৰেদি প্ৰত্যেক লৰাৰ ককালত হাত দি লাহতে জাপ মাৰি পাৰ হব লাগে। (যাতে পাৰ হওঁতে মূৰত কোনো আঘাত নহয় তাৰ বাবে বেকা হোৱা লৰা-বিলাকে মূৰ তললৈ কৰি ৰাখিব লাগে।) এই দৰে যেতিয়া লৰা কেইটা পাৰ হৈ শেষ হব তেতিয়া দৌৰি গৈ সন্মুখত থকা নিচানটো ঘূৰি আহি আকৌ পাচৰ লৰাটো চুই দিব; আৰু আনবিলাক লৰাৰ দৰে শাৰী পাতিব। যিজন লৰাক চুই দিয়ে সেইজন লৰায়ো আগৰ জনৰ দৰে লৰাবিলাক পাৰ হৈ দৌৰি গৈ ঘূৰি আহি আগৰ জনক পাৰ হৈ তৃতীয় জনক চুব।

এইদৰে সকলোবিলাক লৰা গৈ যি দল আগেয়ে শেষ হব সেই দলেই জিকিব। এইটো খেল আন এটা বেলেগ ধৰণেও খেলিব পাৰি; অহা সংখ্যাত সেই বিষয়ে লিখিবলৈ ইচ্ছা থাকিল।

এই নিচিনা খেলে লৰাক উৎসাহী আৰু তজ্‌বজীয়া কৰে আৰু লৰাৰ মনলৈ অৰিয়া অৰি ভাব সোমোৱাই দিয়ে। এনেকুৱা ভালেমান খেলা আমাৰ নম্মাল স্কুলৰ ছাত্ৰ বন্ধুসকলক শিকা দিয়া হৈছে।

শ্ৰীবিশ্বনাথ গগৈ।

যোৰহাট নৰ্ম্মাল স্কুলৰ শাৰীৰিক শিক্ষা প্ৰদৰ্শনী।

(যোৱা ৯।১১।৩৫ তাৰিখৰ "জুদিনীয়া অসমৰ"পৰা উদ্ধৃত)

(ক)

যোৱা ৪ নৱেম্বৰ সোমবাৰে সন্ধ্যা ৬॥ বজাত যোৰহাট নৰ্ম্মাল স্কুলৰ খেল মাটিত ড্ৰিং শিক্ষক নৰ্ম্মাল স্কুলৰ ছাত্ৰসকলে অসম উপত্যকাৰ হেড্-মাষ্টৰ আৰু ডেপুটি ইন্‌স্পেক্টৰ সকলক সন্মান দেখুৱাৰ কাৰণে এখনি শাৰীৰিক শিক্ষা প্ৰদৰ্শনী পাতিছিল। সেই প্ৰদৰ্শনী চাবলৈ হেড্‌মাষ্টৰ, ডেপুটি ইন্‌স্পেক্টৰ সকলৰ বাহিৰেও স্কুল-ইন্‌স্পেক্টৰ, পুলিচ বিভাগৰ চুপাৰিণ্টেণ্ডেণ্ট্, অনাৰেবল্ শ্ৰীযুত হেবৰ প্ৰসাদ বৰুৱা ডাঙৰীয়া আদি নগৰৰ অনেক চৰ্কাৰী বেচৰ্কাৰী ভদ্ৰলোক আৰু ভদ্ৰমহিলা, ছাত্ৰ-ছাত্ৰীয়ে অহাত খেল মাটি নধৰা হৈছিল।

ছাত্ৰসকলৰ "লাইট"ৰ ব্যৱস্থা, বহুৱা মেলাৰ শৃঙ্খলা আৰু আদৰ সম্ভাষণত বাস্তৱতে মুগ্ধ হৈছিলোঁ। আৰু বেচি মুগ্ধ হৈছিলোঁ ছাত্ৰসকলেই প্ৰদৰ্শনীৰ সকলো কাৰ্য্য পৰিচালনা কৰা বাবে আৰু বেহেলা এচ্‌ৰাজ, বাঁহী, হাৰমনিয়ম আদিৰে কন্‌চাৰ্ট বজাই কন্‌চাৰ্টৰ লগত মিলাই মিলাই মৃদংগৰ, ডাম্বেল প'ল, ওৱাণ্ড আৰু খালী হাতেৰে আৰু সৰু সৰু ল'ৰাৰ উপযোগী সুন্দৰকাৰে নানা ধৰণৰ ব্যায়াম কৰি দেখুৱাত। ইয়াৰ বাহিৰেও ছাত্ৰসকলৰ গ্ৰিপ ব্যায়াম, লাঠিখেল, ছুৰিখেল, মালযুদ্ধ, যুযুৎসু, ডোলন খেল, আসন ব্যায়াম, মাংসপেশীৰ নৃত্য ভাওখেল, পিলদলিওৱা আদি খেলবোৰ বৰ চিত্তাকৰ্ষক আৰু উপভোগ্য হৈছিল। আৰু ছাত্ৰসকলৰ অসমীয়া নৃত্য (বিহু নাচ, সূত্ৰধাৰ নাচ), নগা নাচ আদি বৰ আনন্দদায়ক হৈছিল। এই বিলাকৰ মাজেদি ছাত্ৰসকলৰ জাতীয় ভাব ফুটি ওলাইছিল।

এই সকলোবিলাক কাৰ্য্য ছাত্ৰসকলেই সুন্দৰ ৰূপে শৃঙ্খলা লগাই কৰাটো বাস্তৱতে শলাগিব লগীয়া। প্ৰদৰ্শনীৰ সময়ত ছাত্ৰসকলৰ কাৰ্য্যতৎপৰতা, নিয়মানুবৰ্ত্তিতা আদিয়ে দৰ্শক মণ্ডলীক স্তম্ভিত কৰিছিল। খেল প্ৰদৰ্শনীৰ শেষ ভাগত ৩ জন ছাত্ৰই লাঠি টৰ্চ আৰু ১০ জন মান ছাত্ৰই ইণ্ডিয়ান ক্লাবেৰে টৰ্চ ড্ৰিল দেখুৱাইছিল; সি বাস্তৱতে চমৎকাৰ হৈছিল। এই প্ৰদৰ্শনী চলি থাকোঁতে মাজে মাজে "ভিলৈ" মাৰি প্ৰদৰ্শনীৰ গাম্ভীৰ্য্য বঢ়োৱা হৈছিল। এইদৰে প্ৰায় ১॥ ঘণ্টামানৰ পাচত প্ৰদৰ্শনীৰ কাৰ্য্য শেষ হয়।

শুনিবলৈ পাইছোঁ যে সিদিনা শিক্ষা মন্ত্ৰী ডাঙৰীয়া আহি নৰ্ম্মাল স্কুলৰ শাৰীৰিক শিক্ষা দেখি অসম উপত্যকাৰ সকলো জিলাৰ শাৰীৰিক শিক্ষাতকৈ এই স্কুলৰ শাৰীৰিক শিক্ষাক ওখ স্থান দি এটা মন্তব্য দি গৈছে হেনো।

অসম উপত্যকাৰ হেডমাষ্টৰ আৰু ড্ৰিঃ আই সকলে তেখেতসকলৰ অধীনত থকা স্কুলবিলাকত এনে আদৰ্শেৰে শিক্ষা দিলে আৰু এই স্কুলৰ ছাত্ৰ সকলো স্কুলৰপৰা গৈ আমাৰ দেশৰ ভৱিষ্যত আশাৰ স্থল উঠি অহা ছাত্ৰসকলক এনে শিক্ষাৰে শিক্ষিত কৰিলে আমাৰ বিশ্বাস যে আমাৰ দেশৰ কল্যাণ অনিবাৰ্য্য। এনে শিক্ষাৰ দ্বাৰাহে এই দেশত আকৌ লাচিত, চিলাৰায় আৰু বভ্ৰুবাহনৰ নিচিনা বীৰৰ জন্ম হব।

"এজন দৰ্শক"

শাৰীৰিক শিক্ষা প্ৰদৰ্শনীৰ কাৰ্য্য-বিবৰণী।

১। "কনচার্ট"ৰ লগত পৰিপাটিকৈ কৰা নৃত্য ব্যায়ামৰ সৈতে ২৪ জন ছাত্ৰক দেবেনে পৰিচালনা কৰিছিল।

২। (ক) লাঠীখেলত অমূল্য, গুণেশ্বৰ, ধৰ্ম্মেশ্বৰ, গিৰিধৰ আৰু খগেনে পাগতালি দেখুৱাইছিল।

(খ) ছুৰী খেলত গজেন, জগত, সুৰেন, ধন আলি আৰু অমূল্যই বিশেষ তৎপৰতা দেখুৱাইছিল।

(গ) দোলন খেলত জীবেন, ৰজনী আৰু ঘনশ্যামে নতুনত্ব দেখুৱাইছিল।

৩। (ক) "কনচার্ট"ৰ সৈতে দেখুৱা 'ড্ৰিল'ৰ ভিতৰত মুদ্গৰৰ গোপালে, 'ডাম্বেল'ৰ দুৰ্গাৰামে, খালী হাতৰ বিশ্বনাথে, 'ৱাণ্ড'ৰ ধৰণীয়ে আৰু 'পোল'ৰ বেথাৰামে তত্ত্বাৱধান লৈছিল। উক্ত আটাই কেইবিধ 'ড্ৰিল' পীতাম্বৰে 'কনচার্ট'ৰ তালে তালে একেলগে পৰিচালনা কৰিছিল।

(খ) প্ৰায় ৬৪ জন ছাত্ৰৰ 'ক্ৰছ্ মাৰ্চ্চ' মোক্ষেশ্বৰে শৃঙ্খলাবদ্ধ ভাবে কৰাইছিল।

(গ) সঙ্গীতৰ ভাব অনুসৰি কৰা ভাও খেল দুৰ্গাৰামে কৰাইছিল। ধুমুহা বতাহত গছৰ যি অৱস্থা হয় সেই সকলোখিনি এই ভাও খেলত ফুটি ওলাইছিল।

৪। (ক) চাহাদত, ধনআলি, গজেন, বিপিন, গুণেশ্বৰ, ইব্ৰাহিম, অমূল্য আৰু ঘনভট্টৰ 'গ্ৰিপ' ব্যায়াম বিশেষ চাবলগীয়া হৈছিল।

(খ) (১) ফনীন্দ্ৰই ৰজোৱা খোলৰ তালে তালে ভিঃমশ্বৰৰ সূত্ৰধাৰৰ নাচ খুব ভাল হৈছিল।

(২) তুৰা আৰু জগতনাথৰ লগত মোক্ষেশ্বৰৰ যোজনা, দেবেনৰ ঢোপ চুঙা ৰজোৱা, নীলৰ পেঁপা ৰজোৱা, পীতাম্বৰৰ মিৰি গান, মুখৰ পেঁপা, পদ্মেশ্বৰ আৰু জগতৰ বিহুনাচ আমোদজনক হৈছিল।

(গ) সৰ্ব্বেশ্বৰ, ৰজনী আৰু সুৰেনে 'গ্ৰাউণ্ড' ব্যায়াম আৰু কেইবাবিধৰ শাৰীৰিক কৌশল দেখুৱাইছিল।

(ঘ) (১) হৰেণ-ইব্ৰাহিম (২) গজেন-জগতৰ মালযুঁজ চাবলগীয়া হৈছিল।

৫। প্ৰাইমাৰী স্কুলৰ ছাত্ৰৰ কাৰণে বিশেষ উপযোগী 'কনচার্ট' সহ জুমুকাৰ ব্যায়াম বাসুদেৱে পৰিচালনা কৰিছিল।

৫। (ক) মাংসপেশীৰ নৃত্য গজেন, অমূল্য ধৰ্ম্মেশ্বৰ আৰু গুণেশ্বৰে দেখুৱাওঁতে বিপিনে প্ৰত্যেক মাংসপেশীৰ নাম কৈ গৈছিল।

(খ) গজেন শিৱেন আৰু হৰেনে দহসেৰ ওজনৰ এটা শিল দলিয়াইছিল।

৬। (ক) যুযুৎসু দেখাওঁতাৰ ভিতৰত প্ৰথম বাৰত চাহাদত— ইব্ৰাহিম আৰু দ্বিতীয় বাৰত গজেন-জগত আছিল।

(খ) ধনুৰাকৃতি ব্যায়াম ঘনভট্ট, গুণেশ্বৰ, ধন আলি আৰু অমূল্যই অতি কম সময়ৰ ভিতৰতে দেখুৱাইছিল।

(গ) শ্ৰীৰাম, মোক্ষেশ্বৰ, গুণেশ্বৰ, দানী, ধন আলি, পীতাম্বৰ, তুৰা, জগত নাথ আৰু ঘনশ্যামে 'পিৰামিড্ বিল্ডিং' দেখুৱাইছিল।

৭। (ক) তৰোৱাল লৈ নেপালী বণুৱাই জাৰ্ম্মান যুদ্ধলৈ যাত্ৰা কৰা সময়ত গোৱা উত্তেজনা পূৰ্ণ সঙ্গীত এটা চন্দ্ৰ বৈজচীয়ে গাইছিল।

(খ) ৰজনীৰ তত্ত্বাৱধানত চেকেকু আৰু আওৰে

তিনি বিধৰ নগা-নাচ দেখুৱাই দৰ্শকসকলৰ প্ৰশংসা পাইছিল।

৮। 'টচ' অৰ্থাৎ জোৰ বাতি লৈ কৰা তিনি জন ছাত্ৰৰ লাঠি ব্যায়াম আৰু তৃতীয় বাৰ্ষিকৰ ১০ জন ছাত্ৰৰ 'ইণ্ডিয়ান ক্লাব' ব্যায়ামে দৰ্শক সকলক চমক লগাইছিল।

৯। শেষত ছাত্ৰসকলে 'নমস্কাৰ' থকা এখন কাৰ্ড দাঙি ধৰি উপস্থিত ভদ্ৰমহোদয় আৰু মহিলাৰ পৰা বিদায় লয়।

খেলাৰ মাজে মাজে ঘন কান্ত দাসে হিতৈ মাৰি এই অনুষ্ঠান মুখৰিত কৰি আছিল।

কনচাৰ্ট পাৰ্টি:—

১। বেহেলা বজাওঁতা— নীল, ৰসিক, চক্ৰেশ্বৰ।
২। তবলা „ বিধি।
৩। মন্দিৰা „ মানিক, গোবিন্দ।
৪। হাৰমোনিয়ম „ গিৰিধৰ।
৫। এচৰাজ „ শ্ৰীযুত জয়কৃষ্ণ মিশ্ৰ মহোদয়।
৬। বাঁহী „ খগেন, কলীয়া।

খেলাৰ শেষত শ্ৰীযুত ৰমনীকান্ত বৰুৱা হেড মাষ্টৰ ডাঙৰীয়াই নৰ্ম্মাল স্কুলৰ ছাত্ৰসকলে খেলা দেখুৱাৰ বাবে ধন্যবাদ জনায়।

এই খেলাবিলাক বাতি বন্তিৰ পোহৰত হৈছিল। বাতি স্কাউটসকলে চকী, বেঞ্চ আৰু ড্ৰিলৰ সৰঞ্জামবোৰ কান্ধেৰে ভাৰ বৈ আনি স্কুলত থয়। যজ্ঞোৰাম, সুৰেন আৰু বাপীৰামে 'লাইট' বিলাক সাজী ভাৰ বৈ বজাৰত ওভোতাই দিয়া বাবে তেওঁলোক সেই কামত আদৰ্শ স্থানীয়। সেই দিনাৰ কাৰণে যজ্ঞোৰামক 'স্কাউট ট্ৰুপ লিডাৰ' পাতি দিয়া হৈছিল। আৰু 'গেট'ত স্কাউতসকলে অভ্যাগতসকলক সম্মান জনাই আদৰি আনিছিল। ফিল্ড সজোৱা গ্ৰুপৰ লিডাৰ আছিল জগত নাথ। খেলাৰ সময়ত খেলুৱৈসকলক সাজু কৰি ৰাখিবৰ কাৰণে সুবোধ আৰু আদিত্যক ভাৰ দিয়া হৈছিল। 'লাইট'ৰ ব্যৱস্থা কৰা গ্ৰুপৰ 'লিডাৰ' উদয় চৌধুৰী আছিল।

শ্ৰীগোপাল চন্দ্ৰ নাথ।
সকলো গ্ৰুপৰ জেনেৰেল গ্ৰুপ লিডাৰ।
নৰ্ম্মাল স্কুল।

পখিলী।

ধুনীয়া পাখিৰে আহি
ধুনীয়া ফুলৰ পাহি
চুমি যাব যেতিয়া সাদৰি!
তোৰ পিনে চাই চাই
নানা ভাব আহে যায়
হিয়া মোৰ ভাবৰ লহৰী।
ভাবোঁ মই মনে মনে
তোক সৰজিলে কোনে
এনেবা প্ৰফুল্লময়ী কৰি;

প্ৰেম বিনে আন ভাব
নাই তোৰ গোন্ধ ভাপ
ফুৰ সদা প্ৰেমতেই সাঁতুৰি।
এটা ফুল এৰি থই
আনটোলৈ উৰি গই
পান কৰ অমিয়া যেতিয়া
তেতিয়া যে লাগে মনে
উৰি যাওঁ তোৰ সতে
তোকেই বিলাওঁ মোৰ হিয়া।

কিন্তু হায় ক্ষণেকতে
সেই ভাব আছে মনে
"মই অতি ক্রূৰ মতি নৰ;
"তোৰ লবে পাখি কৰি
নিদিলে বিধাতা অৰি"
তোকে চাই কান্দো একে থৰ।
কিয় বাৰু বিধাতাই
মিতাৰ সি অভিপ্ৰায়
প্ৰেম-সুধা নাই হৃদয়ত,
হিংসা, দ্বেষ ভাৱ আৰু
বন্ধা আছে নিৰ দাৰু
বন্ধা আছোঁ অসাৰ মৰ্ত্তত।

× × ×

প্ৰেম ডৰী ছিঙি থ'ই
উৰি গলি পখি তই
মা পখি,— নেযাবি পাহৰি।

শ্ৰীজগত চন্দ্ৰ দত্ত বৰা।

নাৰীশিক্ষা।

শ্ৰীযুক্তা ব্ৰজবালা হাজৰিকা; শিক্ষয়িত্ৰী, ডিব্ৰুগড় গবৰ্ণমেণ্ট ছোৱালী হাই স্কুল।

জগতত পুৰুষ শক্তিৰ যি মান আৰু অধিকাৰ, নাৰী শক্তিৰো সেই মান আৰু অধিকাৰ; কিন্তু কৰ্ত্তব্যৰ দায়িত্ব পুৰুষতকৈ তিৰোতাৰ অনেক গুণে বেছি বুলি কলেও বঢ়াই কোৱা নহব। সমাজত নাৰী জাতিয়েই পূৰ্ণ শক্তিময়ী ৰূপে বিৰাজ কৰিছে। সমাজত নাৰীৰ শক্তিৰদ্বাৰাই কৰিব পৰা সকলো কাম পুৰুষ শক্তিৰ দ্বাৰাই কৰিব নোৱাৰি। সামাজিক উন্নতিৰ প্ৰধান উপাদান স্ত্ৰী শিক্ষা। স্কুল শিক্ষাৰ লগে লগে ছোৱালীবিলাকক ঘৰুৱা শিক্ষাও দিয়া উচিত। সকলোৱে স্বীকাৰ কৰিব লাগিব যে দেশৰ, সমাজৰ আৰু ব্যক্তিৰ উন্নতি হবলৈ হলে স্ত্ৰী শিক্ষাৰ সুচল কৰি দিয়া উচিত।

সকলো মানুহে কন্তেকীয়া লগ বিচৰাৰ সময়তো শিক্ষিত আৰু জনা বুজা লগহে বিচাৰে; তেনে স্থলত পুৰুষৰ গোটেই জীৱনৰ যি লগৰীয়া হব, সুখ দুখৰ সমভাগী হব, তেনেকুৱা লগৰীয়া যে উপযুক্ত শিক্ষা পোৱা হব লাগে, তাক নকলেও সকলোৱে ভালকৈ বুজে। পুৰুষৰ জীৱনৰ লগৰীয়া অশিক্ষিতা হলে পুৰুষৰ গোটেই জীৱন অশান্তিময় হয়। সেই অশিক্ষিতা গৃহিণীয়ে নিজৰ সন্তানক উচিত শিক্ষাও দিব নোৱাৰে। সন্তানে বেছি ভাগ অভ্যাস মাক-বাপেকৰপৰা অনুকৰণ কৰে। সন্তানক ভালকৈ গঢ়ি তুলিবৰ কাৰণে নাৰী জাতিৰ যথেষ্ট শক্তি আছে; সেই শক্তি যদি শিক্ষাৰ অভাৱত এন্ধাৰত লুকাই থাকে আৰু যদি দেশৰ হিতাকাঙ্ক্ষীসকলে সেই লুপ্ত শক্তি পোহৰলৈ দাঙি নধৰে, তেন্তে দেশৰ কাৰণে সু সন্তান পাবলৈ আশা কৰাটো দুৰৰ কথা, বৰং নাৰী শিক্ষাৰ অভাৱত দেশৰ অধঃপতনহে হয়। সেই কাৰণে হিতাকাঙ্ক্ষীসকলে যত্ন কৰা উচিত যাতে দেশৰ ছোৱালীবিলাকে আচল শিক্ষা পাব পাৰে। ছোৱালীবিলাকেই নাৰী, আৰু তেওঁলোকেই ভৱিষ্যতলৈ এখন ঘৰৰ গৃহিণী আৰু সন্তানৰ মাক হবগৈ।

নাৰী জাতিয়েই সকলো সময়তে পুৰুষৰ সহায়কাৰিণী। সেই কাৰণে শিক্ষিতা নাৰী পুৰুষৰ জীৱন যাত্ৰাৰ বন্তি স্বৰূপা। পুৰুষৰ স্বভাৱত দোষ থাকিলে

শিক্ষিতা নাৰীয়ে সত্ পৰামৰ্শ দি পুৰুষৰ মন ভালৰ ফাললৈ নিব পাৰে। কিয়নো মানৱ সমাজত নাৰী জাতি ক্ষমা, ধৈৰ্য্য আৰু শান্তিৰ আকৰ স্বৰূপা। নাৰী জাতি মানৱ জাতিৰ জননী শক্তিৰ অৱতাৰিণী আৰু পূৰ্ণা। এই নাৰী জাতিটোক কি সাঁচত গঢ়ি তুলিব লাগিব. তাক চিন্তাশীল সকলে এবাৰ দকৈ গমি চোৱা উচিত। লৰা-ছোৱালীৰ নিজ ঘৰেহে যাই পঢ়াশালি আৰু সেই পঢ়াশালিৰ শিক্ষয়িত্ৰী হৈছে মাক। অশিক্ষিতা মাকৰপৰা শিক্ষিত সন্তান পাব নোৱাৰি; এজনা শিক্ষিতা মাক এশ জন অশিক্ষিতকৈয়ো শ্ৰেষ্ঠ। নাৰীসকলৰ সুশিক্ষাৰ দিহা কৰি দিয়াটো ভদ্ৰ মহোদয়সকলৰ কৰ্ত্তব্য। দেশৰ উন্নতিৰ চিন্তা কৰাৰ আগতে নাৰীসকলৰ শিক্ষাৰ বাবে বিশেষ মনোযোগ দিয়া উচিত, কাৰণ নাৰী শিক্ষা উন্নতি পথৰ প্ৰবল সহায়।

উষা।

শ্ৰীযুক্তা শচীকলা দেৱী।

নিশাৰ এন্ধাৰ ওৰণি গুচাই
উজলি ওলালা প্ৰকৃতি বালা;
উৰাই কুৰঁলী পাটৰ আঁচল
পিন্ধি হিৰণ্ময় কিৰণ মালা।
পূব তোৰণত জিলিকি উঠিছে
অৰুণৰ দীপ্ত সোণৰ ৰেখা;
কোন সুন্দৰৰ ছন্দৰ মাধুৰী
আঁকি দিলা আহি বিচিত্ৰ খেলা;
আহিছে শুকুলা চোঁৱৰ উৰাই
মলয় পৱনে মাধুৰী ঢালি;
ৰূপ সাগৰত উটাই আনিলা
তোমাৰ লগতে ৰাজনী বেলি।
সুদুৰ দেশৰ অজান বাতৰি
আহি অসীমত শুনালা বই;
অলকা বাসিনী ত্ৰিদিবৰ বালা
সৌন্দৰ্য্যৰ ৰাণী ৰূপহী অই।
কোন সৰগৰ যোৱাই আনিলা
মধু মদিৰাৰ প্ৰেমৰ ঢল;
আকাশৰ অমিয়া সঞ্জীৱনী ধাৰা,
অসীম বিশ্বত বিয়পি গ'ল।

উপচাই প্ৰেমে দুচকুৰ লোৰ
ফুলালা বনৰ কুসুম ৰাজি;
নীৰৱে মধুৰ মোহন মুৰলী
সুপ্ত পৰাণত উঠিল বাজি।
নতুন উলাহে দিগঙ্গনা সবে
ঢালিছে অমিয়া প্ৰভাতী গায়;
বনৰ বিহঙ্গে গীতৰ তৰঙ্গে
আকাশে তৰণী চলাই যায়।
পদুমে থইছে পৰাগ বুকৰ
আতিকে গোপনে বুকুত সাঁচি;
ফুল কুঁৱৰীয়ে ফুলৰ সুবাস
আদৰে তোমাক দিছেহি যাচি।
কোন প্ৰেমিকৰ প্ৰেমত উপচি
নয়নৰ ধাৰা পৰিছে বই;
কোন দেৱতাৰ পুজিছা চৰণ
ধীৰে কুসুমৰ অঞ্জলি লই।
পাপ তাপ দুখ যাতনা ধোৱাই
কৰি জগতৰ কলুষহীন;
চিন্ময় প্ৰতিভা ছায়াময়ী দেৱী
চিন্ময় ৰূপত হ'ল বিলীন।

বুধিয়কৰ বুদ্ধি।

চুটি গল্প

এজন আছিল মহন্ত। নাম আছিল ভেবেলা। মহন্তৰ আছিল কেইখনমান গাৱঁত কেইঘৰমান শিষ্য। জীৱিকাৰ ভিতৰত শিষ্যৰ পৰাই যি দুই চাৰি কঠা পাই তাৰেই মহন্তই কোনোমতে এবাহ লৰা-ছোৱালীৰে ঘৰখন চলাই থাকে। মহন্তই নিজে একো কাম কাজ কৰিব নোৱাৰে। কাৰণ সৰুৰেপৰা অনভ্যাস। শিষ্যৰ গাৱঁলৈ, চহৰ ফুৰিবলৈ যাওঁতে লগত যাব লাগিব পাঁচনি। নহলে মহন্তই এখোজো লৰাব নোৱাৰে। গাতে ছাঁটো ফুৰাদি পাঁচনিয়েও মহন্তৰ পাছে পাছে (সময় অনুসৰি আগতো) লেম্‌টো ফুৰাদি ফুৰে।

কোনোবা এক আপদীয়া বছৰত মহন্তৰ চহৰলৈ যাবৰ সময় পৰিলহি। বিধিৰ বিপাকত সেই সময়ত তেওঁৰ পুৰণি পাঁচনিৰ গাত হল জ্বৰ। গতিকে মহন্ত বিবুদ্ধিত পৰিল। নগলেতো কোনোমতেই নচলে। যাবলৈ হলেও গাৰ ছাঁ পাঁচনি যাব নোৱাৰে। সাত পাঁচ ভাবি মহন্তই নতুন পাঁচনি এটাকে যোগাৰ কৰিবলৈ স্থিৰ কৰিলে। যেয়ে সেয়ে পাঁচনি হলে মহন্তৰ কাম নচলে। মহন্তক পাঁচনি লাগে কামত ডেকা, খোৱাত 'বোকা'। খোজত খৰ, সময়ত লৰ। বিশ্বাস ঠিক, নজনা শিক। এনে মানুহ শতকাই পোৱা কঠিন হৈ পৰিল। দুদিন লঘোনে ভোকে বিচাৰি গৈ কঠাল গুটি নামে এজন বৰলাক মহন্তই পাই তাকেই লক্ষণ যুক্ত দেখি লৈ আহিল। আমাৰ কঠাল গুটি বৰলা ভকতেও 'হা-না' একো নুবুলি ভাল মানুহৰ দৰে পাছে পাছে বাট বুলিলে। পাঁচনি আনি লেহে আনিলে ঃ মহন্তৰ বাচনিত অলপ ভুল বল। কাৰণ কামত ডেকা যদিও খোৱাত কিন্তু কঠাল গুটি একেবাৰেই পোকা নহয়। বাকী লক্ষণবিলাক হলে ঠিকেই পৰিছে।

ঘৰলৈ মহন্তই নতুন পাঁচনি আনি আৱশ্যকীয় দীক্ষা দি উপযুক্ত কৰি, পাচ দিনাই নাম-গুৰু-ভকতক চিন্তি, মূৰত পাগ, গাত কুৰ্‌টা (কুৰ্ত্তা) কান্ধত চেলেং, কাষলতি তলত ছাতিটো আৰু হাতত বাঁহৰ লাখুটি ডোখৰ লৈ পাঁচনিসহ চহৰ ফুৰিবলৈ ৰাওনা কৰিলে।

সময়ৰ নাটনিত মহন্তই আগতে চহৰ ফুৰিবলৈ যোৱা খবৰ শিষ্যলৈ পঠাব নোৱাৰিলে। হঠাৎ শিষ্যৰ গাওঁ পোৱাত শিষ্যই সুখী দুখী অৱস্থাৰে যি পাৰে গুৰু দক্ষিণা দিলে। আৰু শিষ্যৰ গাৱঁত সুদাই নিকাই চাউল সিজোৱা একঠা ধৰি যাবলৈ মিনতি জনালে।

মহন্তই যিহকে বিচাৰে তাকেই পালে যেতিয়া আৰু এৰে ক'ত। গধূলি ৰাজহুৱা নামঘৰৰ কাষত চালি এডোখৰ দি বাইজে চাউল সিজাবলৈ দিহা কৰি দিছে। মহন্তই পাঁচনি আৰু নিজলৈ চাউল সিজাইছে। আজ্ঞাৰ কাৰণে দিছিল কোনোবা আৰু চিতল মাছ। বহুত দিনৰ মূৰত দেৱভোগ মিলিছে বুলি ভাবি মহন্তৰ মনত মহা ৰং। গধূলি পোহৰৰ হেৰফেৰত আজ্ঞাত হালধি পৰিল অলপ বেচিকৈ। চাউল সিজোৱা হলত মহন্তই গুৰুসেৱা সাং কৰি পাঁচনিসহ দুয়ো খাবলৈ বহিল। আগতে কৈছো খোৱাত হলে আমাৰ নতুন পাঁচনি বোকা

নহয়। তাতে আচিছে ৰাটকুৰি বাট। ভাতৰ পাটত বহি দেখে মহন্তৰ আগ্ৰাৰ বাটিত মাছৰ মাত্ৰা বেচি। কঠাল গুটিয়ে কি উপায়েনো মাছ কেছুকল মহন্তৰ ভাগৰপৰা নিজৰ ভাগলৈ সৰকাব পাৰি পোৱাৰ লগে লগে ভাবিছে আৰু বাৰে বাৰে মহন্তৰ বাটিলৈ চাইছে।

যাৰ নাম কঠাল গুটি তাৰ মনতনো এই সাধাৰণ সমস্যাটো ভঙ্গনৰ উপায় নোলাবনে; নোলালেও ভক্তক ভগৱানে সহায় কৰাৰ দৰে তাকো ক্ষুদ্ৰ উপায় দি সহায় কৰিলে বুলিয়েই ধৰিব লাগিব।

অলপ সময় ভাত খাই কঠাল গুটিয়ে আঁঠুত মুৰ গুজি কান্দিবলৈ ধৰিলে। মহন্তই কাণ্ড দেখি অবাক। এনে হেন ভোগৰ বস্তুত বিধি পথালি হলে কাৰনো বাৰু মনত শান্তি থাকে? মহন্তই আস্তে ব্যস্তে কঠাল গুটি পাঁচনিক কন্দাৰ কাৰণ সুধিলে।

মহন্ত:— 'পাঁচনি, তোৰ কি হল? চাউল সিজোৱা খাওঁতে কান্দিবলৈ'?

পাঁচনি:— (কান্দি কান্দি) "নকব প্ৰভু! মোক পোতা গু' উগাৰি আৰু বেজাৰ নিদিব।

গু, শব্দ শুনি মহন্তৰ ভোজনত অলপ মস্কিল হৈছিল যদিও কন্দাৰ কাৰণ জানিবলৈ উৎসুক হোৱাত সেই কথা তল পেলাই পুনৰ সুধিলে—

মহন্ত:— '"ভালদৰে ভালদৰে ভাবি কচোন? তই কান্দিছ কিয়"?

পাঁচনি:— (কান্দি কান্দি) 'প্ৰভু, মোৰ মাইকী জনী জহনী হেমাৰত ঢুকাবৰ আজি এবছৰ হলহি। তাই এনে গুণৱতী তিৰোতা আছিল যে, মই তাইৰ গুণ কোনোমতেই পাহৰিব নোৱাৰোঁ। তথাপি আজি এবছৰে যি অলপ পাহৰিছিলোঁ, আজি আকৌ মোৰ চেবেং কৰে মনত পৰিল। সেয়েহে শোকত কান্দিছোঁ' বুলি আকৌ কান্দিবলৈ ধৰিলে।

মহন্ত:— "আঞ্জাখন দেখিনো তোৰ ঘৈণীয়েৰলৈ মনত পৰিল কিয়? বোধকৰোঁ তোৰ ঘৈণীয়েৰেও মোৰ দৰেই ৰান্ধিব জানে নহয়নে?

পাঁচনি:— "নহয় প্ৰভু! এবছৰৰ আগতে জহনী হৈ আমাৰ গাৱঁত বহুত মানুহ হানি হোৱা আপুনি জানেই নহয়। সেই জহনীত পৰি থাকোঁতেই তাই আজিৰ আঞ্জাখনৰ দৰেই শোচ কৰিছিল। কিন্তু আন বিলাক জহনীত পৰা মানুহে তাইৰ দৰে শোচ কৰা নাছিল। মাত্ৰ মোৰ মাইকী জনীয়েহে তেনে শোচ কৰিছিল। সেয়েহে মোৰ মনত পৰিল। মনত পৰিবৰ কথা নহয় জানো"?

কথাৰ থেও থোৱা দেখি পাঁচনিয়ে লাহে লাহে কান্দিবলৈকো এৰিলে।

আগতে পাঁচনিৰ কথাত মহন্তৰ গা বাজিছিল, এইবাৰ আৰু বেচিকৈ গাত লগাত ভাত আৰু খাব কি? লাহেকৈ ভাতে মাছে সুপিকে পাঁচনিৰ ফালে ঠেলা মাৰি "হোঃ কটা পাষণ্ড, তোৰ গৰহ মৰক। ইয়ালৈকেহে তোক দুদিন লৰোনে ভোকে বিচাৰি বাছি বাছি আনিছিলোঁ", বুলি মহন্তই 'শ্ৰীবিষ্ণু' স্মৰি মুখ ধুলেগৈ। আমাৰ কঠাল গুটি পাঁচনিয়ে দৰনিপিটি খালে। মহন্তই ৰাতি পেটৰ ভোকতে কলমলাই পৰি থাকিল। পা[illegible]া পুৱাই উঠি কঠাল গুটি নতুন পাঁচনিক নানা ভৰ-ছৰ মনত বোৱা কথাৰে পুৱাৰ সম্ভাষণ জনাই বিদায় দিলে। সেই গাৱঁৰে নতুন উপযুক্ত পাঁচনি

ধৰি মহন্ত চহৰ ফুৰিবলৈ গল। আমাৰ কঠাল গুটি ভগা পাঁচনিয়েও ভাগকৰা শৰীৰত জিৰণি দি ভাবি ভাবি নিজৰ ভগা বহাতু ভৰি দিলোঁহি।

শ্ৰীসোণাৰাম শইকীয়া।

উদ্বোধন উৎসৱ।

শ্ৰীযুত আনন্দ ৰাম হাজৰিকা।

এলাহ, ভাগৰ, নিৰাশ-নিশ্বাস,
বিসৰ্জ্জন কৰি সকলো আহঁ,
মনৰ বিষাদ এৰি দিয়া- আজি,
উঠা উলাহেৰে সকলো হাহঁা।
বঢ়াই হিয়াৰ সাধনা শক্তি,
জগাই মানৱী দেহৰ প্ৰাণ ;
দেশ-বিদেশৰ আদৰ্শ বিচাৰি,
লোৱাহি আদৰি অমূল্য জ্ঞান।

(২)

উন্নতি যুগৰ ইহেন দিনত,
পতিত জাতিও জীৱন্ত হল ;
চকুৰ আগতে তুই এদিনতে,
উন্নতি সোঁতত উজাই গল।
কৰ্ম্ম জগতৰ চানেকি চাই,
নিজৰ কৰ্ম্মত খটালে আহি ;
তেতিয়াই এই দুখীয়া দেশত,
সুখৰ কণিকা আহিব ভাহি।

(৩)

সৌ আমেৰিকা চীন জাপানৰ,
আমাৰে নিচিনা মানুহে আৰু ;
উন্নতি সম্পদ লভিব পাৰিছে,
আমি নোৱাৰিম কিয়নো বাৰু।
পূৰ্ব্বৰ গৌৰৱ মনত সুঁৱৰি,
গাই সমস্বৰে বিজয় গান ;
কৰ্ম্ম সাধনাৰে বিশ্ব জগতত,
কৰ্ম্মবীৰৰ লোৱাহি মান।

(৪)

শিল্প সাধনাৰ অতীত গৌৰৱ,
আই অসমৰ বুকুত চাই ;
নতুন আহিবে নতুন বললেৰে,
আগ বাঢ়ি এলা সকলো ভাই।
তলাতল ঘৰ, ৰং ঘৰ আৰু,
কাৰেঙৰ সেই কাৰি কাৰি গুণ ;
আকউ এবাৰ আৰ্জ্জন কৰি,
জগত-জিলিকা নহলা কোন ?

(৫)

এই দেশতেই সেই শিৱদ'ল,
গাঁথিলে বিচিত্ৰ গাঁথনি ধৰি ;
সোণৰ কলচী কোনেনো লগালে,
আজি পৰিমিত জিলিকা কৰি ;
এই অসমৰ শিল্পৰ সাঁকোৱে,
শিল্পৰ মহিমা ঘোষণা কৰি।
পূৰ্ব্ব পুৰুষৰ গৌৰৱৰ গীতি,
গাইছে কতনো বছৰ ধৰি।

১১ শতিকাৰ আচৰুৱা-কলীয়া;
অসংখ্য প্ৰতিমা থাকিলে কোনে?
মাটিৰ তলতো তলাতল কৰি,
সাজিছিলে ঘৰ, কিহৰ বলে?
এনে কাৰিকৰী শিক্ষাৰ গৰাকী,
আছিল এদিন ইখনি দেশ;
কৰা উপাৰ্জ্জন এতিয়া আকৌ,
কল কৌশলৰ আপোন বেশ।

(৭)

তিতাবৰ আৰু সৰ্বেশ্বৰৰ,
কাঁহ-পিতলৰ বিখ্যাত দেশ;
উঠক জিলিকি দেশ বিদেশৰ,
শিল্প-বিভূতিৰ বঢ়াই লেখ।
যি দেশৰ লোকে সেই ডিমাপুৰ,
গাঁথিলে বিচিত্ৰ গাঁথনি ধৰি;
সি দেশৰ লোক নাথাকিবা শুই,
শিল্প-কৌশলৰ বিভূতি এৰি।

(৮)

বীৰ-বুঁজাকৰ অশেষ অস্ত্ৰ,
এই অসমেই দিছিলে গঢ়ি;
শিলা বৰতোপ্ হিটৈপ কেতডাঙৰ,
আছে এতিয়াও হাবিত পৰি।
মোগল-ৰজাই এই অসমৰ,
সম্পদ ধনৰ লোভত পৰি;
চতুৰ্দশ বাৰ চেষ্টা কৰিছিল,
কতনো বণুৱা নিপাত কৰি।

(৯)

শৰাইঘাটি আৰু ইটাখুলী,
যুঁজ যুগুতাৰ সমৰ থলি;
তাতেই অসমে সেই সময়ত,
মোগল দম্ভতা পেলালে দলি।

পৰ্ব্বতে-কন্দৰে নিতুঁট ভাবাৰে,
পুৰণি শিল্পৰ কলিয়ে কয়,
অসম নিবাসী মোৰা আগ বাঢ়ি,
কতো নকৰিবা অকণো ভয়।'

(১০)

বিৰাট বিহাৰ ভগ্ন-গহ্বৰে,
লুপ্ত গৌৰৱৰ সোঁৱৰিছে অহ;
বৌদ্ধ ভাৰতৰ ভাস্কৰ শিল্পক,
আজিও বিবোধে বাস্তৱি কয়।
মোচলেম্ যুগৰ অমৰ কীৰ্ত্তি,
তাজমহলৰ তুলনা নাই;
হিন্দু-মোচলেম্ মোৰা আগবাঢ়ি,
অতী শিল্পীৰ আদৰ্শ চাই।

(১১)

শোণিত পুৰত উষা সুন্দৰীৰ,
জিলিকে আজিও তাঁতৰ শাল;
চিত্ৰ লেখাৰ শিল্পিৰ আহিঁ,
পুষ্প তুলিকাৰ চলাহি কাল।
সিদিনা বগুৱা সজাবৰ বাবে,
দেশৰ দেৱাই লাগিব বুলি;
মাজিতে সদাই কাপোৰ কাটিলে,
কত গাভৰুৱে চাৰেকি তুলি।

(১২)

ৰাজ কন্যা হৈয়ো ৰুক্মিণী আয়ে,
শিপিনী শক্তিৰ ৰাখিলে মান;
আকৌ নাৰীয়ে ধৰা অসমত,
নতুন সুৰেৰে শিপিনী গান।
এনে শিপিনীৰ এনে যুৱতীৰ,
মহান আদৰ্শ আগত ধৰি;
অসমৰ নাৰী মোৰা আগ বাঢ়ি,
নাৰী সমাজৰ সুখ্যাতি কৰি।

(১৩)

শিপিনী ফুলহী তোৰা নাৰী জাতি,
যন্ত্ৰৰ অভাৱ ঘাঁতৰি বক;
নাৰী সমাজত অসম নাৰীৰে,
আকৌ লভিকা আসন লক।
কৃষক সকলে কৃষি কৰমেৰে,
অন্নৰ অভাৱ কৰক দূৰ;
অসম জননী হওক আকৌ,
ফলেফুলে ভৰা আনন্দ পূৰ।

(১৪)

সোণৰ অসম সোণাময় কৰি,
স্বৰ্গৰ দৰে কৰা সুখ ভোগ;
উন্নতি সোঁতত মন-প্ৰাণ ঢালি,
আনা অসমৰ নতুন যুগ!
বিপদ-বিবাদ দূৰ দেশৰ আজি,
জাগতেউটি ধৰি লগাৰ জয়!
উঠি ডিলাবাৰ লাচিতৰ দৰে,
কৰিবা সকলো শত্ৰু জয়!"

(১৫)

গোৱা সকলোৱে অন্তৰে অন্তৰে,
লুপ্ত গৌৰৱৰ বিজয় গান।
আহাঁ সকলোৱে নবীন উছাহে,
নৱ আদৰ্শত নাচক প্ৰাণ।

শিক্ষা সমস্যা।

আমাৰ জন্মভূমি অসম স্বভাৱতে কৃষি প্ৰধান দেশ। নানা নদ-নদীয়ে বছৰি শস্য ক্ষেত্ৰত সাৰ পেলাই থকাত আৰু বতৰতো অনুকূল হৈ থকাত অলপ আয়াসতে ইয়াত অন্ন-শস্য উৎপন্ন কৰিব পৰা হয়। সেই বাবে আমাৰ দেশবাসী অতীজৰে পৰা ঘাইকৈ কৃষিৰ ওপৰত নিৰ্ভৰ কৰি চলি আহিছে। এতিয়াও শতকৰা ৯৫ জনেই খেতি কৰি খায়। কিন্তু এই কৃষক শ্ৰেণীৰ বেছি ভাগেই নিৰক্ষৰ। সেই বাবে আধুনিক উন্নত প্ৰকাৰৰ খেতি কৰি বাণিজ্যৰ লগত তাৰ সম্বন্ধ ঘটাবলৈ সম্পূৰ্ণ অপাৰগ হৈয়ে আছে। সেই বাবে এই কৃষকসকলৰ সৰহ সংখ্যকৰে অৱস্থা শোকলগা।

বৰ্ত্তমান আমাৰ শিক্ষিতৰ সংখ্যা শতকৰা প্ৰায় ৬ জনহে। এই ৬ জনেও লিখা পঢ়া শিকি কেৱল চাকৰীৰহে উপযুক্ত হয়। কৃষি বিষয়ত লাগিবলৈ অপটু বা মুখৰ লাজ। এতিয়া দেখা গৈছে এই মুঠিয়ে মুঠিয়ে অৰ্থব্যয় কৰি যি কেইজনে শিক্ষাৰ মহলা পাচ কৰি আহিছে তেওঁলোক লৈকে চাকৰি নাই। অনেক শিক্ষিত ডেকাই অনাই বনাই ভগ্ন মনোৰথ হৈ ঘৰত বহি আছে। এইদৰে আমাৰ দেশতো শিক্ষিতৰ নিবনুৱা সংখ্যাৰ আকাৰ ক্ৰমে ডাঙৰ হৈ যাব লাগিছে। এই বিষয়ৰ সমাধানৰ অৰ্থে দেশৰ চিন্তাশীল লোকসকলে অৱশ্যে নানা আলোচনা কৰিবলৈ ধৰিছে। অনেকেই অৱশ্যে স্বীকাৰ কৰিছে যে নিবনুৱা সংখ্যা গুচাবলৈ হলে ছাত্ৰসকলক স্বাবলম্বী হবলৈ শিকাব পৰা কামে কাজে শিক্ষা দিব লাগিব। "কেৱল" ভাটৌৰ দৰে কিতাপ মুখস্থ কৰিলেই নহয়। সকলো শিক্ষিত মানুহে

চাকৰি পাব নোৱাৰে যেতিয়া তেওঁলোকে কৃষি শিল্প আৰু বাণিজ্য এই কেইটা বিষয়ত ধৰি চলিব লাগিব। আৰু তাৰ উপযুক্ত শিক্ষা দিব লাগিব। সেইবাবে বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থাৰ কিছু সংস্কাৰ আৱশ্যক হব লাগিব। দৰিদ্ৰ শ্ৰেণীৰ লোক সংখ্যাই আমাৰ দেশত সৰহ। সেই বাবে এই শ্ৰেণীৰ ল'ৰাবিলাকক যথেষ্ট সুবিধা দি উপযুক্ত শিক্ষা দিলেহে দেশত সচৰা শিক্ষিতৰ সংখ্যা বাঢ়িব। এইবাবে আমি মজলীয়া অসমীয়া স্কুলবোৰত কিছু উন্নত শিক্ষা দিয়াৰ অৰ্থে ইয়াৰ আৱশ্যকীয় সংস্কাৰ হোৱা উচিত বুলি ভাবোঁ।

আমাৰ দেশত প্ৰাথমিক শিক্ষাৰ বাবে প্ৰায় ৪৫ খন গাৱঁৰ মাজত একোখন প্ৰাইমেৰী স্কুল আছে। ঠাই বিশেষে ৭।৮ খন গাৱঁৰ মাজতহে একোখন প্ৰাইমেৰী স্কুল আছে। এই শিক্ষাৰ অন্তত শিক্ষা কৰিবলৈ আমাৰ দেশত দুই প্ৰকাৰৰ স্কুল আছে। (১) উচ্চ ইংৰাজী আৰু মধ্য ইংৰাজী স্কুল। (২) মধ্য অসমীয়া স্কুল। ১ম বিধত মাচুল দি পঢ়িব লাগে। ২য় বিধত বিনা মাচুলে পঢ়িব লাগে। আমাৰ দেশৰ সৰহ সংখ্যক মানুহৰে অৱস্থা বেয়া। সেইবাবে তেওঁলোকৰ ল'ৰাবিলাকেই এই ২য় বিধৰ স্কুলত পঢ়ে। এই বাবেই হব পায় এই বিধৰ স্কুলৰ আন এটা উপনাম দুখীয়া স্কুল বুলি জনাজাত। এই প্ৰবন্ধত মজলীয়া অসমীয়া স্কুলৰ পৰিচালনা বিষয়েহে অলপ আলচ কৰিম।

অসম দেশ বৃটিশ শাসনাধীন হোৱাৰ কিছুদিনৰ পিচত গৱৰ্ণমেণ্টে ঠায়ে ঠায়ে কেই খনমান প্ৰাইমেৰী আৰু মজলীয়া স্কুল স্থাপন কৰে। গৱৰ্ণমেণ্ট মজলীয়া স্কুলো অসম উপত্যকাৰ ভিতৰত মুঠে ১০ খনমান হব। ইয়াৰ বাহিৰে লোকেল্‌বোৰ্ডে প্ৰতি মহকুমাৰ কেন্দ্ৰ ঠাইবিলাকত আৰু মিউনিচিপালিটিবিলাকে নগৰত একোখন মজলীয়া স্কুল স্থাপন কৰি দুখীয়া লৰাই কিছু উচ্চ শিক্ষা পাবলৈ সুবিধা কৰি দিছে। শিক্ষাৰ্থীৰ মানুহৰ বাঢ়তি হোৱাৰ লগে লগে সকলো স্কুলৰ সংখ্যা বাঢ়ি যাব ধৰিছে। বৰ্ত্তমান অসমত মজলীয়া স্কুলৰ সংখ্যা ডালেমান হৈছে। আমাৰ দৰিদ্ৰ দেশত এই মজলীয়া স্কুলৰ যে অতি প্ৰয়োজন তাক কোৱাই নকলেও হব।

শাসন সংস্কাৰৰ আগত গৱৰ্ণমেণ্ট মজলীয়া স্কুলৰ শিক্ষকসকলৰ আৰম্ভণী দৰ্ম্মহা ১৫৲ টকা আছিল। ১৯২১ চনৰ পৰা এই মজলীয়া স্কুলৰ সহকাৰী শিক্ষক সকলৰ ৩০৲—৫৫৲ টকালৈ আৰু হেড্ পণ্ডিতৰ ৪০৲—৭০৲ টকালৈ "স্কেল পে" নিৰূপণ কৰি দিয়া হল। তেওঁলোকৰ কামৰ গুৰুত্ব অনুপাতে এই হাৰ কম হৈছে যদিও তেওঁলোকে উন্নতিৰ এটা বন্ধা আশা লৈ শান্তিৰে কাম কৰিব পাৰিছে। কিন্তু বোৰ্ড বা মিউনিচিপালিটি স্কুলৰ শিক্ষকে তেনে শান্তি লৈ কাম কৰিব পৰা নাই। আজি ১৫ বছৰে এই শিক্ষকসকলে কৰি অহা আবেদনৰ কোনো সুফল ধৰা নাই। স্কুলৰ সকলো কাম গৱৰ্ণমেণ্টৰ সকলো নীতি আখৰে আখৰে পালন কৰি, এই সকল শিক্ষকে কৰি আহিছে। কিন্তু তেওঁলোকৰ পৰিশ্ৰমৰ উপযুক্ত মূল্য দিবৰ সময়ত সকলোৱে পিঠি দিয়ে। বোৰ্ডৰ পুঁজিত টকা নাই। তেওঁলোকক কেৰাণী চাৰ্জেয়াৰক স্কেল পে, ভৰ্ত্তা আদি গৱৰ্ণমেণ্ট আফচৰ কেৰাণীৰ তুলনাত দিবলৈ আঁটিছে; কেৱল এই শিক্ষকসকলক ১০।১২ বছৰৰ মূৰত দুই এটকা বঢ়াবলৈহে ধনৰ নাটনি হয়। সেই বাবে এতিয়াও নৰ্ম্মাল পাচ মজলীয়া স্কুলৰ হেড পণ্ডিত একোজনে ২০৲ টকা দৰ্ম্মহাতে কাম কৰি

থাকিব লগা হৈছে। ধনী সম্প্ৰদায়ৰ ছত্ৰীয়াক আৰ্হি কৰা যেনে এটা নীতি আছে; এই স্কুলৰ শিক্ষকৰ ওপৰতো এই ভাৱ পূৰ্ণ মাত্ৰায় প্ৰবৰ্ত্তিত হৈ আছে। বোৰ্ড বা মিউনিচিপালিটিৰ বেচি সংখ্যক সদস্যই অৱস্থাপন্ন লোক; তেওঁলোকে ছত্ৰীয়াৰ এই অভাৱটোৰ যে মন নকৰে তাক যোৱা ১৫ বছৰত এই শিক্ষকসকলৰ দৰ্মহা বৃদ্ধিৰ কোনো প্ৰকাৰ ধাপ নিদিয়া বিষয়েই ভালেকৈ প্ৰমাণ দিছেনে? ভুক্তভোগী সকলোৱে স্বীকাৰ কৰিব যে এই নিৰীহ শিক্ষকসকলক এইদৰে ভুৱা দি নিৰ্দয় ব্যৱহাৰ কৰি থকা হৈছে। নিৰ্য্যাতিত শিক্ষকসকলৰ এই অভাৱনীয় অশান্তিবোৰলৈ দয়ালু গৱৰ্ণমেণ্টে চকু দিয়া নিতান্ত উচিত। বোৰ্ডৰ শিক্ষকসকলৰ ওপৰত তলত দিয়া অবিচাৰবোৰ প্ৰায়ে ঘটি থকা দেখা যায়।

(১) এই শিক্ষকসকলৰ কামৰ কোনো স্থায়িত্ব নাই। বোৰ্ড বা মিউনিচিপালিটিৰ ইচ্ছা হলেই একোখন ভালেদিন চলি থকা স্কুল উঠাই দি সেই সেই শিক্ষকসকলক এনেয়ে নটিছ দি বিদায় দিয়ে।

(২) টকাৰ নাটনি পৰিলে সামান্য বেতন পোৱা শিক্ষকৰ দৰ্মহাকো কাটি অভাৱ পূৰণ কৰে বা এটা পদ উঠাই দিয়ে।

(৩) একে বোৰ্ডেই জুনিয়ৰ শিক্ষকক বেচি দৰ্মহা দি চিনিয়ৰ শিক্ষকক আকৌ একে যোগ্যতাৰ কম দৰ্মহা দি ৰাখে।

(৪) ভাল কাম কৰা কিম্বা বেয়া কাম কৰা সকলোৱে একে অৱস্থা।

(৫) একে দৰ্মহাত তেওঁলোকে অনেক বছৰ কটাব লগা হয়। উন্নতিৰ কোনো আশা নাই।

(৬) সকলো বোৰ্ডত মেডিকেল আৰু প্ৰিভিলিজ বিদায় পোৱাৰ ব্যৱস্থা নাই। তেওঁলোকৰ লৰা-ছোৱালী ইংৰাজী স্কুলত বিনা মাচুলে পঢ়াবাৰ সুবিধা নাই।

(৭) গৱৰ্ণমেণ্ট কৰ্মচাৰীসকলৰ কামৰ উপযুক্ত হৈ থাকিলেও ৩০ বছৰ চাকৰি কৰা হলেই বিদায় দিয়াটো বিচাৰ কৰা হয়। কিন্তু পেঞ্চন হলে দিয়া নহয়। প্ৰভিডেণ্ট ফণ্ডৰ টকা অতি সামান্য। ডেকা কালত কামকৈ বুঢ়া কালত কোনো অৱলম্বন নিদি মাত্ৰ বিদায় দিয়ে।

(৮) স্কুল ঘৰবিলাকৰ অৱস্থা প্ৰায়েই বেয়া।

(৯) শিক্ষাৰ আৱশ্যকীয় সঁজুলিবোৰ অভাৱ থাকে। আনকি আৱশ্যকীয় কৰ্ম্মো ব্যৱহাৰলৈ পোৱা নহয়।

(১০) আহকালি বহুতীয়া স্কুলবোৰতো পাখা দিয়া নহয়। যদি ওপৰত দিয়া কাৰ্য্যবিলাক ঘটিব লগা হয়, তেন্তে সেই কামবিলাকলৈ মানুহৰ স্বাভাবিক আস্থা কেতিয়াও নেথাকে। কাৰণ আন চাকৰিয়ালৰ দৰে ইয়াত একো সুচল নাই। কেৱল এই শিক্ষকসকলে অনিচ্ছাত আন উপায় নেপাই এই কাম কৰিছেহি। তাৰ ফলত তেওঁলোকৰ এই কৰ্ম্ম জীৱন এটা হা হুতাশ আৰু নিৰাশ অন্ধকাৰৰ মাজেদি অতিবাহিত হৈছে মাত্ৰ।

শিক্ষকতা কামটো দূৰৰপৰা কোনো লোকে সহজ দেখিব পাৰে। কিন্তু স্বৰূপতে ই এটি অতি দায়িত্ব পূৰ্ণ আৰু সন্মানিত কাম। কিয়নো যি-সকলে এটা জাতি গঠন কৰিছে আৰু যিসকলৰ কাৰ্য্যৰ ওপৰত জাতিৰ ভৱিষ্যত নিৰ্ভৰ কৰা হৈছে সেই সকলৰ তেনে গধুৰ কাৰ্য্যত ওপৰ চকুৱানকলে লঘু দেখিলেও প্ৰকৃততে ই এটা গধুৰ কাৰ্য্য। অবোধ বালক শিশুবিলাকক জ্ঞান দি প্ৰকৃত মানুহ কৰি তোলা শিক্ষকসকলৰ অতি আয়াস সাধ্য কাৰ্য্য। আমাৰ দেশৰ পাৰিপাৰ্শ্বিক অৱস্থাত এই ভাৱ

আন উন্নত দেশতকৈও গুৰুতৰ। কিন্তু আমাৰ দেশত এই গুৰু পৰিশ্ৰমৰ কাৰ্য্য কৰিব লগা হৈছে ওপৰত দেখুৱা দীন ভিক্ষাৰী অৱস্থৰে। তেওঁলোকে যি পায় তাৰে নিজৰ সম্ভ্ৰম ৰাখি চলিব নোৱাৰে। সেই ভৰাই থাকিবলৈ নাটে। পৰিয়াল বৰ্গক পোহপাল দিব নোৱাৰে। এতিয়া যদি এইবোৰৰ ভাল প্ৰতিকাৰ কৰা নহয় তেন্তে এইশ্ৰেণীৰ শিক্ষকৰ যে কামত শান্তি নহব তাক কোৱা বাহুল্য মাত্ৰ আৰু যেনে দাম তেনে কাম হৈ শিক্ষাত ব্যাঘাত ঘটিব।

শুনিবলৈ পাইছোঁ। আমাৰ মহামান্য শিক্ষা বিভাগৰ ডাইৰেক্টৰ চাহাব বাহাদুৰে এই বিষয়ে এখন বিলৰ আঁচনি তৈয়াৰ কৰি ৰাইজৰ মতামতলৈ প্ৰকাশ কৰিছে। এই পৰিকল্পিত আঁচনিয়ে কেনে ৰূপ লয়গৈ এতিয়াও কব নোৱাৰি। মুঠতে এই স্কুল বোৰত ঘটি থকা বিশৃঙ্খলাবোৰ গুচাই এটা যে, স্থিৰ শৃঙ্খলা লগোৱা আৱশ্যক হৈছে তাক আমি স্বীকাৰ কৰোঁ। এই আঁচনিত সেই বেয়ে-জালিবিলাক গুচাবৰ যথোচিত প্ৰতিকাৰ থাকিব লাগিব। আমি সদৌ মজলীয়া স্কুলবোৰ এটা প্ৰাদেশিক শিক্ষা বোৰ্ডৰ তললৈ আনি সুনিয়ন্ত্ৰিত ভাবে সেইবোৰ পৰিচালনা কৰা ব্যৱস্থা হোৱা উচিত বুলি ভাবোঁ।

বৰ্ত্তমান অৱস্থাত শিক্ষকসকলৰ দুৰ্দ্দশা কম আৰু পেঞ্চন আদি নথকাত আন কিছুমানৰ এই শিক্ষক সকলক হেয় প্ৰতিপন্ন কৰিবলৈ যোৱা ভাব আঁতৰিব লাগে। মুঠতে সমকক্ষ শিক্ষকসকলৰ কোনো পাৰ্থক্যৰ বাট থকা হব নেলাগে। এই বিষয়ে বেচৰকাৰী মজলীয়া স্কুলৰ শিক্ষকসকলে নিজৰ নিজৰ অভাৱ অভিযোগবোৰ যুক্তিৰে তদন্ত কমিটিক জনাবলৈ চেষ্টা কৰিব লাগে আৰু অহা চৰভেন্চন কমিটিত এইবোৰৰ প্ৰতিবিধান হবলৈ প্ৰতি মহকুমাৰ শিক্ষক সভাবপৰা আৰু কেন্দ্ৰ কাৰ্য্য নিৰ্ব্বাহক সভাৰপৰা মেমৰেণ্ডাম দিয়া উচিত।

এজন শিক্ষক।

সন্ধিয়াৰ স্মৃতি।

সন্ধিয়া সখিটি সৰসী পাৰতে
কিয়নো মনায়ে থকাহে ৰহি,
জলবল কৰি দীপ শিখা ৰূপে
পুথুৰী পানীত উঠাহে ভাহি?
শীতল কিৰণে জুৰি চাৰি দিক
বিমল সলিলা সৰসী শোভা,
হিয়া কাননত ভুমুকি মাৰা মোৰ
পোহৰাই পৰাণ মন লোভা।

সন্ধিয়া সখিটি সুধা-সমীৰণ
ৰিব্ ৰিব্ কৰি কিয়নো সোৱা?
তাপিতা, খিন্না প্ৰকৃতি বালাক
মধু-পৰশৰ চুমাটি দিয়া।
ৰলিয়া অন্তৰ হিয়া পুৰি নিয়া
তাতে মোৰ সখি অমিয়া সিঁচা,
সখি তুমি মোৰ শান্তিৰ সঁফুৰা
শান্তি বিচনীৰে জীৱন বিচা।

সন্ধিয়া সখিটি তটিনী বুকত
ঢউৰ লগতে মুৰলী ধৰা।
মোহন সুৰত নৈ, গিৰি, বন
আকাশ পাতাল মোহিত কৰা।
ভগা-ছিগা মোৰ জীৱন মুৰলী
পুনৰ জোৰোৰা মিলন তাঁৰ
বিপদ সোঁতত ঢউ খেলোঁ মই
ৰজোৱা বাঁহীটি কৰা উদ্ধাৰ।

× × ×

সন্ধিয়া সখিটি! দিছাহে জাননী,
কত আছে মোৰ জীৱন ধন।
ভাগৰিলোঁ মই বিচাৰি বিচাৰি
জলাঞ্জলি দিলোঁ গৌৰৱ মান॥

শ্ৰীনগেন্দ্ৰ নাথ চৌধুৰী।

গাৱঁলীয়া প্ৰাইমাৰী স্কুল।

গঠন ঃ— প্ৰায় ভাগ গাৱঁলীয়া মানুহে প্ৰথমে নিজৰ গাৱঁৰ নামঘৰ বা অন্য কোনো মানুহৰ ঘৰত সৰু ল'ৰা-ছোৱালীৰ শিক্ষাৰ্থে এজন পণ্ডিত ৰাখি একোখন স্কুল কৰে আৰু তাৰ যাবতীয় সকলো প্ৰকাৰ খৰচ, গাৱঁলীয়া মানুহে বহন কৰে। সেইদৰে কিছু বছৰ চলাৰ পাচতহে বোৰ্ডে স্কুলখন মঞ্জুৰ কৰে।

স্কুলঘৰৰ অৱস্থা ঃ— গাৱঁলীয়া স্কুল ঘৰৰ অৱস্থা চালে, মনত বৰ দুখ লাগে। পাঠকসকলে ভাবিব পাৰে যে গাৱঁলীয়া স্কুল ঘৰৰ অৱস্থা এনে কেতিয়াও নহয়; কিন্তু যি মানুহে গাৱঁলীয়া স্কুল দেখিছে বা পঢ়ি আহিছে তেওঁলোকে এই বিষয় ভালদৰে জানে।

প্ৰায় ভাগ গাৱঁলীয়া স্কুলত ল'ৰা বহিবলৈ কঠ বা ঢাৰিৰ বাহিৰে অইন একো নাই। তাৰ উপৰি ঘৰ বেৰ আদি ভঙা। বৰষুণত বৰষুণ আৰু ৰ'দত ৰ'দ পাব লাগে। ল'ৰাই ভালদৰে বহিব নোৱাৰে, স্কুল ঘৰৰ চাৰিওপিনে কিমান পৰিষ্কাৰ নহয়। ৰাতি ঘোঁৰা, গৰু আৰু মাজে মাজে দুই এটা শিয়াল বাস কৰে, পুৱাতেই ল'ৰাবোৰে গোবৰ আদি পৰিষ্কাৰ কৰি পাঠ পঢ়িব লাগে। ল'ৰাই যে কিমান কষ্ট পায় তাক বোধ কৰোঁ ভুক্তভোগীসকলে ভালদৰে বুজি পায়। এইবোৰৰ বাহিৰেও অনেক ৰকমৰ অসুবিধা দেখিবলৈ পোৱা যায়। কিন্তু দুখত সুখ থকাৰদৰে এইবোৰতো অনেক সুখ আছে। যদিও ল'ৰাই এইবোৰৰপৰা অনেক প্ৰকাৰ কষ্ট পায় তথাপি অনেক সুখো পায়। গাৱঁলীয়া স্কুলবোৰ প্ৰায় ভাগ পথাৰ বা গাৱঁৰ মুকলি ঠাইত, সেইবাবে তাত পঢ়া ছাত্ৰই বাল-সূৰ্য্যৰ পোহৰ আৰু মুকলি বতাহ পাই স্বাস্থ্য-

ম্লান হৈ উঠে, কিন্তু নগৰৰ ল'ৰাই এইবোৰ ভালকৈ নাপায়।

শিক্ষা :— গাৱঁৰ শিক্ষা আৰু নগৰৰ শিক্ষা বিচাৰিলে অনেক প্ৰভেদ দেখা যায়। গাৱঁৰ অভিভাৱকে আৰু শিক্ষকে ল'ৰাৰ শিক্ষাৰ প্ৰতি ইমান যত্ন নলয়, কিন্তু নগৰত ইয়াৰ বিপৰীত দেখা যায়। গাৱঁৰ কোনো কোনো স্কুলৰ শিক্ষকে স্কুললৈ উচিত সময়ত আহিব নোৱাৰে আৰু স্কুলৰপৰা যাবও নোৱাৰে; কাৰণ সৰহ ভাগ স্কুলত ঘড়ী নাই। গাৱঁলীয়া ল'ৰাই বাহিৰা কাম কাজ যিমান জানে নগৰৰ ল'ৰাই তিমান নাজানে। গাৱঁলীয়া স্কুলৰ প্ৰায় ল'ৰা সত্যবাদী আৰু শিক্ষকৰ প্ৰতি ভক্তি থকা। আগৰ কালৰ গুৰু শিষ্যৰ ভিতৰত যি আদৰ আৰু ভক্তি আছিল আজিও সেই আদৰ আৰু ভক্তি গাৱঁলীয়া স্কুলত পোৱা যায়। তাৰ উপৰিও গাৱঁলীয়া স্কুলৰ ল'ৰাৰ আত্ম নিৰ্ভৰতা আছে। তেওঁলোকে "আত্ম বলম্ পৰম্ বলম্" এই কথা ফাঁকি ভালদৰে কামত খটুৱায়। তেওঁলোকে পঢ়াত বেছি সময় খৰচ কৰিব নোৱাৰে, ঘৰৰ কাম কাজ কৰি গৃহস্থক যথেষ্ট সহায় কৰে। আৰু সেইবোৰ ভালদৰে শিকি পিতৃ মাতৃৰ মনত আনন্দ দিয়ে। গাৱঁলীয়া ল'ৰা সদায় পৰিশ্ৰমী। স্কুলত পঢ়াবলৈ যিবোৰ সঁজুলিৰ দৰ্কাৰ গাৱঁলীয়া স্কুলত সেইবোৰ যথেষ্ট পোৱা নাযায়। আনকি কোনো কোনো স্কুলত মেপ বোৰ্ড আদিও দেখিবলৈ পোৱা নহয়। এইবোৰৰ বাহিৰেও অন্য ঘোৰা কৰাত বোকা পানীৰ দ্বাৰা অনেক প্ৰকাৰ কষ্ট পায়। কৰ খোজোঁ যে যদি অভিভাৱকসকলে কিছু যত্ন লয় তেন্তে অসুবিধাবোৰ কিছু পৰিবৰ্ত্তন হব বুলি আশা কৰা যায়। তাৰ উপৰিও শিক্ষকসকলে বিশেষ যত্ন লৈ তেওঁলোকৰ কাম ভালদৰে কৰি অভিভাৱক আৰু ওপৰৱালাক আনন্দ দিব পাৰে তাৰ বাবে যত্ন কৰা উচিত। অলপ দৰ্ম্মহা বুলি মনত বেজাৰ নকৰি যি শিক্ষকে কাম কৰে তেওঁ উন্নতি কৰিব পাৰে। তাতেই তেওঁলোকৰ আদৰ আৰু সন্মান বাঢ়ে। শিক্ষক ছাত্ৰৰ আদৰ্শ স্বৰূপ; যাতে শিক্ষকে ছাত্ৰক সুশিক্ষা দি ছাত্ৰক উন্নতি পথত নিযাব পাৰে তাৰ বাবে যত্ন কৰিব লাগে, তেহে ওপৰোক্ত অসুবিধাবোৰৰপৰা হাত সাৰি সুবিধা লাভ কৰিব পাৰি। ইমান কষ্ট কৰি গাৱঁলীয়া ছাত্ৰ আৰু শিক্ষকে শিক্ষাৰ যত্ন লোৱা বাবে তেওঁলোকৰ ওচৰত শ'লাগ'ৰ শৰাই আগবঢ়াই আজিলৈ বিদায় মাগিলোঁ।

শ্ৰীৰজনী কান্ত শৰ্ম্মা।

ভগাবীণ।

গল্প :—

সোণ! কান্দিছা কিয়? কি হল? কিবা সপোন দেখিছা নেকি? নেকান্দিবা বাছা।

আইয়ে ইত্যাদি মৌ সনা কথা কৈ মোৰ গাত তেওঁৰ স্নিগ্ধ কৰ যুগল বুলাবলৈ ধৰিলে। মোৰ তেতিয়াহে সপোনৰ ভ্ৰম আঁতৰি দেঠকৰ প্ৰকৃত চেতনাই দেখা দিলে। অনতি দূৰে বাঁহীৰ মাজৰপৰা নিয়তিৰ নিউ নিউ শব্দ, শিয়ালৰ হোৱা-ধ্বনি কাণত পৰিল। অনুমান হ'ল— ৰাতি প্ৰায় পুৱাওঁ পুৱাওঁ হৈছে।

অশ্ৰু পূৰ্ণ চকু আৰু ওলোৱা নোলোৱা মাতেৰে উত্তৰ দিলোঁ, হয় আই! এটি বিভীষিকা পূৰ্ণ সপোন কুহকে মোক আবৰি ধৰিছিল। সেই সপোন এতিয়াও মোৰ চকুৰ আগৰপৰা আঁতৰ হোৱা নাই। মোৰ সখী যেন— আকৌ কান্দিবলৈ ধৰিলোঁ। আইয়ে তেওঁৰ আঁচলেৰে মোৰ চলচলীয়া চকু যুৰিবৰপৰা সৰ্ সৰ্ কৈ পৰা চকুৰ পানীবোৰ মচি দিলে। মোৰ অৱস্থা দেখি আইও থিৰেৰে থাকিব নোৱাৰিলে। তেওঁৰ প্ৰফুল্লিত চকুৰপৰা দুধাৰে চকুলো দুগালেদি বৈ পৰিল। "বোপা," "বোপা" আৰু তেওঁ একো নকৈ মোক বুকুৰ মাজত সোমাই ল'লে। লাহে লাহে তেওঁ মোৰ সপোনৰ কথা সুধিলে।

কাইলৈ যেন বিহু, ৰঙালি বিহু, গোটেই জগৎ ৰঙতে আপ্লুত। লৰা, বুঢ়া, জিয়াৰী, বোৱাৰী, গছ, বন, চৰাই চিৰিকতি সকলোৱে মনত আনন্দৰ ৰেখা বিৰিঙি উঠিছে। হিয়াত তাপ নাই, তাপিতৰ প্ৰাণত তাপে ঠাই লব পৰা নাই। শোক নাই, দুখ নাই, চিৰ সুখ কালি যেন নৱ বিহুটিৰ আগমনত সকলোৱে দুখ, দৈন্য, দূৰতে বিদূৰ হৈছে। আই, অনন্ত প্ৰকৃতি সকলো নিমগ্ন, মযো নিমগ্ন, কিন্তু আই মোৰ প্ৰাণৰ বীণাটিৰ অন্তৰত নাচোঁ নাচোঁ বুলিও নাচিব পৰা নাই। আই, মোৰ সখী........। তপ্‌তপকৈ আকৌ মোৰ চকুৰপৰা তপত পানী পৰি মোৰ বুকত এটি গাত হৈ গ'ল। আই, আকৌ বন্ধ কৰিলে। লাহে লাহে মোৰ সপোনৰ কথা পচোৱা ৰতাহে উৰাই আনি দিঠক ৰাজ্যত থাপিলেহি।

আই, সেই ৰাক্ষসী নিশাৰ বিকট কৰালে; মোহিনী ধৰাক সাৱটি ৰখা নাই। ৰাক্ষসী সহচৰী, ডাকিনী, ভয়ঙ্কৰী যোগিনী, নিশাচৰী ফেঁচা নাই, কাল পচোৱাৰ সোঁ সোঁ শব্দই নিশঙ্কা নৰৰ চঞ্চল মনৰ আতঙ্ক উপস্থিত কৰিব পৰা নাই। আৰু আকাশৰ ডাৱৰৰ কোৰ কোনোৰা দূৰনিলৈ নপলাই থকা নাই। পূব আকাশত তৰুণ ৰবিৰ চিক্‌মিক্ জিল্‌মিল্ সোণালী আভাৰ মোহন মূৰ্ত্তি। প্ৰকৃতি ৰাণীয়ে আজি সৰগৰ মলয়া অমিয়া সিঁচি মৰতৰ বাসন্তীক নৱ পৰান দান কৰিছে। লগে লগে আই-বোপা বুঢ়া, বুঢ়ী সকলোৱে লৰালৰিৰ মাজত বিহুটিক সাদৰি আনিবলৈ ব্যগ্ৰ। মোৰ মনো ব্যগ্ৰ। মযো ব্যগ্ৰ। লাউ, বেঙেনাৰে গঁথা, মলা ধাৰী মোৰ মৰমৰ হামু—দামুৱিক পিন্ধাই দি, মোৰ গ'লটোৰ মাজত তাৰ গলটো সুমাই লৈছোঁ।। মোৰ মনত পৰিল, মোৰ লগৰীয়া "কমলা।" আহ; হামুক মালা পিন্ধাই দিওঁ— 'কম'— মই আৰু তাত বোৱা, তিনিটা ভাগতে মোৰ সখী কমলাৰ

ঘৰৰ ওচৰৰ পদূ'লি পালোগৈ।

"কম" অ "কম," আহ চামুক মালা পিন্ধাই দিওঁ, আহ আই! তইনো কিয় তামছাৰ দিনত ঘৰৰ ভেঁকুলী হব ঐ। শব্দ প্ৰতি, শব্দ প্ৰতি-ধ্বনিত হ'ল। হঠাৎ গোটেই জগৎ আন্ধাৰ হৈ উঠিল। মেচমেচীয়া ক'লা এচপৰা মেঘ আহি গোটেই আকাশ ছানি পেলালে। অকস্মাৎ ভীষণ শব্দ কৰি এচপৰা কলা মেঘ ফালি কুৎসিতা কৃষ্ণ-কায়া কাল ৰাক্ষসী উপস্থিত হল। ভয়তে মোৰ গৰ্ভ গলি গ'ল। "ভয়, ভয়, হেৰ নৰ, ভয়, ভয় পাৰি, পৰিত্ৰাণ নাই, নিস্তাৰ নাই, পলাবি, মৰিবি কত? এয়া চাঁ; আই ঐ, আই মোৰ সখী "কম" এই নাক কাটিয়ে নিছে ঐ, আই আই, এই এৰিয়া পলায় ঐ, কোন ক'ত আছ ঐ, সখী "কম" আৰু সখী তোৰ মুখটো দেখোন তাই ভাজিছে। হঠাৎ ঘোৰ মেঘ আঁতৰিল। মই আকৌ সচিত্তে সপোন দেখিলোঁ। সপোন নহয় দিঠক। মোৰ সপোন সঁচা কৈয়ে ফলিয়ালে। সখী কমলা।—

"কম" ইনো ভিতৰত কি কৰিছে, আপবাড়ি গলোঁ। দেখিলোঁ কেইজনমান মানুহে মুখত পাগুৰি, হাতত দালৈ বাটৰ ফালে ওলাই আহিব ধৰিছে। সিহঁতৰ মাজত তড়াল কেঁচা বাঁহৰ ওপৰৰ চাৰি এখনত দুজন মানুহে কিবা আনিছে। পাচত দেখোঁ কমৰ মাক 'কম'ৰ নামেৰে ইনাই বিনাই কান্দিছে মাত্ৰ আৰু হেঁপাই ফেঁপাই লৰি আহিছে। মোৰ আনন্দত ব্যগ্ৰ চিত শোক জুইত দগ্ধ হ'ল। শেষ! সকলো শেষ!! ফুলনিত বং মনেৰে বিহৰি ফুৰা মোৰ প্ৰাণৰ সখী সাপৰ কামোৰত অনন্ত ধামলৈ প্ৰস্থান কৰিলে। লগে লগে মোৰ প্ৰাণো সখীৰ লগে লগে কোনোবা এক অজান দেশলৈ গতি কৰিলে, পিতাই আহি ব্যগ্ৰ মনেৰে মোৰ প্ৰাণাত্মাক প্ৰাণহীন দেহক ঘৰলৈ লৈ গল।

উৰি গল সখী তোৰ প্ৰাণ পখী আজি
শূন্য হৈ পৰি ৰ'ল মল ভূতী দেহা।
মোৰ এই ভগাবীণ মুঠিবতো বাজি।
ভগা দেহে ভগা হাটে কৰি বং বেহা॥

শ্ৰীঘন কান্ত ভট্টাচাৰ্য্য।

অসম শিক্ষক সম্মিলন।

৯ম বাৰ্ষিক অধিবেশন।

১। অসম শিক্ষক সম্মিলনৰ ৯ম বাৰ্ষিক অধি-বেশন অহা এপ্ৰিল বা মেই মাহত তেজপুৰত হব। তলত লিখা দৰে অভ্যৰ্থনা সমিতিৰ কাৰ্য্য-কাৰকসকল নিৰ্ব্বাচিত হৈছে।

অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত কুমুদচন্দ্ৰ শৰ্ম্মা, প্ৰধান সম্পাদক শ্ৰীযুত। বাণীকান্ত শৰ্ম্মা, সহকাৰী সম্পাদক শ্ৰীযুত নবীন চন্দ্ৰ দাস, ধন ভঁৰালী শ্ৰীযুত দেবেন্দ্ৰ নাথ ভট্টাচাৰ্য্য বি, এচ্, চি; বি, টি।

২। সম্মিলনৰ কাৰণে অভ্যৰ্থনা সমিতিয়ে তলত লিখা মহোদয়সকলক ক্ৰমান্বয়ে সভাপতি মনোনীত কৰিছে। (১) মিঃ জি, এ, স্মল, বি, এ। (২) শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী বি-এ, বি-টি।

(৩) মৌলবী আটাবৰ ৰহমান এম-এ। (৪) অধ্যাপক শ্ৰীযুত বাণীকান্ত কাকতী এম.এ; পি, এইচ, ডি।

শাখা সভাবিলাকে আক কাক ক্ৰমান্বয়ে সভাপতি মনোনীত কৰিব খোজে ১৫।৪।৩৬ তাৰিখৰ আগতে আমালৈ লিখি পঠায় যেন। যি গৰাকীৰ ফালে সৰহ সংখ্যক ভোট হব তেখেতেই সভাপতি নিৰ্ব্বাচিত হ'ল বুলি ঘোষণা কৰা হব।

৩। শাখা সভাবিলাকে বছৰেকীয়া বৰঙনি ৫৲ পাচ টকা এই চিঠি পোৱা মাত্ৰেই আমালৈ পঠাই দিয়ে যেন; কোৱা বাহুল্য যে বৰঙণি আদায় নকৰিলে শাখা সভাৰ প্ৰতিনিসকলে সন্মিলনত প্ৰতিনিধিত্বৰ স্বত্ব হেৰুৱাব।

৪। সন্মিলনলৈ শাখা সভাবিলাকে ১০ জনকৈ প্ৰতিনিধি পঠাব পাৰিব। প্ৰতিনিধিসকলৰ নাম অভ্যৰ্থনা সমিতিলৈ সন্মিলন বহাৰ ১০ দিনৰ আগতে পোৱাকৈ পঠাব লাগিব।

৫। সন্মিলনত উত্থাপন কৰিব লগীয়া প্ৰস্তাববিলাক অভ্যৰ্থনা সমিতিয়ে ৫ দিনৰ আগতে পোৱাকৈ সকলো শাখা সভা বা যেই সেই শিক্ষকে পঠাব লাগিব।

৬। শাখা সভাবিলাকেও নিজৰ নিজৰ বছেৰেকীয়া কাৰ্য্যৰ এটি চমু বিৱৰণী সন্মিলন বহাৰ ২১ দিনৰ আগতে পোৱাকৈ সন্মিলনৰ প্ৰধান সম্পাদকৰ নামে তলৰ ঠিকনাত পঠাব। সেই বিৱৰণীবিলাকৰ মৰ্ম্ম সংগ্ৰহ কৰি প্ৰধান সম্পাদকে সন্মিলনৰ বছৰেকীয়া ৰিপোৰ্ট লিখিব।

৭। যোৱা সন্মিলনত গৃহীত হোৱা প্ৰস্তাববিলাকৰ বিষয়ে কাম কৰিবলৈ চেষ্টা কৰা হৈছে বুলি গৱৰ্ণমেণ্টে আমাক জানিবলৈ দিছে। গতিকে আমি এই সময়ত বুজিবে নিজৰ অভাৱ-অভিযোগবোৰ দেখুৱাই গৱৰ্ণমেণ্টৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সজ্ঞানভাৱে যত্ন কৰা উচিত।

অহা সন্মিলনত যাতে সকলো শাখা সভাৰে প্ৰতিনিধি উপস্থিত থাকিব পাৰে তাৰ বাবে শাখা সভাবিলাকে এতিয়াৰপৰা দিহা কৰিব বুলি আশা কৰিলোঁ।

৮। শিক্ষকসকলে সন্মিলনত যোগ দিব পৰাকৈ আগৰ দৰেই স্কুলৰপৰা ছুটী পাবলৈ আমি যথা সময়ত স্কুল সমূহৰ মাননীয় ইন্স্পেক্টৰ মহোদয়ৰ ওচৰত আবেদন কৰিম। মাননীয় ইন্স্পেক্টৰ মহোদয়ৰ এই বিষয়ক হুকুম সন্মিলন বহাৰ আগতে শিক্ষকসকলে মাননীয় ডেপুটি ইন্স্পেক্টৰ সকলৰপৰা জানিবলৈ পাব।

৯। সন্মিলন সম্পৰ্কীয় সকলো আৱশ্যকীয় কথা যোৰহাট নৰ্ম্মাল স্কুলৰ তিনি মহীয়া আলোচনী "প্ৰভাত"ত প্ৰকাশ কৰিবলৈ দিয়া হয়। শিক্ষকসকলে "প্ৰভাত"ৰ যোগেদি সন্মিলনৰ লাগতিয়াল কথাবিলাক জানিব পাৰিব।

১০। আমাৰ সন্মিলনৰ উদ্দেশ্য সাফল্য মণ্ডিত কৰিবলৈ হলে শদিয়াৰপৰা ধুবুৰীলৈকে অসম উপত্যকাৰ সকলো শিক্ষক একতাবদ্ধ হৈ প্ৰবলভাৱে আন্দোলন চলাব লাগিব আৰু ইয়াকে কৰিবলৈ সচেষ্ট হবৰ কাৰণে সকলো শিক্ষকক আমি বিনীত ভাৱে টানি অনুৰোধ কৰিলোঁ। ইতি—

বিনীত—

শ্ৰীহৰি নাৰায়ণ দত্ত বৰুৱা।

প্ৰধান সম্পাদক, অসম শিক্ষক সন্মিলন।

নৰ্ম্মাল স্কুল, যোৰহাট। ১০।৩।৩৬

টোকা।

গাওঁ সংগঠন কাৰ্য্য—

শিক্ষা বিভাগৰ বিষয়া আৰু কৰ্ম্মচাৰীসকলে ৰাইজৰ সহযোগিতা লৈ তলত লিখা মতে গাওঁ সংগঠন কাৰ্য্য হাতত ললে দেশৰ হকে এটি প্ৰধান কাৰ্য্যলৈ আগ বঢ়া হব। অসম উপত্যকাৰ স্কুলসমূহৰ সুযোগ্য ইনস্পেক্টৰ শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামী মহোদয়ৰ উপদেশ অনুসৰি ফিজিকেল ইনষ্ট্ৰাক্টৰ শ্ৰীযুত বলী নাৰায়ণ বৰুৱা দেৱৰ তত্বাৱধানত নিম্নলিখিত আঁচনি মতে নগাওঁৰ কামপুৰ কেন্দ্ৰত কাৰ্য্য আৰম্ভ কৰা হৈছে।

১। শিক্ষা বিস্তাৰ— (ক) শিক্ষাৰ উপকাৰিতাৰ বিষয়ে সৰ্ব্বসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰা সম্বন্ধে।

(খ) প্ৰত্যেক গাওঁতে স্কুল স্থাপন আৰু উপযুক্ত লৰা-ছোৱালীৰ শিক্ষা দিয়াৰ ব্যৱস্থা সম্বন্ধে।

(গ) প্ৰত্যেক গাওঁতে নৈশ্য বিদ্যালয় স্থাপন কৰি অশিক্ষিত ডেকা লৰাক শিক্ষা দিয়া সম্বন্ধে।

২। সাধাৰণ স্বাস্থ্যৰ উন্নতি— (ক) ব্যক্তিগত আৰু সামাজিক পৰিষ্কাৰ পৰিচ্ছন্নতাৰ উপকাৰিতাৰ শিক্ষা বিস্তাৰ সম্বন্ধে।

(খ) উন্নত প্ৰণালীৰ স্বাস্থ্যকৰ ঘৰ দুৱাৰ সাজিবৰ প্ৰণালী আৰু সংগঠন কাৰ্য্য সম্বন্ধে।

(গ) নানা ৰোগৰ উৎপত্তিৰ কাৰণ আৰু নিবাৰণ শিক্ষা বিস্তাৰ সম্বন্ধে।

(ঘ) পুষ্টিকৰ খাদ্যৰ উপকাৰিতা আৰু উৎপন্ন সম্বন্ধে।

৩। আলি-পদুলি— যাতায়াতৰ কাৰণে আৱশ্যকীয় আলি-পদুলি তৈয়াৰ আৰু সংগঠন কাৰ্য্যাদি সম্বন্ধে।

৪। কৃষি— (ক) উন্নত ধৰণৰ খেতি কৰাৰ উপকাৰিতা আৰু সংগঠন সম্বন্ধে।

(খ) ভাল ফচলৰ কাৰণে সঁচ আহৰণ আৰু উপদেশাদি সম্বন্ধে।

(গ) সজ্ঞবদ্ধভাৱে, গাওঁৰ ওচৰত চন পৰি থকা মাটিত খেতি কৰিবৰ প্ৰণালী আৰু উপকাৰিতা সম্বন্ধে।

(ঘ) সাৰ জাবৰ আহৰণ প্ৰণালী আৰু উপকাৰিতা সম্বন্ধে।

৫। পশুপালন— (ক) পুষ্টিকৰ বলী হালোৱা-জন্তু প্ৰতিপালনৰ উপকাৰিতা আৰু প্ৰণালী সম্বন্ধে। (খ) আন আন ঘৰুৱা জন্তুৰ উপকাৰিতা আৰু পালন প্ৰণালী সম্বন্ধে।

৬। ব্যৱসায় বাণিজ্য— (ক) গাওঁত উৎপন্ন হোৱা শস্য আৰু দ্ৰব্য সুঠ বান্ধি বেচ' কিনাৰ উপকাৰিতা আৰু সংগঠন প্ৰণালী সম্বন্ধে।

৭। আৰ্থিক উন্নতি বিধান— (ক) সমবায় সমিতি স্থাপনৰ উপকাৰিতা আৰু সংগঠন কাৰ্য্যাদি সম্বন্ধে।

(খ) গাওঁলীয়া পঞ্চায়তৰ উপকাৰিতা আৰু সংগঠন কাৰ্য্যাদি সম্বন্ধে।

(গ) অনাগতিয়াল খৰচৰ বাট আৰু প্ৰতিৰোধ কাৰ্য্যাদি সম্বন্ধে।

(ঘ) টকা ধাৰ কৰা, মাটি-বাৰী বন্ধকী দিয়াৰ অপকাৰিতা আৰু প্ৰতিশোধ কাৰ্য্যাদি সম্বন্ধে।

৮। বিপদৰ বন্ধু— যাৰি মৰক বান পানী আদি দুৰ্যোগত সাহায্য কাৰ্য্যাদি সংগঠন সম্বন্ধে। আৰু আৱশ্যকীয় শিক্ষা।

৯। উদ্ধাৰ আৰু বিস্তাৰ কাৰ্য্য— পৌৰাণিক কীৰ্ত্তিচিহ্ন, নৃত্য-কলা, খেল-ধেমালি আদি উদ্ধাৰ আৰু বিস্তাৰ সম্বন্ধে।

সম্পাদকৰ মন্তব্য।

১। অসম শিক্ষক সম্মিলন—

অসম শিক্ষক সম্মিলনৰ ছকুৰিখনমান শাখা শিক্ষক সভা আছে। এই ছকুৰিখন শাখা সভাই গা লাগি কাম কৰিলে অসম শিক্ষক সম্মিলনে ভালেমান উপকাৰী কাম কৰিব পাৰিব বুলি আমাৰ বিশ্বাস। শিক্ষক সম্মিলনে এতিয়া বিশেষকৈ তিনিটা কাম কৰিবলৈ হাতত লোৱা বাঞ্ছনীয়:—

(১) শিক্ষণীৰ বিষয়ৰ ব্যৱস্থা।

(২) শিক্ষা-প্ৰণালীৰ ক্ৰমোন্নতি সাধন।

(৩) শিক্ষক সকলৰ আৰ্থিক অৱস্থাৰ পৰিবৰ্দ্ধনৰ উপায় নিৰ্দ্ধাৰণ।

তেজপুৰত বহিব লগীয়া অহা নৱম অধিবেশনত এই কেইটা বিষয়ৰ বিশদ আলোচনা হব বুলি আমি একান্ত আশা কৰিলোঁ।

২। আমাৰ স্কুলৰ তৃতীয় বাৰ্ষিক "পাছ" কৰা ছাত্ৰসকল—

তৃতীয় বৰ্ষিক পাছকৰাৰ পাচত আমাৰ স্কুলৰ ছাত্ৰসকলে চাকৰি পোৱাৰ এটা সুব্যৱস্থা হোৱা উচিত। এই বিষয়ে মাননীয় ডেপুটী ইনস্পেক্টৰ আৰু মাষ্টৰৰ হেড মাষ্টৰ ডাঙৰীয়াসকলৰ সৈতে হোৱা শিক্ষা বিভাগীয় সভাত আলোচিত হৈ এটি সিদ্ধান্ত হোৱা ভাল। ট্ৰেইনিং লাভ কৰা মানুহে শিক্ষা বিভাগত কাম নেপাই বহি থকাটো দেশৰ পক্ষে মঙ্গলৰ কথা নহয়। বৰ্ত্তমান তৃতীয় বাৰ্ষিক পাছ কৰা সকলো মানুহেই উপযুক্ত কাৰ্য্যত নিয়োজিত হোৱা নাই।

৩। শিক্ষয়িত্ৰী মহাশয়াসকল—

অসম শিক্ষক সম্মিলনত শিক্ষয়িত্ৰী মহাশয়া সকলেও নাৰী শিক্ষাৰ বিষয়ে আলোচনা কৰিলে সম্মিলনখনি সম্পূৰ্ণাঙ্গ হোৱাত বিশেষ সহায় কৰা হব। আমাৰ দেশত এতিয়াও নাৰী শিক্ষা বিস্তাৰৰ অৱস্থা অতি শোক লগা। শিক্ষয়িত্ৰী আৰু শিক্ষিতা নাৰীসকলে এই বিষয়ত বিশেষকৈ মনোযোগ দিবৰ সময় উপস্থিত হৈছে।

৪। বোৰ্ডিংত শাৰীৰিক ব্যায়াম।

আজি কালি কোনো কোনো বোৰ্ডিংত বোৰ্ডিং-বাসীসকলো ছাত্ৰকে অতি ৰাতিপুৱাতেই শাৰীৰিক ব্যায়াম অভ্যাস কৰোৱা হয়। উঠি অহা দেশৰ সন্তানসকলৈলৈ এইটো অতি উৎকৃষ্ট নিয়ম হৈছে। পুৱাই শুই উঠা আৰু উঠি ব্যায়াম কৰা— ইয়াৰ উপকাৰিতাৰ বিষয়ে ইয়াত লিখা বাহুল্য মাথোন। আমাৰ নৰ্ম্মাল স্কুলতো এইদৰে ব্যায়াম অভ্যাস কৰোৱা হৈছে। শিক্ষাবিভাগৰ সকলো স্কুলৰ বোৰ্ডিংতে এইদৰে ব্যায়াম অভ্যাস কৰোৱা নিতান্ত যুগুত বুলি বিবেচিত হয়।

৫। বোৰ্ডৰ শিক্ষকসকলৰ দৰ্ম্মহা।

বোৰ্ডৰ অধীনত কাম কৰা শিক্ষকসকলে নিয়মিত সময়ত দৰ্ম্মহা নাপায়। যোৱা বছৰত আমাৰ স্কুলত গুৰু ট্ৰেইনিং লবলৈ অহা শিক্ষকসকলৰ ভালেমানক এইবাবে কষ্ট ভোগা দেখা গৈছিল। বোৰ্ডৰ কৰ্তৃপক্ষই বোৰ্ড সমূহৰ এই দুৰ্ণাম গুচাবলৈ যত্ন কৰে যেন।

CURZON LIBRARY 6 - MAY 1936

CURZON HALL LIBRARY
13 SEP. 3.
GAUHATI, ASSAM

প্ৰভাত।

যোৰহাট নৰ্ম্মাল স্কুলৰ আলোচনী কাকত।

আত্ম বলম্ পৰম বলম্।

১৭ শ খণ্ড ৪ৰ্থ সংখ্যা	বসন্ত সংখ্যা ১৮৫৮ শক।	সমস্ত সংখ্যা—৬৮

গীতা প্ৰসঙ্গ।

[শ্ৰীযুত জয়কৃষ্ণ মিশ্ৰ এম, এ।]

শ্ৰীভগবান্ শ্ৰীকৃষ্ণৰূপে স্বয়ং ভূমিত অৱতীৰ্ণ। তেওঁৰ অৱতাৰ অতিশয় ৰহস্যপূৰ্ণ। তেওঁ মায়া মনুষ্যৰূপে অৱতীৰ্ণ হৈ বহিৰ্ম্মুখী লোকসকলক কাল ৰূপে মৃত্যু দিছে আৰু অন্তৰ্ম্মুখী লোকসকলক পুৰুষৰূপে অমৃত দিছে। বহিৰ্ম্মুখী মানৱৰ উদাহৰণ কংস। তেওঁ অত্যন্ত বহিৰ্ম্মুখী। নিজৰ মৃত্যু নিবাৰণৰ উপায় বিচাৰি আকুল। নিজৰ জীৱন ৰক্ষাৰ নিমিত্তে সহোদৰা ভগিনীকো কাটিবলৈ ওলাল আৰু নিজৰ পিতৃ উগ্ৰসেনক বন্দী কৰি ৰাখিলে। কিন্তু মৃত্যুতো বাহিৰৰপৰা নাহে— আহে ভিতৰৰপৰা। সেই কথা কংসই নুবুজিলে। জ্ঞানী আৰু সাধু বহুতেৰে তেওঁক নানা প্ৰকাৰে বুজালে হে বীৰ, মানুহ ওপজা মাত্ৰকে তেওঁৰ মৃত্যুও লগে লগে ওপজে আজি নাইবা এশ বছৰ পাচত হলেও মানুহৰ মৃত্যু নিশ্চিত। হেন জানি তুমি মৃত্যুৰ প্ৰতিকাৰ বিচাৰি পৰম আত্মীয় সকলৰ হিংসা নকৰিবা। কিন্তু কংস তেতিয়া ইমান বহিৰ্ম্মুখী যে এই সাধাৰণ তত্ত্বটিকে নুবুজিলে। তেওঁ মৃত্যু নিবাৰণৰ বাবে মানুহৰ বুদ্ধিৰ যিমান সাধ্য তাকে কৰিলে; অথচ পালি প্ৰহৰী বেঢ়ি থকা পোতাশালতে শ্ৰী ভগবান তেওঁৰ মৃত্যুৰূপে অৱতীৰ্ণ হল। কিন্তু হঠাতে কি দৰে কি হ'ল কোনেও নাজানিলে। আচল কথা যিটি সি থাকিল গোপনে নকল কথা প্ৰচাৰিত হ'ল। সকলোৱে বুজিলে যে দেৱকীৰ কন্যা এটি ওপজিল। এইয়ে শ্ৰীভগবানৰ আবিৰ্ভাৱ ৰহস্য। কথাটো অত্যন্ত জটিল। উপাখ্যান মুখে আমি শুনাত সহজ যেন দেখোঁ। শ্ৰীভগবানে নিজ মুখে অৰ্জ্জুনত কৈছে— "জন্ম

কৰ্ম্ম চ মে দিব্যমেবং যো বেত্তি তত্ত্বতঃ। ত্যক্ত্বা দেহং পুনৰ্জ্জন্ম নৈতি মামেতি সোঽৰ্জ্জুন।” হে অৰ্জ্জুন মোৰ দিব্য জন্ম আৰু কৰ্ম্ম তত্ত্ব স্বৰূপে (উপাখ্যান স্বৰূপে নহয়) যিয়ে জানে তেওঁ মোক পায়। সৰু কথা নহয়। শ্ৰীভগৱানৰ কৃপা ব্যতি-ৰেকে এই তত্ত্ব দৰ্শন নহয়। এই কৃপা লাভ হয় ভক্তিৰ দ্বাৰা। সেই দেখি মহাপুৰুষে কৈছে :—

“ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মতত্ত্ব
মাধৱৰ প্ৰসাদে মিলয়।”

আনকালে ভক্ত মহাৰাজ পৰীক্ষিতে শ্ৰীভগৱানৰ আবিৰ্ভাৱ ৰহস্য বুজি পালে। কাৰণ তেওঁ অন্ত-ৰ্মুখী। মৃত্যু আহি দুৱাৰত উপস্থিত। তথাপি তেওঁৰ ভ্ৰূক্ষেপ নাই। শুকদেৱৰ মুখে শ্ৰীভগৱানৰ লীলা তত্ত্ব শুনি শুনি তেওঁৰ শুনিবৰ আগ্ৰহ বাঢ়ি গল। ভোক পিয়াহ গুচিল। একাগ্ৰচিত্তে শুনি-বলৈ ধৰিলে। শ্ৰীকৃষ্ণলীলা শুনি মৃত্যু পাৰ হৈ অমৃতত্ব লাভ কৰিলে। আমাৰ প্ৰধান জানিবলগীয়া বুজিবলগীয়া আৰু অনুভৱ কৰিবলগীয়া কথা শ্ৰীভগ-ৱানৰ এই দুবিধ প্ৰকাশ— কালৰূপে আৰু পুৰুষ ৰূপে, মৃত্যুৰূপে আৰু অমৃতৰূপে।

যেতিয়া ভাৰতবৰ্ষত বল আৰু ক্ষমতাৰ বলেৰে অতিশয় দৃপ্ত ৰাজবৰ্গই পৃথিৱীত ঘোৰ অত্যাচাৰ আৰম্ভ কৰি সাধুসকলৰ নিপীড়ন কৰিবলৈ ধৰিলে সেই যুগৰ সন্ধিক্ষণতে শ্ৰীকৃষ্ণ ভগৱানৰ আবিৰ্ভাৱ হ’ল। সেই কথা তেওঁ অৰ্জ্জুনত কৈছে যে সাধুৰ পৰিত্ৰাণ আৰু দুৰ্জ্জনৰ বিনাশৰ নিমিত্তে তেওঁ অৱতীৰ্ণ হয়। এই সময়ত এই দুই দলৰ লোকে তেওঁৰ দুইৰূপ দেখা পালে। ভীষ্ম, বিদুৰ, যুধি-ষ্ঠিৰ, উদ্ধৱ প্ৰভৃতিয়ে তেওঁক পুৰুষৰূপে অনুভৱ কৰিলে আৰু কংস, জৰাসন্ধ, শিশুপাল প্ৰভৃতিয়ে তেওঁক কালৰূপে অনুভৱ কৰিলে। এই অনুভৱৰ ভিতৰতেই শ্ৰীভগৱানৰ অৱতাৰ তত্ত্ব নিহিত আছে। এই তত্ত্বকেই শ্ৰীকৃষ্ণই অৰ্জ্জুনক বুজিবলৈ কৈছে। এই তত্ত্ব ভক্তিৰ দ্বাৰাহে বোধগম্য। গীতাই ইয়াকে কয়।

মানুহৰ তত্ত্বজিজ্ঞাসাৰ আকাঙ্ক্ষা কেতিয়া হয়? সুখে স্বচ্ছন্দে আহাৰ বিহাৰ কৰি থকা অৱস্থাত এই আকাঙ্ক্ষা কেতিয়াও নহয়। কিবা এটা অভাৱ অনুভৱ কৰিলে মানুহৰ মনত এই আকা-ঙ্ক্ষাৰ উদয় হয়। এই অভাৱবোধ যিমানেই প্ৰবল হয় জানিবৰ আগ্ৰহো সিমান প্ৰবল হয়। অৰ্জ্জুন মহাবীৰ। তেওঁ নিজৰ বাহুবলেৰে এসময়ত ত্ৰিভু-ৱন জয় কৰিছিল। সেই হেন বীৰে যেতিয়াই যুদ্ধস্থলত উপস্থিত হৈ দেখিলে যে যিবিলাকৰ ওপ-ৰত অস্ত্ৰ প্ৰহাৰ কৰিব লাগিব সিবিলাক তেওঁৰ জ্ঞাতি কুটুম্ব তেতিয়া তেওঁৰ মনত হঠাৎ দৈন্য ভাৱ উপস্থিত হল। অইন কি তেওঁ কঁপিবলৈ ধৰিলে আৰু হাতৰ গাণ্ডীৱ ধনু খহি পৰিল। এই দুৰ্ঘোৰ মানসিক দুৰৱস্থাৰ সময়ত— এই আন্ত-ৰিক দৈন্য কাৰ্পণ্য বা অভাৱৰ সময়ত অৰ্জ্জুনৰ অন্তৰত জিজ্ঞাসাৰ ভাৱ উদয় হল। এই অৱ-স্থাতেই শ্ৰীকৃষ্ণে অৰ্জ্জুনক পৰম দুৰ্ব্বোধ আত্মতত্ত্বৰ উপদেশ দিলে। জ্ঞান কৰ্ম্ম আৰু ভক্তিৰ ৰহস্য বিলাক বুজালে; তেওঁৰ অৱতাৰ তত্ত্ব বুজালে। শেষত তেওঁৰ বিৰাটৰূপ দেখুৱাই অৰ্জ্জুনৰ সকলো ভুল-ভ্ৰান্তি, ভয়-ভাৱনাৰ অন্ত কৰিলে।

গীতাৰ বিশদ আলোচনা আমাৰ এই ক্ষুদ্ৰ প্ৰবন্ধৰ উদ্দেশ্য নহয়। গুৰু মুখে উপদেশ নাপালে এই শাস্ত্ৰৰ বোধ নোপজে। ভাবুক পাঠকসকলৰ স্পৃহা বঢ়াবৰ নিমিত্তে দুই এটা ইঙ্গিতেই যথেষ্ট। গীতা প্ৰধান যোগ শাস্ত্ৰ। শ্ৰীভগৱানৰ লগত আন্ত-ৰিক যোগ নাথাকিলে ই শাস্ত্ৰৰ তত্ত্ব বুজা অসম্ভৱ।

এই যোগৰ উদ্দেশ্যে মানুহে প্ৰতি দিনে স্থিৰভাবে চিন্তা কৰাৰ আৱশ্যক। তেনে কৰিলেহে অনুক্ৰমে এই যোগশাস্ত্ৰৰ ৰহস্যবিলাক অলপ অলপকৈ অন্তৰত স্ফুৰিত হৈ থাকিব।

মোৰ এই ক্ষুদ্ৰ প্ৰবন্ধৰ উদ্দেশ্য আমাৰ পাঠক সকলৰ মন শ্ৰীভগৱানৰ তত্ত্ব চিন্তা কৰিবলৈ উদ্বুদ্ধ কৰা। নিতৌ এটা নিৰ্দ্ধাৰিত সময় স্থিৰ কৰি সকলোৱে যেন ওপৰত ইঙ্গিত দিয়া ৰহস্যবিলাক চিন্তা কৰি চায়। ইয়াৰদ্বাৰা উচ্চ চিন্তাৰ শক্তি বাঢ়িব আৰু অলপ অলপকৈ আলোক পাই যাব।

নতুন বৰলাটৰ ব্ৰডকাষ্ট বাণী।

১৯৩৬ চনৰ ১৮ এপ্ৰিল তাৰিখে ভাৰতৰ নতুন বৰলাট লৰ্ড লিন্‌লিথ্‌গ'ই তলত দিয়া বাণীটো ব্ৰডকাষ্ট কৰি ৰাইজক জনাইছে :—

ভৱিষ্যতত দুৰ্দ্দিনৰ সময়ত আপোনালোকে ইয়াতকৈ কোনো ৰকমে কম নকৰে বুলি মোৰ পূৰা বিশ্বাস। যোৱা বছৰত পাৰ্লিয়ামেণ্টে মঞ্জুৰ কৰা শাসন সম্পৰ্কীয় নতুন সংস্কাৰৰ আঁচনিৰ মূল উপাদানৰ এটা নহয় এটা বিষয় লৈ আপোনালোকৰ মাজত কিছুমানৰ সন্দেহ থাকিব পাৰে, কিন্তু এতিয়া আৰু এইটো বিচাৰ্য্য বিষয় হৈ থকা নাই আৰু শাসন সম্পৰ্কীয় নিয়ম প্ৰণালীবোৰ ব্যৱহাৰ প্ৰস্তুত লিপিবদ্ধ কৰা হ'ল। সেই দেখি মই আপোনালোকৰ সকলো সন্দেহ আৰু অমনোযোগিতা দূৰ কৰিবলৈ উপদেশ দিওঁ। ভাৰত আৰু গ্ৰেট ব্ৰিটেইনৰ বহু পৰিশ্ৰমৰ ফলস্বৰূপে অৰ্জ্জা যুটীয়া আমেৰে আৰু আপোনালোকৰ সহায়েৰে গঢ় লগোৱা এই ৰিপোৰ্টখন কাৰ্য্যকৰী কৰিবৰ অৰ্থে আপোনালোকক সাহস আৰু বিশ্বাসেৰে লৈহে মোৰ আৰু প্ৰাদেশিক শাসনকৰ্ত্তা সকলৰ লগত আগ বাঢ়িবলৈ আহ্বান কৰিছোঁ, কিয়নো, এই ৰিপোৰ্টখন সতৰ্কতা আৰু সুবিধা প্ৰদানৰ বিষয়ত পৃথিৱীৰ ইতিহাসৰ ভিতৰত অতুলনীয় হৈছে।

জিলাৰ কৰ্ম্মচাৰীসকল—

আপোনালোকৰ যি সকলে জিলাৰ অতি দায়িত্ব কামৰ ভাৰ লৈছে সেই সকলক মই এটি কথা কওঁ। আপোনালোকক ঠিৰাংকৈ কৈছোঁ যে মই সদায়েই আপোনালোকৰ কামৰ অতি সাকৰাখিনিহে মনত ৰাখিম। জিলাৰ ওপৰ থাপৰ ৰাজপ্ৰতিনিধি হিচাপেই আপোনালোকেই গাওঁৰ মানুহৰ আৰু গৱৰ্ণমেণ্টৰ ভিতৰত সম্ভাৱ অনা কাৰ্য্যৰ মধ্যবৰ্ত্তী। ভাৰতীয় খেতিয়ক সকলে সহায় উপদেশ আৰু সুখ শান্তিৰ কাৰণে আপোনালোকৰ মুখলৈ চাই আছে। মই জানোঁ, আপোনালোকে তেওঁলোকৰ সেৱাৰ অৰ্থে যত্নৰ ক্ৰুট কৰা নাই। বৰ্ত্তমান সময়ত অফিচত কাম যি দৰে বাঢ়িছে সেই বাঢ়ি অহা কামে, আপোনালোকৰ যি প্ৰধান কাম—গাওঁৰ মানুহৰ লগত খুব ওচৰা ওচৰিকৈ সম্পৰ্ক ৰখা সেই কামত বৰ ব্যাঘাত জন্মাইছে সেইটো মই বঢ়িয়াকৈ উপলব্ধি কৰিব পাৰিছোঁ। এইটো অৱশ্যে বিচাৰ কৰিব লগীয়া বিষয় হৈ পৰিছে আৰু মই, যাতে অন্ততঃ মফঃস্বল কৰা

সময়ত আপোনালোকক অফিচৰ কামৰ পৰা অলপ ৰেহাই দি আপোনালোকে বেছিভাগ সময় মফঃস্বলত কটাব পৰাকৈ সুবিধা দিব পৰা যায়নে নেযায় (মোৰ বিশ্বাস, আপোনালোকে এই সুবিধা অতি আনন্দেৰে গ্ৰহণ কৰিব) আৰু এই কাৰণে আন উপায় অবলম্বন কৰা সম্ভৱ হয়নে নহয় তাক প্ৰাদেশিক শাসনকৰ্ত্তা আৰু মোৰ উপদেষ্টা সকলৰ লগত অতি সোনকালে পৰামৰ্শ কৰিম।

গাঁৱৰ মানুহৰ লগত সম্বন্ধ ৰাখক

কিন্তু যি কোনো অৱস্থাতে হওক, মই আশা কৰোঁ, আপোনালোকে গাঁৱৰ মানুহৰ লগত সম্বন্ধ ৰাখিবলৈ খুব চেষ্টা কৰিব। এইটো অৱশ্যে সঁচা যে সমসাময়িক ৰীতি আৰু শাসনতন্ত্ৰৰ পৰিবৰ্ত্তনীয়া দস্তুৰেই আপোনালোকৰ পূৰ্ব্ববৰ্ত্তী লোকতকৈ আপোনালোকৰ অফিচৰ কাম বেছিকৈ বঢ়াইছে, কিন্তু এইটোও মনত ৰাখিব যে আপোনালোকৰ চাৰ্ভিচৰ পৰিবৰ্ত্তনীয়া দস্তুৰ আৰু ইয়াৰ মহান গৌৰৱৰ উৎপত্তি স্থল হৈছে আপোনালোকৰ পূৰ্ব্ববৰ্ত্তী ৰাজকৰ্ম্ম চাৰীৰ ছাউনীত। আপোনালোকৰ নিজৰ পুৰণা অভিজ্ঞতাৰ কাৰণ এইটো অতি সঁচা যে ছাউনীৰ কাৰ্য্যাৱলী বৰ্ত্তমানতকৈ বেছি শক্তিশালী।

ৰাজকীয় আন আন চিভিল চাৰ্ভিচবোৰ।

মোৰ নিচিনাকৈ গোটেই ভাৰতবাসীয়ে ইচ্ছা কৰে যে গৱৰ্ণমেণ্টে যিবোৰ ভাৰতৰ প্ৰজাৰ হিতৰ অৰ্থে বাম হাতত লৈছে সেইবোৰ যেন অন্য শাসন সম্পৰ্কীয় নিয়ম পৰিবৰ্ত্তনৰ সময়ত বন্ধ কৰা নহয়। আন আন চিভিল চাৰ্ভিচৰ কৰ্ম্মচাৰীসকলক মই বেচকৈ জানোঁ আৰু তেওঁলোকৰ অনেকৰ লগত মই নিজে কাম কৰাৰ কাৰণে, এতিয়া, তেওঁলোক যি খাপৰে হওক, তেওঁলোকক খুব বিশ্বাস কৰিব পাৰোঁ। কিয়নো, তেওঁলোকক যি যি বিভিন্ন কামত নিযুক্ত কৰা হৈছে সেই কামবোৰ কৰি তেওঁলোকে গৱৰ্ণমেণ্টৰ দুৰূহ ৰাজকাৰ্য্য চলোৱাত আজি ইমান দিনে সহায় কৰি আহিছে। আপোনালোকৰ পৰিশ্ৰমত সহায়তা কৰিবৰ কাৰণে তেওঁলোক আশা কৰিব পাৰে। কোনো কোনো ক্ষেত্ৰত আপোনালোকে যি বাধা বিঘিনি, যি যাতনা আৰু হতাশ অভিবৰ্ষণীয়া হয়, সেই সকলোবোৰ মই ভালকৈ জানোঁ। মই খুব বিশ্বাস কৰোঁ যে এই বাধাবিঘিনিবোৰ কৰ্ত্তব্যত ব্যাঘাত জন্মাবৰ বাবে নহয়। অসীম সাহস আৰু ধৈৰ্য্যেৰে সংগ্ৰাম কৰি সিহঁতক দূৰীভূত কৰিব লাগিব।

পুলিছ।

ৰাইজৰ সেৱা কাৰ্য্যত যি সকলে একনিষ্ঠাভাৱে ব্ৰতী হৈছে সেই সকলৰ ভিতৰত পুলিচ বিভাগতকৈ আন কোনোৱে বেচি কাম কৰিব পৰা নাই। এই বিভাগেই হৈছে, আইনসঙ্গত অনুষ্ঠানবোৰত আৰু দেশৰ আইনৰ লগত সংশ্ৰৱ ৰাখি কাম কৰা সকলৰ বন্ধু আৰু অভিভাৱকস্বৰূপ। আপোনালোকে যি দুঃসাহসিক কাৰ্য্যত—কেতিয়াবা টান, কোতয়াল আৰু অতি বিপদজনক আৰু সদায়েই লজ্জাজনক অৱস্থাত পৰিব লগা হয়, সেই কাৰ্য্য সম্পাদন কৰোঁতে আপোনালোকে মোৰ সদায়েই সমৰ্থন পাব বুলি আশ্বাস দিব পাৰোঁ।

শিল্পজীবী আৰু নগৰবাসীৰ বাধাবিঘিনি—

খেতিয়কসকলে যি দুৰ্দ্দিনত উপস্থিত হৈছিল, সেই দুৰ্দ্দিনৰ কথা যদি মই জানোঁ তেনেহলে তাৰ লগে লগে শিল্পজীৱী আৰু নগৰৰ মানুহ-

যোৱে গোটেই বিশ্বব্যাপক অৰ্থসঙ্কটৰ সময়ত যি যাঁৰা থিয়নিৰ মাজেদি জীৱন অতিবাহিত কৰিব লগা হৈছিল সেই বাধাবিঘিনিৰ বিষয়ৰো মোৰ ধাৰণা আছে। বেপাৰ বাণিজ্য আৰু ৰাজহ আদি অৰ্থ সমস্যাত লাগি থকাৰ কাৰণে মই তেওঁলোকলৈ মোৰ অন্তৰৰ সহানুভূতি প্ৰকাশ কৰিছোঁ। কিন্তু সেই বাধাবিঘিনিবোৰ যিমানেই সত্য আৰু বেছি হওক লাগলে, বেপাৰ বাণিজ্যত, চৰকাৰী ৰাজহ আৰু শিল্পত নিযুক্ত হোৱা লোকলৈ মোৰ এয়ে বক্তব্য যে এই অৰ্থসঙ্কটৰ সময়ত তেওঁলোকে নিজে নিজৰ কামত মনে মনে বিশ্বাসেৰে লাগি থোৱাৰ বাহিৰে দেশৰ কাৰণে আন কোনো একো ডাঙৰ হব নোৱাৰে।

মধ্যবিত্ত লোকসকলৰ মাজত নিবনুৱা সমস্যা—

এইটোও মই বেচকৈ উপলব্ধি কৰিব পাৰিছোঁ, যে যি নিবনুৱা সমস্যাই ডেকাসকলৰ মাজত, বিশেষকৈ শিক্ষিত যুৱকসকলৰ মাজত দেখা দিছে, সেই নিবনুৱা সমস্যাই অনেক যুৱকৰ জীৱন শোকাকুল আৰু ত্যক্ত কৰি তুলিছে। ইয়াতকৈ আৰু মোলৈ দুখৰ বিষয় হব নোৱাৰে যে, এই বিষয়ে যথোচিত বিবেচনা আৰু তদন্ত কৰি কিছু পৰিমাণে এই ক্লেশ দূৰ কৰিবৰ কাৰণে চেষ্টা কৰিম।

ঔষধ, বিজ্ঞান আৰু টেকন'লজি আদি আন আন বিভাগৰ উন্নতি সাধন—

গ্ৰেট বৃটেইনত মই যি যি দায়িত্বপূৰ্ণ কৰ্ত্তব্য কৰিব আৰু এৰিব লগা হৈছিল সেইবিলাকৰ ভিতৰত এটা আছিল প্ৰিভি কাউন্সিলৰ মেডিকেল বিজ্ঞান আৰু টেকন'লজী ইম্পিৰিয়েল কলেজৰ পৰিচালক কমিটিৰ চেয়াৰমেন। মই খুব আশা কৰোঁ যে মোৰ ৰাজপ্ৰতিনিধিৰ সময়তে ভাৰতবৰ্ষত চিকিৎসা ঔষধপাতি আৰু বিজ্ঞান টেকন'লজি আদি বিভাগৰ উন্নতি সাধন কৰিবলৈ উপায় উলিয়াব পাৰোঁ।

দেশীয় শিল্প আৰু সাহিত্য—

এই দেশত বৰ্ত্তমান যি ৰাজনৈতিক প্ৰচেষ্টা চলিছে তাৰ লগে লগে যদি দেশীয় শিল্প আৰু সাহিত্যৰ উন্নতি কৰিবলৈ মনত প্ৰবৃত্তি আহি পৰে তেনেহলে অনেক দেশৰ আৰু বহুযুগৰ অভিজ্ঞতাৰ লগত সামঞ্জস্য হব। এই নিচিনা এবিধ আন্দোলনক উৎসাহ দিবলৈ পোৱাটোৰ বাহিৰে আন একোৱেই মোক আনন্দ দিব নোৱাৰে।

যুৱকসকল—

পৰিয়ালৰ লগত থাকি সুখ উপভোগ কৰা মানুহৰ দৰে যুৱকসকলক এষাৰ বা দুষাৰ কথা কওঁ। সৰাইতকৈ মই আজি তোমালোকৰ সম্ৰাটৰ ৰাজপ্ৰতিনিধি আৰু বন্ধু হিচাবে জুআৰাৰমান কওঁ। মনত ৰাখিবা, যেতিয়া তোমালোক ডাঙৰ হবা তেতিয়া তোমালোকৰ দেশৰ মৰ্য্যাদা তোমালোকৰ ওপৰতে থাকিব। আৰু মনত ৰাখিবা যে যি মতা বা মাইকী মানুহে প্ৰথমতে নিজে নিজৰ প্ৰকৃতিক দমন বা শাসন কৰিব নোৱাৰে সেই মতা বা মাইকী মানুহে কেতিয়াও ভাল নাগৰিক আৰু দেশহিতৈষী হব নোৱাৰে। ভাল নাগৰিক আৰু দেশহিতৈষী হোৱাটো স্বাভাৱিকতে সহজ কথা নহয় কিন্তু এই উপদেশ পাই উৎসাহিত হোৱা— যদি তোমালোকে সফল হবৰ অভিপ্ৰায়েৰে খুব চেষ্টা

কৰা, তোমালোক অৱশেষত কৃতকাৰ্য্য হবা। মই প্ৰায়েই তোমালোকৰ কথা ভাবিম। ঈশ্বৰলৈ ভয় ৰাখিবা, সম্ৰাটক সম্মান কৰিবা আৰু পিতৃমাতৃৰ বাক্য পালিবা।

ৰাজপ্ৰতিনিধি সদায়েই নিৰপেক্ষ

মই এতিয়া এটা অতি লাগতিয়াল বিষয়লৈ আহোঁ। মই আপোনালোকক জনাওঁ যে মই কোনো এটা সম্প্ৰদায়তকৈ আন কোনো এটা সম্প্ৰদায়ক বেছি সুবিধা দিবলৈ অক্ষম। এই বিষয় লৈ মই যি দৃঢ় সঙ্কল্প কৰিছো তাক আপোনালোকক এটা ঘৰুৱা উদাহৰণেৰে বুজাই দিওঁ। ভগবানে মোক দয়া কৰি পাছোটি লৰা ছোৱালী দিছে। সিহঁতৰ প্ৰত্যেকটোৰেই নিজৰ নিজৰ প্ৰকৃতি আৰু স্বাভাৱিক গুণ সিহঁতৰ নিজৰ ভাই ভনীৰপৰা বেলেগ বেলেগ হৈ এই পৃথিৱীলৈ আহিছিল। মই সিহঁতৰ ভিতৰত পাৰ্থক্যবোৰ আৰু সিহঁতৰ প্ৰত্যেকৰে তাৰ বা তাইৰ স্বভাব চৰিত্ৰ বুজি সেইমতে সিহঁতক ব্যৱহাৰ কৰিবলৈ, যি ঠাইত মোৰ সহায়ৰ আৱশ্যক তাত সহায় কৰিবলৈ আৰু প্ৰত্যেকটো লৰা ছোৱালীতে যি স্বাভাৱিক শক্তি আৰু সজ গুণ আছে তাক সাধনা কৰি বঢ়াবলৈ খুব চেষ্টা কৰিছোঁ। সিহঁতক সকলো সময়তে পৰস্পৰে সহিষ্ণু হবলৈ মই উদগনি দিবলৈকো বিচাৰো। মই সিহঁতৰ সকলোকে খুব ভাল পাওঁ, কিন্তু মোৰ লৰা ছোৱালীৰ মাজত কোনো মোৰ বেছি প্ৰিয়পাত্ৰ নাই।

প্ৰাদেশিক স্বায়ত্ব শাসন।

যোৱা কেইমাহৰ ভিতৰতে ১৯৩৫ চনৰ ভাৰত গৱৰ্ণমেণ্টৰ আইনত লিপিবদ্ধ কৰা প্ৰাদেশিক স্বায়ত্ব শাসন প্ৰণালীৰ প্ৰতিষ্ঠা কৰা আপোনালোকে দেখিবলৈ পাল। এইটো আপোনালোক সকলোৱে জানে যে সেই একে ব্যৱহাৰ গ্ৰন্থৰে বিধান অনুযায়ী, প্ৰাদেশিক স্বায়ত্ব শাসনেই, নিখিল ভাৰত ৰাষ্ট্ৰ সজ্ঞকামী শাসন তন্ত্ৰৰ পূৰ্ণতা সাধনৰ প্ৰথম স্তৰ। এনে গভীৰ শাসন সম্পৰ্কীয় পৰিবৰ্ত্তন সম্পাদন কৰাটো সহজ কাম নহয়। এই সঙ্কেট সূচক চেষ্টাৰ কৃতকাৰ্য্যতা বিশেষভাৱে আপোনালোকৰ দৃঢ় সংকল্প আৰু সহিষ্ণুতাৰ ওপৰত নিৰ্ভৰ কৰিছে। এই উদ্বেগপূৰ্ণ সময়ত আপোনালোকক মোৰ ক্ষমতা অনুসৰি যি উপদেশ দিয়া আৱশ্যক সেই সেই উপদেশ দিয়া আৰু নাগৰিক হিচাবে আপোনালোকৰ যি দায়িত্ব আছে সেই দায়িত্বমতে কাম কৰাত সহায় কৰা মোৰ কৰ্ত্তব্য। প্ৰতিনিধিমূলক শাসনত মই আপোনালোকক কোনো ৰকমেই ভোট দিয়াত সহায় কৰিব নোৱাৰোঁ, কিয়নো, এই শাসনতন্ত্ৰৰ মূলনীতিয়েই হৈছে আপোনালোকৰ নিজৰ বিবেচনা শক্তি অবাধে প্ৰয়োগ কৰি কাক ভোট দিব লাগে নিজেই স্থিৰ কৰা। এইটোৱেই আপোনালোকৰ কৰ্ত্তব্য। সেই কাৰণেই যি নামেৰেই নহওক বেলেগ বেলেগ ৰাষ্ট্ৰ দলৰ নেতাবিলাকে প্ৰাদেশিক ভোটাধিকাৰৰ কাৰণে শাসন নীতিৰ সীমাৰ ভিতৰলৈ আহি নিঃসঙ্কোচে প্ৰতিযোগিতা কৰিবলৈ মোৰ ওপৰত আস্থা ৰাখিব পাৰে কিন্তু তেওঁলোকৰ ন্যায্য স্বাৰ্থ হানি কৰিবলৈ কোনো কথাকে মই জানি শুনি উচ্চাৰণ নকৰোঁ।

কেন্দ্ৰ (কেন্দ্ৰীয় শাসন)

এই কথা অতি সঁচা যে বৰ্ত্তমান কেন্দ্ৰীয় শাসন প্ৰণালী যি ভাবে গঠিত হৈছে তাত মোৰ গৱৰ্ণমেণ্টে মাজে মাজে কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰপৰা যথেষ্ট বৈষম্য পায়। সেই বিপক্ষদলৰ এই প্ৰতিকুল ভাব আৰু সেই দলক লৈ এটা স্থকীয়া গৱৰ্ণমেণ্ট গঠন কৰাৰ অক্ষমতাই, মোৰ বোধেৰে অলপতে পাৰ্লিয়ামেণ্টৰ জয়েণ্ট চিলেক্ট কমিটীৰ মতে কৰা কেন্দ্ৰীয় শাসনতন্ত্ৰৰ পৰিবৰ্ত্তিত আঁচনিৰ প্ৰধান কাৰণ; ইতিমধ্যে মই ইয়াকে কব খোজো যে মোৰ বিবেচনা

মতে কেন্দ্ৰীয় ব্যৱস্থাপক সভাই চৰকাৰৰ শাসন নীতি ব্যাখ্যা কৰা আৰু প্ৰয়োজন হলে সংৰক্ষণ কৰা উপযুক্ত আদালত। প্ৰাদেশিক স্বায়ত্ব শাসনৰ প্ৰতিষ্ঠানৰ লগে লগে আৰু সংযুক্ত শাসনতন্ত্ৰ স্থাপনৰ আগেয়ে দেশত বৰ্ত্তমান যি ৰাজনৈতিক অৱস্থা (মই আপোনালোকক খোলাখুলিকৈ কওঁ) সেই অৱস্থাত মই যে বিষম শঙ্কটত পৰিব লাগিব সেইটো অনিবাৰ্য্য। আপোনালোকক আৰু আশ্বাস দি কওঁ যে মই মোৰ প্ৰতিনিধিৰ সময়ত প্ৰদেশবোৰত স্বায়ত্ব শাসন কেনেকৈ কাৰ্য্যকৰী হৈ উঠে আৰু কেনেকৈ কেন্দ্ৰীয় গবৰ্ণমেণ্টত সংযুক্ত শাসন তন্ত্ৰ স্থাপন হয় তাৰ পথ পৰিস্কাৰ কৰিবৰ কাৰণে মোৰ সুযোগ সুবিধামতে যথাসাধ্য চেষ্টা কৰিম।

বৰলাট আৰু ৰাজনৈতিক দলৰ নেতাসকল

স্বায়ত্ব শাসনৰ সাফল্যৰ কাৰণে বিশেষকৈ ইয়াৰ প্ৰথম অৱস্থাত আন কামৰ বাহিৰেও সকলো ৰাজনৈতিক দলৰ নেতাসকলৰ সৈতে আৰু ভোট দিওঁতাসকলৰ মতামতৰ সৈতে যিমান দূৰ সম্ভৱ চিনাকি হোৱা উচিত হব। কোনো ৰাজনৈতিক দলৰ নেতা বা নেতাসকলৰ লগত দেখা সাক্ষাৎ কাৰণেই যে মই সেই নেতাসকল বা তেওঁলোকৰ দলক আন আন নেতা বা দলতকৈ বেছি অনুগ্ৰহ দেখুওৱা হল তেনে কেতিয়াও হব নোৱাৰে, এই কথা আপোনালোকে পৰিষ্কাৰকৈ জানি থোৱা উচিত। গ্ৰেট ব্ৰিটেইনত সম্ৰাট আৰু ৰাজনৈতিক দলৰ নেতাসকলৰ ভিতৰত দেখা সাক্ষাৎ সম্বন্ধীয় নীতি আৰু দেশাচাৰ সকলোৱেই জানে। মোৰ বোধেৰে প্ৰতিনিধিমূলক স্বায়ত্ব শাসনৰ সফলতাৰ কাৰণে এই দেশত সকলোৱে এই নীতি জনা উচিত।

মুদ্ৰাযন্ত্ৰ

ৰাজহুৱা অনুষ্ঠানবোৰৰ কৃতকাৰ্য্যতা সাধনত আৰু দেশত শিক্ষিত আৰু দায়িত্বপূৰ্ণ মত গঠন কাৰ্য্যত প্ৰজাতন্ত্ৰ শাসন চলা সকলো দেশতে বাতৰি কাকতৰ যথেষ্ট ক্ষমতা আছে। কিন্তু সংবাদিকসকলেও আমাৰ দৰেই শেষ নোহোৱাকৈ ইটা তৈয়াৰ কৰিব নোৱাৰে।

ৰাইজৰ প্ৰতি তেওঁলোকৰ দায়িত্বপূৰ্ণ কৰ্ত্তব্য সম্পাদন কৰোঁতে আৰু প্ৰচলিত ঘটনাৰ সম্যক সমালোচনা কৰোঁতে তেওঁলোকৰ সম্পাদকীয় নীতি যিয়েই নহওক যিমানদূৰ পৰা যায় বিচাৰ কৰিব লগীয়া বিষয়বোৰৰ অৱস্থা বজাক জনা আৱশ্যক। সাংবাদিক সকলৰ এই বিষয়ে ভালেখিনি অভাৱ আছে বুলি জানোঁ আৰু এই কাৰণেই মই তেওঁলোকক যথাসাধ্য সহায় কৰিবলৈ ইচ্ছুক। তেওঁলোক আৰু তেওঁলোকৰ পাঠকসকল দুয়োকো আশ্বাস দি কব পাৰোঁ যে এই কামত মোৰ তলতীয়া কৰ্ম্মচাৰীসকলে তেওঁলোকক যি সহায়তা কৰিব সি কেৱল সত্য ঘটনাতে আবদ্ধ থাকিব অথচ ঘটনাবোৰ নিৰপেক্ষভাৱে বৰ্ণনা কৰা হব আৰু এই বিষয়ে যিবোৰ সৰঞ্জাম পোৱা যাব সেইবোৰ কোনো বিচাৰ নকৰাকৈ সংবাদপত্ৰবোৰক দিয়া যাব। মোৰ মনত হৈছে, আপোনালোকৰ কোনো কোনোৱে হয়তো মোৰ বক্তব্য খিনি হিন্দী ভাষাত শুনিবলৈ ইচ্ছা কৰিছে। সেই কাৰণে এই বক্তব্য যাতে ব্ৰডকাষ্টৰ যোগত তৎক্ষণাৎ হিন্দুস্থানীত প্ৰচাৰৰ হয় তাৰ মই আদেশ দিছোঁ। মোৰ বক্তব্য শেষ কৰিলোঁ।

বৰলাটৰ গোহাৰি

সামৰণিত মই হয়াকে আপোনালোকক কব খোজোঁ যে কঠোৰ কাৰ্য্য সম্পাদন কৰোঁতে সহকৰ্ম্মীসকলৰ মাজত পৰস্পৰলৈ বিশ্বাস আৰু সন্মান দেখুওৱাতকৈ আন একো লাগতিয়াল হব নোৱাৰে। মানুহ মাত্ৰৰে ভুল হয়। সকলোসময়ত যে আপোনালোকৰ লগত মোৰ মত মিলিব তেনে আশা বা ইচ্ছা নকৰিব। তথাপি এইটো ঠিক যে আপোনালোকৰ আন্তৰিক সৰলতাৰ বিষয়ে মই কেতিয়াও

সন্দেহ নকৰোঁ। মই আপোনালোকক আন্তৰিক বিশ্বাসৰ প্ৰতিশ্ৰুতি দিছোঁ—আপোনালোকৰ পৰাও তাতকৈ বেছি নিবিচাৰোঁ। অহা পাঁচ বছৰত সকলো বাধা-বিঘিনি অতিক্ৰম কৰি, মোৰ মন, দেহা আৰু ভগৱানে দিয়া স্বাস্থ্য সকলোকে আপোনালোকৰ দেশ-সেৱাৰ কাৰণে উছৰ্গা কৰিম। এই কাৰণে আপোনালোকৰ প্ৰাৰ্থনাত মোক সুঁৱৰিবলৈ আপোনালোকক অনুৰোধ কৰিলোঁ।

আহক, বিশ্বাস আৰু সাহস বুকত বান্ধি আপোনালোক আৰু মই আগবাঢ়ি যাওঁ আৰু যিমান পাৰোঁ ভাৰতবাসীৰ অৱস্থা উন্নত কৰিবলৈ আৰু গোটেই পৃথিৱীত ভাৰতৰ অতীত গৌৰৱ, যশস্যা আৰু সুনাম প্ৰচাৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰোঁহঁক। 'বাতৰি'ৰ পৰা লোৱা হৈছে।

ব্যায়ামৰ উপকাৰিতা।

[শ্ৰীযুত মুক্তানাথ মহন্ত, লিখিত]

আৰম্ভণঃ— পৰমেশ্বৰৰ এই ৰাজ্যখন যিমান ডাঙৰ, সেই ৰাজ্যৰ কাৰুকাৰ্য্যবিলাকো সিমান চমৎকাৰী। তেওঁৰ সৃষ্টিত যিবিলাক উৰণ, বুৰণ, গজন, ভ্ৰমণাদি জীৱ আছে, সকলোৱে এই বিশ্বব্ৰহ্মাণ্ড-ক্ৰীড়াভূমিত নানা প্ৰকাৰৰ লীলা-খেলা কৰি, তেওঁৰ গুনগান গাবই লাগিছে। তেওঁ কাক সৃজন কৰা নাই আৰু সৃজিও পালন নকৰাকৈ আছে? যদিও তেওঁ সকলো প্ৰাণীকে সৃজিছে, তত্ৰাচ তেওঁৰ সৃষ্টিৰ মনুষ্যই প্ৰথম আৰু সৰ্ব্বগুণে সজ্জিত কৰি সৃজা প্ৰাণী। জীৱবিলাকৰ গঠন, সৌন্দৰ্য্যাদি নিজ নিজ অঙ্গ চালনাৰ চেৰত লৰচৰ হৈছে। এয়ে হৈছে মঙ্গলময় পৰমেশ্বৰৰ সৃষ্টিৰ কৌশল।

ব্যায়ামৰ সংজ্ঞা :— শৰীৰৰ তেজ চলাচল কৰিবৰ নিমিত্তে যি পৰিশ্ৰম কৰা যায় তাৰ নামেই হৈছে ব্যায়াম বা কছৰৎ বা নাচৰাগ।

ব্যায়ামৰ স্থিতি :— এই ব্যায়াম বা কছৰৎ কোন সময়ৰ পৰা আৰম্ভ কৰি তেজ চলাচল কৰি শৰীৰ সুস্থ কৰিবলৈ প্ৰচলন কৰা হল তাক ঠিৰাং কৰি অমুক সময়ৰপৰা আৰম্ভ কৰা হৈছে বুলি কব নোৱাৰি। ই সৃষ্টিৰ জৌতুকীয়া বিভূতি আৰু প্ৰকৃতিৰ উপদান। প্ৰকৃতিৰ ব্যায়ামৰ লগত নিচেই ওচৰ সম্বন্ধ আছে। মনুষ্যৰ দেহাও আন কি মাটি, পানী, বায়ু, আকাশ আৰু জুই মিলিহে পঞ্চভৌতিক দেহা গঠিত হৈছে। ইয়াৰ পৰা ইয়াকে বুজিব পাৰি যে পৰ্ব্বত বা নদীৰ কাষৰৰ মানুহবিলাকৰ স্বাস্থ্য সৰ্ব্বোত্তম। বোধ হয় ই সৃষ্টি পাতনিৰ পৰা চলি আহি কাল-ভেদে নানাৰূপে প্ৰচলিত হৈ আধুনিক জগতত তাৰ নাম ৰূপান্তৰ হৈ ব্যায়ামৰ নামত পৰিণত হৈছে।

অতীতৰ ব্যায়াম :— সত্যযুগৰ পৰা আৰম্ভ কৰি ব্যায়াম চৰ্চ্চা হৈ আহিছেই। যোগীবিলাকে যোগ সাধনত ব্যায়ামৰ সহায়ত নোখোৱা নোবোৱাকৈ যোগ সাধন কৰাৰ বহুত প্ৰমাণ আছে। দ্বাপৰ যুগতো শ্ৰীকৃষ্ণৰ সময়ত খেলা-ধেমালিৰ প্ৰয়োগৰ কথা বহুত পুথিত পোৱা যায়। কীৰ্ত্তনত লিখিছে— "বহুবিধ শিশুলীলা অচাৰি প্ৰচুৰ। লীলায়ে বধিলে তৈতে বৎস বকাসুৰ॥" ভোজৰাজ কংসৰ ৰাজত্বৰ সময়তো ধেমালিৰ কথা আছে— "সজাইলেক উচ্চমঞ্চ ৰঙ্গশালা বেঢ়ি। বাযে ঢাক-ঢোল ভেৰী কৰে নানা খেৰি।" অতীতৰ ঘটনাৱলীলৈ মন কৰিলে দেখা যায় যে ব্যায়ামৰ প্ৰচলনটো প্ৰবল। সেইবিলাক আদিৰ কথা বুৰঞ্জী বা শাস্ত্ৰে চুকি পোৱাৰ কথা; সেই সময়ৰ খেলা-ধেমালিবিলাক যদি বৰ্ত্তমানৰ লগত অমিল, সেই বং ধেমালিৰ পৰা অশেষ স্বাস্থ্যোন্নতি কৰাৰ প্ৰমাণ পোৱা যায়।

"প্ৰাচীন কালৰ পৰা ক্ৰীড়াৰ উপকাৰিতা স্বীকাৰ কৰি আহিছেই। যিশুখৃষ্ট জন্ম হোৱাৰ ৪০০ বছৰৰ আগেয়ে প্লেটোৱে কৈছিল, যে ব্যায়ামৰ পৰা মানুহ সামাজিক নিয়মৰ অধীন হৈ চলিব পাৰে। সেই সময়ৰে "এৰিষ্টল" আৰু কুইটিলিয়ান দুয়ো ব্যায়ামৰ আৱশ্যকতা বিশেষ ভাবে গৱেষণা কৰি জন সমাজত প্ৰচলনৰ অৰ্থে চেষ্টা কৰিছিল।"

শাঙ্কৰি যুগত ব্যায়াম :— যেতিয়া শাঙ্কৰি যুগ আহিল, অৰ্থাৎ পঞ্চদশ শতিকাৰ পৰা বিশেষকৈ আসামত ব্যায়াম আধ্যাত্মিক চৰ্চ্চাৰ যোগে চৰ্চ্চিত হয় বুলি অনুমান হয়। শঙ্কৰদেৱ আবিৰ্ভাৱ হল; নানা প্ৰকাৰে বং বহস্তে ব্যায়ামৰ কলা বঢ়ালে, :— খোলৰ বায়ন, ধেমালি, ক্ষলি আদিৰ চেও-চাপৰ একে সময়তে একে চাপৰতে চাপৰ মিলাই সমানে খোজ দি একে ফালে গা হলাই শাৰীৰিক আৰু মানসিক ব্যায়াম উভয়কে সামঞ্জস্য কৰি ব্যৱহাৰ কৰিলে। যোৱা ধেমালিত যি প্ৰকাৰৰ বিবিধ হাত আদি প্ৰয়োগ কৰিছিল। সি কোনো গুণে কম বুলি কব নোৱাৰি। বৰ্ত্তমান সেইবিলাকক অনুকৰণ কৰি বিশেষকৈ সত্ৰ আৰু গাওঁবিলাকত হীন ডেৰ্ঢ় ভাবে প্ৰচলন হৈ আছেই।

সূত্ৰধাৰীৰ নাচ প্ৰতি খোলৰ চাপৰত নতুন খোজৰ চেও, শ্ৰীকৃষ্ণৰ প্ৰবেশৰ নাচ আদিত হাত ভৰিৰ চলনা ভাৱৰীয়াৰ যুদ্ধ আদি কোন গুণে অপকাৰী আৰু ব্যায়াম নহয় বুলি কব পাৰি? সেই মহাপুৰুষে ৰচনা কৰা নাটবিলাকৰ গীত, গীতৰ তাল যেনে :— গৌৰিজ্যোতি, গৌৰীপৰিতাল, দুহাই, চুত কলা, মান, এটা আদি গীতৰ এথন তালৰ ভাৱৰীয়াৰ নাচন-বাগন চাই ব্যায়ামৰ যোগে তেনে কাম কৰা নহয় বুলি কবলৈ অক্ষম।

আগতে কোৱা হল যে ব্যয়ামক ধৰ্ম্মৰ অন্তৰঙ্গ কাম ভাবি শঙ্কৰদেৱে জনসমাজত প্ৰচলন কৰিলে; আন কি সেই মহাপুৰুষৰ দিনৰ পৰাহে নামবো প্ৰচলন হল। এজনে নাম লগাই দিব অসংখ্য লোকে বেঢ়ি বেঢ়ি একেলগে চাপৰি বজাই একেটা সুৰতে মাতি হালি জালি নাম লগাই আনন্দ উপভোগ কৰে। চৌৰানাম, মল্লিৰা নাম আদি সেই সম্বন্ধীয় কামেই। সেই নাম কীৰ্ত্তন কৰোঁতে মন মাৰি থকা এলেহুৱা একজনবো মন আনন্দত মতলীয়া হৈ পৰে। সেয়েহে নামত গায়— "নাম শুনি হালে জালে, গাহে কলীয়া কাষত চপাই দিয়া নাও।" "চৌ দেখি হালে জালে গাহে, কলীয়া কাষত চপাই দিয়া নাও"।

ব্যায়াম আৰু তাৰ প্ৰকাৰ :— ব্যায়ম দুবিধ। এবিধ শাৰীৰিক আৰু আন বিধ হৈছে শাৰীৰিক আৰু মানসিকৰে মিহলি অৰ্থাৎ সান মিহলি ব্যায়াম। এই দুবিধ ব্যায়ামকে শ্ৰেষ্ঠ বুলি আধুনিক বৈজ্ঞানিকে সিদ্ধান্ত কৰিছে। সেই ব্যায়াম অনেক প্ৰকাৰৰ আছে। বলখেলা, সাতোঁৰা, নাওবোৱা, ঘোঁৰা দৌৰা, ইত্যাদি ৰকমৰ নানাবিধ ব্যায়াম আছে। কিন্তু বৰ্ত্তমান যি ব্যায়াম আনন্দৰ যোগে কৰা হয় তাকেহে প্ৰকৃত ব্যায়াম বুলি কৈছে। ব্যায়াম আৱশ্যকীয় আহিলাৰ অভাৱত অঙ্গী ভঙ্গীৰ দ্বাৰাই তেনে কাম কৰি শৰীৰ পালন কৰিবলৈ ব্যৱস্থা কৰিছে।

ব্যায়ামৰ সময় :— বৰ্ত্তমান যুগটো অনুকৰণৰ যুগ। এজনৰ অঙ্গী ভঙ্গী চাই আন এজনে অনুকৰণ কৰিবলৈ শিকে। সেই ব্যায়াম কৰোঁতেই তাৰ নিৰ্দ্ধাৰিত সময়ৰ

ভিতৰত কৰিব লাগে। তাৰ কাৰণ হৈছে এই যে সেই সময়ৰ ভিতৰতে শৰীৰৰ সকলো অঙ্গ আৰু গোটেই গা ঘামি শৰীৰটো পাতল কৰি তোলে, আৰু মনলৈ অবাধে আনন্দ আহে। অতিৰিক্ত ব্যায়ামৰ ফলত শৰীৰ দুৰ্ব্বল হয়, আৰু তাৰ অন্তৰ বা কলিজাত আঘাত লাগি হাওঁফাও লৰি মানুহক অজ্ঞান কৰি পেলায়। অতিৰিক্ত ফুটবল খেলুৱৈ বিলাকক সময়ত খেলত মূৰ্চ্ছিত ও মৃত্যুৰ মুখত পৰা শুনা যায়।

ব্যায়ামৰ উদ্দেশ্য :— স্বাস্থ্যবান হবলৈ ব্যায়াম লাগে। সদায় নিয়মিত ৰূপে অঙ্গ চালনা কৰিব লাগে। সদায় নিয়মিত সময়ত ব্যায়াম কৰা বা ফুৰা ৮০ বছৰীয়া বুঢ়া এজনৰ স্বাস্থ্যই ৩০ বছৰীয়া এলেহুৱা ডেকাৰ স্বাস্থ্যকো চেৰ পেলাব পাৰে। আগতে কোৱা হল যে আনন্দৰ যোগে ব্যায়াম কৰিলে মনত স্ফূৰ্ত্তি লাগে॥ কিন্তু যুগৰ গতি বিধি নাই। এনে ব্যায়াম হাতত লব লাগে যাতে ব্যায়াম কৰাৰ লগতে আমাৰ আন এটা কামো লাভ হয়। কুঠাৰ মৰাটোও ডাঙৰ ব্যায়াম। সেই ব্যায়াম কৰিলে নিজৰ অঙ্গচালনাও হয় আৰু খৰি কেইচলাও ওলায়। কিন্তু ইফালে ফুটবল খেলা হল ; যেই সেই একালে হাৰিল বা জিকিল ; অৱশ্যে ব্যায়াম যে হল ই সত্য। বল বা ক্ৰীকেট আদিৰ খেল বিশেষকৈ নগৰত থাকি শিক্ষা কৰা শিক্ষাৰ্থী বা নগৰৰ ভদ্ৰলোকৰহে খেল। কাৰণ তেওঁলোকৰ নগৰত আন কাম নাই। ইফালে বং খেমালি নকৰিলেও শৰীৰ সুস্থ নাথাকে ; গতিকে সেই সুবিধাৰ অংশ নগৰে লোৱাহে উচিত। দৈনিক ঘৰুৱা ব্যায়ামত ব্যস্ত থকা যেনে বাতিপুৱা হালবোৱা, দুপৰীয়া খৰি ফলা, আবেলি পথাৰত আলি দিয়া মানুহে সন্ধ্যাৰ আগত ফুটবলত প্ৰাণ সঁপাটো অনুচিত যেন লাগে।

দেশ কাল পাত্ৰভেদে ব্যায়ামৰ বিধান মানি চলিবলৈ বিজ্ঞান বিদ্‌পণ্ডিতসকলে কয়— ব্যায়ামে টোপনি মাতি আনে ; অৰ্থাৎ ব্যায়াম কৰিলে টোপনিয়ে ধৰে। আৰু টোপনি আহিলে শৰীৰৰ ইন্দ্ৰিয়বিলাকে জিৰণি পায়। সৰু সৰু লৰা-ছোৱালী বিলাকৰ ব্যায়ামো সৰহ আৰু সিহঁতৰ টোপনিও বেচি।

সাধাৰণতে আমি চকীত বহী বা একো কাম নকৰাকৈ কথাবাৰ্ত্তাদি পাতি জিৰণি লওঁ বুলি কওঁ। কিন্তু তাক জিৰণি বুলিব নোৱাৰি। যেতিয়ালৈকে মনত কিবা ভাবি থকা যায় সেই সময় পৰ্য্যন্ত চিন্তা এটা মনত থাকি তাৰ মানসিক শ্ৰম হৈয়ে থাকে। কাজেই আচল জিৰণি টোপনিৰ সময়ত বুলিব লাগে। বল আৰু স্বাস্থ্যৰ নিচেই ওচৰ সম্বন্ধ। যত বল নাথাকে তাত স্বাস্থ্যৰ শুংসূত্ৰকে দেখা নাপায়। বেচি শকত আৱট হলেই মানুহক বলী বুলিব নোৱাৰি। যি মানুহ নিৰ্ব্বলী তাৰ স্বাস্থ্য হাতে চোৱা নিলাজী বনৰ পাত। বল বঢ়াব পাৰি মাত্ৰ ব্যয়ামৰ সহায়ত। ব্যায়ামৰ সহায়ত পৃথিৱীত যিমান মানুহে ডাঙৰ ডাঙৰ কাম কৰিছে তাক শুনিলে আচৰিত মানিব লাগে।

ব্যয়ামৰ গুণ আলোচনাৰ অতীত। এই কথাৰ প্ৰত্যয় মানিবলৈ হলে ওজা চেণ্ডো চাহাবৰ ব্যায়ামৰ অভ্যাসলৈ মন কৰিবলগীয়া। তেওঁ ইংলণ্ডৰ মানুহ। সকতে নিচেই নিশকতীয়া লোক আছিল। পাচত ব্যায়াম কৰি তেখেত এজন অতি বাহুবলী পুৰুষ হৈ উঠিল, আৰু বনৰীয়া সিংহকো গছক মাৰি ধৰি ৰাখিছিল, এনে উদাহৰণ বহুত

আছে। ব্যায়ামৰ সহায়ত চলোৱা মটৰ, হাতী আদি ৰখোৱা, ৩।৭ টা মানুহে বলে নোৱাৰা একোটা শিল বুকত লৈ ৰখা, আদি বহুত অদ্ভুত কাৰ্য্য আমাৰ চকুত পৰিছে। বহুতে কয় যে ব্যায়াম লৰা বা ডেকাবহে কাম ই বুঢ়াৰ নহয়। কিন্তু সি সত্য নহয়। কি বুঢ়া, কি ডেকা পাত্র চাই সকলোৰেই ব্যায়াম কৰিব লাগে।

তিৰোতাৰ ব্যায়াম :—

তিৰোতাসকলৰ ভিতৰতো ব্যায়ামৰ অভ্যাস আছে। পাশ্চাত্য সভ্যতাই বেডমিণ্টন খেলটো তিৰোতাসকলৰ খেল বুলি ধৰিছে। আমাৰ দেশৰ তিৰোতাবিলাকৰ ব্যায়াম পুৰুষতকৈ বেচি। ৰাতিপুৱাই উঠি বাহিৰন কৰা, কাপোৰ ধোৱা, ঠাই সৰা, ঢেঁকি দিয়া, ধান ভৰা, তাত বোৱা, জাকৈ বোৱা ইত্যাদিৰ পৰা ৰাতি চুৰা ধুই শোৱালৈকে যিবিলাক দৈনন্দিন কাৰ্য্যত লিপ্ত থাকে তেওঁলোকক সেই ব্যায়ামে জোৰে। সেই বুলি নগৰৰ মহিলা সকলৰ নাম উপৰোক্ত কাৰ্য্যবিলাকৰ ভিতৰত নপৰে। তেওঁ-লোকৰ গড়ে ১০ গৰাকীয়েহে তাত থনকে বয়। সেই কাৰণে গাৱঁৰ তিৰোতাবিলাকৰ হাত ভৰি শকত আৰু, স্বাস্থ্য অকৃত্রিম।

প্রাকৃতিক ব্যায়াম :—

ব্যায়াম যে অকল মানুহৰ ভিতৰতহে প্রচলিত এনে নহয়। আনকি সকলো জীৱৰ গাতে ইয়াকদেখা যায়।

হাঁহে পুখুৰীত সাতুৰি বুৰ মাৰি ইটোৱে সিটোৱে খেদি আনন্দ কৰে। ভেকুলীয়ে পুখুৰী বা খালৰ পাৰত উঠি ঘনাই ঘনাই জপিয়াই খেলা কৰে। মাছবোৰে ইটোৱে সিটোৱে খেদি আনন্দত মত-লীয়া হৈ ফাৰি দি ফুৰে। কপৌ চৰাই আদিয়ে আকাশৰ ওপৰলৈ গৈ আকৌ থপ্ থপ্ কৰে পাখি মাৰি তললৈ নামি আহে। শগুনবোৰে আকাশত সোঁ সোঁ কৰে উৰি হাহুমহুম খেলে, কিছুমান চৰায়ে চোতালত চৰি ফুৰোঁতে ডোকা আৰু ঠেং মেলি দিয়া আমাৰ চকুত সদায় পৰিছে। ছাগলী, ঘোঁৰা আদিয়েও সিহঁতৰ আনন্দ প্রকাশ কৰি লৰি ফুৰি সিহঁতৰ ব্যায়াম কৰে। বান্ধোনত থকা প্রাণীবিলাকতকৈ মুকলিত চৰি ফুৰা প্রাণীবিলা-কৰ মন বেচি স্ফূৰ্ত্তিযুক্ত। ঘৰচীয়া জন্তু বা প্রাণীত-কৈ বনৰীয়া প্রাণীৰ বেমাৰ কম আৰু সিহঁত বেচি তেজাল। সেয়েহে বৰ্ত্তমানৰ ব্যায়ামৰ উদ্দেশ্য হৈছে লৰাক তৎপৰজীয়া কৰিতোলা।

মানুহৰ ব্যায়ামৰ উদ্দেশ্য হৈছে শৰীৰ সুস্থ কৰি ৰখা। ব্যায়াম নকৰা মানুহৰ উৎসাহ নাই, ভাল স্বাস্থ্যৰ অভাৱত— 'ঘাৰটা মাহত তেৰটা জগৰ, সদায় সুস্থছে এটা লগৰ'। লৰা-ছোৱালীবোৰো নিশকতীয়া আৰু অল্পায়ু।

আহাৰ :—

ব্যায়ামৰ সময় অসময় নাই সকলো সময়তে ব্যায়াম কৰিব পাৰি। কিন্তু ব্যায়াম কৰাৰ সময়ত খালী পেটে বা পেট ভৰাই থাকিব নালাগে। মাছ, মাংস, কণী, ঘিউ আদি পুষ্টিকৰ খাদ্য। এইবিলাক বস্তু ব্যায়ামকাৰীসকলে সদায় ব্যৱহাৰ কৰিবলৈ চাব লাগে।

অকৃত্রিম অপকাৰ :—

প্রত্যেক বস্তুৰে দোষ আৰু গুণ দুয়োটা আছে। ব্যায়াম যে সকলো সময়তে উপকাৰী তাক স্বীকাৰ কৰা টান।

অতিৰিক্ত ব্যায়ামে শৰীৰ ৰোগীয়া কৰে। তাৰ ব্যৱহাৰ জানিলেহে উপকাৰ কৰে। ব্যায়াম কৰি আটাই ঘিহকে পায় তাকে খোৱা অনুচিত। ব্যায়াম কৰিলে গোটেই গা ঘামে, তেতিয়া ডিঙি আৰু আলজিভাৰ এক প্ৰকাৰ লেকেতীয়া থু আহি ৰয়। ব্যায়াম কৰি শেষ হলে অলপ জিৰাই, হাত মুখ ধুই মুখত পানী লৈ মুখ খন কুলকুলিয়াব লাগে।

পাশ্চাত্য দেশৰ ব্যায়াম অনুকৰণ কৰাৰ আগতে আমাৰ দেশত ঢোপ টাংগুটি, খুলিগুটি, হাজাৰমণি, বাঘগৰু, কুকুৰ-পোৱালী আদিৰ খেল প্ৰচলন আছিল। বৰ্ত্তমানে সেইবিলাক খেল কৰা পাত-লালি ভাবি আমাৰ পৰা নেওচনিত পৰিল। এতিয়া হল তাচ পাশা, কেৰম আদিৰ খেলা। সেইবিলাক খেলা বিখ্যাত ওজা সকলে অপকাৰী বুলি সিদ্ধান্ত কৰিছে। তেনে ব্যায়ামে বা ক্ৰীড়াই মানুহক আনন্দ দিব পাৰে, কিন্তু স্বাস্থ্যোন্নতিত সহায় কৰিব নোৱাৰে। বৰং মানুহক এলেহুৱাহে কৰে বুলি কৈছে।

ব্যায়ামৰ উপকাৰিতা :— এতিয়া আমাৰ এই ক্ষুদ্ৰ প্ৰবন্ধৰ উদ্দেশ্য আহিল। ব্যায়াম স্বাস্থ্যৰক্ষাৰ ধৰণি। বিশেষকৈ ই বীৰ্য শক্তি বৃদ্ধি কৰে আৰু নিয়মিত সময়ত ভোক লগায়। প্ৰকৃততে নিয়মীয়া ব্যায়ামে শৰীৰ হৃষ্টপুষ্ট আৰু বলিষ্ঠ কৰাৰ উপৰিও বহুত অন্ধ বিশ্বাসৰপৰা আঁতৰত ৰাখে। আন কামবিলাক কৰোঁতে যেনেকৈ চিন্তা শক্তিৰ প্ৰয়োগ কৰিব লাগে, ব্যায়াম কৰোঁতেও সেই শক্তিৰ প্ৰধান আৱশ্যক হয়। প্ৰকৃত ব্যায়ামে মানুহৰ অঙ্গ প্ৰত্যঙ্গাদি সবল কৰে। মানুহৰ কৰজ, কলিজা, হাতভৰি, কলাফুল আদি দুৰ্ব্বল হলে সেইবোৰ অংশত জোৰ দি ব্যায়াম কৰিলে সেইবোৰ সবল হৈ উঠে। ব্যায়ামে লেপেকা ভৰিৰ মানুহৰ খোজো পোন কৰে। এজন ব্যায়ামোপদেশকে কৈছে যে ২৫ বছৰৰ ভিতৰৰ মানুহৰ হাড়বিলাকো ব্যৱহাৰোপযোগী ব্যায়ামে বৃদ্ধি কৰে।

ব্যায়ামৰ ফল একে দিনাই বা এমাহতে পাব পৰা বস্তু নহয়, যেতিয়া প্ৰকৃত ব্যায়াম হৈ উঠিব সি আপোনা আপুনি শৰীৰৰ লাগতিয়াল অঙ্গ পুৰঠ কৰি তুলিব। গতিকে ব্যায়ামৰপৰা বেগেতে উপকাৰ নাপালে তাক পৰিহাৰ কৰিব নালাগে।

কমাৰবিলাকৰ অঙ্গ প্ৰত্যঙ্গাদিলৈ মন কৰিলে দেখা যায়— সিহঁতৰ বাহু শকত আৰু হাতভৰি বেচি আটিল। ব্যায়াম কৰা মানুহে বহুদূৰ খোজ কাঢ়িলেও নাভাগৰে। কিন্তু ব্যায়াম নকৰা এজনক খোজ কাঢ়িবলৈ দিলে বেচি দূৰ যাব নোৱাৰি অলপতে বহিবলৈ বাধ্য হব; তেনে মানুহৰ হাত ভৰি ঢিলা আৰু নিশকতীয়া। পেইন চাহাবে লৰা-ছোৱালীবিলাকৰ ব্যায়ামৰ অভ্যাস শিক্ষাৰ লগে লগেকে কৰিবলৈ উপদেশ দিয়ে। "ফ্ৰুবেই চাহাবে তেওঁৰ মানৱ শিক্ষা নামৰ পুথিত ক্ৰীড়াই শিশু শক্তি প্ৰদান কৰি ভবিষ্যৎ জীৱনৰ পথ মুকলি কৰে বুলি কৈছে।" প্ৰথম অৱস্থাতে সিহঁতে ইন্দ্ৰিয় পৰিচালনাৰ পৰা স্বাস্থ্য সঞ্চয় কৰিবলৈ শিকে; তাৰ পাচত চাৰিওকালে থকা বস্তুবিলাকৰ প্ৰকৃতিৰ গতিবিধি আদি বুজি উঠে। অকলে খেলা কৰাতকৈ জাক পাতি খেলা কৰাটো বেচি উপকাৰী। দল বান্ধি খেলা কৰিলে নৈতিক আৰু সামাজিক, নিয়মবিলাক বিশেষকৈ বুজি উঠে। সিহঁতৰ মনত একাগ্ৰতা, দৃঢ়তা, নিস্বাৰ্থতা আৰু পৰোপকাৰিতা আদিৰ ভাব উদ্ভৱ হয়। যি ছাত্ৰ ছাত্ৰীয়ে নিৰপেক্ষ ভাবে সৰুৰেপৰা দল বান্ধি খেলা কৰে, তেনে ছাত্ৰ-ছাত্ৰীয়ে ভবিষ্যতে স্বদেশ প্ৰেমিক হৈ সমস্ত

একোখন ৰাজ্যৰ কামো সুচাৰুৰূপে চলাবলৈ সক্ষম হয়।

এনেদেখাক উন্নতদেশবোৰত বৰ্ত্তমান স্কুলবিলাকত ব্যায়াম শিক্ষাৰ প্ৰচলন হৈছে। সকলো ছাত্ৰকে একে মুহূৰ্ত্ততে শিক্ষকৰ আদেশ পালন কৰি ব্যায়াম শিক্ষা কৰাবলৈ শিক্ষকৰ যত্নৰ আৱশ্যক হৈছে। সকলো ছাত্ৰই একে সময়তে শিক্ষকৰ আদেশ বাণী মানি ব্যায়াম কৰিবলৈ শিকোৱাৰ অৰ্থ হৈছে যাতে সকলোৱে একে সময়তে অঙ্গাদি চালনা হয়। আন হাতে সকলোৱেপৰা একতা হৈ কাম কৰি ভৱিষ্যতে ডাঙৰ কাম কৰিবলৈ সক্ষম হয়।

ব্যায়াম বা খেলা অকল ধেমালিৰ বস্তু নহয়, ইয়াৰ নাম আৰু কাম গভীৰ। সেই কাৰণেই গৱৰ্ণমেণ্টে খেলা প্ৰতি যোগিতা আদিৰ কাৰণে কলেজ হাইস্কুল আদিত প্ৰতি বছৰে কত হাজাৰে হাজাৰে টকা বিলাইছে, সি বৰ্ণনাৰ অতীত।

সামৰণি :— ব্যায়ামে যে অকল জীৰ্ণ শক্তি বৃদ্ধি কৰে এনে নহয়। আন কি হাড়, নাড়ী, আগ মঙ্গহ, অন্তৰ বা কলিজা, হাওফাও, মগজু আদি বৃদ্ধি কৰি অনেক বেমাৰৰ পৰা হাত সৰ্কাই ৰাখে। বিশেষকৈ অসমীয়া জাতিটো বৰ এলেহুৱা। ই আজিৰ কথা নহয়। এতিয়া আমি লেবেলা চেপেটা; বাণিজ্য, কৃষি, শিল্প শিক্ষা আদি কোনো বিষয়তে আগ বাঢ়িব নোৱাৰোঁ। আমি ভীৰু আৰু আমাৰ কাপুৰুষতাৰ কাৰণতহে বিদেশীয়ে আহি বহি থকা চৰাৰ দলিচা টানি নিবলৈ চল পাইছে। মনৰ দুৰ্ব্বলতা গুচাবলৈ এতিয়া আমাৰ শাৰীৰিক ব্যায়াম শিক্ষাৰ প্ৰয়োজন হৈছে। যি জাতিৰেই শাৰীৰিক শক্তি বেচি সেই জাতিয়েই উন্নতি কৰিছে। আসামত ব্যায়াম বা শাৰীৰিক শিক্ষাৰ বহুল প্ৰচাৰৰ নিমিত্তে অসম শক্তি মেলা নামে এখনি সভা স্থাপিত হৈছে। কাজেই এই শিক্ষাত অলপ উন্নতি কৰিবলৈ যত্ন কৰাটোৱেই দেশৰ উন্নতিৰ ব্ৰত বুলি ধৰিব লাগিব।

এতিয়া দেখা গল যে ব্যায়ামেই সকলোৰে মূল। শৰীৰক সকলো বস্তুতকৈ ডাঙৰ মানি চলিবলৈ চেষ্টা কৰাটো সকলোৰে বাঞ্ছনীয়। "দেহাই বেহা" বুলি সকলোৱে কয়। *

অসম শিক্ষক সম্মিলনৰ ৯ম বাৰ্ষিক অধিবেশনৰ— অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ।

শ্ৰীযুত প্ৰাণনাথ বুজৰ বৰুৱা।

উপস্থিত শিক্ষক মণ্ডলী, সুধীবৃন্দ আৰু ভদ্ৰ মহিলাসকল,

আজি আমাৰ পৰম সৌভাগ্য যে অসম উপত্যকাৰ প্ৰাইমেৰি আৰু মজলীয়া স্কুলৰ শিক্ষক বৃন্দক প্ৰকৃতিৰ ৰম্যভূমি উষা-অনিৰুদ্ধৰ শোনিতপুৰ্ব নগৰীত সেৱা কৰিবলৈ সুযোগ পাইছোঁ। আপোনা-

* তাধৰা ফেব্ৰুৱ শিক্ষক সন্মিলনীৰ ২৭ শ অধিবেশনত চিত্ৰাদিৰ সহায়ে পাঠ কৰা ৰচনা।

লোক আমাৰ সন্মানিত অতিথি। অতিথিৰ আদৰ পৈচান যথাযোগ্যভাৱে কৰিবলৈ যি গুণ আৰু আথিত্যৰ সম্বলৰ আৱশ্যক সেই গুণ আৰু সম্বল আমাৰ অকণো নাই। এইবাবে আমাৰ সকলো প্ৰকাৰে দোষ ত্ৰুটি হব পাৰে, আশাকৰোঁ নিজ উদাৰতা গুণে আমাৰ দোষ ত্ৰুটি মাৰ্জ্জনা কৰিব। সদৌ তেজপুৰ শিক্ষকসকলৰ হৈ মই আপোনাসকলৰ ওচৰত সবিনয়ে ক্ষমা ভিক্ষা মাগিছোঁ।

আমাৰ আজি বৰ সৌভাগ্য যে শিক্ষা বিভাগৰ কৰ্ণধাৰ ডাইৰেক্টৰ চাহাব বাহাদুৰক আজিৰ অনুষ্ঠানৰ গুৰি ধৰিবলৈ আমি পাইছোঁ। আৰু সৌভাগ্য যে আজি আমি শিক্ষকসকলক বাজেও আন আন সুধীবৃন্দক শিক্ষকসকলৰ দোষ-ত্ৰুটি, অভাব-অভিযোগ, আৰু আশা-নৈৰাশ্যৰ এটি চমু আভাস দিবলৈ সুবিধা পাইছোঁ। এইবাবে আজিৰ নিৰ্ব্বাচিত আৰু সন্মানিত সভাপতি মহোদয়ৰ আৰু আপোনাসকলৰ নথৈ শলাগ লৈছোঁ।

এই মহকুমাৰ শিক্ষাৰ বিষয়ে গোটাচেৰেক কথা এইখিনিতে কোৱা উচিত হব ভাবি অলপ আভাস ইয়াতে দিবলৈ আগ বাঢ়িলোঁ। এই মহকুমাত ৪ খন হাইস্কুল, ২৫ খন মজলীয়া স্কুল, ১৫৯ খন প্ৰাইমেৰি স্কুল, ২ খন সংস্কৃত টোল, এখন জেল স্কুল আৰু এখন বাগিছাৰ বনুৱাৰ বাবে নৈশ বিদ্যালয় আছে।

এই আটাইবোৰ স্কুলত ১০৭২৮ জন ল'ৰা-ছোৱালীয়ে পঢ়ে। এই স্কুলবোৰৰ কাৰণে গভৰ্ণমেণ্টৰ ৬৭৭৪২ টকা, লোকেল বৰ্ডৰ ৪৭০৮২ টকা, মিউনিচিপেল বৰ্ডৰ ৮৮১৪ টকা, মাচুলৰ পৰা ২২৩১০ টকা আৰু বাহিৰা ১১৫৫৩ টকা অৰ্থাৎ মুঠতে ১,৫৭,৫০১ টকা খৰচ হয়।

এই মহকুমাত ৩৪৭ জন শিক্ষক আৰু ৪৫ জনা শিক্ষয়িত্ৰীয়ে কাম কৰে। ইয়াৰ ভিতৰত ১৪৬ জন শিক্ষক আৰু ৪ জনা শিক্ষয়িত্ৰী ট্ৰেনিং পোৱা। ১১৩ জন শিক্ষকক নতুন প্ৰণালীৰে শাৰীৰিক ব্যায়াম, আজি বাতিপুৱা আপোনাসকলক যি ব্যায়াম দেখুৱা হৈছে, শিক্ষা দিয়া হৈছে। সুবিধা আৰু সুযোগ হলে বাকী শিক্ষকসকলকো এই শিক্ষা দিবলৈ চেষ্টা কৰা হব।

ওপৰত দিয়া হিচাব ১৯৩৫-৩৬ চনৰ হিচাবৰ পৰা দিয়া হৈছে।

লোকেল বৰ্ডৰ অধীনত ১২ খন ল'ৰাৰ ছাত্ৰবৃত্তি স্কুল, ১৩১ খন ল'ৰাৰ প্ৰাইমেৰি স্কুল, ৪ খন বালিকা ছাত্ৰবৃত্তি স্কুল, ১৮ খন বালিকা প্ৰাইমেৰি স্কুল আৰু এখন টেক্‌নিকেল স্কুল আছে।

এইবোৰ স্কুলত মুঠতে ৭০,২৮২ টকা খৰচ হৈছে। ইয়াৰ ভিতৰত গভৰ্ণমেণ্টৰ পৰা ২৩,১৫৫ টকা পোৱা হৈছে আৰু বৰ্ডে ৪৭০৮২ টকা বহন কৰিছে। শতকৰা হিচাবে তেজপুৰ বৰ্ডে ৩২·৩ টকা শিক্ষাত ব্যয় কৰিছে। এই সুযোগতে এটা কথা কব খোজোঁ, যে বৰ্ডৰ শিক্ষা-ব্যয়ৰ শতকৰা ৩৪·৮ ভাগ গভৰ্ণমেণ্টে আৰু ৬৫·১ ভাগ বৰ্ডে বহন কৰিছে। অসমৰ কোনো লোকেল বৰ্ডে শিক্ষাত ইমান পৰিমাণে খৰচ বহন কৰা নাই।

মিউনিচিপেল বৰ্ডবিলাকৰ ভিতৰতো তেজপুৰ বৰ্ড আগ বঢ়ুৱা। অসমৰ কোনো মিউনিচিপেল বৰ্ডে বালিকা হাইস্কুল পাতি খৰচ বহন কৰা নাই।

এতিয়া বৰ্ডৰ শিক্ষকসকলে কি কি সুবিধা পাইছে তাৰো কিঞ্চিৎ আভাস নিদিলে অন্যায় আৰু অশোভন হব ভাবি ইয়াতে কবলৈ আগ বাঢ়িলোঁ।

৫ বছৰৰ আগতে বৰ্ডৰ প্ৰাইমেৰি স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীৰ দৰমহা ১৫ টকাৰ পৰা আৰম্ভ হৈছিল। এই কেই বছৰ অৰ্থৰ অনাটনৰ বাবে নতুনকৈ

ভৰ্ত্তি হোৱা কেৱল ছাত্ৰবৃত্তি বা মাইনৰ পৰীক্ষা পাচ হোৱা শিক্ষকৰ দৰমহা ১২ টকা কৰা হৈছে। লোকেল বৰ্ডৰ অধীনৰ ছাত্ৰবৃত্তি স্কুলৰ শিক্ষকসকলে গভৰ্ণমেণ্ট স্কুলৰ শিক্ষকৰ দৰে ছুটী ভোগ কৰে। প্ৰাইমেৰি স্কুলৰ শিক্ষকসকলে গভৰ্ণমেণ্ট নিয়ন্ত্ৰিত কৰি দিয়া নিয়মে ছুটী পায়। মিউনিচিপেল বৰ্ডৰ অধীনস্থ প্ৰাইমেৰি স্কুলৰ শিক্ষক Non-vacation Department ৰ নিয়মানুসৰী ছুটী দিয়া হয় আৰু শিক্ষকসকলে Time scale অনুসৰী দৰমহা পায়। ইয়াক বাজেও কামত নিৰ্গাজি হোৱা শিক্ষকসকলক বৰ্ডৰ প্ৰভিডেণ্ট ফাণ্ডত যোগ দিবলৈ দিয়া হয়। মুঠতে শিক্ষকসকলৰ অভাব-অভিযোগ যিমানদূৰ পৰা যায় আঁতৰাবলৈ চেষ্টা কৰি অহা হৈছে।

এইবাবে সদৌ তেজপুৰ মহকুমাৰ শিক্ষকসকলৰ হৈ বৰ্ডৰ ওচৰত আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শিক্ষাবিদ এজনে কৈছে যে মানৱ জাতিৰ ভবিষ্যত শিক্ষকৰ হাতত।" এইটো অতি সঁচা কথা। সমগ্ৰ জাতি এটাৰ সকলো প্ৰকাৰৰ উন্নতি নিৰ্ভৰ কৰে সেই দেশৰ শিক্ষকসকলৰ ওপৰত। দেশৰ সন্তানক সুশিক্ষা দি গঢ় তোলাৰ ভাৰ আপোনালোকৰ হাতত। এই কাৰণে আপোনালোকৰ কৰ্ত্তব্য অতি দায়িত্বপূৰ্ণ আৰু পবিত্ৰ। কিন্তু দেশৰ দুৰ্ভাগ্য এই, যে শিক্ষকসকলেই সমাজত অৱহেলাৰ পাত্ৰ। ইয়াৰ কাৰণে শিক্ষকসকলেই প্ৰধানকৈ দায়ী বুলি মনে ধৰে। বহুত শিক্ষকে নিজৰ কৰ্ত্তব্য পাহৰি শিক্ষাৰ উন্নতিৰ ফালে পিঠি দি ক্ষুদ্ৰ স্বাৰ্থৰ বশৱৰ্ত্তী হৈ যেন তেন প্ৰকাৰেণ অৰ্থোপাৰ্জ্জনত ৰত হোৱা দেখা যায়। দৰমহা কম এই বাবে এনে আচৰণ কৰা অন্যায় আৰু দেশৰ অকল্যাণকৰ। কিন্তু সুখৰ বিষয় এই যে এই প্ৰকাৰ শিক্ষকৰ সংখ্যা কমি আহিবলৈ ধৰিছে। আৰু এটা সুখৰ আৰু আশাৰ কথা এই যে আপোনালোকৰ বহুতে আজি কালি কিৰূপে লিখি দুই পইচা উপাৰ্জ্জন কৰিবলৈ চেষ্টা কৰিছে। মোৰ বোধেৰে শিক্ষকৰ অৰ্থ উপাৰ্জ্জনৰ পথ একমাত্ৰ এইটোৱেই। ইয়াতে কেৱল শিক্ষকসকলৰে যে লাভ হৈছে এনে নহয় দেশৰ আৰু জাতিৰো আন প্ৰকাৰে লাভ হৈছে।

আপোনালোকৰ প্ৰধান কাম হৈছে প্ৰাথমিক শিক্ষা সুচাৰুৰূপে দিয়া আৰু শিক্ষাৰ বিস্তাৰ কৰা। ইয়াত অনেক প্ৰকাৰৰ বাধা বিঘিনি নাই বুলি কোনেও কব নোৱাৰে। বিশেষ বাধা হৈছে শিক্ষাৰ প্ৰতি জনসাধাৰণৰ আগ্ৰহৰ অভাৱ। এই বাধা অতিক্ৰম কৰিব পাৰিলে বাকী সমস্যাবোৰ পূৰণ কৰা একো টান কথা নহয় বুলি মোৰ দৃঢ় বিশ্বাস। এই অৰ্থে আপোনালোকে কি কৰিব পাৰে সেই বিষয়ে অলপ কবলৈ আগ বাঢ়িলোঁ।

বাধ্যতামূলক প্ৰাথমিক শিক্ষা—

বাধ্যতামূলক প্ৰাথমিক শিক্ষা-আইন আমাৰ দেশত ১৯২৬ চনতে পাছ হৈ আছে। কিন্তু আমাৰ দুৰ্ভাগ্য আজিলৈ সেই আইন কাৰ্য্যত পৰিণত নহল। অৱশ্যে গোলাঘাট লোকেলবৰ্ডে এখন মৌজাত এই আইন অনুসৰি কাম কৰিবলৈ চেষ্টা কৰিছিল কিন্তু পৰিতাপৰ বিষয় কোনো কাৰণত শেষত সি ফলৱতী হৈ নুঠিল।

বাধ্যতামূলক প্ৰাথমিক শিক্ষা নহলে সৰ্ব্বসাধাৰণৰ মাজৰ পৰা অজ্ঞানান্ধকাৰ দূৰ কৰিব নোৱাৰি ই সকলোৱে জনা কথা। একবাক্যে সকলোৱে বাধ্যতামূলক শিক্ষা লাগে বুলি স্বীকাৰ কৰে কিন্তু দুঃখৰ বিষয় বাধ্যতামূলক শিক্ষা প্ৰচলন কৰিবলৈ যি ধনৰ আৱশ্যক তাক বহন কৰিবলৈ স্বীকাৰ নকৰে।

শিক্ষা-কৰ বহন নকৰিলে বাধ্যতামূলক শিক্ষা প্ৰচলন হব নোৱাৰে। এই ক্ষেত্ৰত আপোনালোকৰ কৰ্ত্তব্য হৈছে ইয়াৰ সপক্ষে জনমত গঠন কৰিবলৈ চেষ্টা কৰা।

এই আশা ফলৱতী হোৱাৰ সম্ভাৱনা কম দেখি আজি আমাৰ সন্মিলনৰ গুৰি ধৰোতা ডাইৰেক্টৰ চাহাব বাহাদুৰে দেশীয় ভাষাৰ শিক্ষাৰ উন্নতি আৰু বিস্তৃতিৰ বাবে প্ৰাদেশিক বৰ্ড এটি গঠন কৰিবলৈ এখন আইনৰ আঁচনি তৈয়াৰ কৰিছে। এই বৰ্ডে এই প্ৰদেশৰ প্ৰাইমেৰি মজলীয়া স্কুলৰ শিক্ষা নিয়ন্ত্ৰণ কৰিব; ইয়াৰ ঘাই উদ্দেশ্য হৈছে শিক্ষা বিভাগ আৰু বৰ্ডবিলাকৰ মাজত এটি মূলনীতি অনুসৰণ কৰি কাৰ্য্য কৰা।

বৰ্ত্তমান বেলেগ বেলেগ বৰ্ডে বেলেগ বেলেগ ভাবে শিক্ষা নিয়ন্ত্ৰণ কৰে। কোনো বোৰ্ডে কোনো বাজে খৰচৰ বাবে একো নিদিয়ে, কোনো বৰ্ডে শিক্ষকৰ দৰমহা বঢ়াই দিয়া অন্যায় বুলি ভাবে, কোনো বোৰ্ডে শিক্ষকক প্ৰভিডেণ্ট ফাণ্ডত যোগ দিবলৈ নিদিয়ে, কোনো বৰ্ডে শিক্ষাৰ সঁজুলিৰ বাবে বৰ কম টকা খৰচ কৰে, কোনো বৰ্ডে স্কুল ঘৰ সজাত উপযুক্তভাবে টকা নিদিয়ে, কোনো কোনো বৰ্ডে শিক্ষা বিভাগৰ বাজেটৰ টকা কাটি নি আনকামে খৰচ কৰে। কোনো বৰ্ডে আয়ৰ শতকৰা ১৮৲ টকা আৰু কোনো বোৰ্ডে ৪০৲ টকা শিক্ষাৰ বাবে খৰচ কৰে।

এইবিলাক আঁসোৱাহ দূৰ কৰণাৰ্থে আগতে উল্লিখিত হোৱা প্ৰাদেশিক বৰ্ড স্থাপনৰ চেষ্টা। নহলে সৰ্ব্ব সাধাৰণৰ মাজৰপৰাৰ অজ্ঞানান্ধকাৰ দূৰ কৰিব নোৱাৰি ই সকলোৱে জনা কথা।

আমাৰ দেশৰ নেতাসকলে আৰু বাতৰি কাকতৰ সম্পাদকসকলে ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰিছে। প্ৰধানকৈ এই বুলি যে ইয়াৰ দ্বাৰা গভৰ্ণমেণ্টে স্বায়ত্বশাসনৰ কিছু ভাগ কাঢ়ি লবলৈ বিচাৰিছে। আজিলৈ যিমানবোৰ সমালোচনা দেখিছোঁ। কোনোৱে শিক্ষাৰ ফালৰপৰা কিম্বা লাভালাভ চবলৈ নহয় তাৰ বিষয়ে সমালোচনা কৰা দেখা নাই। আমাৰ ক্ষুদ্ৰ বুদ্ধিৰে ইয়াকে বুজিছোঁ যে যি উপায়েৰে শিক্ষাৰ উন্নতি আৰু বিস্তাৰ কৰিব পাৰি তাক সৰ্ব্ব প্ৰকাৰে সহায় কৰা উচিত। কাৰণ সুশিক্ষাৰ লগত জাতিৰ বৈশিষ্টতা, সভ্যতা, আৰু উন্নতি নিৰ্ভৰ কৰে। ইয়াৰ পাতনি বা মূল ভেটিয়ে হৈছে প্ৰাথমিক শিক্ষা।

আপোনালোকৰ কৰ্ম্মক্ষেত্ৰ হৈছে গাৱঁত। আজিকালি প্ৰায় প্ৰত্যেক গাৱঁতে ৰায়ত সভা, কৃষক সভা, ইত্যাদি হৈ থাকিছে। কিন্তু কোনো গাৱঁতে শিক্ষক সমিতি স্থাপন হোৱা নাই। আপোনালোকে ইচ্ছা কৰিলে প্ৰত্যেক গাৱঁতে এনেকুৱা এটা অনুষ্ঠান গঢ়ি তুলি শিক্ষাৰ প্ৰতি জনসাধাৰণৰ আগ্ৰহ আৰু ধাউতি বঢ়াব পাৰে। এই অনুষ্ঠানৰ যোগেদি গাৱঁলীয়া স্বাস্থ্যৰ উন্নতি, মাদক দ্ৰব্য নিবাৰণ, বিশেষকৈ কানি নিবাৰণ কৰিব পাৰে। আজৰি সময়ত নৈশ বিদ্যালয় পাতি শিক্ষা দিব পাৰে। আৰু একোটি পুথি-ভঁৰাল পাতি দিব পাৰে। মুঠ কথা ইচ্ছা কৰিলে দেশৰ অনেক প্ৰকাৰে কল্যাণ সাধিব পাৰে। তেতিয়া দেখিব যে আপোনালোক আৰু সমাজৰ অৱহেলাৰ পাত্ৰ হৈ থকা নাই বৰং সমাজৰ অতি আৱশ্যকীয় অঙ্গ বুলি পূজা পাব পাৰিব।

বহুতে নাজানিব পাৰে যোৱা সাহিত্য সম্মিলনৰ যি জনা সভাপতি আছিল তেখেত আপোনালোকৰে নিচিনা এসময়ত শিক্ষক আছিল। তেখেতৰ সেই সন্মানত সমস্ত শিক্ষক মণ্ডলীক সন্মান দিয়া হৈছে।

ইয়াৰ পৰা ইয়াকে বুজিব পৰা হৈছে যে কৰ্ত্তব্য কামত অৱহেলা নকৰি ঐকান্তিক চেষ্টা কৰিলে আপোনালোকৰ প্ৰত্যেকে তেনে সন্মান লাভ কৰিব পাৰে। এনে সুযোগ আনৰ কম।

আৰু এটা কথা এইখিনিতে কব খোঁজো—এতিয়ালৈকে আপোনালোকৰ যিমান সভা সমিতি, সন্মিলন হৈছে তাত সদায় আপোনালোকৰ অভাব-অভিযোগ, দৰমহা বৃদ্ধি ইত্যাদি বিষয়ৰ আলোচনা বিশেষভাবে কৰা দেখিছোঁ। কিন্তু সংগঠনমূলক আৰু উন্নতিমূলক কামৰ আলোচনা নিচেই কম দেখা গৈছে। কি প্ৰণালীত শিক্ষা দিলে ল'ৰা-ছোৱালীয়ে সহজে শিকিব পাৰে, নতুন শিক্ষা সঁজুলিৰ উদ্ভাবন, ল'ৰা-ছোৱালী স্কুলত নিয়মিত উপস্থিত থকাৰ উপায় ইত্যাদি বিষয়বো আলোচনা হব লাগে। অভাব-অভিযোগ আঁতৰাব নালাগে বা শিক্ষকৰ দৰমহা বৃদ্ধি কৰ নালাগে ইয়াক কব খোজা নাই।

বৰ্ত্তমান সময়ত ডাঙৰ সমস্যা হৈছে বিদেশীৰ প্ৰভাব প্ৰতিহত কৰা। ভাৰতৰ আন প্ৰদেশৰ পৰা আহি আমাৰ দেশত স্থায়ীভাবে বাসকৰা লোকসকলক আমাৰ ভাষাৰ মাজেদি শিক্ষা দি তেওঁলোকক আপোন কৰি আমাৰ জাতিক সবল কৰিবলৈ যত্ন কৰাও উচিত বুলি ভাবোঁ। আন-লোকৰ একো কৰ্ত্তব্য নাই এনে নহয়, আপোনা-লোকে বিশেষকৈ এই কাৰ্য্যত সহায় কৰিব পাৰে ইয়াকেহে কব খুজিছোঁ।

অতীত ভাৰতত শিক্ষাদান কাৰ্য্য অতি মহৎ আছিল। সেই অতীত আদৰ্শত অনুপ্ৰাণিত হৈ এতিয়া আমাৰ কৰ্ত্তব্য কাৰ্য্যত ব্ৰতী হওঁহক।

অসম শিক্ষক সন্মিলনৰ ৯ম অধিবেশনৰ সভাপতিৰ অভিভাষণ।

মিঃ জি, এ, স্মল, অসমৰ শিক্ষা বিভাগৰ ডাইৰেক্টৰ।

বন্ধুসকল!

মই বৰ সুখ পাইছোঁ যে, আপোনাসকলে আপোনাসকলৰ সন্মিলনৰ সভাপতি হবলৈ মোক মাতিছে আৰু এই গৌৰব মই আন্তৰিকভাৱে সৈতে অনুভৱ কৰিছোঁ।

আপোনাসকলৰ বহুতকে স্কুলত মই লগ পাইছোঁ কিন্তু আটাইবিলাকক লগ পাব নোৱাৰি দুখ পাইছোঁ। আপোনাসকলৰ স্কুলবোৰ পৰস্পৰৰ পৰা বহুত আঁতৰত আৰু দিহিঙে দিপাকে অৱস্থিত। মোৰ মফচল ফুৰা সময়ৰ আৰু সুবিধাবো দিনক দিনে নাটনি হৈ আহিছে।

মোৰ মনেৰে অসমীয়া জাতিৰ ভৱিষ্যৎ গঠনত আন যি কোনো দলৰ মানুহতকৈ আপোনাসকলে বেছি প্ৰভাব বিস্তাৰ কৰিছে আৰু সেই বাবে আজি আপোনাসকলক—অসমীয়া স্কুলৰ শিক্ষক সকলক—লগ পাই মই বিশেষ ভাৱে আনন্দ পাইছোঁ।

আজি ২৫ বছৰৰ পৰা মই অসমত আছোঁ। তেতিয়া হয়তো আপোনাসকলৰ ভিতৰৰ কোনো কোনো জন্মাই নাই। ভাৰত আৰু অসমৰ লগত মোৰ সম্বন্ধ তাতোকৈ পুৰণা। মোৰ জেষ্ঠা ১৮৫৭ চনতে ভাৰতলৈ আহে আৰু মোৰ আই

তেওঁৰ খুৰাকৰ লগত প্ৰায় ৫৪ বছৰ আগেয়ে চিলঙত থাকে।

সেই বাবে আপোনাসকলে নিশ্চয় বুজিছে যে এই অসমদেশখনলৈ মোৰ এটা বিশেষ টান আছে আৰু ইয়াৰ ভবিষ্যৎ সুখ-সমৃদ্ধিৰ অৰ্থে আপোনাসকলৰ কোনো এজনতকৈ মোৰ আগ্ৰহ কম নহয়।

সেই বাবে মোৰ বক্তব্য—অসমৰ শিক্ষাৰ্থীবিলাকৰ শিশু কালৰ শিক্ষা দানৰ বাবে যি সকল দায়ী—সেই আপোনাসকলৰ ওচৰতেই যেতিয়া—অতি পোনপটীয়া ভাবেই মই কব লাগিব। আমাৰ ভিতৰত যি সব গুণ আছে সেই সবগুণবোৰ শিক্ষাৰ্থীক দান কৰা; অকল পৰীক্ষা পাছ কৰাত সহায় কৰা নহয়—সিহঁতক সকলো প্ৰকাৰে সহায় কৰা; সিহঁতক সৎসাহস, স্থিৰ-উদ্দেশ্য, সুদৃষ্টি-জ্ঞান দান কৰা; মন প্ৰফুল্লিত ৰাখিবলৈ শিক্ষা দিয়া; শুনা বা কিতাপৰ কথা এবং সত্য বুলি নধৰি স্বাধীন ভাবে চিন্তা কৰিবলৈ শিক্ষা দিয়া—এইবোৰ কথাত মোৰ আগ্ৰহ আৰু উদ্দেশ্য আপোনাসকলৰ সৈতে একে।

সমুজ্জ্বল অতীতেৰে গৌৰবান্বিত অসমে অত্যাচাৰ, উৎপীড়ন আৰু পৰাজয়ৰ মাজেদি সুদীৰ্ঘ বাটে চলি আজি সেই বাট অতিক্ৰম কৰি গিৰি শিখৰত উঠিবলৈ আৰম্ভ কৰিছে আৰু মই দেখিবলৈ পাইছোঁ। যে ভৱিষ্যতত সুখ সমৃদ্ধিৰ ওখ ঠাইত অসম সুখী আৰু শক্তিমন্ত হৈ বিৰাজ কৰিব।

বন্ধুসকল! আপোনাসকলৰ হাতত এই সিদ্ধিৰ মন্ত্ৰ আছে।

মোৰ অনুমান এই যে অসমত শতকৰা ৯৯ জন লৰাই প্ৰাইমেৰী স্কুলত চাৰি পাঁচ বছৰ কটায়। এজন প্ৰসিদ্ধ খৃষ্টান পুৰোহিতৰ কথা বোধ কৰোঁ আপোনাসকলৰ মনত আছে। তেওঁ কৈছিল যে যদি এটা জাতিৰ সন্তানবিলাকক অন্ততঃ ৫ বছৰৰ বাবে তেওঁ পালেহেঁতেন তেন্তে গোটেই জাতিটোক তেওঁ খৃষ্টান কৰি তুলিব পাৰিলেহেঁতেন। অসমৰ লৰা-ছোৱালীবোৰ পাঁচ বছৰৰ কাৰণে আপোনাসকলৰ হাতত থাকে। আপোনাসকলে যেনে ভাবে সিহঁতক গঢ়িব সিহঁত সেই গঢ় লব; সেই বাবে আপোনাসকলৰ দায়িত্ব মহৎ।

সেই দায়িত্ব যথোপযুক্ত ভাবে কেনেকৈ বহন কৰিব লাগে সেই বিষয়ে মই কেইটিমান সঙ্কেত দিব খোজোঁ।

বেছি কথা কোৱাৰ আগতে আপোনাসকলে এই পৰ্য্যন্ত যি ভাবে কাম কৰি আহিছে তাৰ বাবে মই আপোনাসকলৰ কৃতজ্ঞতা অতি আনন্দেৰে প্ৰকাশ কৰিছোঁ। আপোনাসকলে ৩০, ৪০ নাইবা ৫০ জনকৈ লৰা ২টা, ৩টা, ৪টা, বা ৫টা শ্ৰেণীত একে লগে পঢ়াব লাগে। আপোনাসকলে ভগা খেৰি ঘৰৰ তলত অতি কম বা বিনা সঁজুলিৰে আৰু বৰ নিঃকিন দৰ্মহাত কাম কৰে; কিন্তু প্ৰায় যেতিয়াই মই কোনো এখন গাৱঁলীয়া মজলীয়া বা প্ৰাইমেৰী স্কুল পৰিদৰ্শন কৰোঁ তেতিয়াই উৎকৃষ্ট ধৰণৰ কাম দেখিবলৈ পাই আনন্দিত হওঁ। অসমৰ কিছুমান গাৱঁলীয়া স্কুলৰ কাম ইমান সুন্দৰ যে ইংলণ্ডৰ প্ৰথম শ্ৰেণীৰ স্কুলবোৰে তেনে কাম কৰিব পাৰিলে প্ৰসংশাৰ যোগ্য হলহেঁতেন।

মোৰ বক্তব্য দোষগুণ বিচাৰৰ তুলাচনীত বিচাৰ কৰি কবলৈ ওলোৱা নাই। মই সঙ্কেত দিছোঁ আমাৰ যি উমৈহতীয়া উদ্দেশ্য সেই উদ্দেশ্য সিদ্ধিৰ বাটত সহায় হব বুলি আশা কৰি।

আমাৰ লৰাবিলাকৰ শৰীৰ আৰু স্বাস্থ্যৰ উন্নতি কৰা যে প্ৰথম কথা এই কথা মই দঢ়াই কব

খোজোঁ।—সুস্থ শৰীৰত হে যে সুস্থ মনৰ বসতি হয়—এই লেটিন ফকৰা ফাকি আপোনাসকলে শুনিছে; ইয়াতকৈ সঁচা কথা নাই। শৰীৰ অসুস্থ হলে, শ্ৰৱণ আৰু দৃষ্টি শক্তি বেয়া হলে, শ্বাস প্ৰশ্বাসত বাধা ঘটিলে, প্লীহা আৰু মেলেৰিয়াত ভুগিলে কোনো লৰাই নিজৰ মস্তিষ্ক সম্যকৰূপে পৰিচালনা কৰিব নোৱাৰে। আপোনাসকলৰ তদাৰকত থকা লৰাবিলাক শিশু মাত্ৰ। সিহঁতে নিজৰ বেমাৰ অসুখ নিজে ধৰিব নোৱাৰে। দেউতাইঁতে জনাৰ কম পক্ষেও ৩ বছৰ আগৰে পৰা মই চকুৰে কম দেখা দোষত ভুগিছিলোঁ।

স্কুল পৰিদৰ্শনৰ সময়ত দেখিবলৈ পাওঁ যে বহুত লৰাই বৰ্ডলৈ চাবলৈ চেষ্টা কৰি চকু ঘূৰাবলৈ ধৰে। সেই লৰাবোৰৰ নিশ্চয় চকুৰ দোষ আছে। বহুত লৰাই ভালকৈ উশাহ নিশাহ লব নোৱাৰে আৰু বহুত লৰাক আধা মেল খোৱা মুখেৰে সৈতে ভোদা যেন দেখিবলৈ পাওঁ।

এই বেমাৰ আৰু অসুখবোৰৰ হাত সাৰিবলৈ হয়ত সামান্য অস্ত্ৰোপচাৰৰ দৰকাৰ হব পাৰে বা এই অসুখবোৰ বেছি নহ'লে অতি সামান্য যত্নৰ দৰকাৰ হব পাৰে কিন্তু তাৰ পাছতেই অবিলম্বে সিহঁতৰ সুন্দৰ চেহেৰা আৰু প্ৰচুৰ জীৱনী শক্তি পৰিপূৰ্ণ স্বাস্থ্য দেখা যাব।

প্লীহা আৰু মজ্জাগত মেলেৰিয়া আপোনাসকলৰ প্ৰায় সকলোৰে আছে। এই সাধাৰণ বেমাৰবোৰৰ বিৰুদ্ধে যুঁজিবলৈ এই প্ৰদেশৰ সকলো শিক্ষকে এক যোগ হৈ ঘোৰতৰ আন্দোলন কৰিব লাগে। লৰাবিলাকৰ অভাৱ অভিযোগলৈ পিতামাতাৰ দৃষ্টি আকৰ্ষণ কৰিব লাগে আৰু নিজৰ নিজৰ স্কুলৰ লৰা-ছোৱালীবিলাক যাতে সহজে আৰোগ্য হব পৰা কোনো বেমাৰত নুভুগে তাৰ বাবে সাৱধান হব লাগে।

ইমান পৰ মই অসুখ আৰোগ্য কৰাৰ বিষয়েহে কলোঁ, কিন্তু বেমাৰ হোৱাৰ পাছত আৰোগ্যৰ প্ৰতিকাৰৰ বাবে কৰা এনেৰমান ব্যৱস্থাতকৈ বেমাৰ নহ'বলৈ কৰা এতোলামান ব্যৱস্থা বেছি ভাল।

যোৱা এপ্ৰিল মাহত চিলঙত এটি স্কাউট জাম্বৰী হৈছিল। পাঁচ শ লৰা ভৈয়ামৰপৰা চিলঙৰ ঠাণ্ডা আৱহাওৱা লৈ গৈছিল; আৰু তিনি দিন বৰষুণ আৰু বৰ বেয়া বতৰৰ দুৰ্যোগত পৰিছিল; কিন্তু পাঁচ শ লৰাৰ ভিতৰত গোটেই সপ্তাহটোৰ ভিতৰত এক ডজন ল'ৰাতকৈ বেছি লৰা বেমাৰত পৰা নাছিল। মোৰ বিশ্বাস সকলোবোৰ লৰা স্বাস্থ্যবান—স্কাউটবোৰ যেনে হোৱা উচিত—খোলা পথাৰত খেল ধেমালিত অভ্যস্ত আৰু টান মাংসপেশী আৰু সবল ফুস্‌ফুস্‌ সম্পন্ন আছিল।

মোৰ ইঙ্গিত এই যে সাধাৰণ স্বাস্থ্য সম্বন্ধীয় নিয়মবোৰ পালন কৰিবলৈ, শৰীৰ আৰু মন বাহ্যিক আৰু আন্তৰিক ভাৱে পৰিষ্কাৰ আৰু পৱিত্ৰ ৰাখিবলৈ, খেল ধেমালি কৰিবলৈ, প্ৰফুল্ল আৰু উৎসাহিত ভাৱ ৰাখিবলৈ ব্ৰাহ্মণ, শূদ্ৰ, মুছলমান, খৃষ্টান জাতি নিৰ্ব্বিশেষে শাৰীৰিক পৰিশ্ৰমত অভ্যস্ত হবলৈ আৰু মস্তিষ্ক পৰিচালনাত যি গৌৰৱ অনুভৱ কৰে শাৰীৰিক পৰিশ্ৰমতো সেই গৌৰৱ অনুভৱ কৰিবলৈ শিক্ষা দি আপোনাসকলৰ জাতিটোক আপোনাসকলে বলৱান্ আৰু স্বাস্থ্যবান্ কৰি তুলিব পাৰে।

শাৰীৰিক ব্যায়াম চৰ্চ্চাৰ নিয়ম প্ৰণালী শিকাবলৈ আমি যত্ন কৰিছোঁ আৰু আপোনাসকলৰ বহুতে নিজ খৰচত সেই শিক্ষা লাভ কৰা বাবে মই কৃতজ্ঞ বোধ কৰিছোঁ। ভবিষ্যতত আপোনাসকলৰ লৰাবিলাকৰ সুস্থতৰ শৰীৰ আৰু উন্নত স্বাস্থ্যৰ প্ৰচুৰ পুৰস্কাৰ আপোনাসকলে পাব বুলি মই আশা কৰিছোঁ।

আৰু এটি বিষয় কবলৈ মই আগ বাঢ়িছোঁ। যদিও এই বিষয়টো সাধাৰণৰ মাজত অলপতে অতি তিক্ত আৰু তীব্ৰ আলোচনাৰ বিষয়ত পৰিণত হৈছিল। সেই বিষয়টো হৈছে এই উপত্যকাত কেইখনমান স্কুলত বঙলা ভাষাৰে শিকোৱাৰ ব্যৱস্থা কৰা।

যোৱা ২৮ এপ্ৰিল তাৰিখে গুৱাহাটীৰ বঙ্গালী হাইস্কুলৰ দ্বাৰ উন্মোচন উপলক্ষে গবৰ্ণৰ বাহাদুৰে কৈছিল, যে অসমীয়া ভাষাই আজি পূৰ্ণ জয় ঘোষণা কৰিলে। আজি উত্তৰ লক্ষীমপুৰৰ পৰা গোৱালপাৰালৈকে সকলোবোৰ গবৰ্ণমেণ্ট হাইস্কুলত অসমীয়া ভাষা হে শিক্ষাৰ বাহন হব বুলি স্বীকাৰ কৰা হৈছে।

আপোনাসকল সকলোৱে জানে যে এইটো সঁচা কথা, অসম উপত্যকাৰ বঙ্গালী ভাষা ভাষী লোক সকলোবোৰ নিজ ভাষাৰ জৰীয়তে শিক্ষা পাবলৈ যি দাবী আছে সেই দাবী আপোনাসকলকো স্বীকাৰ কৰিবলৈ মই কওঁ। গৱৰ্ণমেণ্টৰো তেওঁলোকৰ প্ৰতি কৰ্তব্য আছে আৰু অসমৰ ভৱিষ্যৎ সমৃদ্ধিও নিৰ্ভৰ কৰে সকলো জাতিৰ মাজত পৰস্পৰ সৌহাৰ্দ্য আৰু প্ৰীতিৰ ওপৰত।

যিখন ঘৰৰ নিজ পৰিয়ালৰ মাজতে ভেদ জ্ঞান আছে তাৰ উন্নতি নাই। এক আটি হকৰা একেলগে যে কোনো মানুহে ভাঙিব নোৱাৰি আৰু এডাল এডালকৈ যে ভাঙিব পাৰি এই উপকথাটো আপোনাসকলে নিশ্চয় জানে।

আমাৰ লৰা-ছোৱালীবিলাকক প্ৰতিবেশীৰ প্ৰতি বন্ধুতা আৰু সহিষ্ণুতা দেখুৱাবলৈ শিক্ষা দিয়ক— প্ৰতিবেশী অসমীয়াই হওক বা বঙ্গালীয়েই হওক নাইবা ইংৰাজেই হওক। হিন্দুৱেই হওক, মুছলমান হওক বা খৃষ্টান হওক, প্ৰতিবেশী দেশবাসী হওক পমুৱা প্ৰবাসী হওক আনকি মোৰ নিচিনা ফিৰিঙিয়েই হওক— এই বিশ্বাসত যে প্ৰত্যেকৰে অন্তৰত দেশৰ উন্নতিৰ বাবে স্বাৰ্থ জড়িত আছে।

সামৰণিত স্কুলৰ শিক্ষকতা সম্পৰ্কে কেইআষাৰমান কব খোজোঁ, যদিও নিৰ্ভয় আৰু নিঃসন্দেহে কব নোৱাৰোঁ। এই কাৰণে যে আপোনাসকলৰ কৰ্তব্য কিমান কঠোৰ মই জানোঁ আৰু আৰাম চকিত বহি আপোনাসকলৰ দোষ বিচৰা কিমান সহজ তাকো জানোঁ।

একে লগে ৪০ জন লৰা লৈ বেলেগ বেলেগ শ্ৰেণী শিক্ষা দিয়া অভিজ্ঞতা মোৰ আছে আৰু আপোনাসকলৰ কৰ্তব্যৰ কঠোৰতাৰ বিষয়েও মই যথেষ্ট চিন্তা কৰিছোঁ। মই স্থিৰ সিদ্ধান্তত উপনীত হৈছোঁ যে যদি শিক্ষকতা কামত আগ্ৰহ নাথাকে ইয়াতকৈ আৰু আমনি লগা হাৰভঙা কাম জগতত নাই; কিন্তু যদি কোনোবাই ইয়াত আগ্ৰহ দেখুৱাবলৈ চেষ্টা কৰে, লৰাবিলাকৰ অসুবিধা আৰু সমস্যা সমাধানৰ চেষ্টা কৰে, নতুন নতুন শিক্ষা প্ৰণালী অধ্যয়ন কৰিবলৈ যত্ন কৰে, নতুন নতুন শিক্ষা সঁজুলি আৱিষ্কাৰ কৰিবলৈ চেষ্টা কৰে আৰু ব্যাসদেৱ মানুহৰ নিচিনা নিজ কৰ্তব্যত গৌৰৱ বোধ কৰিবলৈ ইচ্ছা কৰে তেন্তে মোৰ বিশ্বাস যে জগতত এনে কোনো কাম নাই যিহে ইমান সুখ আৰু মহান্ পুৰস্কাৰ দিব পাৰে— অকল দৈনন্দিন স্বাৰ্থ বা সাৰ্থকতাৰ মাজেদি নহয়, তাতোকৈ সূক্ষ্মতৰ আৰু গ্ৰাহ্যতৰ পুৰস্কাৰ লৰাবিলাকৰ পৰৱৰ্ত্তী জীৱনৰ কৃতকাৰ্য্যতাৰ মাজেদি যেতিয়া আপোনাসকলৰ ওচৰ পায়হি।

যেতিয়া কোনো পুৰণি ছাত্ৰই অতীতত তেওঁক সময়োপযোগী উদগনি আৰু সাহায্যেৰে উৎসাহিত কৰা বাবে আহি কৃতজ্ঞতা স্বীকাৰ কৰে আৰু

আমাৰ স্কুলৰ বৰ্ষ চাৰিবেৰৰ মাজত আবদ্ধ থকা আনন্দময় স্মৃতিৰ কথা আহি উল্লেখ কৰে, তেতিয়া আনন্দৰ যি স্পন্দন অনুভৱ কৰা হয় সেই স্পন্দনৰ অভিজ্ঞতা মোৰ নিচিনা আপোনাসকলৰো নিশ্চয় আছে।

আপোনাসকলৰ বহুতৰ দক্ষতা বৰ তাকৰ। আপোনাসকলৰ ভবিষ্যত আৰ্থিক উন্নতিৰ আশাও বৰ ক্ষীণ আৰু অসমৰ বৰ্ত্তমান অৱস্থালৈ চাই আপোনাসকলে ন্যায় সঙ্গত ৰূপে যি আৰ্থিক উন্নতি আশা কৰা উচিত সেই আশা পূৰণ হোৱাৰ সম্ভাৱনা বৰ কম। কিন্তু মই ডাঠি কওঁ যে মই মোৰ অভিজ্ঞতাৰ পৰা বুজিছোঁ, যে আপোনাসকলৰ ডাঙৰ পুৰস্কাৰ নিহিত আছে আপোনাসকলৰ কৰ্ত্তব্য সুচাৰুৰূপে সম্পন্ন কৰাৰ ভিতৰত, অকণমান ল'ৰা এটিৰ সমস্যা সমাধান কৰি দিয়াৰ যত্নৰ ভিতৰত আৰু স্বাধীনভাৱে চিন্তা কৰিবলৈ শিকোৱাত, বহল কৰ্ম্মক্ষেত্ৰত তাক কৃতকাৰ্য্য হোৱা দেখাৰ সন্তোষত আৰু সৰ্ব্বোপৰি সি যেতিয়া এই কৃতকাৰ্য্যতাৰ বাবে আপোনাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ আহে তাৰ ভিতৰত।

বন্ধুসকল! অৰ্থৰ মূল্যত আমাৰ ব্যৱসায়ৰ পুৰস্কাৰ বৰ কম; কিন্তু অৰ্থতকৈ মহত্তৰ মূল্য আছে এই বিশ্বাসত যে আমি অন্ততঃ এটি ল'ৰাকো জ্ঞানৰ পথত সহায় কৰিছোঁ। আৰু সামান্য হলেও সমগ্ৰ জাতিয়তা গঠনৰ নাট মন্দিৰত আমাৰ ভাগ আছে। এই যে মূল্যবান পুৰস্কাৰ ই অৰ্থৰ মূল্যতকৈ বহু গুণে স্থায়ী। ই আমাৰ ইহ জীৱনৰ সংগীয়া আৰু পৰ জীৱনৰ সম্বল।*

১৯৩৫-৩৬ চনৰ অসম শিক্ষক সন্মিলনৰ কাৰ্য্যবিৱৰণি!

সভাপতি মহোদয় আৰু উপস্থিত সুধীবৃন্দ!

১। সেৱা

আজি প্ৰায় ডেৰ বছৰৰ মূৰত প্ৰাচীন চ্যৱন মুনিৰ আশ্ৰমত আমাৰ শিক্ষাবিভাগৰ শীৰ্ষ স্থানীয় কৰ্ম্মচাৰীৰপৰা নিম্নস্থ কৰ্ম্মচাৰীলৈ সকলো সংযোগী ভাতৃ সম্মিলিত হবলৈ সুবিধা পোৱা বাবে অগ্ৰজয়তে সৰ্ব্বমঙ্গলময় পৰম কাৰুণিক বিশ্বনিয়ন্তাৰ চৰণত সেৱা জনালোঁ।

খৃষ্টজন্মৰ বহুকাল আগতে ইয়াতেই চ্যৱন মুনিয়ে সাধন কৰি সিদ্ধি লাভ কৰিছিল। পুৰণি কালত এই নগৰ বৃক্ষ-অগ্নিয়ে গড় মাৰি ৰক্ষা কৰিছিল বুলিও উল্লিখিত আছে। ৭ম শতিকাৰপৰা দশম শতিকালৈ প্ৰায় তিনি শ বছৰ এই নগৰ বিশাল কামৰূপ ৰাজ্যৰ ৰাজধানীও আছিল। ইয়াত প্ৰতাপী আৰু বিদ্যানুৰাগী শ্ৰীহৰ্ষবৰ্ম্মা, হৰ্জ্জৰবৰ্ম্মা আদি ৰজা সকলৰ লগত কুমাৰিলা ভট্টৰদৰে বিখ্যাত পণ্ডিত সকলো বাস কৰিছিল। আমি আজি সেই ঋষি মুনিৰ পদৰেণুৰে পূত ভাৰত বিখ্যাত কামৰূপী ৰজাসকলৰ কীৰ্ত্তি-মণ্ডিত চিৰ শান্তিদাতা ব্ৰহ্মপুত্ৰৰ কূলৰ প্ৰকৃতিৰ কাব্যভূমি মুনি মনোমহা কন্থাশ্ৰমত লগ লাগিবলৈ পোৱাত এই মহকুমাৰ শিক্ষক ভ্ৰাতৃ সকলক ধন্যবাদ জনালোঁ।

এই বছৰত আমাৰ মহামান্য ভাৰত সম্ৰাট

---

* ইংৰাজী অভিভাষণৰপৰা অসমীয়া ভাঙনি—শ্ৰীযুত দেবেন্দ্ৰনাথ ভট্টাচাৰ্য্য বি, এছ, চি, বি, টিৰ দ্বাৰা।

যে জৰ্জ্জৰ ৰূপালী জুবিলি উৎসৱ অতি সমাৰোহে সম্পন্ন হয়। আমাৰ উপত্যকাৰ সকলো শিক্ষক ছাত্ৰই

২। আনন্দ বিষাদ

এই উৎসৱৰ ভাগ আশাতীতৰূপে লাভ কৰিছিল। এই উৎসৱ-আনন্দ সম্পূৰ্ণৰূপে মাৰ যাবলৈ নৌ পাওঁতেই দয়ালু সম্ৰাটৰ মহা প্ৰয়াণ ঘটে আৰু লগে লগে আমি গভীৰ শোকত অভিভূত হওঁ।

ইয়াৰ পাচতেই আমাৰ নতুন সম্ৰাট অষ্টম এডৱাৰ্ড ৰাজপাটত বহি গোটাই সাম্ৰাজ্যতে শান্ত্বনা আৰু আশ্বাসৰ মহাবাণী প্ৰচাৰ কৰে। আমি ইয়াতেই তেখেতলৈ প্ৰগাঢ় ৰাজভক্তি জনাই শান্তি-পূৰ্ণ সুদীৰ্ঘ জীৱন কামনা কৰিলোঁ।

যোৱা বছৰৰ ভিতৰত আমাৰ ভাৰতৰ বৰলাট মাননীয় লৰ্ড উইলিংডন মহোদয়ে বিদায় গ্ৰহণ কৰে আৰু মাননীয় লৰ্ড লিন্‌লিথ গ' মহোদয়ে ভাৰত শাসন-কাৰ্য্য হাতত লয়। এখেতে শাসন কাৰ্য্য হাতত লৈয়েই ভাৰতৰ শান্তি কামনা কৰি দেশত বাণী প্ৰচাৰ কৰে। আগৰ জনাৰদৰে এইজনা ৰাজ প্ৰতিনিধিৰ শাসন কালো ভগবানে শান্তিৰে নিয়াওক।

ডাঙৰীয়াসকল, আমি কেইবা বছৰৰপৰা বিচাৰি অহা অসম বিশ্ববিদ্যালয়ৰ আঁচনিও এই বছৰতে তৈয়াৰ হয়; আৰু ইয়াক আমাৰ প্ৰায় ভাগৰে পৰিচিত অৱসৰ প্ৰাপ্ত সুযোগ্য ডাইৰেক্টৰ মাননীয় মিঃ জে, আৰ, কানিংহাম মহোদয়ে তৈয়াৰ কৰে।

ইয়াৰ উপৰি শিক্ষা সম্বন্ধীয় আৰু দুটি ডাঙৰ অনুষ্ঠান এই বছৰৰ ভিতৰতে হয়— এটা "প্ৰতিভা দেৱী ট্ৰাষ্টফণ্ডৰ বক্তৃতা" আনটো "নাৰায়ণী সন্দিকৈ হল" স্থাপন। আমাৰ শিক্ষক সন্মিলনৰ প্ৰাণস্বৰূপ দেশ মাতৃৰ সুসন্তান, অসম উপত্যকাৰ স্কুল সমূহৰ সুযোগ্য ইন্সপেক্টৰ মাননীয় শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱে তেখেতৰ কন্যাৰ স্মৃতিৰ অৰ্থে অসম গৱৰ্ণমেণ্টৰ ওচৰত এটা ফণ্ড দিয়াৰ কথা আপোনালোক সকলোৱে জানে; এই ফণ্ডৰ আয়ৰপৰা এই বছৰ পোন প্ৰথমে কটন কলেজত অসমত পুৰণি সভ্যতা আৰু কৃষ্টিৰ বিষয়ে বক্তৃতা হয়; বক্তা আছিল আমাৰ অসমৰে এজনা কৃতি সন্তান ঢাকা বিশ্ববিদ্যালয়ৰ অধ্যাপক ডাঃ বিৰিঞ্চি কুমাৰ বৰুৱা চাহেব। বক্তৃতা ৫ দিন হৈছিল। প্ৰত্নতাত্বিক মাননীয় ৰায়বাহাদুৰ শ্ৰীযুত কনকলাল বৰুৱা আৰু ৰায় বাহাদুৰ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই এই বক্তৃতা সভাৰ সভাপতিৰ পদ অলঙ্কৃত কৰিছিল।

চৰকাৰৰ লগত সদায় সহযোগ ৰাখি দেশৰ শিক্ষানুষ্ঠান পাতোঁতা ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ দানত ঐতিহাসিক তথ্য অনুসন্ধানাৰ্থে তেখেতৰ পত্নীৰ নামত গুৱাহাটীত "নাৰায়ণী সন্দিকৈ হল"ৰ প্ৰতিষ্ঠা হয়। আমাৰ মাননীয় গৱৰ্ণৰ চাৰ মাইকেল কিন মহোদয়ে ইয়াৰ দুৱাৰ মুকলি কৰে।

যোৱা বছৰৰ ভিতৰত আমি কেবাজনো সহযোগী শিক্ষকক হেৰুৱাইছোঁ; ইয়াৰ ভিতৰত অৱসৰ প্ৰাপ্ত প্ৰবীণ সাহিত্যিক অমৃতভূষণ অধিকাৰী ঠাকুৰ, মৌলবী চোলেমান খাঁ আৰু মুক্তানন্দ গোস্বামী দেৱৰ নাম বিশেষ উল্লেখ যোগ্য। এখেত সকলে শিক্ষকতা কৰাৰ লগে লগে সাহিত্য চৰ্চ্চাও কৰিছিল; বিশেষকৈ মুক্তানন্দ গোস্বামী দেৱে শিক্ষক সন্মিলনৰ ভিত্তি দৃঢ় কৰিবলৈ আমাক নানা ভাৱে সহায় কৰিছিল।

যোৱা বছৰ আমাৰ শিক্ষক সন্মিলনৰ ভিতৰত ১২০ খন শিক্ষক সভা আছিল; এই বছৰ ১৭

৩। আমাৰ কামৰ সংক্ষিপ্ত বিৱৰণ

খন বাঢ়ে। যোৰহাটৰ ডিপুটী ইন্সপেক্টৰ শ্ৰীযুত চিত্ৰমল্ল বৰুৱাদেৱে এই বিষয়ে আমাক যথেষ্ট সহায় কৰিছে; এই কাৰণে এই খিনিতে আমি তেখেতৰ শলাগ লওঁ।

যোৱা বছৰত ১৭।৫।৩৬ তাৰিখলৈকে সম্মিলন সম্বন্ধীয় ৫১১ খন পত্ৰ লিখা হৈছে। যোৱা ৮ম অধিবেশনত গৃহীত হোৱা প্ৰস্তাৱবোৰৰ প্ৰত্যেকটোৰ আৱশ্যকতা সম্বন্ধে একোটা টোকা দি আৰু সেইবোৰৰ ইংৰাজীত অনুবাদ কৰি বোৰ্ডৰ চেয়াৰমেন, বিভাগীয় স্কুল ইন্সপেক্টৰ আৰু কৰ্ত্তৃপক্ষৰ জৰীয়তে গৱৰ্ণমেণ্টলৈ ডাক যোগে পঠোৱা হৈছিল।

ডিব্ৰুগড় লোকেলবোৰ্ডৰ চেয়াৰমেনে প্ৰস্তাৱবোৰৰ প্ৰাপ্তি স্বীকাৰ কৰিছিল, শিৱসাগৰ লোকেল বোৰ্ডৰ চেয়াৰমেনে টকাৰ অভাৱত প্ৰস্তাৱবোৰ কাৰ্য্যত পৰিণত কৰিব নোৱাৰি বুলি উত্তৰ দিছিল। আনবিলাক বোৰ্ডৰপৰা উত্তৰ পোৱা নগল। কিন্তু মঙ্গলদৈ লোকেলবোৰ্ডে আমাৰ সম্মিলনৰ প্ৰস্তাৱ মতে প্ৰাইমাৰীস্কুলৰ বাজে খৰচৰ বাবে "মাচিফি চাৰি অনাকৈ দিব" প্ৰস্তাৱটো মঞ্জুৰ কৰিছিল। আৰু উত্তৰ লক্ষীমপুৰৰ সেই সময়ৰ ডেপুটি ইন্সপেক্টৰ শ্ৰীযুত শিৱচন্দ্ৰ শৰ্ম্মা ডাঙৰীয়াৰ যত্নত তাৰ বোৰ্ডৰ শিক্ষা সমিতিয়ে ১৭শ প্ৰস্তাৱ (কুটিৰ শিল্প বিষয়ক) কাৰ্য্যকৰী কৰিবলৈ সম্প্ৰতি যোৰহাট নৰ্ম্মাল স্কুলত উক্ত বিষয়ৰ শিক্ষা আৰম্ভ কৰিবলৈ ওপৰলৈ লিখিছিল। সুখৰ বিষয় আমাৰ মাননীয় স্কুল সমূহৰ ইন্সপেক্টৰ চাহাব মহোদয়ে কুটিৰ শিল্পৰ কিছুমান কাম নতুন বছৰত নৰ্ম্মাল স্কুলত আৰম্ভ কৰিবলৈ আদেশ দিয়ে। যোৰহাট নৰ্ম্মাল স্কুলৰ মাননীয় চুপাৰিণ্টেণ্ডেণ্ট মহোদয়ে তেখেতৰ স্কুলত বৰ্ত্তমানে কাম আৰম্ভ কৰিছে।

মাননীয় স্কুল সমূহৰ ইন্সপেক্টৰ মহোদয়ে যোৱা অধিবেশনৰ প্ৰস্তাৱবোৰৰ বিষয় ১১।২।৩৫ তাৰিখে চৰকাৰী ভাবে আমাৰ লগত আলোচনা কৰি সম্প্ৰতি (মহী তৈয়াৰ কৰা) আৰু কুটিৰ শিল্প বিষয়ক প্ৰস্তাৱ কাৰ্য্যত পৰিণত কৰিবলৈ চেষ্টা কৰিব বুলি অনুগ্ৰহ কৰি গৈছে নয়। কিন্তু বৰ্ত্তমান চলিত শিক্ষা বিষয়ৰ কি কি কমাই কুটিৰ শিল্প শিক্ষা দিয়াব পাৰি সেই সম্বন্ধে তেখেতে আমাক বহুত প্ৰশ্ন কৰে; আমি অকলে সেইবোৰৰ উত্তৰ নিদি শিক্ষক সভাৰ সম্পাদক আৰু জনচেৰেক অভিজ্ঞ শিক্ষকলৈ লিখি সিবিলাকৰ অভিমত সংগ্ৰহ কৰোঁ। পাচত সংগৃহীত অভিমতৰ লগত নিজৰ মত যোগ দি যুক্তিৰ সৈতে কৰিবলগীয়া পাঠ্যবিষয়ৰ পৰিবৰ্ত্তনবোৰ লিখি এখন পাঠ্য তালিকা তৈয়াৰ কৰি তেখেতক দিওঁ।

মহী তৈয়াৰ কৰা সহজ প্ৰণালীবোৰো লিখি তেখেতক দিয়া হৈছিল; বৰ্ত্তমানে ইয়াক গৱৰ্ণমেণ্টে ছপা কৰিছে; অলপ দিনৰ ভিতৰতে স্কুলে স্কুলে প্ৰচাৰিত হব।

আমাৰ কৰ্ত্তৃপক্ষৰ জৰীয়তে গৱৰ্ণমেণ্টলৈ পঠোৱা প্ৰস্তাৱবোৰৰ ভিতৰত ১০ম প্ৰস্তাৱ (The rules & ordersৰ অসমীয়া ভাঙনি কৰা) গ্ৰহণ কৰিছে। (৭ম সাহায্যকৃত শিক্ষকৰ দৰমহা গৱৰ্ণমেণ্ট হাইস্কুলৰ শিক্ষকৰ সমানে বঢ়োৱা) আৰু ১১শ প্ৰস্তাৱ (প্ৰাইমেৰী আৰু মজলীয়া স্কুলৰ শিক্ষকৰ লৰাক হাই স্কুলত মাচুল মাফ দিয়া) গৱৰ্ণমেণ্টে ধনৰ অভাৱত গ্ৰহণ কৰিব নোৱাৰে বুলি উত্তৰ দিছে। ৫ম প্ৰস্তাৱৰ (উপযুক্ত শিক্ষা পোৱা শিক্ষকৰ লৰাক শিক্ষকতা চাকৰি দিয়া) উত্তৰত কয়—যি হেতুকে অসমত

কম সংখ্যক (Under represented.) বা সংখ্যা হীন (Unrepresented) সমাজৰ লোক চাকৰিত কম আছে, সেই কাৰণে ৰ'ৰ্ডবিলাকক এই প্ৰস্তাব গ্ৰহণ কৰিবলৈ গবৰ্ণমেণ্টে অনুমতি দিব নোৱাৰে।

১২শ প্ৰস্তাৱৰ (অনুন্নত সম্প্ৰদায়ৰ ছাত্ৰক দিয়া বৃত্তিৰ সংখ্যা বঢ়োৱা) উত্তৰত গৱৰ্ণমেণ্টে কয়— কিছুদিনৰ আগতে এই সম্প্ৰদায়ৰ লৰাৰ বাবে কেইটামান বৃত্তি বঢ়াই দিয়া হৈছে, সম্প্ৰতি আৰু বঢ়াব পৰা নহব।

১৫শ প্ৰস্তাব (লোৱাৰ স্কুল চাৰ্টিচৰ শিক্ষকক স্কুল চাৰ্টিচলৈ প্ৰমোচন দিয়া সম্বন্ধে) গবৰ্ণমেণ্টে উত্তৰ দিছে যে "দুয়োবিধ চাৰ্টিচৰ শিক্ষকৰ আবশ্যকীয় শিক্ষাৰ পৰিমাণ (Qualifications required) বেলেগ, গতিকে এই প্ৰস্তাব গ্ৰহণ কৰিব নোৱাৰে।

১৬শ প্ৰস্তাৱৰ (অসমীয়া মাতৃভাষা থকা ছাত্ৰৰ হাইস্কুলৰ শিক্ষকে বঙালী পাচ কৰা নিয়ম উঠাই দিয়া) উত্তৰত গৱৰ্ণমেণ্টে কয়— যেহেতুক ই এটা নিৰ্দিষ্ট স্কুল সম্বন্ধীয় কথা, গতিকে গৱৰ্ণমেণ্টে ইয়াক গ্ৰহণ কৰিব নোৱাৰে।

৪। মহকুমা শিক্ষক সম্মিলন।

যোৱা বছৰৰ ভিতৰত শিৱসাগৰ, নগাঁও, মঙ্গলদৈ গুৱাহাটী, বৰপেটা, তেজপুৰ, ধুবুৰী আৰু যোৰহাটত মহকুমা শিক্ষক সম্মিলন হৈ গৈছে। এই সম্মিলন বোৰৰ কেইখানমানতো আমাৰ মাননীয় স্কুল সমূহৰ ইন্সপেক্টৰ মহোদয়ে সভাপতিৰ পদ গ্ৰহণ কৰিছিল। প্ৰত্যেকখন মহকুমা সম্মিলনতে প্ৰদৰ্শনী, শাৰীৰিক ব্যায়াম, শিক্ষাবিষয়ৰ আলোচনা, প্ৰাইমেৰী আৰু মধ্যবীয়া স্কুলৰ অভাব অভিযোগ আদিৰ বিষয় আলোচনা হৈছিল। আৰু সকলোবোৰ মহকুমা সম্মিলনকেই স্থানীয় বোৰ্ড বিলাকে আৰ্থিক সহায় কৰিছিল। শিৱসাগৰ মহকুমা শিক্ষক সম্মিলনৰ প্ৰদৰ্শনীৰ দ্বাৰ আসাম প্ৰদেশৰ জুডিচিয়েল মেম্বাৰ মাননীয় ৰায়বাহাদুৰ শ্ৰীযুত প্ৰমোদচন্দ্ৰ দত্ত মহোদয়ে উন্মোচন কৰিছিল। নগাঁও মহকুমা শিক্ষক সম্মিলনৰ সভাপতিৰ পদ গ্ৰহণ কৰিছিল মাননীয় ডাইৰেক্টৰ চাহাব বাহাদুৰে। আৰু জিলাৰ ডিপুটী কমিচনাৰ চাহাব মহোদয়ে অভ্যৰ্থনা সমিতিৰ সভাপতিৰ পদ গ্ৰহণ কৰিছিল। যোৰহাট মহকুমা শিক্ষক সম্মিলনত স্থানীয় হাইস্কুল বোৰ, ছোৱালী মাইনৰ স্কুল আৰু বঙালী মাইনৰ স্কুলৰ শিক্ষক সকলো যোগ দিছিল। যোৰহাট লোকেল বোৰ্ডৰ চিয়াৰমেন অনাৰেবল শ্ৰীযুত কেশব প্ৰসাদ বৰুৱা এম, এল, এ, ডাঙৰীয়াই এই সম্মিলনৰ অভ্যৰ্থনা সভাৰ সভাপতি আৰু মাননীয় স্কুল সমূহৰ ইন্সপেক্টৰ মহোদয়ে সম্মিলনৰ সভাপতিৰ পদ গ্ৰহণ কৰিছিল। সম্মিলন উপলক্ষে পতা প্ৰদৰ্শনীত স্থানীয়া ছাত্ৰই জাপি, খৰাহী আদি সাজি সূতা কাটি আৰু মাটিৰ মডেলত বং দি দেখুৱাই পুৰস্কাৰ পাইছিল। বিশেষ মিউনিচিপাল স্কুলৰ শিক্ষক শ্ৰীযুত ৰত্নেশ্বৰ দত্তই মহী তৈয়াৰ কৰি দেখুৱাই ৰূপৰ মেডেল লাভ কৰিছিল।

তেজপুৰ মহকুমা সম্মিলন শ্ৰীযুত নীলমনি ফুকন ডাঙৰীয়াৰ সভাপতিত্বত চলিয়াত হৈছিল। শ্ৰীযুত দেবেন্দ্ৰনাথ ভট্টাচাৰ্য্য ডাঙৰীয়াৰ সভাপতিত্বত চলিয়া শিক্ষক সভাৰ বছৰেকীয়া অধিবেশন এখন হাতৰ কামৰ প্ৰদৰ্শনীৰ সৈতে চলিয়াত হৈছিল। উক্ত প্ৰদৰ্শনীৰ বাবে শিক্ষা বিভাগে ২৫৲ টকা দিছিল।

৫। শিক্ষক সভা

আমাৰ প্ৰাথমিক শিক্ষক সভা প্ৰতি মাহৰ ২।৩ তাৰিখে বহে। এই সভাৰ কোনো কোনো অধিবেশনত মহকুমাৰ ডিপুটী ইন্সপেক্টৰ আৰু চব্ ইন্সপেক্টৰ সকলে সভাপতিৰ পদ গ্ৰহণ কৰে। সভাবোৰত মাষ্টৰে শিক্ষা প্ৰণালীৰ বিষয় আলোচনা হয়; কোনো কোনো শিক্ষকে আদৰ্শ পাঠ দিও দেখুৱায় এই শিক্ষক সভাবোৰৰ কোনো কোনো সভাই বছেৰেকীয়া অধিবেশনো পাতে;

৬। শাৰীৰিক ব্যায়াম চৰ্চ্চা।

যোৱা বছৰ আমাৰ গোটাই উপত্যকাতে শাৰীৰিক ব্যায়াম চৰ্চ্চা আগৰ বছৰতকৈ বেচি হৈছিল। উপত্যকাৰ ঠায়ে ঠায়ে বহুত শাৰীৰিক ব্যায়ামৰ কেম্প হয় আৰু বহুত ঠাইত মাচ ড্ৰিল হয়। অকল যোৰহাট নৰ্ম্মাল স্কুলতে শাৰীৰিক ব্যায়াম বিশেষ ভাবে তিনিবাৰ দেখুৱা হয়। মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে, আমাৰ উপত্যকাৰ ডিপুটী ইন্সপেক্টৰ আৰু হেড্মাষ্টৰসকলে আৰু মাননীয় ডাইৰেক্টৰ চাহাব মহোদয়ে ক্ৰমে দেখি আনন্দ প্ৰকাশ কৰি কৈছিল,— যে 'স্কুলীয়া লৰাই ইয়াতকৈ আৰু ভাল শাৰীৰিক ব্যায়াম দেখুৱাব পাৰে বুলি ভাবিব নোৱাৰি।"

৭। স্কাউটিং শিক্ষা

যোৱা বছৰ স্কাউটিং শিক্ষাও আগতকৈ ভালেখিনি বাঢ়িছে। চেৰাপুঞ্জিত স্কাউট কাব মাষ্টাৰসকলৰ কেম্প, চিলেট উডবেজ ট্ৰেইনিং কেম্প, বৰা, টেঙাখাট, শিৱসাগৰ, কামপুৰ আদি ঠাইত স্কাউট মাষ্টাৰৰ ট্ৰেইনিং কেম্প হৈছিল। ইয়াৰ উপৰি অলপতে চিলঙত আসামৰ স্কাউটৰ এটা জাম্বৰীও হৈ গল। ডাঙৰীয়াসকল, শুনি আনন্দ পাব যে, আমাৰ উপত্যকাই এই জাম্বৰীত বিশেষ নাম কৰিছিল।

আমাৰ উপত্যকাৰ ভিতৰত বৰপেটা গৱৰ্ণমেণ্ট হাইস্কুলৰ স্কাউত মাষ্টাৰ শ্ৰীযুত বনমালী ভট্টাচাৰ্য্যৰ নাম এই বিষয়ে বিশেষ উল্লেখ যোগ্য। তেখেতে বৰপেটাত দৌলৰ সময়ত স্কাউটৰ হতুৱাই আলিবোৰত পানী দিওৱা, ৰোগীক শুশ্ৰূষা কৰা আদি সংবাদ আমি পাইছোঁ। ইয়াৰ উপৰি এখন গাৰঁত জুই লাগি ছাই হোৱাত তেখেতে স্কাউটৰ দল লগত লৈ গীত গাই পইচা সংগ্ৰহ কৰে আৰু সেই ধনেৰে ঘৰ নথকা মানুহক ঘৰ সাজি দিয়ে, আৰু কাপোৰ নথকা মানুহক কাপোৰ কিনি দিয়ে। তেখেতৰ স্কাউটবিলাকৰ নিজৰ আৰ্জ্জিত ধনৰ চেভিংচ বেঙ্ক থকাও শুনিবলৈ পাইছোঁ।

৮। ৰেডক্ৰচ চোচাইটি

আমাৰ কিছুমান স্কুলত ৰেডক্ৰচ চোচাইটিও স্থাপিত হৈছে। ইয়াৰ ভিতৰত চোতিয়া মজলীয়া স্কুলৰ নাম বিশেষ উল্লেখ যোগ্য।

৯। চলন্ত লাইব্ৰেৰী

অসম উপত্যকাৰ স্কুল সমূহৰ ইন্সপেক্টৰ মাননীয় শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱে বহুদিনৰ পৰা যত্ন কৰি উইলিয়াম চনচ্ ফণ্ডৰ পৰা ২০০ টকাৰ এটি গ্ৰাণ্ট আনি আৰু শিক্ষা বিভাগৰ মাননীয় মন্ত্ৰী বাহাদুৰৰ পৰা ১০০ টকাৰ এটি দান লৈ "অসম উপত্যকাৰ শিক্ষা বভাগৰ চলন্ত লাইব্ৰেৰী" নামে এটি লাইব্ৰেৰী স্থাপন কৰিছে। বৰদা ৰাজ্যৰ বাহিৰে ভাৰতৰ ভিতৰত চলন্ত লাইব্ৰেৰীৰ এয়ে প্ৰথম প্ৰতিষ্ঠা। শিক্ষা বিভাগৰ যোগেদি মাননীয় শ্ৰীযুত গোস্বামী মহোদয়ক বৃটিচ ভাৰতত পোন প্ৰথম চলন্ত লাইব্ৰেৰী স্থাপন কৰোঁতা বুলিব পাৰি।

অতি আনন্দৰ কথা যে আমাৰ মাতৃৰ সুসন্তান অধ্যাপক শ্ৰীযুত বাণীকান্ত কাকতী ডাঙৰীয়াই অসমীয়া ভাষাৰ গবেষণা কৰি যোৱা বছৰ 'ডক্টৰ' উপাধি লাভ কৰিছে। ইয়াৰ আগতে অধ্যাপক মৌলবী মফিজুল ইচলাম বৰা চাহাবে 'ডক্টৰ' উপাধি লাভ কৰিছিল। আমি এই খিনিতে এই দুজনা আদৰ্শ গবেষকক ধন্যবাদ জনালোঁ।

১০। শিক্ষকৰ কাম

আমাৰ দেশৰ প্ৰত্নতাত্বিক বুৰঞ্জীবিদ অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই এই বছৰ ৰায় বাহাদুৰ উপাধি লাভ কৰিছে। যোগ্যজনক যোগ্য সন্মান দেখুৱা বাবে অসম গৱৰ্ণমেণ্টৰ আমি শলাগ ললোঁ। গৱৰ্ণমেণ্টৰ বিশেষ দৃষ্টি নপৰা শিক্ষা বিভাগত আৰু জনদিয়েক মনিষী আৰু কৰ্ম্মী আছে; আশা কৰোঁ সেই সকলকো শীঘ্ৰে পুৰস্কৃত কৰি আমাক উৎসাহিত কৰিব।

ভাল কাম কৰা বাবে যোৱা ৰূপালী জুবিলি উপলক্ষে গৱৰ্ণমেণ্টৰ সকলো বিভাগৰ কিছুমান লোকে মেডেল লাভ কৰিছিল। ইয়াৰ ভিতৰত আমাৰ শিক্ষা বিভাগৰ ভাগত কেৱল ৫৩ টা মেডেল পৰিছিল। আমাৰ উপত্যকাৰ মেডেল পোৱা সকলৰ নাম তলত উল্লেখ কৰা হল—

পৰিদৰ্শকসকল :—

শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী স্কুল সমূহৰ ইন্সপেক্টৰ।
" কেশৱচন্দ্ৰ দাস " এঃ "
" দেৱানন্দ শৰ্ম্মা " ডিপুটি ইন্সপেক্টৰ যোৰহাট।
" শশধৰ বৰুৱা " " গোৱালপাৰা।
খাঁ চাহেব বকৃস্ মহম্মদ " " ধুবুৰী।
মৌঃ আব্দুৰ ৰহমান " " গৌহাটী

শ্ৰীযুত চিত্ৰমল্ল বৰুৱা স্কুল চৱইন্সপেক্টৰ নলবাৰী বৰ্ত্তমান ডিঃ ইঃ যোৰহাট।

কলেজৰ প্ৰিন্সিপাল :—

শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা আৰ্ল ল কলেজ।
ডিঃ ইঃ ৰোবাৰ্টচ কটন কলেজ

কলেজৰ অধ্যাপক :—

আৰ আৰ, থমাচ
ৰায় বাহাদুৰ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা
শ্ৰীযুত ৰাধাকান্ত দাস
" আনন্দকিশোৰ দাস
ৰায়বাহাদুৰ শ্ৰীযুত বিজয়চন্দ্ৰ সেন
শ্ৰীযুত লক্ষ্মীনাৰায়ণ চাটাৰ্জ্জী
} কটন কলেজ

নৰ্ম্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট :—
শ্ৰীযুত ঘনকান্ত বৰুৱা।

আসাম স্কুল চাৰ্ভিচৰ শিক্ষকসকল :—

মৌলবী জহিৰুদ্দিন আহম্মদ যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ হেডমাষ্টাৰ।
শ্ৰীযুত ৰামেশ্বৰ বৰুৱা গোলাঘাট " "
" গিৰীশচন্দ্ৰ ৰায় চৌধুৰী বৰপেটা গৱৰ্ণমেণ্ট হাইস্কুলৰ এঃ হেডমাষ্টাৰ
শ্ৰীযুতা হেমপ্ৰভা দাস ডিব্ৰুগড় গৱৰ্ণমেণ্ট গাৰ্ল হাইস্কুলৰ হেডমিষ্ট্ৰেচ
শ্ৰীযুত বনমালী ভট্টাচাৰ্য্য বৰপেটা গৱৰ্ণমেণ্ট হাই স্কুলৰ এঃ মাষ্টাৰ।

লোৱাৰ আসাম স্কুল চাৰ্ভিচৰ শিক্ষকসকল—

মৌলবী আমদাদ হুচেন গোলাঘাট গৱৰ্ণমেণ্ট হাই স্কুলৰ এঃ মাষ্টাৰ।
শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা যোৰহাট নৰ্ম্মাল স্কুলৰ শিক্ষক।

এইসকল এইদৰে পুৰস্কৃত হোৱাত আমি আনন্দ লাভ কৰিছোঁ। স্বৰ্গীতেলিৰ মজলীয়া স্কুলৰ শিক্ষক এজনেও মেডেল লাভ কৰিছে কিন্তু আসাম ভেলিৰ মজলীয়া আৰু প্ৰাইমেৰী স্কুলৰ শিক্ষক সকলৈ গবৰ্ণমেণ্টে পিঠি দিয়া দেখি আমি বৰ বেজাৰ পাইছোঁ।

আমাৰ সহযোগীসকলৰ ভিতৰত বহুতে শিক্ষকতা কৰাৰ উপৰিও শিক্ষা বিভাগক নানা ভাবে সহায় কৰি আহিছে। কোনো কোনো শিক্ষকে শাৰীৰিক শ্ৰম কৰি, কোনো কোনো শিক্ষকে আৰ্থিক সহায় কৰি স্কুল স্থাপন কৰিছে; কোনো কোনোৱে ছাত্ৰাবাস তৈয়াৰ কৰি দিছে; কোনো-ৱেবা স্কুল ঘৰ সাজি দিছে। ইয়াৰ উপৰি কোনো কোনোৱে পুৰণি পুথি সংগ্ৰহ কৰি লুপ্তবস্তু উদ্ধাৰ কৰিছে; কোনো কোনেৱে বা আকৌ গ্ৰন্থ ৰচনা কৰি শিক্ষা বিভাগৰ অভাৱ পূৰ্ণ কৰিছে। তলত দুজন মানৰ নাম উল্লেখ কৰা হ'ল।

(১) শ্ৰীযুত দণ্ডীৰাম দত্ত (মজলীয়া স্কুলৰ শিক্ষক, গেহৈাটী) এখেতে পুৰণি কাইথেলী আঙ্ক সংগ্ৰহ কৰি প্ৰকাশ কৰিছে। এখেতৰ "কাইথেলী অঙ্কৰ পুথি" আৰু কৌতুক এই দুটা বিশেষ দান।

(২) শ্ৰীযুত হেমাৰীচন্দ্ৰ ফাংচু (প্ৰাইমেৰী শিক্ষক, দৰং) এখেত জাতিত মিৰি, নিজে অশেষ যত্ন কৰি স্কুল ঘৰ সাজিছে; আৰু পাহাৰী ছাত্ৰ থাকিবৰ নিমিত্তে ছাত্ৰাবাস তৈয়াৰ কৰি দিছে।

(৩) শ্ৰীযুত হৰি প্ৰসন্ন তামুলী ফুকন (স্কুল চব্ ইন্সপেক্টৰ, গৌহাটী) এম, এ, বি, টি, স্কাউটিং শিক্ষাৰ কাৰণে অলপতে এখন পুথি ৰচনা কৰি প্ৰকাশ কৰিছে।

(৪) ঘনশ্যাম বৰা (মজলীয়া স্কুলৰ শিক্ষক, দৰং) লৰাৰ হতুৱাই চিয়াহী তৈয়াৰ কৰাই স্কুলৰ কাম চলাইছে।

(৫) কুমুদেশ্বৰ বৰঠাকুৰ (ডিব্ৰুগড় হাইস্কুলৰ শিক্ষক বি, এ, বি, টি,) এখেতে ভাষা বিজ্ঞানৰ বিষয়ে গৱেষণা কৰি একেবিধ আখৰেৰে কেবাটাও ভাষা লিখিব পৰা, এবিধ আখৰ উলিয়াইছে আৰু স্বদেশে বিদেশে বিখ্যাত হৈছে।

(৬) শ্ৰীযুত দেবীনাথ সিংহ তালুকদাৰ (বৰনদী এম, ভি, স্কুল) কিছুদিনৰপৰা নৈশ বিদ্যালয় স্থাপন কৰিছে। বৰ্ত্তমানে ৩০ জন নিৰক্ষৰ ডেকাক শিক্ষা দিব ধৰিছে।

এইদৰে কামকৰি শিক্ষাবিভাগক আৰু লগতে গবৰ্ণমেণ্টক সহায় কৰা শিক্ষকৰ সংখ্যা বহুতো; বাহুল্য ভয়ত আমি সেইবোৰ উল্লেখ নকৰিলোঁ।

আমাৰ সন্মিলনৰ আয়-ব্যয়ৰ হিচাব অতি

১১ আয় ব্যয়

সংক্ষেপ; সন্মিলনৰ অন্তৰ্ভুক্ত শিক্ষক সভাৰ সংখ্যা ক্ৰমে বাঢ়ি ১৩৭ খন হলেও এতিয়ালৈকে আমি তলত দিয়া শিক্ষক সভাৰ পৰাহে বছৰেকীয়া ৰৰঙনি পাইছোঁ।

(১) ঢকুৱাখানা (২) নগাওঁ (৩) সৰভোগ বৰ নগৰ (৪) মঙ্গলদৈ (৫) নাজিৰ পুখুৰী কাজী (৬) উত্তৰ লক্ষ্মীমপুৰ (৭) বৰপেটা মহকুমা (৮) নাহৰ কটীয়া (৯) গুৱালকুছি (১০) শিৱসাগৰ (১১) ছিজন্ গ্ৰাণ্ট শালমাৰা (১২) বিহালি (১৩) পূৰ্ব্ব চাৰ্কল মাজুলি (১৪) বজিয়া শিক্ষক সভা (১৫) দহতীয়া (১৬) দেৰগাওঁ (১৭) আউনি আটি (১৮) নাৰায়ণপুৰ (১৯) বাহনা (২০) ধুবুৰী (২১) গোলাঘাট (২২) বৰনদী (২৩) কৰৰা (২৪) জাজি। ইয়াৰ ভিতৰত বিহালি

সভাৰ টকা অহা বছৰলৈ জমা ধৰা হৈছে।

যোৱা বছৰ খৰচ গৈ ১৩৬৮/৯ পাই জমা আছিল। বৰ্ত্তমান বছৰৰ উপাৰ্জ্জন ১২০৲ টকা। যোৱা বছৰৰ বাকী জমাৰে সৈতে বৰ্ত্তমান বছৰৰ মুঠ জমা ২৫৬৮/৯ পাই; মুঠ খৰচ ৬১৵০ অনা।

পত্ৰলিখা টিকত কাৰ্ড আদিত খৰচ	২৬৷৵০
ছাপা খৰচ	১০৸৵০
যোৱা গজলদই সন্মিলনীলৈ সহকাৰী সম্পাদকৰ অহা-যোৱা খৰচ (৩য়শ্ৰেণী ৰেলভাৰা)	১২৷০
লেফেকা	২৸/৩
কাগজ	২৷/০
ফাইল	২৲
বহী	১৷০
টেলিগ্ৰাম দিয়া	২৷০
	৬১৵০

এই সন্মিলনখন ভালদৰে চলাবলৈ বহুত ধনৰ আৱশ্যক। আমাৰ নিজৰ নানা কামৰ জঞ্জালত সন্মিলন ভালদৰে চলা নাই; মোৰ বিশ্বাস এজন ভাল ইংৰাজী জনা মানুহক মাহিলি ৩০।৪০ টকাৰ এটা এলাউন্স দিলে ইয়াৰ কাম ভালদৰে চলিব। আশা কৰোঁ আপোনালোকে এই অধিবেশনতে সন্মিলনৰ পুঞ্জিৰ বিষয় চিন্তা কৰি এটা ব্যৱস্থা কৰিব।

১২ ধনৰ অভাৱ

আমাৰ উপত্যকাত প্ৰাইমেৰী স্কুলৰ সংখ্যা ২,৮৯৯ খন। স্কুলেপতি এজনকৈ শিক্ষক ধাৰলেও প্ৰায় ৩ হেজাৰ জন শিক্ষক হয়। এনেস্থলত প্ৰাইমাৰী স্কুলৰ শিক্ষাৰ বাবে ট্ৰেইনিং স্কুল কেৱল একেখন। এই স্কুললৈ বছৰত ৬০ জনকৈ মাত্ৰ গুৰু পঢ়িবলৈ যায়। এনে অৱস্থাত আলেমান স্কুল ট্ৰেইনিং নোলোৱা শিক্ষকৰ দ্বাৰাই চলিবলগা হৈছে। বৰ্ত্তমানে স্কুলৰ সংখ্যা যিদৰে বাঢ়িব ধৰিছে প্ৰতি জিলাত একোখন গুৰু ট্ৰেইনিং স্কুলৰ বিশেষ দৰকাৰ; সম্প্ৰতি আৰু দুখন গুৰু ট্ৰেইনিং স্কুল হলেও ২।৪ বছৰ কাম চলাব পাৰি। আমাৰ সন্মিলনে এইবিষয়ে গৱৰ্ণমেণ্টক অনুৰোধ কৰিব বুলি আশা কৰিলোঁ।

১৩ শিক্ষাৰ অভাৱ

কোনো কোনো ঠাইত গুৰু ট্ৰেইনিং পাচ নথকা পুৰণা শিক্ষকে দৰমহা বেচি পায়। আগেয়ে বি, এ, পাচ কৰি সাহায্যকৃত স্কুলত সোমালে ৫০।৬০ টকা দৰমহা পাইছিল; বৰ্ত্তমানে ২৫।৩০ টকাত খাটিব লগাত পৰিছে। নৰ্ম্মাল পাচ কৰা শিক্ষকসকলে আগেয়ে ২০।২৫ টকা পাইছিল; বৰ্ত্তমানে কিছুমানে পেটৰ দায়ত ১২।১৩ টকাত সোমাব লগাত পৰিছে। গুণানুসাৰে উপযুক্ত দৰমহা নোপোৱা এই অসন্তুষ্ট শিক্ষকসকলৰপৰা ভাল শিক্ষা আশা কৰা সম্ভৱ নহয়। এই শ্ৰেণীৰ শিক্ষকে পোনতে মনপুতি কাম কৰা দেখিলেও পুৰণি হোৱাৰ লগে লগে উৎসাহ কমি যোৱা স্বাভাৱিক। দেশৰ শিক্ষাই আশানুৰূপ গা কৰিব নোৱাৰাৰ ই এটা প্ৰধান কাৰণ। এই দোষ গুচাবলৈ গৱৰ্ণমেণ্টে শিক্ষা বিভাগক দিয়া চলিত সহায়ৰ পৰিমাণ নবঢ়ালে কোনো বোৰ্ড বা সাহায্যকৃত স্কুলে স্কুলৰ শিক্ষাৰ অৱস্থা ভাল কৰিব নোৱাৰে।

১৪ শিক্ষাৰ বাধা

আজি আমাৰ দেশত শিক্ষিতৰ সংখ্যা শতকৰা প্ৰায় ৭ জন; কিন্তু এই হিচাবৰ ভিতৰত কেৱল নাম দস্তখত কৰিব পৰা লোকৰ সংখ্যা বেচি আছে। ইউৰোপৰ বহুত দেশত নিৰক্ষৰ লোক নাই। আনকি আমাৰ ভাৰতৰ দেশীয় ৰাজ্য

ৰহদাৰ প্ৰজা সাধাৰণৰ নিৰক্ষৰতাও ক্ৰমে আতৰিব ধৰিছে।

কিন্তু আমি কি কৰিব পাৰোঁ! দেশৰ শিক্ষাৰ বাবে মাননীয় শিক্ষা মন্ত্ৰীৰ ওচৰ চাপিলে তেখেতে উত্তৰ দিয়ে— "ধন দিয়া, তেহে তোমালোকৰ শিক্ষাৰ ব্যৱস্থা কৰিব পাৰিম।" ধন বিচাৰি ফাইনেন্স মেম্বাৰৰ ওচৰ চাপিলে তেখেতে কয়— "তোমালোকৰ দেশত কৃষি, শিল্প, বাণিজ্য নাই, মই ধন পাম কত?" ধন নহলে শিক্ষা নহয় আৰু শিক্ষা নহলে ধন নহয়। দেশৰ এই গুৰুতৰ সমস্যাটো গৱৰ্ণমেণ্টে বা জন সাধাৰণে কেতিয়া কিৰূপে সমাধান কৰিব পাৰিব কব পৰা নাই।

১৫ নিয়মাৱলীৰ পৰিবৰ্ত্তন।

বহুত বছৰৰ আগতে সন্মিলনৰ এখন নিয়মাৱলী ছপা কৰা হৈছিল। বৰ্ত্তমানে ইয়াৰ কিছুমান নিয়ম পৰিবৰ্ত্তন কৰা আৱশ্যক হৈ উঠিছে। যোৱা ৮ম অধিবেশনত সময়ৰ অভাৱত এইকাম কৰিব পৰা নহল। এই বছৰ যথেষ্ট সময় পোৱা হৈছে। আশাকৰোঁ বিষয়বাচনী সভাত সন্মিলনৰ নিয়মাৱলী ভালকৈ আলোচনা কৰি সংশোধন কৰিব।

১৬ ধন্যবাদ

ইয়াতেই আমাৰ কথাৰ ওৰ পৰিল। যি বৃটিচ সম্ৰাটৰ তলত আমি শান্তিৰে জীৱন নিৰ্ব্বাহ কৰিছোঁ, আৰু যি গৱৰ্ণমেণ্টৰ সুশাসনত আমি এইদৰে সন্মিলিত হবলৈ সুযোগ পাইছোঁ, সেই বৃটিচ সম্ৰাটৰ দীৰ্ঘ জীৱন আৰু সুশাসন কামনা কৰিলোঁ। আমাৰ উপৰিস্থ কৰ্ম্মচাৰী, বিশেষকৈ ডাইৰেক্টৰ আৰু স্কুল সমূহৰ ইন্সপেক্টৰ চাহাব মহোদয়দ্বয়ৰ, সকলো প্ৰকাৰ আশাতীত সহায়ৰ বাবে ধন্যবাদ জনালোঁ। তদুপৰি তেখেত দুজনে আমাক সহানুভূতি দেখুৱাবলৈ অপাৰ চৰকাৰী কাম কাটি কৰি হৈও, আমাৰ অভাৱ অভিযোগ শুনিবলৈ এই যোৰহাটলৈ আহি আমাৰ মাজত সোমাই, অশেষ কষ্ট ভোগ কৰিছেহি। আমাৰ এই সন্মিলন জীয়াই থাকে মানে এখেত দুজনৰ এই অপাৰ দয়াৰ কথা সন্মিলনৰ কাৰ্য্য-বিৱৰণীত জিলিকি থাকিব; আৰু অসমৰ শিক্ষা বিষয়ৰ বুৰঞ্জীৰ এই অধ্যায়টোৱে চিৰকাল সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব।

বোৰ্ডৰ চেয়াৰমেনসকলৰ লগতে, আৰু প্ৰতি মহকুমাৰ ডিপুটী ইন্সপেক্টৰ মহাশয়সকলে, আমাৰ সন্মিলনক সকলো প্ৰকাৰে সহায় কৰি আহিছে, সেই কাৰণে তেখেতসকলক আমাৰ হৃদয়ৰ কৃতজ্ঞতা নিবেদন কৰিলোঁ।

যোৰহাট নৰ্ম্মাল স্কুলৰ শিক্ষক আৰু ছাত্ৰসকলে পত্ৰাদি লিখাত আমাক বিশেষ সহায় কৰি থাকে; বিশেষকৈ শিক্ষক মহাশয়সকলে সদায় আৱশ্যকীয় পৰামৰ্শও আমাক দি থাকে আৰু নৰ্ম্মাল স্কুলৰ আলোচনী "প্ৰভাতে" আমাৰ সন্মিলনৰ কাম প্ৰচাৰ কৰাত বিশেষ সহায় কৰে, এইকাৰণে এইখিনিতে তেখেতসকলৰ সহায় স্বীকাৰ কৰি ধন্যবাদ জনালোঁ।

আমাৰ দেশৰ খবৰৰ কাকতবোৰে আমাৰ সন্মিলনৰ সকলো সংবাদ যথা সময়ত প্ৰকাশ কৰি আহিছে; তদুপৰি এই কাগজবোৰে দেশৰ শিক্ষা আৰু শিক্ষকৰ অৱস্থাৰ উন্নতিৰ অৰ্থেও সময়ে সময়ে আলোচনা কৰি আমাৰ সন্মিলনক অশেষ সহায় কৰিছে; সেই কাৰণে এই কাগজবোৰৰ সম্পাদক আৰু প্ৰতিষ্ঠাতাসকলৰ শলাগ লওঁ।

তেজপুৰীয়া ভাতৃসকলৰ ঐকান্তিক যত্নৰ ফলত আজি আমি ইয়াতে লগলাগিবলৈ সমৰ্থ হৈছোঁ। সেই কাৰণে ইয়াৰ ডিপুটী ইন্সপেক্টৰ আৰু গৱৰ্ণ

চেণ্ট হাইস্কুলৰ হেডমাষ্টৰক কেন্দ্ৰ কৰি শিক্ষা বিভাগৰ সকলো কৰ্মচাৰীৰ শাৰীৰিক আৰু মান-সিক শ্ৰমৰ বাবে পুনৰ ধন্যবাদ জনালোঁ।

শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা।

অসম শিক্ষক সন্মিলনৰ ৯ম অধিবেশনত গৃহীত হোৱা প্ৰস্তাৱ।

১ম প্ৰস্তাৱ — আমাৰ মহামান্য সম্ৰাট ভাৰতেশ্বৰ পঞ্চম জৰ্জৰ তিৰোভাবৰ বাবে অসম শিক্ষক সন্মিলনে গভীৰ শোক প্ৰকাশ কৰে আৰু তেখেতৰ পুণ্যাত্মাৰ উদগতিৰ কাৰণে জগদীশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰি ৰাজপৰিয়ালৰ প্ৰতি ভক্তি ভাবেৰে আন্ত-ৰিক সমবেদনা জনায়।

এই সন্মিলনে ভাৰত সম্ৰাট ৮ম এড-ৱাৰ্ডৰ সিংহাসনৰোহনত আনন্দ প্ৰকাশ কৰি তেখেতৰ দীৰ্ঘজীৱন কামনা কৰে।

প্ৰস্তাৱক— সভাপতি।

২য় প্ৰস্তাৱ :— গুৱাহাটী লোকেলবোৰ্ডৰ চেয়াৰ-ম্যান কৰ্ম্মবীৰ ৺নবীনচন্দ্ৰ বৰদলৈ, নাৰায়ণ-পুৰৰ অবসৰ প্ৰাপ্ত শিক্ষক ৺ভেবলাৰাম বৰা, ডেকা শিক্ষক ৺ভদ্ৰেশ্বৰ গগৈ, মঙ্গলদৈ মহকুমাৰ চিপাঝাৰৰ সাহিত্যিক শিক্ষক ৺মুক্তানন্দ গোস্বামী, মঙ্গলদৈৰ ৺জেনাৰাম ডেকা, ডিব্ৰুগড় অবসৰ প্ৰাপ্ত সাহি-ত্যিক শিক্ষক ৺মহম্মদ চুলেমানখাঁ, সাহিত্যিক পুৰণি শিক্ষক ৺অমৃতভূষণ অধিকাৰী, কাকজান মঙ্কাৰ স্কুলৰ ফুলাই ফুকন, যোৰহাট পৰ্ব্বতীয়া স্কুলৰ শিক্ষক ৺গোলাপচন্দ্ৰ বৰা, দেৰগাওঁ হাইস্কুলৰ শিক্ষক ৺গোলাপচন্দ্ৰ শৰ্ম্মা বি, এ, ডিব্ৰুগড়ৰ চিংখাঙৰ শিক্ষক ৺লক্ষ্মীনাথ গগৈ, কমাৰকুছি মজলীয়া স্কুলৰ শিক্ষক ৺ভুবনচন্দ্ৰ বৰুৱা, কমাৰকুছি বালিকা স্কুলৰ শিক্ষক ৺গোলকচন্দ্ৰ বৰুৱা, গোলাঘাট টাউন এম, ভি, স্কুলৰ শিক্ষক ৺খগেশ্বৰ বৰা, দবজি গাওঁৰ স্কুলৰ শিক্ষক ৺লক্ষ্মীকান্ত শৰ্ম্মা, বৰপেটা মহকুমাৰ সৰ্থেবাৰী বালিকা স্কুলৰ শিক্ষক ৺বিদুৰচন্দ্ৰ দাস, গড়িয়া এম, ভি, স্কুলৰ শিক্ষক ৺নীতিৰাম দাস, বহাটী এম, ভি, স্কুলৰ শিক্ষক ৺কৰুণাকান্ত ডেকা, নৰ্ম্মাল স্কুলৰ গুৰু ট্ৰেইনিং শ্ৰেণীৰ ছাত্ৰ শিক্ষক ৺অপূৰ্ব্ব চন্দ্ৰ ব্ৰহ্ম, আমিৰিখোৱা এল, পি, স্কুলৰ ৺ৰামেশ্বৰ ডেকা, মঙ্গলদৈৰ আৰাং বালিকা স্কুলৰ শিক্ষয়িত্ৰী ৺সৰোজবালা দাস, যোৰ-হাট বালিকা স্কুলৰ শিক্ষক কনকেশ্বৰ দত্ত, কামৰূপ কৰৰা এম, ই, স্কুলৰ শিক্ষক ৺যদুনাথ বৰুৱা, নগাৱঁৰ ৰাৰপুজীয়া এল, পি, স্কুলৰ শিক্ষক ৺সোমৰাম বৰদলৈৰ মৃত্যুত এই সন্মিলনে গভীৰ শোক প্ৰকাশ কৰে আৰু পৰমেশ্বৰৰ ওচ-ৰত তেখেতসকলৰ আত্মাৰ সদগতিৰ কামনা কৰে আৰু তেখেতসকলৰ শোক সন্তপ্ত পৰিয়ালৈলৈ আন্তৰিক সমবেদনা জনায়।

প্ৰস্তাৱক— সভাপতি।

৩য় প্ৰস্তাৱ— গৱৰ্ণমেণ্ট মজলীয়া স্কুলৰ প্ৰধান শিক্ষকসকলৰ কাম আৰু দায়ীত্ব গৱৰ্ণমেণ্ট হাইস্কুলৰ লোৱাৰ স্কুলৰ চাৰ্জ্জিচৰ সহকাৰী শিক্ষক সকলোতকৈ বেচি অথচ দৰ্মহাৰ স্কেল সমান; সেই কাৰণে এই সম্মিলনে প্ৰস্তাৱ কৰে যে গৱৰ্ণমেণ্ট মজলীয়া স্কুলৰ প্ৰধান শিক্ষক সকলক বৰ্ত্তমানতকৈ উন্নত স্কেলত দৰমহা দিয়া হওক।

প্ৰঃ শ্ৰীযুত ধনীৰাম দত্ত, তেজপুৰ।
সঃ ,, নকুলচন্দ্ৰ সভা পণ্ডিত, যোৰহাট।
অঃ ,, কুলুৰাম লাচন মিৰি, ডিব্ৰুগড়।

৪ৰ্থ প্ৰস্তাৱ:— (ক) গৱৰ্ণমেণ্ট মজলীয়া আৰু হাই স্কুলৰ শিক্ষকসকলে যি স্কেলত দৰ্মহা পায় লোকেলবোৰ্ড, মিউনিচিপেলবোৰ্ড আৰু এডেড্ মজলীয়া আৰু হাইস্কুলৰ শিক্ষকসকলকো তেনেকুৱা স্কেলত বেতন দিবলৈ এই সম্মিলনক টানি অনুৰোধ কৰে।

(খ) গৱৰ্ণমেণ্ট মজলীয়া সহকাৰী শিক্ষক সকলক যি স্কেলত দৰ্মহা দিয়া হয় গৱৰ্ণমেণ্ট, লোকেলবোৰ্ড, মিউনিচিপেল বোৰ্ড আৰু প্ৰাইমাৰী স্কুলৰ শিক্ষকসকলক তেনে স্কেলত বেতন দিবলৈ গৱৰ্ণমেণ্টক টানি অনুৰোধ কৰা হওক।

(গ) উক্ত প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ গৱৰ্ণমেণ্টে লোকেলবোৰ্ড মিউনিচিপেলবোৰ্ড, এডেড স্কুলবিলাকত দিয়া সাহায্যৰ পৰিমাণ বৰ্ত্তমানতকৈ বঢ়াবলৈ গৱৰ্ণমেণ্টক এই সম্মিলনৰ পৰা টানি অনুৰোধ কৰা হওক।

প্ৰস্তাৱক— শ্ৰীযুত আনন্দৰাম হাজৰিকা, যোৰহাট।
সমৰ্থক— শ্ৰীযুত নিমাই দত্ত বৰুৱা গোৱালপাৰা।
অনুমোদক— শ্ৰীযুত মুকেশ্বৰ ভূঞা, যোৰহাট।

৫ম প্ৰস্তাৱ:— (ক) গৱৰ্ণমেণ্ট মজলীয়া স্কুলৰ শিক্ষকসকলৰ ছুটীৰ সম্পৰ্কে গৱৰ্ণমেণ্টে যি নিয়ম বান্ধি দিছে, সেই নিয়মমতে লোকেলবোৰ্ড মিউনিচিপেলবোৰ্ডৰ শিক্ষক সকলোকো ছুটী দিবলৈ লোকেলবোৰ্ড মিউনিচিপালিটি বোৰ্ডৰ কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হওক।

(খ) লোকেলবোৰ্ড, প্ৰাইমাৰী স্কুলৰ শিক্ষকসকলৰ ছুটীৰ সম্পৰ্কে গৱৰ্ণমেণ্টে বান্ধি দিয়া নিয়মমতে যিবিলাক বোৰ্ডে মানিচলা নাই সেইবিলাক বোৰ্ডৰ শিক্ষক সকলক সেই নিয়মমতে ছুটী দিবলৈ কৰ্ত্তৃপক্ষক টানি অনুৰোধ কৰা হওক।

প্ৰস্তাৱক— শ্ৰীযুত নগেন্দ্ৰনাথ ভট্টাচাৰ্য্য।
সমৰ্থক— ,, তনুৰাম ডেকা, তেজপুৰ।
অঃ— ,, কৃষ্ণৰাম দাস, ঢকুৱাখানা।

৬ষ্ঠ প্ৰস্তাৱ:— বোৰ্ডৰ সকলো মজলীয়া স্কুলত মাহে ২৲ ছুটকাকৈ আৰু প্ৰাইমাৰীৰ প্ৰতি হেড্ পণ্ডিতৰ কাৰণে ।॰ চাৰি অনা আৰু প্ৰতি সহকাৰী শিক্ষকৰ কাৰণে ৵॰ দুই অনাকৈ স্কুলৰ বাবে খৰচ দিবলৈ কৰ্ত্তৃপক্ষকঅনুৰোধ কৰা হওক।

প্ৰস্তাৱক— শ্ৰীযুত ভুপেন্দ্ৰনাৰায়ণ নাথ, ধুবুড়ী।
সমৰ্থক— ,, গোলকচন্দ্ৰ পুজাৰী, গোলাঘাট
অঃ— ,, সুশীলচন্দ্ৰ দত্ত, ডিব্ৰুগড়।

৭ম প্ৰস্তাৱ ঃ— অসমৰ বিভিন্ন ঠাইত প্ৰত্যেক কেন্দ্ৰ সভাৰ অধিবেশনতে আজি প্ৰায় ছমাহ আগতে মাননীয় শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী মহোদয়ে আৰু শ্ৰীযুত বলীনাৰায়ণ বৰুৱা দেৱে কামৰূপত যিদৰে গাওঁ সংগঠনৰ কাম কৰিছে, সেইদৰে গাওঁ সংগঠন কাৰ্য্য কৰিবলৈ স্থানীয় অভিভাবক আৰু ভদ্ৰ-লোকসকলৰপৰা সভ্যভুক্ত কৰি গাওঁ সংগঠন সমিতি স্থাপন কৰিবলৈ এই শিক্ষক সভাই প্ৰস্তাৱ কৰে।

এই বিষয়ে এখন স্কীম কৰিবলৈ তলত নাম লিখা ভদ্ৰলোকসকলক অনু-ৰোধ কৰা হওক।

১। অসম উপত্যকাৰ স্কুল সমূহৰ ইন্স-পেক্টৰ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী ২। শ্ৰীযুত বলীনাৰায়ণ বৰুৱা ৩। শ্ৰীযুত তেজপুৰৰ ডেপুটী ইন্সপেক্টৰ ৪। অসম শিক্ষক সন্মিলনৰ প্ৰধান সম্পাদক

প্ৰঃ ঃ— শ্ৰীযুত অনিৰাম বৰা, নগাওঁ।
সঃ ঃ— „ বিপিনচন্দ্ৰ বৰুৱা গোলাঘাট।

৮ম প্ৰস্তাৱ ঃ— খেলাৰ কাৰণে প্ৰতি বছৰে মজলীয়া স্কুলতে বোৰ্ডে ১০৲ টকাকৈ সাহায্য দিবৰ কাৰণে প্ৰতি বোৰ্ডলৈ টানি অনুৰোধ কৰা হওক।

প্ৰঃ ঃ— শ্ৰীযুত লীলাৰাম বৰা।
সঃ ঃ— „ ছৰেন্দ্ৰনাৰায়ণ বৰ্দ্ধন।
অঃ ঃ— „ কীৰ্ত্তিনাথ ছৰবা।

৯ম প্ৰস্তাৱ ঃ— যিহেতু সুৰমা উপত্যকাই অসম বিশ্ববিদ্যালয় নিবিচাৰে, কলিকতা বিশ্ব-বিদ্যালয়ৰ আৱাৰপৰা দূৰ আৰু অসম উপত্যকাৰ মানুহবোৰৰ আৰ্থিক অৱস্থাও অতি বেয়া, সেই কাৰণে হব খোজা বিশ্ববিদ্যালয় অসম উপত্যকাৰ মাজ ঠাই অহা যোৱাৰ সুবিধা পুৰণি প্ৰসিদ্ধ নগৰ গুৱাহাটীত দিবলৈ গৱৰ্ণমেণ্টক টানি অনুৰোধ কৰা হওক।

প্ৰঃ ঃ— শ্ৰীযুত ধুলেশ্বৰ মহন্ত।
সঃ ঃ— „ কমলাকান্ত দত্ত বৰুৱা।
অঃ ঃ— „ শিবনাথ সোণোৱাল।

১০ম প্ৰস্তাৱ ঃ— ছাত্ৰসকলৰ বছৰি কামৰ পুৰস্কাৰৰ বাবে বোৰ্ডে আগেয়ে যি টকা দিছিল আজি কেইবছৰৰপৰা সেই সহায্য বন্ধকৰি দিছে প্ৰতি বোৰ্ডে যাতে পুনঃ স্কুল বোৰত বছৰি পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰে তাৰ বাবে বোৰ্ডবিলাকক টানি অনুৰোধ কৰা হওক।

প্ৰঃ ঃ— শ্ৰীযুত লোকনাথ শইকীয়া।
সঃ ঃ— „ নৰেশ্বৰ দাস।
অঃ ঃ— „ ভবেন্দ্ৰচন্দ্ৰ দাস, মঙ্গলদৈ।

১১শ প্ৰস্তাৱ ঃ— বছৰি এবাৰকৈ অসম উপত্যকাৰ বিভিন্ন ঠাইত এটি "শিক্ষা সপ্তাহ" (Educational week.) পাতিবলৈ স্থিৰ কৰা হওক।

প্ৰস্তাৱক— শ্ৰীযুত ৰাধিকা নাথ গোহাঁই (ডিব্ৰুগড়)
সমৰ্থক— „ গোপীনাথ বৰদলৈ, (নগাওঁ)
অনুমোদক— মৌলবী পৰাকুদ্দিন, (ধুবৰী)

১২শ প্ৰস্তাৱ— যোৱা বছৰৰ প্ৰস্তাৱবোৰ

কাৰ্য্যকৰী কৰিবৰ অৰ্থে নিম্নলিখিত প্ৰাই-মাৰী স্কুলৰ শিক্ষকসকলৰ দৰ্মহা সম্পৰ্কে (৮ম প্ৰস্তাৱ) সময়োচিত বন্দ লৈছিল আমাৰ দুই সম্পাদক ডাক্তৰীয়াক ক্ষমতা দিয়া হওক।

প্ৰস্তাৱক— শ্ৰীযুত পুণ্যধৰ গোস্বামী।
সমৰ্থক— ,, দুৰ্গেশ্বৰ শৰ্ম্মা।
,, — ,, কালী কান্তৰ বৰা।
অঃ — ,, বদুৰাম ভূঞা।

টোকা।

আমাৰ কথা।

১। অহা বছৰলৈ অসম শিক্ষক সন্মিলনৰ ১০ম অধিবেশন বৰপেটাত বহিব।

২। "প্ৰভাত" আৰু অসম শিক্ষক সন্মিলনৰ সহকাৰী সম্পাদক নৰ্ম্মাল স্কুলৰ শাৰীৰিক ব্যায়াম শিক্ষক শ্ৰীযুত আনন্দ ৰাম হাজৰিকা মহাশয় ডিব্ৰুগড় হাইস্কুললৈ বদলি হল।

৩। নৰ্ম্মাল স্কুলৰ সংস্কৃত শিক্ষক শ্ৰীযুত জয় কৃষ্ণ মিশ্ৰ মহাশয় বি, টি, পঢ়িবলৈ চিলঙলৈ গৈছে।

৪। আমাৰ অসমৰ সদাশয় মাননীয় শ্ৰীযুত ডাইৰেক্টৰ চাহাব মহোদয়ৰ যত্নত অসম গৱৰ্ণমেণ্টে চিলঙত বি, টি, পঢ়াৰ সুবিধা কৰি দিয়া বাবে আমি অতিশয় আনন্দ লাভ কৰিছোঁ; আৰু লগতে দয়ালু গৱৰ্ণমেণ্টক ধন্যবাদ জনাইছোঁ।

৫। অসম শিক্ষক সন্মিলনৰ "প্ৰচাৰ বিভাগ" নামে এটা বিভাগ খোলা হৈছে; শ্ৰীযুত আনন্দ ৰাম হাজৰিকা মহাশয় এই বিভাগৰ সম্পাদক নিযুক্ত হৈছে।

১। চিলচৰৰ শিক্ষাবিভাগীয় কৰ্ম্মচাৰীসকলৰ সন্মিলন :—

যোৱা ২০।২।৩৩ তাৰিখে বিভাগীয় স্কুল ইন্স-পেক্টৰ মাননীয় শ্ৰীযুক্ত সতীশচন্দ্ৰ ৰায় এম, এ, মহোদয়ৰ সভাপতিত্বত চিলচৰ নৰ্ম্মাল স্কুলৰ হলত শিক্ষাবিভাগীয় কৰ্ম্মচাৰীসকলৰ সন্মিলন এখন হৈ গৈছে। সেই সন্মিলনত শ্ৰীযুত ৰায় মহোদয়ে সভাপতিৰ আসনৰপৰা "শিক্ষাৰ লক্ষ্য" নামৰ এটি সুচিন্তিত আৰু উপাদেয় প্ৰবন্ধ পাঠ কৰে। সিদিনাৰ সন্মিলনত তলত উল্লেখ কৰা বেলেগ বেলেগ সমিতি-বিলাক গঠিত হয় :—

(ক) শিক্ষা পৰিষদ কাৰ্য্য নিৰ্ব্বাহক সমিতি। (খ) শিক্ষা-সেৱক—কাৰ্য্যকৰী সমিতি। (গ) শিক্ষা-বিস্তাৰ—কাৰ্য্যকৰী সমিতি। (ঘ) সাহিত্য-বিভাগ কাৰ্য্যকৰী সমিতি। (ঙ) ছাত্ৰ-মঙ্গল— কাৰ্য্যকৰী সমিতি। (শিক্ষা-সেৱক— ১১শ বছৰ, ৪ৰ্থ সংখ্যা, ১৪৮ পৃঃ)

২। মানুহৰ মূল্য—২৩।৶০ অনা :—

আমাৰ শাস্ত্ৰত আমাৰ দেহাটোক মাটিৰ ঘৰৰ লগত তুলনা কৰিছে। এতিয়াহে তাৰ আচল অৰ্থ পোৱা গ'ল। সম্প্ৰতি এজনা জাৰ্ম্মান ডাক্তৰে

স্থিৰ কৰিছে যে আমাৰ দেহাটোৰ মূল্য ২৩।৶০ অনাতকৈ বেচি হব নোৱাৰে।

মানুহৰ শৰীৰত যিমানখিনি তেল আছে, তাৰ বেচ হৈছে ৭৶০ অনা। এইদৰে শৰীৰৰ আন আন উপাদানবিলাকৰো বেচ ধৰা হৈছে। এই জনা ডাক্তৰৰ মতে এমোণ ত্ৰিশ সেৰ ওজনৰ এজন মানুহৰ মূল্য ২৩।৶০ অনা ৰাখোন।

(আলোচনী— ১৮৮৮ শঁক, শাওণ, ৪৫২ পৃঃ)

৩। মানুহৰ জনম-মৰণ :—

এঘণ্টাৰ ভিতৰত গোটেই পৃথিৱীত ৫৫৪০ জন মানুহৰ জন্ম হয় আৰু ৪৬৩০ জন মৰে। বাকী ৮১০ জন মানুহ প্ৰতি ঘণ্টাই পৃথিৱীত বাঢ়িব লাগিছে।

৪। চেনি :—

ঘণ্টাত ৯৯৬০০ টন চেনি পৃথিৱীত উৎপন্ন হয়; আৰু হজম হয় ৯৮০০০ টন।

(দৈনিক বাতৰি— ৩০।৫।৩৬)

শ্ৰীশ্ৰীৰাম চন্দ্ৰ দাস।

জয়-দ'লত ভুমুকি :—

১৮৫৬ শঁকৰ শাওণৰ 'আবাহন'ৰ ১৭৬৭ পিঠিত "জয়-দ'ল" নামৰ মোৰ এটা প্ৰবন্ধ প্ৰকাশ হৈছে। তাত 'জয়-দ'লৰ বিষয়ে মোৰ শক্তি সামৰ্থ্য মতে সামান্য ৰকমে আলোচনা কৰা হৈছে। জয়-দ'লৰ বিষয়ে অনুসন্ধান আৰু অধ্যয়ন কৰি লিখিব লগীয়া কথা অনেক আছে। অসমৰ সকলো পুৰণি মঠ-মন্দিৰ, আলি-পুখুৰী, গড়-মৈদাম, সত্ৰ নাম-ঘৰ আদিৰ সত্যমূলক অনুসন্ধান এতিয়াতৈকে কোৱা নাই যেন লাগে। আৰ্থৰ অভাৱত হৈ অসত্যমূলক বুৰঞ্জীৰ তথ্য প্ৰকাশ কৰা অনুচিত। ইয়াৰ বাবে তোল নহৈ স্থিৰ-চিত্তেৰে বুৰঞ্জী অধ্যয়ন আৰু প্ৰকাশ কৰিব লাগে। এখোন বুৰঞ্জী একোটা একোটা মহাজাতিৰ উন্নতি-অৱনতিৰ সূক্ষ-ভেঁটি বুলিব পাৰি।

অসমৰ অনেক দ'ল-দেৱালয়, পুখুৰী আদি লাহে লাহে নষ্ট হৈ যাব লাগিছে। শিৱসাগৰ নগৰৰ প্ৰায় ২ মাইল ওচৰতে থকা ৰঙীন'দল আৰু পুখুৰীক তাৰ উদাহৰণ স্বৰূপে কব পাৰি। এই দ'ল-পুখুৰী মহাৰাজ গদাধৰ সিংহৰ উদাৰতা আৰু কৃতজ্ঞতাৰ কীৰ্ত্তি স্তম্ভ। দ'ল-পুখুৰী দুইটাৰে অৱস্থা অত্যন্ত বেয়া হৈছে। দ'লৰ গাত গছ-বন গজি ঢাকি পেলাইছে। স্থানীয় ৰাইজে অন্ততঃ এই বিষয়ে চকু দিব পাৰে।

দেওবাৰ পাই ৭।৬।৩৮ তাৰিখে জয়দ'ল চাবলৈ বুলি ওলালোঁ। ৰংপুৰৰ মুকলি সেউজীয়া পথাৰৰ মাজত দ'ল-দেৱালয় ৰংঘৰ কাৰেং আদি চাই, গৰখীয়াবিলাকে মুকলি মনেৰে গীত গাই গাই ঘৰলৈ গৰু খেদি অনা দৃশ্য দেখি তৃপ্তি পোৱা যায়। শিক্ষাৰ বাহিৰেও এনে মুকলি ঠাইত ভ্ৰমণৰপৰা আয়ুস-শ্ৰী বেচি হয় যেন লাগে। সিদিনা মোৰ লগৰীয়া আছিল, ডেকা সাহিত্যিক শ্ৰীযুত মোহন ৰাম শইকীয়া (শিৱসাগৰ পালিটেকনিক্ স্কুলৰ শিক্ষক) আৰু ছাত্ৰ শ্ৰীমান সৰ্ব্বানন্দ দত্ত, শ্ৰীমান কমলা কান্ত কোছ শ্ৰীমান যোগাৰাম কোছ আৰু শ্ৰীমান লোক নাথ কোছ। এই চমু ভ্ৰমণত শ্ৰীযুত শইকীয়া আৰু ছাত্ৰ চাৰিজনৰপৰা মই যথেষ্ট সহায় পাইছোঁ।

জয়-দ'লৰ ৰং লাহে লাহে কেঁৰা হৈছে। গাত অলপ-অচৰপ বন গজিছে। সোণৰ কলচী নাই—থকা চিন আছে। গাত নতুন ৰং দিলে কিছু ভাল হব পাৰে। পূজা-পাতি একো নহয়। বছৰত এবাৰহে ইয়াত জয়মতী-উৎসৱ হয়। শিৱসাগৰ জয়মতী উৎসৱ সমিতিয়ে এইদ'লৰ প্ৰতি কিছু নজৰ ৰখা ভাল।

জয় দ'লৰ গাত থকা ছটা মূৰ্ত্তিৰ বিষয়েহে ইয়াত চমুকৈ উল্লেখ কৰা হব। দ'লৰ পূবফালে দুৱাৰৰ ওপৰত ৰাজ-সাজেৰে মহাৰাজ ৰুদ্ৰসিংহৰ মূৰ্ত্তি এটা আছে। কিছুদিন আগতে তাৰ এটা ফটোৱে যোগ্যজনৰ ওচৰলৈ পঠোৱা হৈছে।

(ক) অনন্ত শয্যাত নাৰায়ণ :—

জয়-দ'লৰ উত্তৰকালৰফালৰ ৮।৯ ফুটমান ওপৰত ইয়াত উল্লেখ কৰা "অনন্ত শয্যাত নাৰায়ণ" মূৰ্ত্তি অৱস্থিত। এই শাৰীত এই পাঁচটা মূৰ্ত্তি আছে— (১) এন্দুৰৰ ও বুঢ়া গণেশ মূৰ্ত্তি, তালৈ আছে, এন্দুৰৰ কাণ দুখন ভগ্ন। (২) চতুৰ্ভুজ মূৰ্ত্তি। (৩) কি মূৰ্ত্তি ধৰিব নোৱাৰি,— ভাঙিছে (৪) চতুৰ্ভুজ মূৰ্ত্তি (৫) অনন্ত শয্যাত নাৰায়ণ।

নাৰায়ণ মূৰ্ত্তি থকা খাপটোৰ দীঘ ৪ ফুট, পুতল ২ ফুট। তলত প্ৰথমতে পদুম পাহি কেইটামান, তাৰ ওপৰত পদুমৰ দুপাৰ চকা, তাৰ ওপৰত পশ্চিম মূৰাকৈ থকা এটা ভেকুলী, ভেকুলীটোৰ দীঘ ৮ ইঞ্চি যেন থাই থকা পদুমৰ পাহ বোৰৰ দীঘ ১ ফুট ১ ইঞ্চি। ভেকুলীৰ ওপৰত পশ্চিম মূৰাকৈ সাপ দে' কি এটা জন্তু আছে, সেইটো ধৰিব নোৱাৰি। নাৰায়ণ মূৰ্ত্তিৰ কেউফালে ১২টা সাপে ফণা তুলি আছে। ওপৰত ৮ টা সাপৰ মূৰত একোটাকৈ হাতী আছে। হাতীৰ ওপৰত আকৌ আউঁজি বহিব পৰাকৈ একোখন আসন আছে। এই বিষয়ে আমি সবিশেষ নাজানোঁ।

নাৰায়ণ পদ্মাসনত বিশ্ববিমোহন ৰূপ ধৰি যোগ মগ্ন। এই চতুৰ্ভুজ মূৰ্ত্তিটো দেখিবলৈ শাস্ত্ৰত বৰ্ণনা কৰা মহাপ্ৰলয়ৰ কথা মনলৈ আহে। এখন হাত দুখনেদি তুতি কৰি আছে; তলৰ হাত দুখনৰ সোঁহাতত গদা (ভাঙিছে) আৰু বাওঁহাতত শঙ্খ আছে। কাণত কুণ্ডল, মূৰত মুকুট, ডিঙিত হাৰ বাহু আৰু হাতত অলঙ্কাৰ আছে। ককালত কাপোৰৰ গাঁথি আৰু গাত কাপোৰ আছে।

(খ) নৰসিংহৰূপী নাৰায়ণ :—

ওপৰত উল্লেখ কৰা নাৰায়ণ মূৰ্ত্তিৰপৰা ৬ টা মূৰ্ত্তি এৰি আঁতি সপ্তম খাপত নৰৰূপী নাৰায়ণৰ মূৰ্ত্তি পোৱা যায়। মূৰ্ত্তিটো পশ্চিম মূৰাকৈ আছে। এই মূৰ্ত্তিৰ জৰিয়তে শিল্পীয়ে প্ৰহ্লাদ চৰিত্ৰৰ পুণ্য কথা প্ৰকাশ কৰিছে।

"ব্ৰহ্মা শিৱ মুনি　　আছিলো নপাৰে
　　পূজিবে তোমাৰ পায়।
কিবা স্তুতি-নতি　　কৰিবোহো আমি
　　অসুৰ ক্ৰূৰ স্বভাৱ॥" (কীৰ্ত্তন)

এই মুনি যেন ভক্তি পদ পদ ঢিলেৰে ব্ৰহ্মজ্ঞানী প্ৰহ্লাদে শ্ৰীহৰিৰ চৰণত মন প্ৰাণ সঁপি

দি তুলি ধৰিছে। এই মূৰ্ত্তিটো খুব ভাৱব্যঞ্জক আৰু চিত্তাকৰ্ষক হৈছে। প্ৰহ্লাদৰ কাণত কুণ্ডল আছে। চতুৰ্ভুজ নৰসিংহই কঙ্কাল ধৰি জিভা উলিয়াই হিৰণ্যকশিপুক অঙ্কত ৰাখিছে আৰু তাক পেলাই লৈ পেট ফালি নাড়ী উলিয়াই সেই নাড়ী ছডাল মূৰলৈকে তুলি লৈছে। হিৰণ্যকশিপুও দৈৱ ভাবে ঈশ্বৰ আৰাধনা কৰা ভক্ত বাবেই যোগে নৰসিংহই তেওঁৰ পেটৰ নাড়ী উলিয়াই মূৰত লৈছে। অজন্ম ৰক্ত যে ভগৱন্ত— তাক এই মূৰ্ত্তিয়ে সুন্দৰকৈ প্ৰকাশ কৰিছে। সিংহৰূপে দুই হাতে নাড়ী উলিয়াইছে; দৈত্য পতিৰ দৰ্পহৰণৰ এই দৃশ্যটি দেখি মনত কিবা ধৰণৰ ভাব ওপজে। দৈত্যেশ্বৰ হিৰণ্যকশিপুৱে এখন হাতেৰে নৰসিংহৰ হাতত ধৰিছে। দৈত্যেশ্বৰ আৰু নৰসিংহৰ মূৰত মুকুট আছে। এই খোদিত কেইটা মূৰ্ত্তিৰ কাৰণ ক'লা ব্ৰহ্মাৰ বৰ লৈ লক্ষ্য কৰি সন্ধ্যা সময়ত হিৰণ্যকশিপুক বধ কৰা বাবেই হব পাই ইয়াত ক'লা ৰং দিছে। সিংহৰ কেশৰ দেখি, তিনিটা হাৰ আছে। এই বিষয়ে আজিকালিও নামত গায়— "নৰসিংহ কায়া ধৰি, হিৰণ্যক বধে হৰি গোকুলত কৃষ্ণ অৱতাৰ" এই দুই বিষ্ণু মূৰ্ত্তিৰ ওচৰত আহি দেখা ভলাইছে।। বৰপেটা সত্ৰৰ "কীৰ্ত্তন ঘৰৰ" সেৰতো দুখন দুৱাৰৰ অসংখ্য পৌৰাণিক মূৰ্ত্তি আছে।

তালৈকে চাব পাৰিলে যা চাব জানিলে জয়-দ'লৰ গাত থকা মূৰ্ত্তি সমূহৰপৰা আৰু ন-ন কথা ওলাব পাৰে। জয়-দ'লক এখন নানা মূৰ্ত্তিৰ দেশ বুলিব পাৰি। এই মূৰ্ত্তি সজা শিল্পীসকলৰ শিল্প-কুশলতা প্ৰশংসনীয়। আমাৰ দেশৰ উন্নতি অহা বৰ্ত্তমানৰ শিল্পীসকলে এনে পুৰণি দ'ল-দেৱালয় সমূহলৈ বিশেষ দৃষ্টি ৰাখে যেন।

দিনতে হাতত লেম্প এটা লৈ জয়-দ'লৰ ভিতৰত সোমালো গৈ। বাহিৰৰপৰা ৮ থাক নামি গ'লে ভিতৰত সমান ঠাই পোৱা যায়। ওপৰলৈ চালে একো নেদেখি ঘোপমৰা এন্ধাৰ। দ'লৰ পাৰে জৰি জৰি পানী পৰে; সেইবাবে ভিতৰখন সেমা। ভিতৰত উত্তৰ-দক্ষিণাকৈ এখন পকা কৰা থাপনা আছে। তাৰ দীঘ ৮ ফুট, পুতল ৭ ফুট, ওখ প্ৰায় ২ ফুট; গাত ফুল কটা আছে।

জয়-দ'ল, ৰং ঘৰ আৰু কাৰেং ঘৰৰপৰা নগা পাহাৰখন ভাল বতৰত খুব সুন্দৰকৈ দেখা যায়। আমাৰ সিদিনাৰ কাম আজি যোৱাত ৰং ঘৰেৰে পঞ্জা মুকা হ'লো।

শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস।

যোৰহাট নৰ্ম্মাল স্কুলৰ জ্ঞান-দায়িনী সভাৰপৰা শ্ৰীযুত মনকান্ত ভট্টাচাৰ্য্যৰদ্বাৰা প্ৰকাশ হয়।
আৰু দলবাৰী বান্ধৱ প্ৰেছত শ্ৰীৰূপীনাথ দুৱৰাৰদ্বাৰা ছপা হয়।